ISSN-0971-8397

# যোজনা

# আলোচনী গোষ্ঠীৰ মাহেকীয়া

# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ প্ৰথম সংখ্যা মাৰ্চ-২০১৫ মূল্য ২০.০০ টকা

বিশেষ সংখ্যা

## কেন্দ্ৰীয় বাজেট ২০১৫-১৬

**ভাৰতক গোলকীয় পণ্য উৎপাদন কেন্দ্ৰৰূপে ৰূপান্তৰ**
অমিতাভ কান্ত

**বাজেট ২০১৫-১৬ ঃ বিকাশ, নিয়োগ আৰু কল্যাণ**
ডি.কে. শ্ৰীবাস্তৱ

**উত্তৰদায়িত্বৰ স্থানান্তৰণ ? মহিলাৰ দৃষ্টিৰে বাজেটত অৱলোকন**
নীতা এন


**অৰ্থনৈতিক স্বাস্থ্যৰ বিশ্লেষণ**
অসীমা গোৱেল

**ৰেইল বাজেটঃ প্ৰগতিৰ বাবে উদ্যমী পদপথ**
জি. শ্ৰীনিবাসন

বিশেষ প্ৰৱন্ধ
**যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ দিশত এটা সঠিক খোজ**
প্ৰভাকৰ চাহু



আলোকপাত প্ৰৱন্ধ
**ৰাষ্ট্ৰীয় দক্ষতা বিকাশ কাৰ্যসূচী ঃ সন্মুখৰ পথ**
স্বদেশ সিং




*অধ্যয়ন কৰিবলৈ দিয়ক*

## আপোনাৰ শিক্ষা অব্যাহত ৰাখক
## মুকলি বিদ্যালয় অৱলম্বন কৰক

| পাঠ্যক্রম | নামভৰ্ত্তিৰ মাচুল (বিলম্ব মাচুল অবিহনে) | | | নামভৰ্ত্তিৰ তাৰিখ |
|---|---|---|---|---|
| | পুৰুষ | মহিলা | বহিৰ্ভূত শ্ৰেণী | |
| মুকলি বুনিয়াদী শিক্ষা (তৃতীয়, পঞ্চম আৰু অষ্টম) | - | - | - | ৩০ জুন (প্ৰতি বছৰে) |
| মাধ্যমিক (দশম শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৩৫০/- টকা<br>২০০/- টকা | <br>১১০০/- টকা<br>২০০/- টকা | <br>৯০০/- টকা<br>২০০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| জ্যেষ্ঠ মাধ্যমিক (দ্বাদশ শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৫০০/- টকা<br>২৩০/- টকা | <br>১২৫০/- টকা<br>২৩০/- টকা | <br>৯৭৫/- টকা<br>২৩০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| বৃত্তিমূলক শিক্ষা কাৰ্যসূচী (৬ মাহৰ পৰা ২ বছৰীয়া) | পাঠ্যক্রম আৰু সময়সীমাৰ ওপৰত ভিত্তি কৰি | | | প্ৰথম কাৰ্যকাল - ৩০ জুন (প্ৰতি বছৰে)<br>দ্বিতীয় কাৰ্যকাল - ৩১ ডিচেম্বৰ (প্ৰতি বছৰে) |

**নামভৰ্ত্তিৰ বাবে আপোনাৰ ওচৰৰ অধ্যয়ন কেন্দ্ৰ বা সংশ্লিষ্ট মাণ্ডলিক কেন্দ্ৰৰ সৈতে যোগাযোগ কৰক।**

**জৰিমনাসহ মাচুল, অধ্যয়ন কেন্দ্ৰ, মাণ্ডলিক কেন্দ্ৰ ইত্যাদিৰ বিষয়ে সবিশেষ জানিবৰ বাবে**

**NIOS Webside : www.nios.ac.in**

# National Institute of Open Schooling

**(An Autonomous Institution under Ministry of Human Resource Development, Govt. of India)**

**A-24/25, Institutional Area, Sector - 62, NOIDA, Gautam Budh Nagar (Uttar Pradesh)**

**Toll Free No. 1800-180-9393; email: lsc@nios.ac.in website: www.nios.ac.in**

**The Largest Open Schooling System in the World**

# এই সংখ্যাত

## পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VIL. - 46 No.1**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ প্ৰথম সংখ্যা**
**মাৰ্চ ঃ ২০১৫**


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


| | | পৃষ্ঠা |
|---|---|---|
| ভাৰতক গোলকীয় পণ্য উৎপাদন কেন্দ্ৰৰূপে ৰূপান্তৰ | অমিতাভ কান্ত | - ৩ |
| ২০১৫-১৬ ৰ বাজেট ঃ বিকাশ, নিয়োগ আৰু কল্যাণ সাধনত ইয়াৰ প্ৰভাৱ | উ কে শ্ৰীবাস্তৱ | - ৮ |
| উত্তৰদায়িত্বৰ স্থানান্তৰণ ? মহিলাৰ দৃষ্টিৰে বাজেটত অৱলোকন | নীতা এন | - ১১ |
| অৰ্থনৈতিক সমীক্ষা বনাম ২০১৫-১৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট | অসীমা গোৱেল | - ১৫ |
| ৰে'ল বাজেট ঃ প্ৰশস্ত প্ৰগতিৰ পথ | জি শ্ৰীনিবাসন | - ২০ |
| চতুৰ্দশ বিত্ত আয়োগৰ অনুমোদনাৱলী সংযুক্ত গাঁথনিৰ দিশত এটা সঠিক খোজ | প্ৰভাকৰ চাহু | - ২৩ |
| ৰাষ্ট্ৰীয় দক্ষতা বিকাশ কাৰ্যসূচী | স্বদেশ সিং | - ৩০ |
| ২০১৫-১৬ বৰ্ষৰ বাজেটৰ সামাজিক দিশ আৰু পৰিব্যাপ্তি | মণিষ গোভিল | - ৩৫ |
| কেন্দ্ৰীয় বাজেট ২০১৫-১৬ ঃ মুখ্য বিষয়সমূহ | | - ৭ |
| ২০১৫-১৬ চনৰ ভাৰতৰ কেন্দ্ৰীয় বাজেটত কৰ আৰু কৃষি সম্পৰ্কীয় প্ৰস্তাৱ | ড° গৌৰাঙ্গ কুমাৰ শৰ্মা | - ৩৯ |
| ২০১৫-১৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত মহিলা আৰু শিশু | ড° ৰাণী মুদিয়াৰ ডেকা | - ৪১ |
| কেন্দ্ৰীয় বাজেটত আন্তঃগাঁথনি খণ্ড | মনোৰঞ্জন বণিক্য | - ৪৪ |
| ২০১৫-১৬ বৰ্ষৰ বাজেটত উত্তৰ-পূবলৈ উপহাৰ | বিদ্যুৎ বৰুণ শৰ্মা | - ৪৬ |
| ২০১৫-১৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ এটা বিশ্লেষণ | ববিতা শৰ্মা | - ৪৯ |
| ২০১৫-১৬ বৰ্ষৰ সাধাৰণ বাজেটত সামাজিক সুৰক্ষা ঃ এটি অৱলোকন | সূৰ্য চুতীয়া | - ৫৪ |
| ৰে'ল বাজেটঃ ২০১৫-১৬ | নৰকান্ত বৈশ্য | - ৫৬ |
| তেলৰ আন্তৰ্জাতিক আৰু ঘৰুৱা মূল্যৰ গতিবিধি | ইৰন্ময় ৰয়, অনিল কুমাৰ আৰু বিজয় শ্বেখাৱট | - ৫৯ |
| বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰভাৱশালী কাৰক ঃ ভাৰত আৰু চীনৰ সন্দৰ্ভত তুলনামূলক অধ্যয়ন | নেহা চাইনী মণিকা সিংহানিয়া | - ৬২ |
| উত্তৰ পূব ভাৰতৰ বাঁহ আৰু বেতৰ জৈৱ-বৈচিত্ৰ্য | ড° প্ৰশান্ত হাজৰিকা | - ৬৬ |
| কৃষকৰ পৰম বন্ধু ই. পি. এন. | অৰূপ কুমাৰ শৰ্মা | - ৬৯ |
| অসমত ফুলৰ বাণিজ্য সম্ভাৱনীয়তা আৰু সমস্যা | মুনু দেৱী | - ৭১ |
| আপুনি জানেনে ? | | ৩ নং বেটুপাত |



পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in

**প্ৰকাশক ঃ** অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩

**মুদ্ৰক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

# বিনিয়োগ আৰু বিকাশত আলোকপাত

বৰ্তমান চৰকাৰৰ বহু প্ৰত্যাশিত পূৰ্ণাঙ্গ বাজেটখন আৰশেষত উল্লেখযোগ্য বিবেচনাৰে উত্থাপিত হ'ল। সি যি কি নহওক, প্ৰত্যাশিত জনপ্ৰিয় ঘোষণাৰ পৰিৱৰ্তে বাজেটখনত ভালেমান সৰু কিন্তু বিনিয়োগ আৰু বিকাশৰ উৎকৰ্ষ সাধনৰ কাৰণে সফল পদক্ষেপৰ প্ৰস্তাৱ কৰিছে। বিত্তমন্ত্ৰীয়ে ৮ শতাংশতকৈ অধিক মুঠ ঘৰুৱা উৎপাদনৰ দীৰ্ঘকালীন বহনক্ষম বিকাশৰ লক্ষ্যৰে কিছুমান মৌলিক বিষয় উত্থাপন কৰিবলৈ আৰু বিশ্বৰ ভিতৰত ভাৰতক দ্ৰুতবেগী অৰ্থনৈতিক বৰ্দ্ধনৰ দেশ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে।

সামাজিক বিকাশৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি বাজেটখনে দেশৰ বিকাশৰ কাৰণে সকলো লোকৰে ভূমিকাক স্বীকৃতি দান কৰি তেওঁলোকৰ জীৱন জীৱিকা উন্নত কৰিবলৈ সবলীকৰণ কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাইছে। বাজেটখনে এফালে জীৱিকাৰ সম্প্ৰসাৰণ আৰু বিনিয়োগ সুবিধা বৃদ্ধি আৰু আনহাতে সামাজিক সুৰক্ষা ব্যৱস্থা গঠনৰ বাবে গুৰুত্ব আৰোপ কৰিছে।

নতুন পেন্সন আঁচনিৰ অধীনত কৰ হ্ৰাসকৰণৰ সীমা ১.৫ লাখ টকালৈকে বৃদ্ধি, স্বাস্থ্য বীমা প্ৰিমিয়ামত ২৫ হেজাৰ টকা পৰ্য্যন্ত কৰ হ্ৰাস, নিচেই কম প্ৰিমিয়াম পৰিশোধেৰে মৃত্যুৰ ক্ষেত্ৰত ২ লাখ টকাৰ বীমা সামৰি লোৱা প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনাৰ ঘোষণা এই ক্ষেত্ৰত প্ৰধান আৰম্ভণি বুলি ক'ব পাৰি। মহিলাৰ সুৰক্ষা, ওকালতি আৰু সজাগতা আদি সমৰ্থন কাৰ্যসূচী ৰূপায়ণৰ বাবে ২০১৫-১৬ বৰ্ষৰ বাবে নিৰ্ভয়া পুঁজিৰ অধীনত এহেজাৰ কোটি টকা ধাৰ্য্য হৈছে।

দেশৰ যুৱ জনসংখ্যাৰ ব্যাপক সম্ভাৱনাৰ পৰা সম্পদ আহৰণ আৰু তেওঁলোকৰ নিয়োগযোগ্যতা বৃদ্ধি কৰিবলৈ বাজেটত এলানি ব্যৱস্থা ঘোষণা কৰা হৈছে। সমগ্ৰ দেশত ৫ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত প্ৰতিটো শিশুৰ বাবে উপলব্ধ হোৱাকৈ উচ্চ-মাধ্যমিক বিদ্যালয় স্থাপন আৰু কাৰিকৰী আৰু দক্ষতা-শিক্ষাৰ উচ্চ প্ৰতিষ্ঠানৰো প্ৰস্তাৱ কৰা হৈছে। সংখ্যালঘু যুৱক/যুৱতীৰ বাবে শিক্ষা আৰু জীৱিকা সংহত কৰি গ্ৰহণ কৰা হৈছে 'নঈ মঞ্জিল' নামৰ আঁচনি আৰু একেদৰে অনুসূচীত জাতি/জনজাতিৰ যুৱক/যুৱতীসকলক অগ্ৰাধিকাৰ দিয়াৰ বাবে প্ৰৱৰ্ত্তন কৰিবলগীয়া মাইক্ৰ' ইউনিটছ্ ডেভলপমেন্ট ৰিফাইনেন্স এজেন্সি চমুকৈ মুদ্ৰা বেংকৰ দ্বাৰা মাইক্ৰ' ফাইনেন্স প্ৰতিষ্ঠানসমূহক পুনৰ পুঁজিৰ যোগান ধৰিব খোজা হৈছে। স্ব-নিয়োজন আৰু প্ৰতিভা ব্যৱহাৰ (এছ.ই.টি.এউ) কাৰ্য্যসূচীয়ে পোনেই আৰম্ভ কৰা ব্যৱসায়ৰ সকলো দিশ আৰু স্ব-নিয়োজন কাৰ্যাৱলীৰ বিশেষকৈ প্ৰযুক্তি বিজ্ঞানচালিত এলেকাত সমৰ্থন যোগাব। ৰাষ্ট্ৰীয় দক্ষতা অভিযানে ভালেমান মন্ত্ৰালয়ত ব্যাপ্ত হৈ থকা দক্ষতা উদ্যোগ শক্তিশালী কৰিব।

"ভাৰতত নিৰ্মিত" অভিযানৰ উন্নতি সাধনৰ বাবে পণ্য উৎপাদন প্ৰকল্প স্থাপন সৰল আৰু কম খৰচী কৰিবৰ কাৰণে বাজেটত বহু ব্যৱস্থা ঘোষণা হৈছে। নতুনকৈ প্ৰণয়ন হোৱা আইনৰ পৰা বাহিৰত ৰখা ব্যৱস্থাৰে জি এ এ আৰ (জেনেৰেল এন্টি এভইডেন্স ৰুলছ্) স্থগিতকৰণ, পৰৱৰ্তী চাৰি বছৰ পৰ্য্যন্ত কৰ্পৰেট কৰ ৩০ শতাংশৰ পৰা ২৫ শতাংশলৈ হ্ৰাসকৰণ আৰু কৰ গাৰ্থনি যুক্তিসিদ্ধকৰণৰ বাবে ৰখা প্ৰস্তাৱে ভাৰত যে সকলো সুস্থিৰ আৰু ভৱিষ্যৎ বাণী কৰিব পৰা কৰ পদ্ধতিৰ কাৰণে— এই ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা সামগ্ৰী আৰু সেৱা কৰৰ (জি এছ টি) একমান বিশিষ্ট ৰূপায়ণে বৰ্তমান বৰ্ত্তি থকা কৰ অসামঞ্জস্য আতঁৰ কৰিব আৰু মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ বাবে পথ ৰচনা কৰিব। ভাৰতত সবলীকৰণ,যুক্তিসিদ্ধকৰণ, ডিজিটিজেচন প্ৰক্ৰিয়াৰ 'সহজ ব্যৱসায়' সুবিধাযুক্ত কৰাটো আন এটা ডাঙৰ কেন্দ্ৰ বিন্দু।

এই উদ্‌গণি সমূহক শক্তিশালী আন্তঃগাঁথনিৰে সমৰ্থন জগোৱাৰ প্ৰয়োজনীয়তাক চিনাক্ত কৰি বাজেটখনত বছৰি ২০ হেজাৰ কোটি টকাৰ প্ৰবাহৰ সৈতে ৰাষ্ট্ৰীয় বিনিয়োগ আন্তঃগাঁথনি পুঁজি গঠন কৰা আৰু ৰেইল, বাট আৰু জলসিঞ্চন খণ্ডত কৰমুক্ত আন্তঃগাঁথনি বণ্ড প্ৰৱৰ্তন কৰাৰ উপৰি এই খণ্ডৰ বাবে ৭০ হেজাৰ কোটি টকালৈ পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ বাজেটখনত প্ৰস্তাৱ কৰা হৈছে।

বাজেটখনত সুপ্ত সম্পদসমূহৰ পৰা সম্পদ আহৰণ কৰি পুঁজিৰ প্ৰবাহ নিশ্চিত কৰিবলৈ বিচৰা হৈছে আৰু এইটো আনুষ্ঠানিক বিত্তীয় ব্যৱস্থালৈ নিক্ষেপ কৰা হৈছে। সোণৰ মুদ্ৰা তৈয়াৰ কৰা আঁচনি, ছভেৰেইন স্বৰ্ণ বণ্ডৰ বিকাশ আৰু ভাৰতীয় স্বৰ্ণ মুদ্ৰাৰ প্ৰৱৰ্ত্তনে স্বৰ্ণ সঞ্চয়ক অৰ্থনৈতিক বিনিয়োগলৈ ৰূপান্তৰ কৰাৰ সহায় কৰিব,ক'লা টকাৰ ক্ষেত্ৰত দোষীৰ বাবে ১০ বছৰ কাৰাদণ্ড আৰু ৩০০ শতাংশ জৰিমনাৰে এখন সৰ্বাত্মক আইন প্ৰণয়নৰ বাবে প্ৰস্তাৱ কৰা হৈছে যিখনে লুকাই ৰখাৰ প্ৰভাৱ আৰু হিচাপ নথকা ধনৰ ক্ষেত্ৰত সহায় কৰিব। তদুপৰি সম্পত্তি কৰৰ বিলোপ আৰু বছৰি ১ কোটিতকৈ অধিক উপাৰ্জন কৰা অতি চহকী লোকৰ ক্ষেত্ৰত ২ শতাংশ উপকৰ আৰোপ কৰা কাৰ্যই অতিৰিক্ত কৰ সংগ্ৰহত সহায় কৰিব।

বাজেটখনৰ ঘাটি পূৰণৰ অৰ্থে বিত্তমন্ত্ৰীয়ে সেৱাকৰ ১২.৩৬ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰিবলৈ বাজেটখনত প্ৰস্তাৱ কৰিছে এইটো যদিও অপ্ৰিয়, কিন্তু সামগ্ৰী আৰু সেৱাকৰ এবাৰ ৰূপায়ণ হ'লে ই যুক্তিসিদ্ধ হ'ব।

তালিকাৰ তলত থাকিলেও সমানেই গুৰুত্বপূৰ্ণ দিশ হ'ল, বাজেটখনে চতুৰ্দশ বিত্তীয় আয়োগৰ পৰামৰ্শৱলী গ্ৰহণ কৰিছে আৰু মুঠ বিভাজ্য ব্যৱসায়িক প্ৰতিষ্ঠানৰ যৌথ সংগঠনৰ কৰ ৰাজহ ৩২ শতাংশৰ পৰা ৪২ শতাংশলৈ ৰাজ্যৰ অংশ বৃদ্ধি কৰা হৈছে। ই ৰাজ্যসমূহৰ বাবে সম্পদ বৃদ্ধি কৰাই নহয় ৰাজ্যসমূহৰ বিশেষ প্ৰয়োজন অনুসৰি আৰ্হি, ৰূপায়ণ আৰু বিত্তীয় কাৰ্যসূচীৰ ক্ষেত্ৰত ৰাজ্যক সহায় কৰিবলৈ শিথিলতা বৃদ্ধি কৰিব।

সংক্ষেপতে, বাজেটখনে জনসাধাৰণৰ কল্যাণৰ কাৰণে দীৰ্ঘকালীন ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে আৰু ৰাষ্ট্ৰই আগবাঢ়ি যাবৰ কাৰণে তথা প্ৰতিজন ভাৰতীয়ৰ জীৱনলৈ পাৰ্থক্য আনিবলৈ এখন মানচিত্ৰ প্ৰস্তুত কৰিছে। বাজেটখনে সুন্দৰ ঘোষণাৰ অভিপ্ৰায় লৈ অগ্ৰসৰ হৈছে।

# ভাৰতক গোলকীয় পণ্য উৎপাদন কেন্দ্ৰৰূপে ৰূপান্তৰ

*** অমিতাভ কান্ত**

ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আৰু এঢাপ আগুৱাবলৈ আৰম্ভ কৰা হৈছে অনন্য কাৰ্যসূচী 'মেক ইন ইণ্ডিয়া'। ২০১৪ চনৰ ছেপ্টেম্বৰ মাহত সূচনা হয় 'মেক ইন ইণ্ডিয়া'ৰ। ভাৰতক বিশ্বৰ নিৰ্মাণথলী ৰূপে গঢ় দিবলৈ 'মেক ইন ইণ্ডিয়া' কাৰ্যসূচী এটা যথোচিত পদক্ষেপ। এটা জটিল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ এই কাৰ্যসূচী হাতত লোৱা হৈছে ঃ ২০১৩ চনলৈ বহু প্ৰত্যাশিত বজাৰৰ সম্ভাৱনা অন্তৰ্হিত হোৱাৰ লগতে ভাৰতৰ বিকাশৰ হাৰ দশকটোৰ ভিতৰতে নিম্নতম স্তৰলৈ অৱনমিত হ'ল। 'ব্ৰিক্‌ছ' (বি আৰ আই চি এছ) ৰাষ্ট্ৰসমূহৰ প্ৰতিশ্ৰুতি অসাৰ হ'ল আৰু ভাৰতক আখ্যা দিয়া হ'ল ভংগুৰ পাঁচৰ এখন ৰাষ্ট্ৰৰূপে। বিশ্বৰ বিনিয়োগকাৰী সকলে সিদ্ধান্ত ল'ব পৰা নাছিল যে বিশ্বৰ বৃহত্তম গণৰাজ্যত বিনিয়োগ কৰাটো সুবিধাজনক নে বিপদশংকাযুক্ত। ভাৰতৰ ১২০ কোটি নাগৰিকে প্ৰশ্ন কৰিছিল সাফল্য লাভ কৰিবলৈ নে ব্যৰ্থ হ'বলৈ ভাৰত ইমান বিশাল। ভাৰত অৰ্থনৈতিক ব্যৰ্থতাৰ দুৱাৰডলিত আহি উপনীত হ'ল।

**প্ৰক্ৰিয়াঃ** এই সংকটৰ প্ৰেক্ষাপটত 'মেক ইন ইণ্ডিয়া' কাৰ্যসূচী আৰম্ভ কৰা হ'ল আৰু ই শীঘ্ৰেই ভাৰতৰ অসংখ্য অংশীদাৰ আৰু ষ্টেকহ'ল্ডাৰ সকলৰ বাবে উৎসাহব্যঞ্জক হৈ পৰিল। এয়া ভাৰতৰ নাগৰিক আৰু বৃহৎ ব্যৱসায়ীৰ বাবে শক্তিশালী আৰু উদ্দীপনামূলক আহ্বান হৈ পৰিল। তদুপৰি ই বিশ্বৰ বিনিয়োগকাৰী আৰু সম্ভাব্য অংশীদাৰ সকলক আমন্ত্ৰণ জনালে। কিন্তু 'মেক ইন ইণ্ডিয়া' কেৱল এটা উৎসাহজনক শ্ল'গানেই নহয়, ই তাতকৈ অধিক। ই পুৰণি প্ৰক্ৰিয়া আৰু নীতি সমূহৰ সামগ্ৰিক আৰু অভূতপূৰ্ব পৰিৱৰ্তনক প্ৰতিনিধিত্ব কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— ই চৰকাৰৰ মনোভংগীৰ সম্পূৰ্ণ পৰিৱৰ্তনক প্ৰতিনিধিত্ব কৰে। 'নূন্যতম চৰকাৰ, সৰ্বাধিক শাসন' শ্ল'গানৰ সৈতে সংগতি ৰাখি ব্যৱসায়িক অংশীদাৰ সকলক অধিক কৰ্তৃত্ব প্ৰদান কৰা হ'ব।

**আঁচনিঃ** এটা আন্দোলন আৰম্ভ কৰিবলৈ প্ৰয়োজন এটা কাৰ্যনীতিৰ, যি উদ্দীপনা যোগোৱা আৰু সামৰ্থ্য প্ৰদান কৰাৰ লগতে সমানে সবলীকৰণ কৰে। 'মেক ইন ইণ্ডিয়া'ৰ বাবে এটা ভিন্ন ধৰণৰ প্ৰচাৰ অভিযানৰ আৱশ্যকঃ বাতৰিকাকতত বহু তথ্যসম্বলিত একেধৰণৰ বিজ্ঞাপনৰ পৰিৱৰ্তে প্ৰয়োজন হ'ল তথ্যসমৃদ্ধ, সুশৃংখলিত আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বিশ্বাসযোগ্য প্ৰচাৰৰ। (ক) ভাৰতত ব্যৱসায়িক সম্প্ৰদায়, নাগৰিক সকল আৰু বিদেশত সম্ভাব্য অংশীদাৰ সকলৰ মাজত ভাৰতৰ সামৰ্থ্য সন্দৰ্ভত আস্থাৰ বীজ ৰোপণ কৰিব লাগিব; (খ) ২৫ টা ঔদ্যোগিক খণ্ডৰ বিশাল পৰিমাণৰ কাৰিকৰী তথ্য সংৰছনাৰ সৃষ্টি কৰিব লাগিব; (গ) দেশীয়ভাবে আৰু বিশ্ব জুৰি 'ছ'চিয়েল মিডিয়া' যোগে প্ৰচাৰ চলাই থাকিব লাগিব আৰু সুবিধা সৃষ্টি তথা সংস্কাৰ সন্দৰ্ভত অহৰহ শেহতীয়া খবৰ উন্নীত কৰিব লাগিব।

ঔদ্যোগিক নীতি আৰু উন্নয়ন বিভাগে (ডি আই পি পি ) বিশেষজ্ঞ সংস্থা কেইটামানৰ সৈতে লগ লাগি এটা সম্পূৰ্ণ নতুন আন্তঃগাঁথনি গঢ়ি তোলে। ইয়াত আছে উৎসৰ্গীকৃত 'হেল্প ডেস্ক' 'ম'বাইল-ফাৰ্ষ্ট ৱেবছাইট য'ত সহজে পোৱাকৈ বিশাল তথ্য ভাণ্ডাৰ অন্তৰ্ভুক্ত কৰা হৈছে। ২০১৪ চনৰ ২৫ ছেপ্টেম্বৰত দেশীয় আৰু বিশ্বৰ বিভিন্ন দেশৰ আগশাৰীৰ উদ্যোগী,নীতি-নিৰ্ধাৰক আৰু সংবাদ মাধ্যমৰ ব্যক্তিসকলৰ উপস্থিতিত নতুন দিল্লীত আয়োজিত বৰ্ণাঢ্য অনুষ্ঠানত 'মেক ইন ইণ্ডিয়া' কাৰ্যসূচী উদ্বোধন কৰা হয়।

এই অনুষ্ঠানত সামগ্ৰিক ডিজিটেল কৌশল জড়িত কৰা হৈছিল আৰু ইয়াৰ ফলস্বৰূপে ছ'চিয়েল মিডিয়া, টি ভি আৰু বাতৰিকাকতত এই সন্দৰ্ভত যথেষ্ট আগ্ৰহ পৰিলক্ষিত হয়।

উদ্বোধনৰ সময়ত 'মেক ইন ইণ্ডিয়া' এঘন্টাৰ বাবে বিশ্বজুৰি প্ৰদৰ্শিত হয়। ৪৮ ঘন্টা পাৰ হোৱাৰ পাছত ৯৯,০০০ বাৰ উল্লেখ পোৱাৰ লগতে ৯৪ নিযুত লোকক ই স্পৰ্শ কৰে। ২০১৫ চনৰ ৩১ জানুৱাৰীলৈ 'মেক ইন ইণ্ডিয়াই ৩ নিযুত ফেচবুক ফেন সৃষ্টি কৰে। প্ৰতি তিনি ছেকেণ্ডত একোজনকৈ নতুন ফেন অন্তৰ্ভুক্ত হয়। টুইটাৰত @Makein - India ত প্ৰতি ৩২ ছেকেণ্ডত নতুন 'ফল'ৱাৰ জড়িত হোৱাৰ লগতে makeinindia ত ৫.৬৭ নিযুত পৃষ্ঠাৰ মতামত পৰিলক্ষিত হয়।

* অমিতাভ কান্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ (কেডাৰৰ) বিষয়া বৰ্তমান তেওঁ ভাৰত চৰকাৰৰ ঔদ্যোগিক নীতি আৰু প্ৰচাৰ বিভাগৰ সচিব হিচাপে কাম কৰি আছে।

**অংশীদাৰিত্বঃ** সহযোগিতামূলক চেষ্টাৰ ভিত্তিত ‘মেক ইন ইণ্ডিয়া’ প্ৰক্ৰিয়াটো গঢ় লৈ উঠিছে। ডি আই পি পিয়ে কেন্দ্ৰীয় মন্ত্ৰীবৃন্দ, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সচিবসকল, বিভিন্ন উদ্যোগিক মুৰব্বীসকল আৰু সংশ্লিষ্ট দিশত জ্ঞান থকা অংশীদাৰ সকলক আমন্ত্ৰণ জনাই এই প্ৰক্ৰিয়া আৰম্ভ কৰে।

ইয়াৰ পাছত, ২০১৪ চনৰ ডিচেম্বৰত ৰাষ্ট্ৰীয় ভিত্তিত খণ্ড সাপেক্ষে উদ্যোগসমূহক লৈ কৰ্মশালা আয়োজন কৰা হয়। এই কৰ্মশালাত কেন্দ্ৰীয় চৰকাৰৰ সচিবসকল আৰু উদ্যোগসমূহৰ মুৰব্বী সকলক বিতৰ্কৰ মাজেৰে অহা ৩ বছৰৰ আঁচনিৰ ৰূপৰেখা প্ৰস্তুত কৰিবলৈ দিয়া হয়। ২০২০ চনলৈ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) যাতে নিৰ্মাণকাৰী বা প্ৰস্তুতকাৰী খণ্ডসমূহৰ অৰিহণাৰে ২৫ শতাংশলৈ বৃদ্ধি পায় সেই দিশলৈ লক্ষ্য ৰাখি এই ৰূপৰেখা প্ৰস্তুত কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ সচিবসকল আৰু ৰাজ্য চৰকাৰ সমূহৰ হৈ মহাৰাষ্ট্ৰৰ মুখ্য সচিবে যুগুত কৰা এই আঁচনি প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীসভা, উদ্যোগপতি আৰু সহযোগী উগ্যোসমূহক প্ৰদান কৰা হয়।

সাম্প্ৰতিক ইতিহাসত এই পদক্ষেপ যিকোনো ৰাষ্ট্ৰৰ বাবে বৃহত্তম। ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব এইক্ষেত্ৰত প্ৰদৰ্শিত হয় আৰু ইয়েই ‘মেক ইন ইণ্ডিয়া’ৰ প্ৰাণস্বৰূপ। এই সহযোগিতামূলক আৰ্হিত ভাৰতৰ বিদেশী অংশীদাৰ ৰাষ্ট্ৰকো সামৰা হৈছে। শেহতীয়াকৈ ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত হোৱা বিতং আলোচনাতো ইয়াক লৈ চৰ্চা হৈছে।

**প্ৰগতি ঃ** বৰ কম সময়ৰ ভিতৰত অতীতৰ অচল আৰু প্ৰতিবন্ধকতা সৃষ্টি কৰা ব্যৱস্থা সমূহ নাকচ কৰি স্বচ্ছ আৰু সহজে ব্যৱহাৰ কৰিব পৰা ব্যৱস্থাৰ প্ৰচলন কৰা হ’ল। এই ব্যৱস্থাই বিনিয়োগ সৃষ্টি কৰা, উদ্ভাৱনাৰ বাবে আগ্ৰহ জনোৱা, দক্ষতা বৃদ্ধি কৰাৰ লগতে আন্তঃগাঁথনিত সহায় কৰিব। আটাইতকৈ চকুত লগা প্ৰগতি হ’ল গুৰুত্বপূৰ্ণ খণ্ডসমূহ যেনে— ৰে’ল বিভাগ, প্ৰতিৰক্ষা, বীমা আৰু চিকিৎসা সঁজুলি আদিত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ হাৰ নাটকীয় ভাৱে বৃদ্ধি পাইছে।

২০১৪ চনৰ ২৯ ডিচেম্বৰত ‘মেক ইন ইণ্ডিয়া’ খণ্ড ভিত্তিত প্ৰেক্ষাপট আৰু পদক্ষেপ’ শীৰ্ষক কৰ্মশালাৰ আয়োজন কৰা হয়, য’ত ২৫ টা খণ্ডত বিনিয়োগ বৃদ্ধি কৰিবলৈ এবছৰীয়া আৰু তিনিবছৰীয়া কাৰ্য আঁচনি প্ৰস্তুত কৰা হয়।

মন্ত্ৰালয়ে এই ক্ষেত্ৰত বিশ্ব বেংক সংস্থাৰ সহায়ত বিশ্ব বেংকৰ কাৰ্যবিধি অনুসৰি (Doing Business) উন্নত কৰাৰ থল থকা ক্ষেত্ৰ চিহ্নিত কৰে।

২০১৪ চনৰ ছেপ্টেম্বৰত ‘মেক ইন ইণ্ডিয়া’ অভিযানৰ বাবে আঠজনীয়া সদস্যৰ গোট গঠন কৰা হয় যাতে বিনিয়োগকাৰীসকললৈ সহায় আগবঢ়াব পাৰি। নিয়ন্ত্ৰণকাৰী সংস্থাৰ অনুমোদন বা স্বীকৃতি লাভ কৰাৰ উপৰি বিনিয়োগৰ পূৰ্বে প্ৰয়োজনীয় সহায় কৰা আদি কামত এই গোটে সহযোগিতা আগবঢ়ায়।

ভাৰতীয় দূতাবাস বা বাণিজ্য দূতাবাস সমূহকো জনোৱা হয় যে চিহ্নিত খণ্ডসমূহত সম্ভাব্য বিনিয়োগৰ বাবে তথ্য বিস্তাৰ কৰিব লাগে। বিনিয়োগকাৰীয়ে যাতে চিহ্নিত খণ্ডসমূহত চকু দিবলৈ প্ৰয়োজনীয় সকলো তথ্য থাউকতে পাব পাৰে তাৰেই ব্যৱস্থা কৰা হ’ল। জাপানৰ পৰা অহা বিনিয়োগৰ প্ৰস্তাৱ কাৰ্যকৰীকৰণ ত্বৰান্বিত কৰিবলৈ ডি আই পি পিয়ে এটা বিশেষ ব্যৱস্থাপনা দল ‘জাপান প্লাছ’ গঠন কৰে। ২০১৪ চনৰ অক্টোবৰৰ পৰা এই দলৰ কাম আৰম্ভ হয়।

প্ৰতিৰক্ষা, ৰে’ল, মহাকাশ আদি বিভিন্ন খণ্ড বিনিয়োগৰ বাবে মুকলি কৰি দিয়া হ’ল। তদুপৰি বিনিয়োগ তথা ব্যৱসায় কৰাটো অধিক সহজসাধ্য কৰি তুলিবলৈ নিয়ন্ত্ৰণকাৰী নীতিসমূহ শিথিল কৰি দিয়া হ’ল।

দেশৰ বিভিন্ন অঞ্চলত ছটা উদ্যোগিক প্ৰৱেশপথ মুকলি কৰা হ’ল। এই বোৰৰ আশে-পাশে উদ্যোগিক মহানগৰী গঢ় লৈ উঠিব।

**‘মেক ইন ইণ্ডিয়াৰ’ৰ ১০০ দিনঃ**

* জন ধন আঁচনিৰ জৰিয়তে ৯ কোটি বেংক একাউন্ট মুকলি কৰা হ’ল।
* প্ৰৱেশ আৰু প্ৰস্থান নিয়ন্ত্ৰণ সহজ কৰি তোলা হ’ল। ‘এক্সিম ৰেগুলেচন’ অধিক সৰল হৈ পৰিল। ৰাজহুৱা খণ্ডৰ ছটা উদ্যোগৰ ৰুগ্ন আৰু পাঁচটাক মৃত বুলি ঘোষণা কৰা হ’ল।
* ঔদ্যোগিক অনুজ্ঞাপত্ৰ আৰু ‘ইণ্ডাষ্ট্ৰিয়েল এনট্ৰেপেনৰ মেম’ৰেণ্ডাম’ৰ বাবে আবেদনৰ অনলাইন ব্যৱস্থা কৰা হ’ল। বেৱছাইট ‘ই বি আই জেট’ ২৪ ঘন্টাই সক্ৰিয় হৈ থকা বাবে আবেদন কৰা বা সেৱা কৰ অনলাইনযোগে পৰিশোধ কৰিবলৈ সুবিধাজনক হৈ পৰিল।
* ঔদ্যোগিক অনুজ্ঞাপত্ৰৰ প্ৰাৰম্ভিক বৈধতাৰ সীমা দুবছৰৰ পৰা তিনি বছৰলৈ বৃদ্ধি কৰা হ’ল। গতিকে অনুজ্ঞাপত্ৰধাৰীক মাটি অধিগ্ৰহণ বা প্ৰয়োজনীয় অনুমতি আদায়ৰ বাবে যথেষ্ট সময় দিয়া হ’ল। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে স্থিৰ কৰি দিলে যে ঔদ্যোগিক অনুজ্ঞাপত্ৰ আবেদনৰ নিৰাপত্তাৰ দিশত অনুমতি ১২ সপ্তাহৰ ভিতৰত প্ৰদান কৰা হ’ব।
* কৰ্মচাৰী ভৱিষ্যনিধি সংগঠন (ই পি এফ অ’) আৰু কৰ্মচাৰী ৰাজ্যিক বীমা নিগম (ই এছ আই চি) ৰ পঞ্জীয়ন কৰোৱাৰ ক্ষেত্ৰত যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। এতিয়া দুয়োটা প্ৰক্ৰিয়াই স্বয়ংক্ৰিয় হৈ পৰাত সময় ৰাহি হ’ল আৰু ই এছ আই চি পঞ্জীয়ন নম্বৰ অতি সোনকালে পাব পৰা হ’ল।

* অনুজ্ঞাপত্ৰধাৰী প্ৰতিৰক্ষা উদ্যোগৰ বাবে নিৰাপত্তামূলক হাতপুথি অলপতে প্ৰকাশ কৰি উলিওৱা হৈছে।

**যান-বাহনঃ**

সৰ্বাধিক ট্ৰেক্টৰ প্ৰস্তুতকৰ্তা, দ্বিতীয় সৰ্বাধিক দুচকীয়া বাহন প্ৰস্তুতকৰ্তা, দ্বিতীয় সৰ্বাধিক বাছ প্ৰস্তুতকৰ্তা, পঞ্চম সৰ্বাধিক গধুৰ ট্ৰাক নিৰ্মাণকৰ্তা, ষষ্ঠ সৰ্বাধিক মটৰগাড়ী নিৰ্মাণকাৰী, অষ্টম সৰ্বাধিক বাণিজ্যিক বাহন নিৰ্মাণকাৰী।

* ভাৰতৰ মটৰ গাড়ী বিপণন সামৰ্থ্যঃ ২০২০ চনলৈ বছৰি ৬০ লাখতকৈ অধিক মটৰগাড়ী নিৰ্মাণৰ ক্ষমতা।

**গাড়ী যন্ত্ৰাংশঃ**

* চতুৰ্থ সৰ্বাধিক তীখা উৎপাদনকাৰী, প্ৰতিবেশী দেশতকৈ অধিক উন্নত মানৰ তীখা (ষ্টীল) নিৰ্মাণ।

* আছিয়ান (এ এছ ই এ এন) দেশসমূহ জাপান, কোৰিয়া আৰু ইউৰোপৰ দৰে গুৰুত্বপূৰ্ণ বজাৰসমূহৰ ক্ৰমাৎ ওচৰ চাপি আহিছে।

**বিমান পৰিবহণঃ**

* বিশ্বৰ ভিতৰত নৱম সৰ্বাধিক বিমান পৰিবহণ ব্যৱসায় (প্ৰায় ১২ বিলিয়ন ডলাৰৰ)

* ২০২০ চনলৈ তৃতীয় সৰ্ববৃহৎ আৰু ২০৩০ চনলৈ সৰ্বাধিক বিমান পৰিবহণ ব্যৱসায় কৰাৰ সামৰ্থ্য আছে।

**জৈৱ প্ৰযুক্তিঃ**

* বিশ্বৰ শীৰ্ষৰ ১২ খন জৈৱ প্ৰযুক্তিৰ দেশৰ ভিতৰত অন্যতম ; এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভিতৰত তৃতীয়।

* চৰকাৰী ব্যয় পৰিকল্পনাঃ ২০১২-১৭ চনৰ কালছোৱাত ৩.৭ বিলিয়ন আমেৰিকান ডলাৰ; পণ্যৰ বিকাশ, গৱেষণা আৰু উদ্ভাৱন সহজসাধ্য কৰি তুলিবলৈ জৈৱ প্ৰযুক্তি পাৰ্ক গঢ়ি তোলাত গুৰুত্ব প্ৰদান।

**ৰাসায়নিক সামগ্ৰীঃ**

* উৎপাদনৰ দিশৰ পৰা এছিয়াৰ ভিতৰত তৃতীয় সৰ্বাধিক আৰু বিশ্বৰ ভিতৰত ষষ্ঠ সৰ্বাধিক।

* ভাৰতৰ ৰং উদ্যোগঃ আমেৰিকান ডলাৰত মূল্য ৬.৮ বিলিয়ন আৰু ইয়াৰ ৰপ্তানিৰ অংশ ৭৫ শতাংশ।

* গুৰুত্বপূৰ্ণ বিকাশৰ কাৰকঃ বিপুল জনসংখ্যা + কৃষি নিৰ্ভৰশীলতা + ৰপ্তানিৰ বিশাল চাহিদা।

**নিৰ্মাণঃ**

* অহা ২০ বছৰত নগৰীয়া আন্তঃগাঁথনিৰ বাবে প্ৰায় ৬৫০ বিলিয়ন আমেৰিকান ডলাৰৰ প্ৰয়োজন।

* বিনিয়োগৰ সুবিধাঃ আৱাসিক, বাণিজ্যিক, খুচুৰা ব্যৱসায় আৰু আতিথেয়তা।

* বহনক্ষম মহানগৰ আৰু সংহত উপনগৰী গঢ়ি তুলিবলৈ প্ৰযুক্তি; সেউজ ভৱন সমাধান।

* ভাৰতৰ নিৰ্মাণ খণ্ডত বৈদেশিক বিনিয়োগ নীতি সহজ কৰি তোলা হৈছে — নিৰ্মাণ এলেকা আৰু আৱশ্যকীয় নূন্যতম মূলধন হ্ৰাস কৰা হৈছে।

**প্ৰতিৰক্ষা ক্ষেত্ৰত প্ৰস্তুতকৰণঃ**

প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ উন্নীতকৰণঃ চৰকাৰী নীতিমতে ৪৯ শতাংশলৈ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগত অনুমোদন দিয়া হৈছে। ৪৯ শতাংশতকৈ বেছি বিনিয়োগ হ'বলৈ নিৰাপত্তাৰ দিশত কেবিনেট সমিতিৰ অনুমোদন লাগিব। দেশৰ অত্যাধুনিক আৰু শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ এই অনুমোদনৰ আৱশ্যক।

* ব্যক্তিগত প্ৰতিষ্ঠানে প্ৰস্তুত কৰা প্ৰতিৰক্ষা সামগ্ৰীৰ ৫৩ শতাংশৰ বাবে অনুজ্ঞাপত্ৰৰ প্ৰয়োজন নোহোৱা কৰা হ'ল। সামাজিক আৰু অসামৰিক ক্ষেত্ৰত ব্যৱহৃত সামগ্ৰীসমূহৰ নিয়ন্ত্ৰণ উঠাই লোৱা হ'ল।

* আৰ্থিক দলিলেৰে আৰু এফ ভি চি আইৰে একেলগে বিনিয়োগ স্বাভাৱিক ধৰণে ২৪ শতাংশলৈ কৰিব পাৰি।

**বৈদ্যুতিক যন্ত্ৰঃ**

* চাহিদা বৃদ্ধিৰ কাৰকঃ আন্তঃগাঁথনি, শক্তি, খনি, তেল আৰু গেছ, শোধনাগাৰ, তীখা, অট'মটিভ আৰু উপভোক্তাৰ সামগ্ৰীৰ সামৰ্থ্য সৃষ্টি।

* ২০২২ চনলৈ ভাৰতৰ উৎপাদন অহিলা উদ্যোগৰ পৰিসৰ ২৫-৩০ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি পাব।

**বৈদ্যুতিক ব্যৱস্থাঃ**

* ২০২০ চনলৈ প্ৰত্যাশিত চাহিদা ৪০০ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি পাব। 'নেচনেল নলেজ নেটৱৰ্ক' (এন কে এন), ' নেচনেল অপটিকেল ফাইবাৰ নেটৱৰ্ক' (এন অ' এফ এন) আদি চৰকাৰী আঁচনিয়ে সহায় কৰিব।

* ১০ বছৰৰ বাবে ২৫শতাংশ মূলধন প্ৰদানৰ দৰে আকৰ্ষণীয় উদ্‌গনিমূলক চৰ্তসাপেক্ষ আঁচনি।

**খাদ্য প্ৰস্তুতকৰণঃ**

* বিশাল কৃষি সম্পদৰ আধাৰ।

* ফুড পাৰ্ক স্থাপন — বৈদেশিক বিনিয়োগকাৰীৰ লগতে উদ্যোগীসকললৈ সুবৰ্ণ সুযোগ।

* বিনিয়োগৰ সুবিধা — ফল-মূল আৰু পাচলি, পানীয়, দুগ্ধজাত সামগ্ৰী, খাদ্যত মিহলোৱা সামগ্ৰী, মাংস আৰু হাঁহ-কুকুৰা, মাছ, সাগৰীয় খাদ্য আৰু প্ৰস্তুতীকৃত মাছ, খাদ্য সংৰক্ষণ আৰু পেকেজিং আদি।

**আই টি আৰু বি পি এমঃ**

আই টি - বি পি এম খণ্ডই ৰাজহুৱা উন্নয়নত

উল্লেখনীয় অৰিহণা আগবঢ়াইছে আৰু ই হ'ল দেশত মুঠ ঘৰুৱা উৎপাদনৰ ৮.১ শতাংশ।

* তথ্য প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় নীতি ২০১২ ৰ লক্ষ্য হ'ল ২০২০ চনলৈ আই টি-বি পি এম উদ্যোগৰ পৰিসৰ ৩০০ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰা। তদুপৰি ২০২০ চনলৈ ৰপ্তানিৰ পৰিসৰ বৃদ্ধি হ'ব ২০০ বিলিয়ন আমেৰিকান ডলাৰলৈ।

**চামৰাঃ**

* ১১ বিলিয়ন আমেৰিকান ডলাৰৰ উৎপাদন ব্যয় ৰপ্তানি আৰু ঘৰুৱা বিপণনৰ বাবে যথেষ্ট সম্ভাৱনাপূৰ্ণ।

* প্ৰতি বছৰে ২৪ শতাংশ বিকাশৰ হাৰৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**সংবাদ মাধ্যম আৰু বিনোদন জগতঃ**

* এই উদ্যোগৰ পৰিসৰ ২০১৮ চনলৈ ১৭৮৫.৮ বিলিয়ন টকালৈ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

* ভাৰতীয় চলচ্চিত্ৰ উদ্যোগৰ পৰিসৰ ২০১৮ চনলৈ ২১৯.৮ বিলিয়ন টকালৈ বৃদ্ধি পাব; ২০১৩ চনত আছিল ১২৫.৩ বিলিয়ন টকা।

**খনি উদ্যোগঃ**

* ভাৰতৰ খনি আৰু খনিজ উদ্যোগৰ বিশাল সম্ভাৱনা আছে। খনিসমূহৰ লীজ ২০ বছৰৰ পৰা ৩০ বছৰলৈ বৃদ্ধি কৰা হৈছে।

* ৭ শতাংশ বিকাশৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**তেল আৰু গেছঃ**

* নতুন অন্বেষণ অনুজ্ঞাপত্ৰ নীতি 'আৰু 'কয়লাজনিত মিথেন নীতি'য়ে দেশজুৰি এই উদ্যোগত বিনিয়োগৰ বাবে উৎসাহ যোগাব।

* দেশৰ সম্ভাব্য ৪৮ শতাংশ তৈলক্ষেত্ৰৰ এতিয়াও অন্বেষণ হোৱা নাই। 'মহানগৰ গেছ আৰু বিতৰণ খণ্ড'ই পূৰ্বৰ আৰু নতুন কোম্পানীসমূহৰ বাবে সুবিধা সৃষ্টি কৰিব।

**ফাৰ্মাচিউটিকেল্‌ছঃ**

* ২০২০ চনলৈ বিকাশৰ ধাৰা অনুসৰি শীৰ্ষৰ ৩ খন ফাৰ্মাচিউটিকেল বজাৰৰ অন্যতম হোৱাৰ আশা কৰা হৈছে।

* ২০১৬ চনলৈ বিশ্বৰ ভিতৰত তৃতীয় বৃহত্তম বজাৰৰ পৰিণত হোৱাৰ সম্ভাৱনা আছে। বজাৰৰ অংশত ৭.২ শতাংশ বৃদ্ধিৰ আশা কৰা হৈছে।

**বন্দৰঃ**

* ২০০৯ চনৰ ৫৭৫ মেগা মেট্ৰিক টনৰ পৰা ২০১৪ চনলৈ ৮০০ মেগা মেট্ৰিক টনলৈ জাহাজেৰে বয়-বস্তু বহণ ক্ষমতা বৃদ্ধি হৈছে।

* বন্দৰ আন্তঃগাঁথনি উন্নয়নত বাণিজ্যিক আৰু ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ বৃদ্ধি।

**ৰে'ল বিভাগঃ**

* ৰে'ল বিভাগৰ আন্তঃগাঁথনিৰ 'অটোৰুট'ৰ অধীনত ১০০ শতাংশ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ।

* অগ্ৰাধিকাৰঃ বন্দৰৰ সৈতে সুচল যোগাযোগ।

আন্তঃগাঁথনি প্ৰকল্প ঃ দ্ৰুতবেগী ৰে'ল ট্ৰেইন প্ৰকল্প, কয়লা খনি আৰু বন্দৰৰ মাজত ৰে'লপথ স্থাপন।

**ৰাজপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথঃ**

৪.৮৬ নিযুত কিলোমিটাৰ পথ যোগাযোগ বিশ্বৰ ভিতৰত দ্বিতীয় দীৰ্ঘতম।

* ব্যক্তিগত খণ্ডঃ ৰাজপথ আন্তঃগাঁথনি উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা।

* ভাৰত চৰকাৰে বিভিন্ন শিতানত মুঠ ৬৬,১১৭ কিলোমিটাৰ ৰাজপথ উন্নয়নৰ আঁচনি হাতত লৈছে।

**নবীকৰণ শক্তিঃ**

* ২০১৪ ৰ চনৰ শেষলৈ নবীকৰণ শক্তি সামৰ্থ্য কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ পঞ্চম স্থানত আছে; মুঠ ক্ষমতা ৩৩,৭৯২ মেগাৱাট।

**মহাকাশঃ**

* কম ব্যয়সাপেক্ষে মহাকাশ অন্বেষণৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ শীৰ্ষস্থানত। ভাৰতৰ মহাকাশ আঁচনি বিশ্বৰ ভিতৰতে আটাইতকৈ কম খৰচী। ভাৰতৰ মঙ্গল গ্ৰহ অভিযানত ব্যয় হৈছিল মাথোঁ ৭৪ নিযুত ডলাৰ। বিশ্বৰ অন্যান্য দেশে এই অভিযানৰ ব্যয় কৰা ধনৰ তুলনাত এয়া যথেষ্ট কম।

* ভাৰতৰ পৰা এতিয়ালৈ ৩০ টা ভাৰতীয় আৰু ৪০ টা বিদেশী কৃত্ৰিম উপগ্ৰহ মহাকাশত স্থাপন কৰা হৈছে। ভাৰতে ১৯ খন বিদেশী ৰাষ্ট্ৰৰ ৪০ টা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰিবলৈ সক্ষম হৈছে।

**বস্ত্ৰ আৰু বয়ন শিল্পঃ**

* বিশ্বৰ ভিতৰত ভাৰত দ্বিতীয় বৃহত্তম উৎপাদনকাৰী দেশ।

* বিশ্বৰ বজাৰৰ ৬৩ শতাংশ অংশসহ ভাৰত বয়নযন্ত্ৰ (হস্ততাঁতসহ) ৰ ক্ষেত্ৰত শীৰ্ষস্থানীয়।

**তাপশক্তিঃ**

* ভাৰত চৰকাৰে ২০১২-১৭ চনলৈ ৮৮.৫ গিগা ৱাট আৰু ২০১৭-২২ চনলৈ ৮৬.৪ গিগা ৱাট ক্ষমতা বৃদ্ধি লক্ষ্য স্থিৰ কৰিছে।

* বৰ্ধিত জনসংখ্যাৰ বাবে শক্তিৰ চাহিদা বৃদ্ধি পোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

**পৰ্যটনঃ**

* ভাৰতলৈ বিদেশী পৰ্যটকৰ আগমন ৭.১ শতাংশৰ পৰা ২০১৪ চনলৈ ৭.৫ শতাংশলৈ বৃদ্ধি হৈছে।

* পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে আৱশ্যকীয় কাৰকসমূহ যেনে-বিপণন আৰু উন্নয়নৰ চেষ্টা, বিমান পৰিবহণৰ

উদাৰীকৰণ, অনলাইন ট্ৰেভেল প'ৰ্টেলৰ বিকাশ, আন্তঃআঞ্চলিক সহযোগিতা বৃদ্ধি আৰু আটাইতকৈ কাৰ্যকাৰী ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব বৃদ্ধি।

Wellness Makeinindia.com (চিকিৎসা খণ্ড)ঃ

* এই খণ্ড বছৰি ২০শতাংশকৈ বৃদ্ধি পাইছে আৰু ২০১৪ চনলৈ ১৬২ বিলিয়ন টকালৈ বৃদ্ধি হৈছে।

* ভাৰত চৰকাৰে আয়ুৰ্বেদ , যোগ আৰু প্ৰাকৃতিক চিকিৎসা, ইউনানী, সিদ্ধ আৰু হোমিঅ'পেথি (আয়ুস) মন্ত্ৰালয় স্থাপন কৰিছে। ভাৰতৰ প্ৰাচীন চিকিৎসা পদ্ধতিক গুৰুত্ব প্ৰদান কৰি মূল সুঁতিলৈ অনাৰ লক্ষ্য লোৱা হৈছে।

সম্প্ৰতি ভাৰতৰ বিশ্বাসযোগ্যতা পূৰ্বতকৈ অধিক বৃদ্ধি পাইছে। এইক্ষেত্ৰত আশাবাদ,গতিবেগ আৰু শক্তি বৃদ্ধি হৈছে। বিশ্বৰ বৃহত্তম গণৰাজ্য বিশ্বৰ আটাইতকৈ শক্তিশালী ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱাৰ পথত অগ্ৰসৰ হৈছে।

# কেন্দ্ৰীয় বাজেট ২০১৫-১৬ ঃ মুখ্য বিষয়সমূহ

## শিল্পোদ্যেগলৈ উৎসাহ

*মুদ্ৰা বেংকঃ

ক্ষুদ্ৰগ্যোট গঠন কৰাত উৎসাহ যোগাবৰ বাবে মাইক্ৰ' ইউনিটছ, ডেভলপ্‌মেন্ট ৰিফাইনেন্স এজেন্সি (চমুকৈ মুদ্ৰা) গঠন কৰা হৈছে — * এই বেংকে প্ৰধানমন্ত্ৰী মুদ্ৰাযোজনাৰ জৰিয়তে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান সমূহলৈ পুনৰ পুঁজিৰ যোগান ধৰিব * এই বেংকৰ বাবে ২০ হেজাৰ কোটি টকাৰ কৰ্পাচ আৰু ৩ হেজাৰ কোটি টকাৰ ক্ৰেডিট গেৰান্টি কৰ্পাচৰ ব্যৱস্থা * ঋণৰ ক্ষেত্ৰত অনুসূচীত জাতি/জনজাতিৰ উদ্যোগলৈ অগ্ৰাধিকাৰ।

* **অটল ইন'ভেচন মিছন** (চমুকৈ এ.আই.এম) এন.আই.টি.আই চমুকৈ "নিটি'ত প্ৰতিষ্ঠা কৰা হ'ব।

*এই মিছন বা অভিযান হ'ল

* ভাৰতত অভিযোজনৰ সংস্কৃতি গৱেষণা আৰু উন্নয়ন আৰু বিজ্ঞান ভিত্তিক গৱেষণা উৎসাহিত কৰাৰ কাৰণে শৈক্ষিক, উদ্যোগী আৰু গৱেষকসকলক জড়িত কৰি আৰু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ অভিজ্ঞতাৰ কাৰণে — অভিযোজন উৎকৰ্ষ মঞ্চ * ই বিশ্ব পৰ্যায়ৰ অভিযোজন হ'ব আৰু ভাৰতে সন্মুখীন হোৱা বৃহৎ প্ৰত্যাহ্বানৰ জোৰা মাৰিবৰ বাবে নেটৱৰ্ক গঢ়ি তুলিব * এই উদ্দেশ্যে প্ৰাৰম্ভিক পৰ্যায়ত ১৫০ কোটি টকাৰ পুঁজি ধাৰ্য্য কৰা হ'ব।

* **স্ব-নিয়োজন আৰু প্ৰতিভা ব্যৱহাৰ (চমুকৈ এছ ই টি ইউ)** ব্যৱস্থা প্ৰতিষ্ঠা কৰা হ'ব * পোনেই আৰম্ভ কৰা ব্যৱসায়ৰ সকলো দিশ আৰু আন স্ব-নিয়োজন কাৰ্য বিশেষকৈ প্ৰযুক্তি বিজ্ঞান চালিত এলেকাত সমৰ্থন যোগাবৰ বাবে প্ৰযুক্তি বিত্তীয়, দক্ষতা কাৰ্যসূচী * এই উদ্দেশ্যে নীতি আয়োগত এহেজাৰ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজি।

## সামাজিক সুৰক্ষা আঁচনি

সকলো ভাৰতীয় বিশেষকৈ দৰিদ্ৰ আৰু বঞ্চিত সকলৰ বাবে বাজেটত সাৰ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থাৰ ব্যৱস্থা কৰা হৈছে।

* প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত বছৰি মাত্ৰ ১২ টকা কিস্তি পৰিশোধ কৰি দুৰ্ঘটনাজনিত মৃত্যুত ২ লাখ টকা লাভ কৰিব * অটল পেঞ্চন যোজনাই বৰঙণি আৰু ইয়াৰ সময়ৰ ওপৰত নিৰ্ভৰশীল এটা নিৰূপিত পেঞ্চন আগবঢ়াব *২০১৫ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে নতুনকৈ একাউন্ট খোলা সকলৰ বাবে প্ৰতি বছৰত চৰকাৰৰ ৫০ শতাংশ বৰঙণিৰে হিতাধিকাৰীৰ কিস্তি এহেজাৰৰ টকাৰ ভিতৰত সীমাবদ্ধ কৰি পাঁচ বছৰৰ বাবে এই আঁচনিখনৰ লাভ পোৱা যাব * **প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা** অধীনত বছৰত ৩৩০ টকাৰ কিস্তি পৰিশোধ কৰি বাবে ১৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ লোকে দিনে এটকাতকৈয়ো কম টকাৰে কিস্তি দি প্ৰাকৃতিক মৃত্যু বা দুৰ্ঘটনাজনিত মৃত্যু উভয় ক্ষেত্ৰতে ২ লাখ টকা লাভ কৰিব। পিপি এফত প্ৰায়, হেজাৰ কোটি টকাৰ দাবী নথকা জমা ধন আৰু ই পি এফ কৰ্পাছত প্ৰায় ৬ হেজাৰ টকাৰে জ্যেষ্ঠ নাগৰিকৰ কল্যাণ পুঁজি সৃষ্টি কৰা হ'ব। বৃদ্ধ বয়সৰ পেঞ্চন, বি.পি. এল কাৰ্ড থকাসকল, ক্ষুদ্ৰ আৰু উপান্ত কৃষক আৰু আন স্পৰ্শকাতৰ গোটৰ বাবে কিস্তি দিয়াৰ ক্ষেত্ৰত ৰাজ সাহায্য আগবঢ়াৱা হ'ব। মাৰ্চ মাহত এই সম্পৰ্কে বিতং আঁচনি প্ৰকাশ কৰা হ'ব। * **দৰিদ্ৰৰেখাৰ তলত বাবে কৰা জেষ্ঠ নাগৰিকৰ বাবে শাৰীৰিক সহায়ক সজুঁলি আৰু আন সহায়ক সামগ্ৰী** প্ৰদান কৰাৰ অৰ্থে নতুন আঁচনি * আনুষ্ঠানিক বিদ্যালয় শিক্ষা সমাপ্তিৰ প্ৰমাণ পত্ৰ নথকা সংখ্যালঘু যুৱক/যুৱতী সকলৰ ভাল নিয়োগৰ বাবে সহায়ক হ'ব পৰাকৈ এই বছৰতে " নঈ মঞ্জিল " নামৰ এখন সংহত শিক্ষা আৰু জীৱিকা আঁচনি প্ৰৱৰ্ত্তন কৰা হ'ব।

## আন্তঃগাঁথনি

বাৰ্ষিক ২০ হেজাৰ কোটি টকাৰে এটা ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনি পুঁজি গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ই ন্যাসক ঋণ বৃদ্ধি কৰাত সমৰ্থ কৰিব আৰু ফলস্বৰূপে আইআৰ এফ চি আৰু এন এইছ বিৰ দৰে আন্তঃগাঁথনিৰ বিত্তীয়

২৯ নং পৃষ্ঠাত চাওক

# ২০১৫-১৬ৰ বাজেটঃ বিকাশ, নিয়োগ আৰু কল্যাণ সাধনত ইয়াৰ প্ৰভাৱ

*** ডি কে শ্ৰীবাস্তৱ**

২০১৫-১৬ৰ বাজেটত বিকাশ আৰু কল্যাণ সম্পৰ্কীয় ভালেমান হ্ৰস্ব আৰু দীৰ্ঘম্যাদী আশাব্যঞ্জক লক্ষ্য প্ৰকাশ কৰিছে। বিকাশ, নিয়োগ আৰু কল্যাণ ওতঃপ্ৰোত ভাবে জড়িত বিকাশে কৰ্ম সংস্থানৰ সুবিধা বৃদ্ধি কৰে যিটোৰ ফলত উপাৰ্জন বৃদ্ধি হৈ উপকাৰ সাধন কৰে।

**বিকাশ আৰু কল্যাণ- হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী লক্ষ্যঃ**

এই বাজেটত বিকাশ বৃদ্ধিৰ হাৰ ৮ ৰ পৰা ৮.৫ শতাংশ ধাৰ্য্য কৰা হৈছে। দীৰ্ঘম্যাদী লক্ষ্যত আছে এই পৰিমাণ ১০ তকৈ অধিক কৰা। কল্যাণৰ বিষয়ত ২০২২ চনলৈ অৰ্থাৎ স্বাধীনতাৰ ৭৫ বছৰত পূৰণ কৰিবলৈ ১৩টা বিশেষ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে ঃ

(১) চহৰাঞ্চলত ২ কোটি আৰু গ্ৰাম্যাঞ্চলত ৪ কোটি গৃহ নিৰ্ম্মাণেৰে সকলোলৈকে আবাস গৃহ প্ৰদান।

(২) প্ৰতিটো ঘৰতে ২৪ ঘন্টাই বিদ্যুৎ যোগান, বিশুদ্ধ খোৱাপানী,শৌচাগাৰ আৰু পথ সংযোগ নিশ্চিত কৰা।

(৩) প্ৰতিটো পৰিয়ালৰ কমেও এজন লোকৰ নিয়োগ নিশ্চিত কৰা।

(৪) দৰিদ্ৰতা দূৰীকৰণ।

(৫) সকলো গাঁৱলৈ বিদ্যুৎ যোগান।

(৬) সকলো জনবসতি অঞ্চললৈকে উন্নত পথ নিৰ্ম্মাণ।

(৭) প্ৰতিখন গাওঁ আৰু চহৰত স্বাস্থ্য সেৱা প্ৰৱৰ্তন।

(৮) যুব চামটোলৈ শিক্ষা আৰু বৃত্তিগত শিক্ষা আগবঢ়োৱা।

(৯) কৃষি উৎপাদন বৃদ্ধি কৰা।

(১০) প্ৰতিখন গাঁৱলৈ উন্নত যোগাযোগ ব্যৱস্থা নিশ্চিত কৰা।

(১১) যৱ চামটোক প্ৰযুক্তিগত ভাৱে সক্ষম কৰি তোলা আৰু 'ভাৰততে নিৰ্মিত' লক্ষ্য নিশ্চিত কৰা।

(১২) উদ্যোগ স্থাপনত উৎসাহ যোগোৱা আৰু

(১৩) ভাৰতত পূব তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়ন সাধন কৰা। বিকাশ আৰু কল্যাণৰ ক্ষেত্ৰত এই লক্ষ্য সমূহ পূৰণ কৰা। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰ সমূহ ৰাজহুৱা খণ্ডৰ তথা বিভাগীয় প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ অনুষ্ঠান প্ৰতিষ্ঠানে গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**বিকাশ সম্ভাৱনা—**

২০১৫-১৬ ৰ বাজেটত বিকাশৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে ৮ ৰ পৰা ৮.৫ শতাংশ আৰু ইয়াৰ কাৰণে বিনিয়োগৰ পৰিমাণ ৪ ৰপৰা ৫ শতাংশলৈ বৃদ্ধি কৰিব লাগিব অৰ্থাৎ মুঠ বিনিয়োগৰ পৰিমাণ ৩৫-৩৬ শতাংশ হবগৈ লাগিব। ১০ শতাংশ বিকাশৰ দীৰ্ঘম্যাদী লক্ষ্যত উপনীত হ'বলৈ হ'লে বিনিয়োগৰ হাৰ ৪০ শতাংশ হব লাগিব। সেয়ে সঞ্চয়ৰ হাৰো ৩৭-৩৮ শতাংশ হব লাগিব। দেশীয় সঞ্চয় আৰু বিনিয়োগৰ মাজৰ যি ২ শতাংশ ব্যৱধান থাকিব সেইখিনি চলিত ঘাটি বাজেটেৰেই পূৰণ কৰিব লাগিব। ইয়াকে কৰিলে মুদ্ৰাস্ফীতিও বৃদ্ধি নাপায় আৰু ১০ শতাংশ বিকাশৰ ধাৰাও চলি থাকিব। এই ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অৰ্থনীতিয়ে টীম ইণ্ডিয়াৰ ৰূপত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। তদুপৰি যুটীয়া অৰ্থনৈতিক প্ৰচেষ্টা ৰে'ল বিভাগ ডাক সেৱা আদিৰ দৰে বিভাগ সমূহ, কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা খণ্ড, ব্যক্তিগত খণ্ডৰ উদ্যোগ আৰু বিনিয়োগকাৰী তথা প্ৰতিটো পৰিয়ালেই হৈছে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অংশীদাৰ আৰু এই সকলোৰে সমূহীয়া প্ৰচেষ্টাৰেহে লক্ষ্যত উপনীত হ'ব পৰা যাব।

**কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা ঃ**

কেন্দ্ৰীয় চৰকাৰৰ এই ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগত ভূমিকা অতি গুৰুত্বপূৰ্ণ। বাজেট প্ৰস্তাৱ অনুযায়ী ৰাজহুৱা বিনিয়োগৰ প্ৰত্যক্ষ বৃদ্ধি সীমিত হ'ব। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহৰ ওপৰত পৰা অধিক হেঁচাৰ কাৰণেই এইটো কৰা হৈছে। ইয়াত মূলধনী ব্যয়ৰ পৰিমাণ ২০১৪-১৫ৰ জি ডি পিৰ ১.৫ শতাংশৰ পৰা সামান্য বৃদ্ধি কৰি ১.৭ শতাংশ কৰা হৈছে। এই বৃদ্ধি অৱশ্যে যথেষ্ট কম হৈছে। বিত্তীয় ঘাটিৰ পৰিমাণ এটা সীমাৰ ভিতৰত ৰখাৰ

* ডি কে শ্ৰীবাস্তৱৰ মাদ্ৰাজ স্কুল অৱ্ ইকন'মিক্সৰ অবৈতনিক অধ্যাপক আৰু ভাৰতৰ মুখ্য নীতি উপদেষ্টা

উদ্দেশ্যেই এই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ২০১৪-১৫ৰ সংশোধিত বাজেটত বিত্তীয় ঘাটি জি,ডি পিৰ ৪.১ শতাংশত ৰখাটো ধাৰ্য্য কৰা হৈছিল। এই কাৰণেই পাচত জিডিপিৰ অতিৰিক্ত ০.২ শতাংশ অতিৰিক্ত মূলধনী ব্যয় সম্ভৱ হ'ল। বিকাশৰ ধাৰা অব্যাহত ৰখাৰ কাৰণে ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগত প্ৰভাৱ পৰিব পৰা আৰু ৰাজ্যসমূহৰ সৈতে কেন্দ্ৰৰ বিত্তীয় সম্পৰ্ক বিষয়ক কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপহে সহায়ক হ'ব।

**ৰাজ্য চৰকাৰসমূহৰ ভূমিকাঃ**

কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ অতিৰিক্ত ৰাজহুৱা বিনিয়োগৰ সুবিধা সীমিত কাৰণে এই ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। চতুৰ্দশ বিত্তীয় আয়োগৰ পৰামৰ্শৱলীৰ পাচত ২০১৪-১৫ৰ বাজেটৰ পৰা আৰম্ভ কৰি ৰাজ্য সমূহলৈ বিত্ত যোগান ব্যৱস্থা অধিক স্বচ্ছ কৰা হৈছে আৰু অগ্ৰাধিকাৰ সমূহ চিনাক্ত কৰাৰ স্বাধীনতা ৰাজ্য সমূহক দিয়া হৈছে। ২০১৪-১৫ ৰ বাজেটত স্থানীয় নিকায় সমূহলৈ পোনপটীয়াকৈ যোগান ধৰা বৃহৎ পৰিমাণৰ পুঁজি পৰিকল্পনা মঞ্জুৰি হিচাপে ৰাজ্য চৰকাৰসমূহক দিয়া হৈছে। ইয়াৰ ফলত হস্তান্তৰ প্ৰক্ৰিয়া অধিক হৈছে। ২০১৫-১৬ ৰ বাজেটত ৰাজ্যসমূহলৈ কেন্দ্ৰীয় কৰৰ পৰিমাণ বৃদ্ধি কৰি ইয়াক পৰিকল্পনা মঞ্জুৰি হিচাপে দিয়া হৈছে। এই পুঁজি ব্যয়ত ৰাজ্যসমূহৰ সম্পূৰ্ণ স্বাধীনতা থাকিব; ইয়াৰ জৰিয়তে পুঁজি ব্যৱহাৰৰ দক্ষতা বৃদ্ধিও কৰিব বিচৰা হৈছে। যদিহে ৰাজ্যসমূহে মূলধনী ব্যয় বৃদ্ধি কৰি আন্তঃগাঁথনি উন্নত কৰিব পাৰে তেন্তে ই হব সামগ্ৰিক বিকাশৰ পদক্ষেপ।

**বিভাগ আৰু ৰাজহুৱা খণ্ডৰ ভূমিকাঃ**

বিনিয়োগ বৃদ্ধিৰ বাকীখিনি কাম বিভাগ আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহে কৰিব লাগিব। ৰে'ল আৰু ডাক তাঁৰ সেৱাৰ ব্যাপক সম্প্ৰসাৰণৰ অৰ্থে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজহুৱা খণ্ডৰ প্ৰতিস্থান সমূহেও এই সম্প্ৰসাৰণ প্ৰক্ৰিয়াত জৰিত হোৱা এইটো উপযুক্ত সময়। বিত্ত মন্ত্ৰীয়ে পথ যোগাযোগ উন্নত কৰাৰ কাৰণে ব্যয় ১৪,০৩১ কোটি টকালৈ আৰু ৰেল যোগাযোগৰ ক্ষেত্ৰত বাজেট ব্যয় ১০,০৫০ কোটি টকালৈ বৃদ্ধি কৰিছে। ৰাজহুৱা খণ্ডৰ প্ৰতিস্থানৰ মূলধনী ব্যয় ৩,১৭,৮৮৯ কোটি টকা হোৱাৰ আশা আছে , যিটো ২০১৪-১৫ ৰ বাজেতকৈ প্ৰায় ৪০,৮৪৪ কোটি টকা অধিক। পূৰ্বৰ বাজেটতকৈ এই বাজেটত আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত ৭০,০০০ কোটি টকা অধিক ধাৰ্য্য কৰা হৈছে।

**ব্যক্তিগত খণ্ডৰ ভূমিকাঃ**

ব্যক্তিগত খণ্ডৰ ভিতৰত পৰে নিজৰ ঘৰ, ব্যক্তিগত উদ্যোগ, দেশী আৰু ব্যক্তিগত বিনিয়োগকাৰী। পৰিয়ালসমূহে সঞ্চয়ো কৰে আৰু বিনিয়োগো কৰে। যদিও ঘৰুৱা সঞ্চয় যথেষ্ট নহয় তথাপি জি ডি পি হ্ৰাস হোৱাত ইয়াকো বিত্তীয় ব্যৱস্থাত সামৰি লোৱা হৈছে। সামগ্ৰিক মুদ্ৰাস্ফীতি কম হোৱাৰ পৰিপ্ৰেক্ষিতত আৰু সুদৰ হাৰ বৃদ্ধি পোৱা হেতুকে সঞ্চয়ৰ পৰিমাণ বৃদ্ধি পোৱাৰ আশা আছে। ব্যক্তিগত বিনিয়োগকাৰীৰ ভিতৰত বিদেশী বিনিয়োগকাৰীয়ে উন্নত আন্তঃগাঁথনি, বিনিয়োগ আবেদনৰ প্ৰভাৱে অনুমোদন জনোৱা আৰু স্পষ্ট তথা স্বচ্ছ কৰ ব্যৱস্থাৰ দৰে সুস্থ বিনিয়োগ পৰিৱেশ বিচাৰিব। চৰকাৰে এই সকলোবোৰ দিশতে কাম কাজ চলাই আছে আৰু ক্ৰমাৎ বিনিয়োগ পৰিৱেশ উন্নত হৈ আহিছে। কৰ্প'ৰেট আয়কৰ অহা ৪ বছৰত ৩০ ৰ পৰা ২৫ শতাংশ হ্ৰাস কৰিব বুলিও বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে। ইয়ো বিনিয়োগকাৰীক বিনিয়োগ বৃদ্ধিৰ কাৰণে আকৰ্ষণ কৰিব। বিদেশী বিনিয়োগকাৰীয়ে কৰ সম্পৰ্কীয় জেনেৰেল এন্টি এভয়দেন্স আইনৰ কাৰণেও বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। কিন্তু এই আইনৰ ৰূপায়ণ দুবছৰলৈ পিছুৱাই দিয়া হৈছে বুলি চৰকাৰে স্পষ্ট কৰি দিছে।

চৰকাৰে বৰ্ত্তমানৰ দোষমুক্ত বিধিখনৰ ঠাইত এখন বিস্তৃত সামগ্ৰী আৰু সেৱা কৰ বিধি প্ৰবৰ্ত্তন কৰাৰ প্ৰতিশ্ৰুতিৰ কথাও দোহাৰিছে। এই বিধিয়ে অৰ্থনীতিত ব্যাপক প্ৰভাৱ পেলাব। ইয়াৰ ফলত দেশত এখন উমৈহতীয়া বজাৰ স্থাপন হ'ব য'ত মূল্যৰ হীন দেড়ি নঘটে। প্ৰয়োজনীয়তা সমূহ পূৰণ কৰাটোও এটা ডাঙৰ প্ৰত্যাহ্বান। ২০১৪-১৫ ত প্ৰয়োজনীয়তাৰ ক্ষেত্ৰখনৰ ওপৰত চাপ পৰি আছিল। ব্যক্তিগত খণ্ডৰ প্ৰয়োগ ব্যয় ৭ শতাংশ বৃদ্ধি পালে। বিনিয়োগ ব্যয় ৪ শতাংশ বৃদ্ধি পালে, ৰপ্তানি ১ শতাংশতকৈও কমলৈ নামিল। অবশ্যে এই প্ৰয়োজনীয়তা সমূহৰ ক্ষেত্ৰত বাজেট ব্যৱস্থা নাই যদিও সামগ্ৰিক ব্যয় ৫.৮ শতাংশলৈ বৃদ্ধি কৰাৰ আঁচনি আছে। এই ক্ষেত্ৰতো ৰাজ্যসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ । বিশ্ব পৰিস্থিতিৰ পৰিপেক্ষিতত ৰপ্তানি চাহিদাও হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। সেয়ে ব্যক্তিগত খণ্ডৰ উৎপাদনত সামগ্ৰীৰ সুদৰ হাৰ হ্ৰাস তথা খণ্ডটোক উৎসাহ দিয়াৰো প্ৰয়োজন। মুদ্ৰাস্ফীতি আৰু পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য হ্ৰাস হোৱাৰ কাৰণে ঘৰুৱা উপাৰ্জন বৃদ্ধি পাব লগে লগে সামগ্ৰীৰ মূল্যও হ্ৰাস পাব।

**কৰ্মসংস্থানলৈ প্ৰত্যক্ষ সমৰ্থন ঃ**

কেন্দ্ৰীয় বাজেটে কৰ্মসংস্থান বিকাশৰ ক্ষেত্ৰত পোনপটীয়া সুপ্ৰভাৱ পেলাব পাৰে। এইটো হ'ব দেশখনৰ সকলোক্ষেত্ৰত নিপুণ কৰি তোলাৰ জৰিয়তে । বাজেটত কোৱা হৈছে যে ভাৰতবৰ্ষ হৈছে এখন যুৱদেশ য'ত আছে

মুঠ জনসংখ্যাৰ ৫৪শতাংশৰো অধিক ২৫ বছৰৰ তলৰ যুৱক যুৱতী। সেয়ে নিপুণতা বিকাশ আৰু উদ্যম বিকাশ মন্ত্ৰালয়ৰ জৰিয়তে ৰাষ্ট্ৰীয় নিপুণতা প্ৰদান অভিযানৰ বিষয়ে বাজেটত উল্লেখ কৰা হৈছে। এই অভিযানৰ জৰিয়তে বিভিন্ন মন্ত্ৰালয়ৰ ৩১ টা খণ্ডৰ দক্ষতা বৃদ্ধি বিষয়ক পদক্ষেপ সমূহ সংগ্ৰহ কৰিব পৰা যাব। তদুপৰি কেন্দ্ৰীয় চৰকাৰে দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা নামৰ এখন আঁচনিও ৰূপায়ণ কৰিছে যিখনে আঁচনিৰ কাৰণে ১৫০০ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। কৰ্ম সংস্থান বৃদ্ধিৰ অৰ্থে বাজেটত প্ৰস্তাৱ কৰা আন এটা পদক্ষেপ হৈছে, SETU (Self Employment and talent Utilisation) আঁচনি ৰূপায়ণৰ প্ৰভাৱ। ই হ'ব প্ৰযুক্তি-বিত্তীয় আৰম্ভণিৰ সুবিধা প্ৰদানেৰে ব্যৱসায় বা আন্ত-নিয়োগ ব্যৱস্থা প্ৰদানৰ এটা আহিলা আৰু ইয়াৰ অৰ্থে ১০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। দেশত নিয়োগ সুবিধা সৃষ্টি কৰিব পৰা এইবোৰ হৈছে একোটাহঁত উদ্ভাৱনী প্ৰক্ৰিয়া। বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰিছে যৈ কঠোৰ শ্ৰম কৰি কৰা উদ্যোগৰ ক্ষেত্ৰতো উদ্যোগী সকলে ঋণ পোৱাটো সহজসাধ্য নহয়। সেয়ে ২০,০০০ কোটি টকা মূলধনৰ মুদ্ৰা বেংক (MUDRA-Micro units Developmenr Refinance Agency ) স্থাপনৰ কথাও বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ জৰিয়তে এই ঋণ যোগান ধৰা হ'ব আৰু এই আঁচনিত অনুসূচিত জাতি/জনজাতিৰ উদ্যোগে অগ্ৰাধিকাৰ পাব। সুবিধা বঞ্চিত পিছপৰি থকা শ্ৰেণীটোৰ উন্নতিৰ অৰ্থে এইটো হৈছে এটা প্ৰশংসনীয় পদক্ষেপ।

দেশখনৰ জনসাধাৰণৰ বৃহৎ অংশ স্বাস্থ্য বীমা, দুৰ্ঘটনা বা জীৱনবীমাৰ বিষয়ে জ্ঞাত নহয়। প্ৰধানমন্ত্ৰীৰ জন ধন যোজনাৰ সফলতাৰ পাচত বিশেষকৈ দৰিদ্ৰ আৰু সুবিধা বঞ্চিত সকলক সামৰি সকলো ভাৰতীয়ৰ কাৰণে বিশ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তনৰ প্ৰস্তাবো বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে। বিত্তমন্ত্ৰীয়ে প্ৰতিবছৰত ১২ টকা প্ৰিমিয়ামৰে ২ লাখ টকাৰ দুৰ্ঘটনা বীমা কৰিব পৰা প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ কথাও উল্লেখ কৰিছে। পেন্সনৰ ব্যৱস্থা সম্বলিত অটল পেন্সন যোজনা ৰূপায়ণৰ প্ৰস্তাৱ কৰি তেওঁ কয় যে এই আঁচনিৰ হিতাধীকাৰী যি ২০১৫ চনৰ ৩১ৰ ডিচেম্বৰৰ ভিতৰত নতুন একাউন্ট খুলিব তেওঁলোকৰ বীমা ধনৰ সৰ্বাধিক প্ৰিমিয়াম ১০০০ টকালৈকে ৫০শতাংশ প্ৰিমিয়াম ৫ বছৰলৈ চৰকাৰে আগবঢ়াব। তৃতীয়খন সামাজিক সুৰক্ষা আঁচনি হৈছে, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, যিখনে স্বাভাৱিক বা দুৰ্ঘটনাত হোৱা মৃত্যুৰ ক্ষেত্ৰত ২ লাখ টকা আগবঢ়াব। ১৮-৫০ বছৰৰ ভিতৰৰ ব্যক্তিৰ এই বীমা আঁচনিৰ প্ৰতি বছৰে প্ৰিমিয়াম ৩৩০ টকা হ্ব বুলি বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই আঁচনি কেইখনে সামাজিক সুৰক্ষাৰ দিশটো যথেষ্ট শক্তিশালী কৰিব। প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী কাৰ্য্যক্ৰমৰ জৰিয়তে সকলো দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালৰ শিক্ষাৰ্থীক পচন্দৰ উচ্চ শিক্ষা গ্ৰহণৰ সুবিধা হোৱাকৈ শিক্ষা ঋণ বা ছাত্ৰ বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে যাতে ধনৰ অভাৱত কোনেও শিক্ষাৰ পৰা বঞ্চিত হ'ব নালাগে।

বিত্তমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁঠনি নিৰ্মাণ পুঁজি এটা (NIIF - National Investment and Infrastructure Fund) গঠনৰো প্ৰস্তাৱ কৰিছে যিটোত বছৰি ২০,০০০ কোটি টকা থকাটো নিশ্চিত কৰা হ'ব। এই পুঁজিৰ কাৰণে ঋণ গ্ৰহণ কৰা হ'ব আৰু ধনখিনি আন্তঃগাঁঠনি উন্নয়নত ব্যৱহাৰ কৰা হ'ব। বিত্তমন্ত্ৰীয়ে এইটোও আশা প্ৰকাশ কৰিছে যে, ৰে'ল পথ যোগাযোগ আৰু জলসিঞ্চন খণ্ডটোৰ কাৰণে কৰবিহীন আন্তঃগাঁথনি বণ্ডও মুকলি কৰা হ'ব। তদুপৰি ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ আন্তঃগাঁথনি ক্ষেত্ৰৰ ভূমিকাৰ পৰ্য্যালোচনা কৰি ইয়াক শক্তিশালী কৰি তোলা হ'ব। ডিজিটেল ইণ্ডিয়াৰ অধিক বিকাশৰ কাৰণে নেচনেল অপ্টিকেল ফাইবাৰ নেটৱৰ্ক কাৰ্য্যসূচী চাৰে সাত লাখ কিলোমিটাৰ সম্প্ৰসাৰণ কৰি আঢ়ৈ লাখ খন গাওঁ সামৰি লোৱাৰ প্ৰস্তাবো গ্ৰহণ কৰা হৈছে।

উল্লিখিত পদক্ষেপ সমূহে বিশেষকৈ সমাজৰ দাৰিদ্ৰ চামৰ মাজত শিক্ষা আৰু কৰ্মসংস্থাপন বৃদ্ধিৰ এটা শক্তিশালী আধাৰ স্থাপন কৰিব। বাজেটত এইটোও উল্লেখ আছে যে, যেতিয়া সম্পদ নাটনি হ'ব তেতিয়া ৰাজ্য চৰকাৰ, ৰাজহুৱা খণ্ড, বৰ্হি বিনিয়োগকাৰী, বেংক তথা আন বিত্তীয় প্ৰতিস্থান, উদ্যোগ আৰু সকলোৱে উৰ্দ্ধত জনসাধাৰণৰ সন্মিলিত প্ৰচেষ্টাৰে দেশখনক বিকাশৰ পথত আগবঢ়াই নিব পৰাৰ ব্যৱস্থাও সন্নিবিষ্ট কৰা হৈছে।

হাতত থাকিব সেইখিনিকেই ব্যয় কৰি ৰাজহ ঘাটি হ্ৰাস কৰাৰ লক্ষ্য পূৰণৰ ব্যৱস্থাও কৰা হৈছে।

# উত্তৰ দায়িত্বৰ স্থানান্তৰণ ? মহিলাৰ দৃষ্টিৰে বাজেটত অৱলোকন

*নীতা এন

বৰ্তমান চৰকাৰৰ এখন পূৰ্ণাঙ্গ বাজেট বুলিয়েই নহয় জটিল অৰ্থনৈতিক পৰিৱৰ্ত্তন সমূহৰ সন্মূখীন হোৱাৰ ক্ষিপ্ৰতাৰ কাৰণেই ২০১৫-১৬ ৰ বাজেটখন হৈছে বহু অপেক্ষিত বাজেট। সামগ্ৰিক উন্নয়নী প্ৰক্ৰিয়াৰ পৰিবৰ্ত্তনে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত পুৰুষতকৈ মহিলাসকলক অধিক প্ৰভাৱিত কৰিব। মহিলাৰ ক্ষেত্ৰত বৃদ্ধি পাই যোৱা নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত এতিয়া মহিলা সম্পৰ্কীয় বিষয়বোৰে অভূতপূৰ্ব প্ৰাধান্য লাভ কৰিছে। সেয়ে এতিয়া আলোচনাৰ এটা প্ৰধান বিষয় হোৱাৰ উপৰিও ই ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ পুস্তিকাতো এটা গভীৰ উদ্বেগৰ বিষয় হিচাপে প্ৰকাশ পাইছে। মহিলাসকলৰ নিশকতীয়া অৱস্থাৰ কথা বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে আৰু এই নিশকতীয়া অৱস্থাৰ কাৰণেই মহিলাৰ ওপৰত নিৰ্যাতন চলি আছে। মহিলাৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পোৱা সত্বেও কিন্তু এতিয়াও এক তৃতিয়াংশ মহিলা নিৰক্ষৰ। লিংগ বৈষম্যও কেইবাটাও দশক ধৰি উদ্বেগৰ বিষয় হৈ আছে আৰু ২০১১ ৰ লোকপিয়ল অনুযায়ী ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হৈছে ৯১৪। অন্যটো গুৰুত্বপূৰ্ণ আৰু উদ্বেগৰ বিষয় হৈছে , কৰ্মসংস্থানৰ ক্ষেত্ৰত মহিলাৰ অংশ হ্ৰাস পাই অহাটো। শেহতীয়া এন এছ এছ (২০১১-১২)ৰ সমীক্ষা অনুযায়ী এই অংশ কেৱল ২২ শতাংশ আৰু ই হ্ৰাস পাই আহিছে। বিশেষকৈ গ্ৰামাঞ্চলত প্ৰায় ৮ শতাংশ হ্ৰাস পাইছে। এই বৈষম্যৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ লিংগ বৈষম্য সূচীত ১৪৯ খন দেশৰ ভিতৰত ২০১১ ত ভাৰতৰ স্থান হৈছে ১২৯।


এই পৃষ্ঠপটৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমানৰ বাজেটখন আৰু নাৰীৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাৰ বিষয়ত পৰ্যালোচনা কৰাৰ প্ৰয়োজন। লিংগ বৈষম্য দূৰ কৰাৰ কাৰণে সামাজিক খণ্ডৰ ব্যয়ৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ যদিও ইয়াত মহিলাৰ অৰ্থে পৃথক শিতান নাই। দ্বিতীয়তে মহিলাৰ অৰ্থে নিৰ্দ্দিষ্ট কাৰ্য্যসূচী আঁচনি সমূহৰ ক্ষেত্ৰৰ নিৰ্দ্ধাৰিত ব্যয়ৰ ওপৰত আলোকপাত কৰা। তৃতীয়তে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগ সমূহৰ অৰ্থে কৰা আবন্টনত মহিলাক কিমান গুৰুত্ব দিয়া হৈছে সেইটো পৰ্য্যালোচনা কৰা। এই বাজেটখন বিশ্লেষণ কৰাৰ আগতে এটা অতি গুৰুত্বপূৰ্ণ বিত্তীয় পৰিবৰ্ত্তনৰ কথা মনত ৰাখিব লাগিব। সেইটো হৈছে ৰাজ্যসমূহলৈ কেন্দ্ৰীয় সাহাৰ্যৰ প্ৰক্ৰিয়া পুনৰ গঠন কৰা আৰু চতুৰ্দশ বিত্ত আয়োগৰ পৰামৰ্শ অনুযায়ী বৰ্দ্ধিত বিত্তীয় বিকেন্দ্ৰীকৰণ। মুঠ কৰ ৰাজহৰ ৰাজ্য সমূহলৈ বৰ্দ্ধিত অংশৰে (৩২% ৰ পৰা ৪২% লৈ) কেন্দ্ৰীয় চৰকাৰে ব্যয়ৰ পদ্ধতিও পুনৰ গঠন কৰিছে। সেয়ে কৰৰ পৰিমাণ বৃদ্ধি নকৰি যিখিনি ধন কেন্দ্ৰৰ হাতত থাকিব সেইখিনিকেই ব্যয় কৰি ৰাজহ ঘাটি হ্ৰাস কৰাৰ লক্ষ্য পূৰণৰ ব্যৱস্থাও কৰা হৈছে।

**সামাজিক খণ্ডৰ ব্যয়ঃ লিংগ বৈষম্য দূৰীকৰণ ব্যৱস্থাৰ মেৰুদণ্ড**

সামাজিক আৰু অৰ্থনৈতিক সমতা স্থাপনৰ ক্ষেত্ৰত সামাজিক খণ্ডৰ ব্যয়ৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ। ই মহিলাৰ দৰে সুবিধাবঞ্চিত শ্ৰেণীটোৰ ক্ষেত্ৰত অধিক গুৰুত্বপূৰ্ণ। বিশেষকৈ আনুষ্ঠানিক খণ্ডটোৰ সৈতেই মহিলাসকল জৰিত কাৰণে শিক্ষা, স্বাস্থ্য, আবাসগৃহ আৰু স্বাস্থ্যকৰ পৰিবেশৰ কাৰণে বিনিয়োগ অধিক নহ'লে বহুতো পৰিয়ালৰ জীৱন ধাৰণৰ মান অৱনমিত হ'ব আৰু ইয়াৰ ফলত লিংগ বৈষম্যৰ সমাজখনত মহিলাসকলেই অধিক ক্ষতিগ্ৰস্ত হ'ব। তদুপৰি মহিলাৰ ঘৰুৱা কাম-বন আৰু পৰিচৰ্য্যা আদি কামতো প্ৰত্যক্ষ প্ৰভাৱ পেলাব। বিশুদ্ধ খোৱা পানী প্ৰাথমিক স্বাস্থ্য সেৱা যোগানে মহিলাসকলৰ বহু কষ্ট লাঘৱ কৰিব। এইটোও স্পষ্ট হৈছে যে উপযুক্ত স্বচ্ছ পৰিবেশৰ অভাৱৰ কাৰণেই বহুতো ছোৱালীয়ে পঢ়া আধৰুৱাকৈ বিদ্যালয় এৰিবলগা হয়। সামাজিক খণ্ডটোৰ ক্ষেত্ৰত ব্যয়ৰ পৰিমাণ চৰকাৰী হিচাপ অনুযায়ী ৩.৪০% ৰ ২.৫৭% লৈ হ্ৰাস পাইছে। পৰিৱৰ্ত্তিত বিত্তীয় পৰিস্থিতিত ৰাজ্য সমূহে এই খণ্ডটোত বিনিয়োগ অধিক কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰে কেতবোৰ বিশেষ আঁচনিত আধিক পুঁজি যোগান ধৰাৰ পৰা বুজিব পাৰি যে মূলধনী ব্যয়ৰ প্ৰতি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। বৰ্ত্তমান চলাই থকা বহুতো আঁচনিত মূলধনী ব্যয় হ্ৰাস পোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ ব্যয়ো সংকুচিত হৈ আহিব। এই আঁচনি সমূহৰ দায়িত্ব ৰাজ্য চৰকাৰে লোৱাটো বিশেষ কথা নহয় কিন্তু মুখ্য বিষয় হৈছে ব্যয়ৰ পদ্ধতি নিৰূপণ

* নীতা এন নতুন দিল্লীৰ চেন্টাৰ ফৰ অ'মেন'ছ ডেভলপমেন্ট ষ্টাডিজৰ জ্যেষ্ঠ গৱেষক। তেওঁআন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ লেখকো।

আৰু ইয়াক প্ৰভাৱী কৰি তোলা। সামাজিক খণ্ডৰ আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য সমূহৰ মাজত সমতা নথকাতো দেখা পোৱা যায়। যিহেতুকে ৰাজ্য সমূহলৈ পুঁজি যোগান অধিক হ'ব সেয়ে মহিলা সম্পৰ্কীয় আঁচনিকে ধৰি আন আঁচনিসমূহলৈ সামগ্ৰিক ভাবে যুক্তিপূৰ্ণ পুজি আবন্টন হব লাগিব। স্বাস্থ্য বিশুদ্ধ খোৱা পানী আৰু পৰিস্কাৰ পৰিছন্নতাৰ ক্ষেত্ৰত পুঁজি হ্ৰাস বা পৰিৰৰ্ত্তন হ'লে লিংগ বৈষম্যৰ সমাজখনত মহিলাৰেই অধিক ক্ষতি হ'ব। তদুপৰি মাল




ভাৰা ডিজেলৰ মূল্য বৃদ্ধিয়ে সা-সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাৰ লগে লগে মহিলা সকলৰ কামৰ বোজাও বৃদ্ধি কৰিব। এনে পৰিস্থিতিৰে পৰিয়ালটো বৰ্ত্তি থাকিবলৈ মহিলাৰ ওপৰত অধিক বোজা পৰিব যদিও তেওঁলোকৰ পুজিৰ প্ৰয়োজনীয়তাৰ বিষয়তো অবহেলিত হৈয়েই থাকিব।

---

পুঁজি আবন্টন সৰ্বাধিক হ্ৰাস পাইছে বালিকা সবলীকৰণ বিষয়ক ৰাজীৱ গান্ধী আঁচনিৰ ক্ষেত্ৰত যুৱতী সকলৰ পুষ্টি তথা আন স্বাস্থ্য সমস্যাৰ সৈতে জড়িত এই আঁচনিখনৰ কাৰণে আবন্টণ অতি কম কৰা হৈছে। এই ক্ষেত্ৰত কেন্দ্ৰই আবন্টন কৰা পুঁজি ১০ কোটি টকালৈ হ্ৰাস কৰা হৈছে আৰু এতিয়া নিৰ্ভয়া নিধিৰ জৰিয়তে ধনৰ ব্যৱহাৰ নকৰাৰ কাৰণেই হয়তো এই আচনিখন বাদ দিয়া হৈছে আৰু এতিয়া

**মহিলাৰ অৰ্থে আছুতীয়া আঁচনি ঃ সুৰক্ষা সহ কল্যাণ**

এনে আঁচনিৰ জৰিয়তে মহিলা সকলৰ কেতবোৰ বিশেষ সমস্যা সমাধান কৰিব বিচৰা হৈছে আৰু ইয়াৰ জৰিয়তে মহিলা সকলক সম মৰ্য্যাদা দিয়াৰ প্ৰচেষ্টা চলোৱা হৈছে। মহিলা সম্পৰ্কীয় এনেবোৰ আঁচনিৰ কাৰণে বাজেট ব্যয়ৰ ৩০ শতাংশ আছুতীয়াকৈ নিৰ্দ্ধাৰিণ কৰা হৈছে এই ব্যয়ৰ পৰিমাণ তালিকা ১ ত দেখুৱা হৈছে।

যিহেতুকে ৰাষ্ট্ৰীয় কৰ ৰাজহৰ পৰিমাণ ৰাজ্য সমূহলৈ বৰ্দ্ধিত পৰিমাণত দিয়া হ'ব, সেয়ে এনে আঁচনিৰ কাৰণে ৰাজ্য সমূহে নিজাববীয়াকৈ পুঁজি আবন্টণ কৰিব পাৰিব। ৰাজ্য সমূহে এই আঁচনিৰ যথাযথ ভাবে ৰূপায়ণ কৰিব নোৱাৰাটো অতি পৰিতাপৰ বিষয়।

মহিলাৰ বাবে আছুতীয়া কাৰ্য্যসূচী সমূহৰ ক্ষেত্ৰৰ সামগ্ৰিক পৰিমাণ হ্ৰাস পাইছে যদিও মহিলা আৰু শিশু মন্ত্ৰালয়ে পুঁজি আবন্টণৰ ক্ষেত্ৰত ব্যাপক পৰিৰৰ্তন সাধন কৰিছে। শেহতীয়া দুখন বাজেটত দেখা পোৱা গৈছে যে ভালেমান আঁচনিলৈ পুঁজি আবন্টণ কম হোৱাই নহয় বৃদ্ধিও পাইছে। বৰ্তমানৰ বাজেটত চাৰিখন আঁচনি কাৰ্য্যসূচীলৈ পুঁজি আবন্টণ কৰা হোৱা নাই (তালিকা ২)। ইয়াৰে ২ খন আঁচনি হৈছে দৰিদ্ৰ মহিলাৰ আবাস গৃহৰ কাৰণে সাহায্য আৰু আনখন হৈছে লিংগ বৈষম্যৰ সৈতে বিশেষ ভাবে জড়িত ২০০5 চনৰ ঘৰুৱা নিৰ্যাতন আইনৰ ৰূপাযণৰ অৰ্থে ৰাজ্য সমূহলৈ সাহায্য। ২০১১ ৰ পিয়ল অনুযায়ী বিধবা বা গৃহহাৰা হোৱা মহিলাৰ সংখ্যা বৃদ্ধি পাইছে। এই আইন ৰূপায়ণৰ ক্ষেত্ৰত বিগত বছৰ কেইটাত আবন্টণ দিয়া

**তালিকা ২ ঃ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ মহিলা আচনিত আবন্টন**

| আঁচনি/কাৰ্য্যসূচী | ২০১৪-১৫ (বিই) | ২০১৫-১৬ (বিই) | আবন্টন পাৰ্থক্য |
|---|---|---|---|
| মহিলা কৰ্মচাৰীৰ হোষ্টেল | ২৫ | ৩০ | ৫ |
| এচ টি ই পি | ২০ | ৩০ | ১০ |
| চি এচ ডব্লিউ বি | ৪০.৯১ | ৭৩.৫৭ | -৭.৩৪ |
| ৰাষ্ট্ৰীয় মহিলা কোষ | ২০ | ০ | ২০ |
| ওৱান ষ্টপ ক্ৰাইচিচ চেন্টাৰ | ২০ | ২ | -১৪ |
| স্বদাৰ | ১১৫ | ৫০ | -৬৫ |
| ধৰ্ষণ আক্ৰান্তক ন্যায় | ৩০ | ০ | -৩০ |
| এন চি ডব্লিউ | ১৯.৫ | ২৫.১৫ | ৫.৬৫ |
| জেণ্ডাৰ বাজেটিং | ১ | ২ | ১ |
| কন্যা সন্তানৰ বীমা (ধনলক্ষী) | ৫ | ০ | -৫ |
| মানব সৰবৰাহ প্ৰতিৰোধ আঁচনি (উজ্বলা) | ১৬ | ২০ | ৪ |
| প্ৰিয়দৰ্শীনি আঁচনি | ১৫ | ৫ | -১০ |
| যুৱতী সবলীকৰণৰ ৰাজীৱ গান্ধী আঁচনি | ৭ | ১০ | -৬৯০ |
| নিথৰুৱা আৰু বিধৱাৰ কাৰণে গৃহ নিৰ্মাণ সাহাৰ্য্য | ২০ | ০ | -২০ |
| মহিলাক ঘৰুৱা নিৰ্য্যাতনৰ পৰা সুৰক্ষা দিয়া আইন ৰূপায়ণৰ কাৰণে ৰাজ্যলৈ সাহাৰ্য্য | ৫০ | ০ | -৫০ |
| মহিলাৰ কাৰণে হেল্পলাইন | ১০ | ১ | -৯ |
| ইন্দীৰা গান্ধী মাতৃত্ব সহযোগ আঁচনি | ৪০০ | ৪৩৮ | ৩৮ |
| এন এম ই ডব্লিউ | ৯০ | ২৫ | -৬৫ |

উৎস ঃ কেন্দ্ৰীয় বাজেট ২০১৫-১৬

পুঁজি যোগান ধৰা হ'ব। মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ বিষয়টোক গভীৰ উৎকণ্ঠাৰ বিষয় হিচাপে চিহ্নিত হৈছে যদিও নিৰ্যাতিত মহিলাক অৱশ্যে বাজেটত কোৱা হৈছে যে ২৫ লাখৰ অধিক জনসংখ্যাৰ নগৰ সমূহত এনে সাহাৰ্য্য প্ৰদানকাৰী কেন্দ্ৰ স্থাপন কৰা হব। নিৰ্যাতনৰ পাচত জৰুৰীকালিন সাহাৰ্য্যহে এনেবোৰ কেন্দ্ৰই আগবঢ়াব। আশ্ৰয় গৃহ বিষয়টোৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগিছিল যদিও বাজেটত এই বিষয়ে কোনো উল্লেখ নাই।

সকলক বিশেষভাবে সহায় কৰিব। এই আঁচনিত অধিক পুঁজি আবণ্টণে মজুৰী-বিহীন এনে কাৰ্য্যত জড়িত মহিলা সকলক যথেষ্ট সহায় কৰিব। আনহাতে যোৱা বছৰ প্ৰৱৰ্তন কৰা "বেটি বচাও, বেটি পঢ়াও" অভিযানৰ ঘাই উদ্দেশ্য হৈছে মহিলাৰ আঁচনিসমূহ কম হোৱাৰ পৰিপ্ৰেক্ষিতত এনেবোৰ আচনিত লিংগ অসমতা দূৰ কৰা। শিক্ষা মন্ত্ৰালয়ৰ অধীনৰ এই আঁচনিত পূৰ্বৰ বছৰটোৰ দৰেই ১০০ কোটি টকা আবণ্টিত হৈছে।

হৈছে, ৰাজহুৱা পথ পৰিবহন ব্যৱস্থাত মহিলাৰ সুৰক্ষা নিশ্চিত কৰা যি আঁচনিৰ কাৰণে বাজেটত ৬৫৩ কোটি টকা ধাৰ্য কৰিছে। অৱশ্যে চিচিটিভিৰ দৰে অত্যাধুনিক প্ৰযুক্তিয়ে অপৰাধ হ্ৰাস কৰিছে যদিও ই মহিলাৰ স্বাধীনতাও খৰ্ব কৰিছে। সেয়ে মহিলাৰ প্ৰয়োজনীয়তাখিনি চৰকাৰী ব্যৱস্থাৰে পূৰণ কৰিব লাগিব যিটো বাজেটত কোনো উল্লেখ নাই।

**সম্পূৰ্ণ যদিও সম্পূৰ্ণ নহয়**

মহিলা বিষয়ক আচুতীয়া আঁচনি/কাৰ্য্যসূচীৰ বাহিৰেও জেণ্ডাৰ বাজেট ষ্টেটমেণ্টত প্ৰকাশ যে, আন কেতবোৰ আঁচনি আছে যিবোৰত মহিলা হিতাধিকাৰীৰ সংখ্যা ৩০%ৰ তাতোধিক। আনহাতে মহিলাৰ সম-মৰ্যাদা প্ৰদানৰ দৃষ্টিকোণৰ পৰা চাবলৈ গলে দেখা যায় যে সকলো মন্ত্ৰালয় আৰু বিভাগসমূহৰ এনে বিষয়ক ১৩টা শিতানৰ আবণ্টণ হ্ৰাসৰ বিপৰীতে কেৱল ৫ খনতহে আবণ্টণ বৃদ্ধি পাইছে। কৃষি আৰু সমবায় খণ্ডত মহিলা বিষয়ক আঁচনিত অধিক আবণ্টন দিয়াটো অতি আদৰণীয়, কিয়নো ইয়াৰ জৰিয়তে কৃষিখণ্ডত মহিলাৰ ভূমিকাক অন্ততঃ স্বীকৃতি দিয়া হ'ল, যিটো এক উল্লেখযোগ্য পদক্ষেপ। ইয়াৰ বাহিৰে সামগ্ৰিক আবণ্টনত বিশেষ উল্লাসিত হোৱাৰ থল নাই।

**তালিকা ৩ ঃ মন্ত্ৰ্যালয়সমূহৰ মহিলাৰ বাবে আঁচুতীয়া আঁচনিত আবণ্টন**

| | ২০১৪-১৫ (বিই) | ২০১৫-১৬ (বিই) | আবণ্টনৰ প্ৰাথক্য |
|---|---|---|---|
| কৃষি শিল্প আৰু গৱেষণা | ১৪.৯৫ | ৪৪.২৩ | ২৯.২৮ |
| বিত্ত মন্ত্ৰ্যালয় - নিৰ্ভয়া পুঁজি | ১০০০ | ১০০০ | ০ |
| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৩৭৮৮.৪৪ | ৩৮৫২.১১ | ৬৩.৬৭ |
| গ্ৰামোন্নয়ন-ইন্দিৰা আবাস যোজনা | ১৬০০০ | ১০০২৫ | -৫৯৭৫ |
| মহিলা আৰু শিশু উন্নয়নৰ বাহিৰে অন্য মন্ত্ৰ্যালয় | ৫৩৩.০৬ | ১১২৪.৬২ | ৫৯১.৫৬ |
| একমাত্ৰ মহিলা আঁচনিৰ মুঠ আবণ্টন, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰ্যালয়ৰ বাহিৰে | ২১৩২১.৫ | ১৬০০১.৭৩ | -৫৩১৯.৭৭ |

উৎস ঃ ২০১৫-১৬ৰ বাটেত

ওপৰত উল্লেখ কৰা আঁচনি সমূহৰ বাহিৰেও মহিলাৰ মৰ্য্যাদা বৃদ্ধিৰ বিষয়ক সময় সাপেক্ষ আন দুখন আঁচনি হৈছে ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় শিশু ওমলা গৃহ আঁচনি আৰু বেটী বচাও বেটী পঢ়াও অভিযান আঁচনি। ইয়াৰ প্ৰথমখন আঁচনি, য'ত দৰিদ্ৰ শ্ৰেণীটোৰ শিশু সকলক প্ৰতিপালন কৰা হয় সেইখনলৈ আবণ্টণ ২০১৪-১৫ ৰ ৬২.৫০ কোটিৰ পৰা ১০২.৯৭ কোটিলৈ বৃদ্ধি কৰা হৈছে। এইটো এটা আদৰণীয় পদক্ষেপ কিয়নো আন যত্নৰ দৰে শিশুৰ যত্নৰ দায়িত্বও মহিলা সকলেই পালন কৰিব লগা হয় যিটোৰ কাৰণে মহিলা সকলৰ শ্ৰম কাৰ্য্যত অংশগ্ৰহণো সীমিত হৈ পৰে। সেয়ে এই আঁচনিয়ে দৰিদ্ৰ মহিলা

মহিলা আৰু শিশু উন্নয়ন বিভাগৰ আবণ্টন হ্ৰাস কৰাই নহয় গ্ৰাম্য উন্নয়নৰ মহিলা সম্পৰ্কীয় আঁচনিৰ অৰ্থে আবণ্টন হ্ৰাস পোৱাটোৱে সম্পত্তিৰ অধিকাৰৰ ক্ষেত্ৰত লিংগ বৈষম্যৰ স্বৰূপকে উদঙাইছে। ২০১৩-১৪ ত প্ৰৱৰ্ত্তন কৰা মহিলাক সুৰক্ষা প্ৰদান বিষয়ক নিৰ্ভয়া নিধিৰ ধন পূৰ্বৰ দৰেই ১০০০ কোটীয়েই ৰখা হৈছে। এই ধনখিনিকে ধৰি বৰ্ত্তমান নিধিৰ পুঁজি ৩০০০ কোটি টকা হৈছে যদিও ইয়াৰ প্ৰয়োগৰ কোনো স্পষ্ট নিৰ্দেশনা আঁচনি নাই। অৱশ্যে দুখন আঁচনি স্পষ্ট হৈছে এখন হৈছে, ৰেলবাজেটত উল্লিখিত, মহিলাৰ দবা আৰু কেতবোৰ বিশেষ দবাত নিৰীক্ষণ কেমেৰা স্থাপন আৰু আনখন

মহিলা আৰু শিশু উন্নয়ন শিতানৰ আবণ্টণ হ্ৰাস হৈছে এটা চিন্তাৰ বিষয়। কিয়নো এই শিতানৰ বাজেট ব্যয় ১৬০০০ কোটিৰ পৰা ৮০০০ কোটিলৈ হ্ৰাস কৰা হৈছে আৰু প্ৰভাব প্ৰত্যক্ষভাৱে পৰিব গৰ্ভৱতী মহিলাৰ স্বাস্থ্য আৰু পুষ্টিৰ ওপৰত। এই আঁচনিৰ সৈতে জৰিত সকলো আৰ্থিক দিশৰ পৰা হতাশ হ'ব। বৰ্ত্তমান চৰকাৰৰ অংগনৱাড়ী কৰ্মী সকলৰ উন্নয়ন সাধন কৰিব বুলি নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ ই সম্পূৰ্ণ পৰিপন্থী হৈছে। মূলধনী ব্যয় হ্ৰাস কৰিব বুলি কেন্দ্ৰই প্ৰকাশ কৰাত

এতিয়া উন্নত পৰিৱেশ উন্নত মজুৰি প্ৰদানৰ বিষয়টো ৰাজ্য চৰকাৰসমূহৰ দায়িত্ব হৈ পৰিল। তামিলনাডু আৰু কেৰালাৰ দৰে কেতবোৰ ৰাজ্যই ইতিমধ্যেই কেন্দ্ৰীয় আবন্টনতকৈ অধিক হাৰত মজুৰি আদি দি আছে কিন্তু অন্যবোৰ ৰাজ্যই কি কৰিব? মহিলা আঁচনিৰ ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰালয়ে আবন্টণ ১৮৫০ কোটি হ্ৰাস কৰাটো এটা চিন্তাৰ বিষয় কিয়নো গ্ৰাম্য ভাৰতৰ ৭৫ শতাংশ মহিলায়েই ৰক্তহীনতাত ভুগি আছে। আনহাতে আনুষ্ঠানিক খণ্ডৰ বৃহৎ সংখ্যক মহিলাৰ সামাজিক সুৰক্ষাৰ অৰ্থে আবন্টণ কৰা ১২০০ কোটি টকা যদিও অতি কম তথাপি অশাপ্ৰদ পদক্ষেপ। এই আবন্টণে শ্ৰমজীৱিসকলৰ কেবল ৩ শতাংশহে সামৰি ল'ব পাৰিব। ইয়াৰ উপৰি আঁচনিখনৰ সুফল লাভ কৰিবলৈ হ'লে মহিলা সকলে আগবঢ়াব লগা ধনৰ অংশ সংগ্ৰহ কৰাটোও তেওঁলোকৰ বাবে এটা সমস্যা হব। অটল পেঞ্চন যোজনাৰ দৰে আন কেতবোৰ আঁচনিৰ বিষয়ে সবিশেষ উল্লেখ নাই কাৰণে এইবোৰৰ ৰূপায়ণ নোহোৱা পৰ্য্যন্ত একো মন্তব্য কৰিব নোৱাৰি। এম জি এন আৰ ই জি এ অৰ্থাৎ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত কৰণ আঁচনিখন যিহেতুকে মহিলা প্ৰধান সেয়ে ই এটা আশাৰ পদক্ষেপ-যিখন আঁচনিত আৱন্টণ হ্ৰাস নকৰি ৩৪ হাজাৰ কোটিতে ৰখা হৈছে। এই আঁচনিখনে নিশ্চয়কৈ দৰিদ্ৰ মহিলা সকলক সহায় কৰিব। নিৰ্ম্মাণ উদ্যোগ বৃদ্ধিৰ অৰ্থে আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত আবন্টণ বৃদ্ধিয়েও মহিলা সকলক যথেষ্ট সহায় কৰিব। অৱশ্যে বৃহৎ নিৰ্ম্মাণ উদ্যোগৰ ক্ষেত্ৰত মহিলাৰ বাবে ই আশানুৰূপ সহায়ক নহ'ব যেন লাগে।

**তালিকা ৪ ঃ ৩০ শতাংশ অধিক মহিলা হিতাধিকাৰী জৰিত আঁচনিত বিভিন্ন মন্ত্ৰ্যালয়/বিভাগৰ আবন্টন**

| মন্ত্ৰ্যালয়/বিভাগ | ২০১৪-১৫ (বিই) | ২০১৫-১৬ (বিই) | আবন্টণৰ পাৰ্থক্য |
|---|---|---|---|
| কৃষি আৰু সমবায় | ৭৫০ | ৩৫৩৯.০৬ | ২৭৮৯.০৬ |
| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ১১৮২৪.০১ | ৯৯৭৭.৮২ | -১৮৪৬.১৯ |
| শিক্ষা আৰু সাক্ষৰতা | ১৬২০৮.১৬ | ১২৪৭২.০৭ | -৩৭৩৬.০৯ |
| উচ্চ শিক্ষা | ৭৬২১.৫৭ | ৭৪৪৬.৩৪ | -১৭৫.২৩ |
| শ্ৰম আৰু নিয়োগ | ১৭৫ | ২৫০ | ৭৫ |
| ক্ষুদ্ৰ,সৰু আৰু মজলীয়া উদ্যোগ | ৫১৫.০৯ | ৪১২.৩৭ | -১০২.৭২ |
| সংখ্যালঘু পৰিক্ৰমা | ২১৫১.৫ | ২২৬২.৬৮ | ১১১.১৮ |
| পঞ্চয়তী ৰাজ | ৬৯০৬ | ০ | -৬৯০৬ |
| গ্ৰামোন্নয়ন | ১৩৩৩২ | ১২৮১৭.৬৮ | -৫১৪.২৩ |
| সামাজিক ন্যায় আৰু সবলীকৰণ | ১৮২১.০২ | ১৯৯৭.০৮ | ১৭৬.০৬ |
| জনজাতি পৰিক্ৰমা | ১৩৬১.৬ | ১৪৮৭.২ | ১২৫.৬ |
| মহিলা আৰু শিশু উন্নয়ন | ১১৩০০.৫৪ | ৮০৭২.৩৬ | -৩২২৮.১৮ |
| যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া | ৯৯.৪৯ | ৯৯.৩৭ | -০.১২ |
| অন্য মন্ত্ৰালয়/বিভাগ | ১৮৪৮.৫৫ | ১৫১০.৯৮ | -৩৩৭.৬১ |
| মুঠ ঃ | ৭৫৯১৪.৫৩ | ৬২৩৪৪.৯৭ | -১৩৫৬৯.৬ |

উৎস ঃ ২০১৫-১৬ ৰ বাটেত

## সামৰণি

কেন্দ্ৰীয় বাজেটৰ মহিলাবিষয়ক আঁচনি সমূহৰ ক্ষেত্ৰত আবন্টণ হ্ৰাস পোৱাটোৱে মহিলাক সমমৰ্য্যদা প্ৰদান তথা উন্নয়নৰ বিষয়ত ৰাজ্যচৰকাৰ সমূহৰ দায়িত্ব যথেষ্ট বৃদ্ধি কৰিছে। যদিহে ৰাজ্য চৰকাৰ সমূহে মহিলাৰ উপকাৰত অহা সেৱাসমূহ প্ৰদান কৰাত ব্যৰ্থ হয় তেন্তে লিংগ বৈষম্য দূৰ কৰাটো কেৱল সপোন হৈয়েই ৰ'ব। যিহেতুকে মহিলা সকল গুৰুত্বপূৰ্ণ ৰাজনৈতিক অংশীদাৰ হ'বলৈ এতিয়াও বাকী আৰু মহিলা সম্পৰ্কীয় বিষয়বোৰ ৰাজনৈতিক ধাৰাৰ মুখ্য বিষয় হৈ উঠা নাই সেয়ে ৰাজ্য বিশেষে কিছু পৰিৱৰ্ত্তন হলেও বৃহৎ প্ৰগতিশীল পৰিৱৰ্ত্তন সোনকালে হোৱাৰ আশা কৰিব নোৱাৰি।

# অৰ্থনৈতিক সমীক্ষা বনাম ২০১৫-১৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট

*অসীমা গোৱেল

অৰ্থনৈতিক সমীক্ষাত এই দৃষ্টিভঙ্গী পোষণ কৰা হয় যে ক্ষুদ্ৰ ক্ষুদ্ৰ পদক্ষেপ সমূহেও বৃহৎ সংস্কাৰ সাধন কাৰ্যত ইন্ধন যোগাব। সমীক্ষাৰ মতে বৰ্তমান সময়ত আন্তঃগাঁথনি আৰু বিশেষকৈ নিৰ্মাণ খণ্ডৰ উৎপাদনমূলক লাভ আৰু নিয়োগ সঞ্চাৰৰ কাৰণে বৃহৎ সম্ভাৱনা আছে। দক্ষতাৰে এনে নিয়োগৰ পথ মুকলি আছে। সেয়ে এনেবোৰ ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ দিয়াটো সচেতনমূলক কাম হ'ব আৰু বিত্তীয় ঘাটিক ৰেহাই দৃষ্টিৰে চোৱাও সমীচিন হ'ব। বেচৰকাৰী প্ৰতিষ্ঠান সমূহক নিজৰ টকা-কড়িৰ সমস্যা থাকিলেও প্ৰয়োজনীয় উৎসাহ প্ৰদান কৰা দৰকাৰ - যাতে তেনেবোৰ প্ৰতিস্থানে নিজস্বভাৱে আগুৱাই যাব পাৰে। এইবোৰ দৃষ্টিভঙ্গী চৰকাৰৰ ৰাজনৈতিক দৰ্শনৰ অতি নিকট হোৱা হেতুকে এইটো কোনো আচৰিত কথা নহয় যে সেইবোৰ বিষয়ৰ সৰহভাগেই বাজেটত প্ৰতিফলিত হৈছে।

৮ শতাংশ বিকাশ লক্ষ্য সংন্তোষজনক যেন লাগে। পুনৰবৰ্দ্ধিত জিডিপি পৰিসংখ্যাৰ বাবে প্ৰতিষ্ঠান সমূহৰ উন্নত ডাটা ভিত্তিক তথ্যৰ ওপৰত নিৰূপণ কৰি হিচাপ কৰা হৈছে। সঠিক পৰিমাপৰ দ্বাৰা পূৰ্বৰ আনুমানিক গণনাক আঁতৰাই পেলোৱাৰ হেতু নতুন পৰিসংখ্যাবোৰ অধিক নিৰ্ভৰযোগ্য হোৱাৰেই সম্ভাৱনা অধিক। কিন্তু আন বহুতো ডাটা, ঋণ আৰু আই আই পি বৃদ্ধিয়ে এইটো দেখুৱাই যে অৰ্থনীতিত কিছু জঠৰতা থকাৰ কাৰণে পূৰ্বতে যি সম্ভাব্য বিকাশ গতি পাব লাগিছিল তাক কম হিচাপত অনুমান কৰা হৈছিল। বিকাশৰ ক্ষেত্ৰত অৰ্থনৈতিক সমীক্ষাই যি ইঙ্গিত দিছে তাতোকৈ তাৰ অৱস্থা প্ৰকৃততে অধিক ভাল হব পাৰে; কাৰণ প্ৰতিষ্ঠান সমূহৰ আৰ্থিক দিশৰ সমস্যা কিম্বা বেংকসমূহে বিত্তীয় বিষয়টোক দমন কৰি ৰাখি পদক্ষেপ গ্ৰহণ কৰিবলৈ চাই নেকি সেই সম্বন্ধে সমীক্ষাত উল্লেখ কৰাৰ দৰে সঠিক নহ'বও পাৰে। ইয়াৰ উপৰি " জে এ এম" ত্ৰি শক্তিৰ এনে সম্ভাৱনা আছে যি কেৱল উৎপাদন ক্ষেত্ৰৰ উন্নতি সাধন কৰিবও পাৰে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত বিকাশৰ কাৰণে যেনে অৱস্থাৰ প্ৰয়োজন সেয়া আশানুৰূপ নহ'বও পাৰে; আৰু সেয়ে বাজেট কিম্বা অৰ্থনৈতিক সমীক্ষাৰ ৰূপায়ণৰ দিশটোত উপযুক্তভাৱে গুৰুত্ব দিয়া দেখা নগ'ল।


সমীক্ষাৰ যুক্তি হ'ল ব্যক্তিগত বিনিয়োগৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ অধিক ৰাজহুৱা বিনিয়োগৰ প্ৰয়োজন হয় আৰু সেইটো যদি নাই হোৱা তেনেহ'লে সেয়া নিৰুৎসাহজনক কথা। বাজেটে মূলধনী ব্যয় মাত্ৰ জিডিপিৰ ০.৩ শতাংশ বৃদ্ধি কৰিছে। অৱশ্যে পূৰ্বৰ বিত্তীয় ঘাটিৰ ৪.১ শতাংশ লক্ষ্য পূৰণ কৰিছে। সেই হিচাপত বিকাশ হাৰ মাত্ৰ ২.৫ শতাংশহে প্ৰাপ্ত কৰা হয়। লক্ষ্যত উপনীত হ'বৰ বাবে উৎপাদন ব্যয় কৰ্তন কৰাটো হ'ল অতীতৰ ভাল অভ্যাস। প্ৰশাসনৰ পৰিবৰ্ত্তন অবিহনে চৰকাৰী বিনিয়োগ ক্ষমতাৰ ক্ষেত্ৰত ভীষণভাৱে সীমাবদ্ধতা অহা যেন লাগে; আৰু সেইটোৱে যোৱা কেইবছৰমান কালত জিডিপিৰ হাৰ প্ৰায় ১ শতাংশ স্থবিৰ কৰি ৰাখে।

কিন্তু অতিমাত্ৰা ৰাজহুৱা ব্যয় হানিকাৰক; আৰু সেয়ে চৰকাৰী ব্যয়ৰ প্ৰণালী পৰিৱৰ্তন সধাটো অতি আৱশ্যক। এই দিশত যদি সামান্য পদক্ষেপ গ্ৰহণ কৰা হয় তাক আদৰণি জনাব লাগে। কিন্তু বৰ্তমান বিনিয়োগৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰয়াস অব্যাহত আছে। বিভিন্ন প্ৰয়োজনীয় কাম-কাজ কৰাত সুচলতা প্ৰদান কৰিবৰ বাবেই এনে কৰা হৈছে।


ব্যক্তিগত বিনিয়োগৰ ক্ষেত্ৰত সীমাবদ্ধতা আছে নেকি? অৰ্থনৈতিক সমীক্ষাৰ যুক্তি হ'ব প্ৰতিষ্ঠান সমূহৰ অধিক বোজাৰে ক্লান্ত আৰু সেয়ে বিনিয়োগ কৰিব নোৱাৰে। কিন্তু সেয়া শুদ্ধ নহ'বও পাৰে। নক্সা-১ আৰু নক্সা-২ ত দেখা গৈছে যে বৃহত্তম ৫০ টা (বিক্ৰীৰ ক্ষেত্ৰত) নিৰ্মাণ প্ৰতিস্থানৰ বাবে ঋণৰ সমানুপাত হাৰত কোনো বৃদ্ধি দেখা পোৱা নেযায়। এয়া ২০০০ বৰ্ষৰ মাজভাগৰ তুলনাত বিনিয়োগ কৰা দেখিলে সেই দিশতো প্ৰতীয়মান হয়। ইয়াৰ বাবে যি পৰিসংখ্যা ব্যৱহাৰ কৰা হৈছিল সেয়া চি এম আই ইৰ প্ৰ'ৱেছ ডাটাৰ ওপৰত ভিত্তি কৰি নিৰ্ণয় কৰা হৈছিল। শীৰ্ষস্থানীয় ৫০ টা আন্তঃগাঁথনিমূলক প্ৰতিস্থানৰ ক্ষেত্ৰত ২০১৩ বৰ্ষৰ বাহিৰে সমানুপাত হাৰত কোনো বৃদ্ধি দেখা নেযায়। (নক্সা-২ ত দ্ৰষ্টব্য) ইয়াৰ উপৰি ২০০০ বৰ্ষত বহু

*** অসীমা গোৱেল আই জি আই ডি আৰৰ অধ্যাপিকা। তেওঁ এডিবি, ডি ই এ-জি অ' আই,জি দি এন, ৰিজাৰ্ভ বেংক, ইউ এন ই এছ চি এ পিৰ পৰামৰ্শদাতাও।**

প্ৰতিষ্ঠানতেই বাকীধন পুঞ্জীভুক্ত হয়।




নক্সা-১ ঃ আন্তঃগাঁথনি আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠান সমূহৰ ঋণ তথা ইকুইটীৰ সমানুপাত হাৰ



নক্সা -২ ঃ আন্তঃগাঁথনি আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহত ঋণ লব্ধ তথা সম্পদৰ সমানুপাত হাৰ

অৱশ্যে সমীক্ষাত বোম্বে ষ্টক এক্সচেঞ্জৰ শীৰ্ষ ৫০০টা প্ৰতিষ্ঠানৰ পৰিসংখ্যা ব্যৱহাৰ কৰি এই দিশত উপনীত হৈছে যে ঋণ-ইকুইটীৰ সমানুপাতৰ হাৰ আন্তৰ্জাতিক ভাৱে গ্ৰহণ কৰা পদ্ধতিতকৈ অধিক। পিছে এনে ধৰণৰ তুলনা এখন দেশৰ বাবে অধিক নহয় যি দেশখনত বেংকসমূহ বিত্ত বিনিয়োগৰ প্ৰধান উপায়স্বৰূপ হৈ আছে। ইয়াৰ উপৰি বহু প্ৰতিষ্ঠানে ঋণ সমানুপাতৰ হাৰ অৱনমিত কৰিবৰ কাৰণে ২০১৪ বৰ্ষৰ পৰা ষ্টক মাৰ্কেটত জড়িত হৈ আছে। সমীক্ষাত ঋণ সম্পৰ্কত যি অৱনমিত গতিৰ বিষয়ে মন্তব্য কৰিছে সেয়া ডাঙি ধৰা পৰিসংখ্যাৰ সতে নিমিলে। কিয়নো ভাৰতৰ ঋণ আৰু জি ডি পিৰ সমানুপাতৰ হাৰ ২০০০ বৰ্ষৰ ৩৫.৫ শতাংশৰ পৰা ২০১৩ বৰ্ষত ৫১ শতাংশলৈ উন্নীত হয়। এই পৰিসংখ্যা চীনৰ ১৫০ আৰু আমেৰিকাৰ ১৯০ সমানুপাত হাৰৰ লগত তুলনা কৰক। ভাৰতীয় ঋণ বৃদ্ধি গতি মজলীয়া উপাৰ্জনকাৰী দেশসমূহৰ বিকাশ গতিধাৰাতকৈ কম। সমীক্ষাত আমাক আশ্বাস দিছে যে উপাৰ্জন স্তৰৰ তুলনাত ভাৰতত প্ৰয়োজনীয় বেংকৰ পুঁজিতকৈ আয় অধিক হোৱা নাই কিম্বা ইয়াৰ বজাৰবোৰ তেনেই সৰু। ভাৰতে মূৰ ডাঙি উঠাৰ পাছত ঋণৰ ক্ষেত্ৰত অধিক মাত্ৰা লাভ কৰা নাই। তুলনামূলক হিচাপে এই কালছোৱাত চীন আৰু জাপানৰ দৰে দেশবোৰত ঋণ বৃদ্ধিৰ গতি বহুত খৰতকীয়া আছিল।

এম চি এ ২১ পৰিসংখ্যাত ৫ লাখ প্ৰতিষ্ঠানক ধৰা হয়। ইয়াৰ তুলনাত ৰিজাৰ্ভ বেংকৰ ক্ষেত্ৰত যিবোৰ নমুনা অন্তৰ্ভুক্ত কৰা হয় তাৰ সংখ্যা আছিল কেইবাহাজাৰমান। পেইড-আপ মূলধনৰ হিচাপ ব্যৱহাৰ কৰি চূড়ান্ত হিচাপ উলিয়াবলৈ তেনে কৰা হয়। এই নমুনাৰ কোনো প্ৰতিনিধিত্ব নাই— যাৰ বাবে ইয়াক সঠিক বুলি কব পৰা যায়। ২০১১-১২ বৰ্ষৰ আধাৰত যি পুনৰবৰ্দ্ধিত ৰাষ্ট্ৰীয় হিচাপ-নিকাচৰ পৰিসংখ্যা ডাঙি ধৰা হৈছে তাত দেখা যায় যে ২০০৪-০৫ বৰ্ষৰ আধাৰৰ তুলনাত প্ৰতিষ্ঠান সমূহৰ সঞ্চয় আৰু বিনিয়োগ বৃহৎ পৰিমাণে বৃদ্ধি পায়। উদাহৰণস্বৰূপে ক'বলৈ গলে ২০১২-১৩ বৰ্ষৰ ব্যক্তিগত কৰ্পʼৰেটৰ মুঠ আনুমানিক সঞ্চয় মুঠ ৰাষ্ট্ৰীয় বিতৰণযোগ্য উপাৰ্জনৰ সমানুপাত হাৰ হিচাপে ৬.১ ৰ পৰা ৯.৭ লৈ বৃদ্ধি পায়। মুঠ কৰ্পʼৰেট মূলধনৰ গঠনৰ ক্ষেত্ৰতো তেনে সমানুপাতৰ হাৰ ৯.২ ৰ পৰা ১৩.৫ লৈ বৃদ্ধি পায়। ইয়াৰ পৰা এনে লাগে যেন কৰ্পʼৰেট খণ্ডই বিনিয়োগ কৰিব নোৱাৰা নহয়।

বন্ধ কৰি ৰখা যোজনাসমূহে সমস্যাৰ সৃষ্টি কৰে। কিন্তু অৰ্থনৈতিক সমীক্ষাত এইটো দেখুওৱা হৈছে যে এনেবোৰ প্ৰকল্পৰ ক্ষেত্ৰতো কিছু গতি চালনা হয়। ইয়াৰ উপৰি এইটো আমোদজনক কথা যে সমীক্ষাই ব্যক্তিগত খণ্ডৰ বন্ধ কৰি ৰখা যোজনাৰ বিষয়ে উল্লেখ কৰোঁতে কৈছে যে তাৰ কাৰণ হʼল নিয়ামক ব্যৱস্থাতকৈ ব্যৱসায়িক চাহিদা শোচনীয় হোৱাৰ বাবে তেনে অৱস্থাত উপনীত হয়। ২০১১ চনত বন্ধ কৰি ৰখা সেৱা খণ্ডৰ প্ৰকল্পৰ কাম বহুত বৃদ্ধি পায়। ২০১২ চনৰ পৰা ২০১৪ চনৰ ভিতৰত বন্ধ কৰি ৰখা নিৰ্মাণ খণ্ডৰ প্ৰকল্পৰ কামো বহুত বাঢ়ি যায়। ২০১১ বৰ্ষত মুদ্ৰা তথা বিত্তীয় কঠোৰতা অৱলম্বন কৰাৰ পৰিণামৰ ফল হʼল নিৰ্মাণ খণ্ডৰ পৰৱৰ্তী কালত প্ৰাণ পাই উঠা কাৰ্য্য ব্যৱস্থা। তেনেদৰে ২০১৩ চনত গোলকীয় জড়তা সৃষ্টিৰ সময়তো একেই অৱস্থা হৈছিল। পাছৰ সময়ছোৱাত যেনিবা সেইবোৰে গতি লাভ কৰে। ব্যক্তিগত বিনিয়োগৰ কাৰণেও বাট মুকলি হয়।

সমীক্ষাত উত্থাপন কৰা আন এটা বিষয় হʼল বেংকসমূহে ভোগ কৰিবলগীয়া দ্বৈত বিত্তীয় চাপ। বেংক আৰু বজাৰসমূহৰ বিকাশ ভাৰতৰ বিকাশ স্থিতিৰ মতে সামঞ্জস্য ৰাখি আগবাঢ়িছিলনে? সমীক্ষাৰ বিবৃতিত এই প্ৰশ্নটো উদয় হয়। সমীক্ষাই আমাক এইটোও কৈছে যে ব্যক্তিগত খণ্ডৰ বেংকসমূহৰ সম্পদৰ ওপৰত অধিক লাভ পোৱা সত্বেও মুঠ অগ্ৰিম আৰু জমা ধনৰ অংশ ২০০৭ চনৰ পৰা প্ৰায় ২০ শতাংশও একেদৰে থাকে আৰু ৰাজহুৱা খণ্ডৰ বেংকে আন্তঃগাঁথনিৰ বাবে ঋণ দিয়ে তথা বন্ধ হৈ থকা প্ৰকল্পবোৰৰ ক্ষেত্ৰত এটা গঠনমূলক পদক্ষেপ গ্ৰহণ কৰে। সেই পদক্ষেপ কঠিন আছিল,কাৰণ ভূমি অধিগ্ৰহণৰ বাবেই সমস্যাৰ উদ্ভৱ হয়। যথেষ্ট পৰিমাণৰ ধন এনে অধিগ্ৰহণ কাৰ্যত ব্যয় কৰিবলগা হয়। তাৰ এক আশু সমাধানৰ অৰ্থে চৰকাৰে এই বিষয়ত অধিক মনোযোগ দিয়া প্ৰয়োজন। কয়লা খণ্ডৰ আবন্টনৰ অগ্ৰগতিয়ে বিদ্যুৎ যোজনাসমূহ স্থাপন কৰাত সহায় কৰিব লাগে।

ভাৰতীয় বেংকসমূহৰ ভিন্নমুখিতাও মন কৰিবলগীয়া। ইয়াৰ ৰাজহুৱা, বৈদেশিক আৰু ব্যক্তিগত গৰাকীস্বত্ব হʼল বিত্তীয় খণ্ডৰ এটা শক্তিশালী উৎস। বৰ্তমান ব্যক্তিগত বেংকবোৰ যদি ৰাজহুৱা বেংকতকৈ ভাল অৱস্থাত আছে সেয়া গোলকীয় বিত্তীয়

সংকটৰ সময়ত ঠিক তাৰ বিপৰীত আছিল। ব্যক্তিগত বেংকৰ জমা ৰাশি তেতিয়া যি কোনো সময়তে সংকটত পৰাৰ সন্দেহ কৰা হৈছিল। পাছত যেনিবা প্ৰতিযোগিতামুখিতাই সেই দৃশ্যৰ পৰিৱৰ্ত্তন ঘটায়। সামগ্ৰিকভাৱে বেংকিং খণ্ডলৈ অধিক স্থিৰতা আহে।

আন এটা লক্ষ্যণীয় দিশ হ'ল ভাৰতৰ সকলো ধৰণৰ বেংকেই বিদেশৰ বেংকবোৰতকৈ ভাল; কিয়নো আমাৰ বেংকবোৰৰ নিয়ামক পদ্ধতিৰ ধৰণ-কৰণ বিস্তৃত। ঋণৰ ক্ষেত্ৰত মূল্যৰ সমানুপাতৰ এটা স্তৰ আছে আৰু সেই স্তৰেই হ'ল এটা সম্পদ বিশেষ যাৰ মূলধনৰ ওপৰত সাধাৰণতে ভিত্তি কৰি সৃষ্টি কৰা হয়। অৰ্থনৈতিক সমীক্ষাত আমাক সতৰ্ক কৰি দিয়াৰ দৰে আন্তৰ্জাতিক ভাৱে যি পুস্তিকা আদি উলিওৱা হয় সেইবোৰত বিশেষ উপায় অৱলম্বন কৰিবলৈ প্ৰত্যক ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আভ্যন্তৰীণ আংশকা ভিত্তিত (ইন্টাৰনেল-ৰিস্ক-বেছদ) ব্যৱস্থাই বৃহৎ পৰিমাণৰ চাহিদাৰ পোষকতা কৰে। লেইমান ব্ৰাৰ্দাছৰ চাহিদাৰ পৰিমাণ ৩০ আৰু বিয়েৰ ষ্টাৰ্ণৰ আছিল ৩৩। এই দুয়োটা প্ৰতিস্থানৰ অৱস্থা নিশকটীয়া হোৱাৰ পূৰ্বে তেনে সুবিধা আগবঢ়াইছিল। পিছে তেনে প্ৰক্ৰিয়াক বাধা দিবৰ কাৰণে পোন প্ৰথম বাৰৰ বাবে Basel (III) Type ৰ জৰিয়তে ব্যৱস্থা কৰা হৈছিল। ইয়াৰ চৰ্ত আছিল মুঠ সম্পদৰ বিপৰীতে ৩ শতাংশ ইকুইটীৰ বাবে এটা বিশেষ সমানুপাত হাৰ থিৰ কৰাটো প্ৰয়োজন হৈছিল। কিন্তু এই ব্যৱস্থাও বিশেষ স্তৰত ৰাখিবৰ কাৰণে উপযুক্ত নাছিল। সেই ব্যৱস্থাই মাত্ৰ ৩৩.৩ গুণহে সীমাবদ্ধ কৰিছিল। পাছত যেনিবা ৰিজাৰ্ভ বেংকে অধিক স্তৰৰ সমানুপাত হাৰ থিৰ কৰে। সেই হাৰ হ'ল ৪.৫ শতাংশ। ফলস্বৰূপে ইয়াৰ স্তৰ সমানুপাত হাৰ হ'ল ২২ঃ১ আৰু সেই হিচাপত ভাৰতীয় বেংক সমূহৰ বাবে সাম্প্ৰতিক চাহিদা স্তৰৰ সমানুপাত হাৰ হ'ল ১০ঃ১ । সমীক্ষাই আমাক তাৰেই আশ্বাস দিয়ে। আগশাৰীৰ অৰ্থনীতিৰ তেনে স্তৰ এতিয়াও গড় হিচাপে হ'ল ২৫ঃ১। সেই ফালৰ পৰা চাবলৈ গলে আমাৰ বেংকসমূহ তুলনামূলকভাৱে ভাল অৱস্থাত আছে।

ৰাজহুৱা খণ্ডৰ কিছুমান বেংকে অ-বাণিজ্যিক সিদ্ধান্ত গ্ৰহণ কৰিলেও বহিঃ হতাশজনক স্থিতি বিৰূপ ফলাফলৰ বাবে দায়ী হয়। ভুল-ভ্ৰান্তি হয়েই, কিন্তু শক্তিশালী বোৰ্ড তথা উন্নত প্ৰশাসন ব্যৱস্থাই বাণিজ্যিক বিষয়ত স্বতন্ত্ৰ সিদ্ধান্ত লোৱাৰ নিশ্চিত কৰিব পাৰে। ব্যক্তিগত দলবোৰক পদ্ধতিত হস্তক্ষেপ কৰাৰ পৰা অৱশ্যেই বাধা দিব লাগিব আৰু দেউলীয়া হোৱাৰ পৰা নিজক বচোৱা দৰকাৰ- যাতে কৰদাতাসকলৰ কোনো হানি-বিঘিনি নহয়। বিলম্ব ৰোধ কৰিবৰ বাবেও ঋণ পুনৰোদ্ধাৰ ট্ৰাইবুনেল প্ৰক্ৰিয়াক নতুন ৰূপ দিয়া দৰকাৰ যাতে ঋণ লওঁতা সকলে বিলম্বৰ সুযোগ লৈ ধন পৰিশোধ কৰাৰ পৰা সাৰি যাব নোৱাৰে। অৱশ্যে কৰদাতাসকলৰ সমৰ্থনক উলাই কৰিব পৰা নেযায় আৰু কোনো বৃহৎ বেংকেই পদ্ধতিগত অত্যধিক ধনৰাশি ইফাল-সিফাল হোৱাৰ ভয়ত সেৱা কাৰ্যক প্ৰভাৱিত হবলৈ নিদিয়ে।

ৰাজহুৱা খণ্ডৰ বেংকবোৰক মজবুত কৰিবলৈ বাজেটত বৃহৎ পৰিমাণৰ আবন্টন দিয়া হোৱা নাই। বিশেষ উপায় অৱলম্বন কৰা ব্যৱস্থাও ইতিমধ্যে হ্ৰাস কৰা হৈছে— যিটো এটা যুক্তি-তৰ্কৰ বিষয়। কিন্তু এনে ব্যৱস্থাৰদ্বাৰা আমাৰ বেংকসমূহক অধিক মূলধন ৰাখিবলৈ জোৰ কৰাটো ইতিবাচক নহৈ নেতিবাচক হোৱাৰেই আশংকা অধিক । সেয়ে বৃহৎ মূলধনৰ ব্যৱস্থা আৰু অন্যান্য প্ৰত্যক্ষ উপায়সমূহৰ সন্দৰ্ভত আন্তৰ্জাতিক বৈঠকত বিষয়টো ভালদৰে আলোচনা কৰি এটা সমুচিত সমাধান কৰা প্ৰয়োজন। তেনে সমাধানৰদ্বাৰাই আন্তৰ্জাতিক বেংকসমূহৰ ক্ৰিয়া আৰু প্ৰক্ৰিয়াৰ অধিক উন্নতি সাধন হ'ব।

আৰু এটা কথা হ'ল বিত্তীয় বিষয়টোক দমন কৰি ৰখা যুক্তি ভ্ৰান্তিকৰ; কিয়নো সংস্কাৰৰ ২৫ বছৰৰ পাছত লিকুইডিটিৰ সমানুপাত এতিয়া ২১.৫ শতাংশলৈ অৱনমিত হৈছে। কিন্তু বেংকবোৰে স্বেচ্ছাই এটা বাণিজ্যিক সিদ্ধান্ত ৰূপে ২৫ শতাংশকৈ অধিক ধৰি ৰাখিছে। বহু বছৰৰপৰা বেংকবোৰে সংবিধানগত আৱশ্যকতাতকৈ অধিক ধনৰাশি নিজ হাতত ৰাখে। এটা মুকলিমুৰীয়া সিদ্ধান্তই দমন কৰি ৰখাটো নুবুজায়। বৰ্তমান সুতৰ হাৰ অধিক আৰু এই হাৰ কমালে বৃহৎ মূলধনী লাভ উপলব্ধ হোৱাৰ সম্ভাৱনা আছে।

সমীক্ষাত বিকাশ সম্ভাৱনাক যি হিচাপত ধৰিব লাগে তাতোকৈ কম মাত্ৰাত ধৰা হৈছে ; কাৰণ " জে এ এমৰ স্থিতিক এক পুনৰ বিতৰণ প্ৰয়াস ৰূপেহে গণ্য কৰিছে। কিন্তু কথা হ'ল দুখীয়াসকললৈ কেৱল ঋণেই নহয় তাৰ অতিৰিক্ত বিত্তীয় সেৱা পৰিব্যাপ্ত কৰিলে প্ৰকৃত প্ৰয়োজনীয়তাখিনি পূৰণ কৰিব পাৰিব আৰু তাৰ ফলত তেওঁলোকৰ উৎপাদন বৃদ্ধি পাব। এনে অৱস্থাক পদ্ধতি ৰূপে ধৰি ৰাখিব পৰা যাব; কিয়নো বেংক ব্যৱস্থাৰ অধীনলৈ অহা বিপুল সংখ্যক লোকে তেওঁলোকৰ ফচল উলিয়াবৰ বাবে বহুত বজাৰৰ পথ মুকলি হ'ব; আৰু সেইবোৰে এক সু-পৰিকল্পিত বেংকিং সেৱাৰ দিশ উন্মোচন কৰিব।

আলোচ্য জে এ এম ব্যৱস্থাত থকা বৈশিষ্ট্যৰাজি মন কৰিব লগীয়া; কাৰণ ই উপভোক্তাসকলৰ প্ৰয়োজন পূৰণ কৰাকৈ এলানি সেৱা আগবঢ়াইছে। জন ধন ব্যৱস্থাত আছে চৰ্তসাপেক্ষ অভাৰড্ৰাফ্ট, বীমা, প্ৰত্যক্ষ লাভ হস্তান্তৰ

আৰু টকা আদায় দিব পৰা ক্ৰেডিট কাৰ্ড। লেন-দেনৰ বাবে হোৱা কম খৰচ তথা প্ৰযুক্তিগত সা-সুবিধা সমৰ্থন জনোৱাৰ বাবে এনেবোৰ হিচাপ কামত লগাব পাৰি আৰু ইৰাজহ উদ্ৰেক কৰিব পাৰে। এনেবিধ বেংকত যি ভিন্নতা প্ৰদানৰ প্ৰস্তাৱ কৰা হৈছে আৰু ইয়াৰ বাবে সুচল ব্যৱস্থাই এটা লাভজনক প্ৰতিযোগিতাৰ নতুন অধ্যায় প্ৰশস্ত কৰিব পাৰে। ম'বাইল টেলিফোনেৰে কাৰ্য সাধন কৰিবলৈ সুবিধা হয় আৰু সেয়ে এই ক্ষেত্ৰত ম'বাইল বেংকিং ব্যৱস্থাৰ বহুত সম্ভাৱনা আছে। এনে ব্যৱস্থাৰ সুবিধা কিছুমান বিকাশমুখী দেশত আছে। ভাৰতহে এই ক্ষেত্ৰত পিছ পৰি আছে। উদাহৰণ স্বৰূপে ভাৰত আৰু পাকিস্তান দুয়োখন দেশেই ম'বাইল বেংকিং ২০০৮ চনত আৰম্ভ কৰে। উভয়ৰে বেংক সংযোজিত মডেল ব্যৱস্থাৰে (বেংক লিংকড মডেল) কাম চলোৱা হৈছিল— যিটো আফ্ৰিকাৰ আৰ্হিৰ লগত নিমিলে। তাৰ ম'বাইল চাৰ্ভিছ প্ৰভাইডাৰৰদ্বাৰা আংশিকভাবে ভূমিকা গ্ৰহণ কৰা হয়। দক্ষিণ এছিয়াত ম'বাইলত কোনো ধনৰ মূল্যৰ হিচাপ ৰাখিব পৰা নেযায়। বেংকেহে মূল ভূমিকা পালন কৰে। নিৰাপত্তা, স্থায়িত্ব আৰু ডাটা ৰেকৰ্ডপাতিৰ বাবে এই বেংকবোৰৰ দায়িত্ব থাকে। প্ৰতিটো লেন-দেন গ্ৰাহকৰ হিচাপ-বহীৰ (একাউন্ট) জৰিয়তে কৰা হয়।

তেনে হলেও ইয়াৰ বিস্তাৰিত সা-সুবিধা পাকিস্তানত ভাৰততকৈ খৰতকীয়া। গোৱেলে এই সন্দৰ্ভত ব্যৱস্থাসমূহৰ প্ৰভেদৰ বিষয়ে তেওঁৰ প্ৰবন্ধত বিশ্লেষণ কৰিছে। অধিক সুচলতাৰে কেনেদৰে কাম-কাজ কৰিব পৰা যাব পাৰে সেই বিষয়ে তেওঁ উল্লেখ কৰিছে। তেনে বিষয়সমূহৰ ভিতৰত উল্লেখ্যযোগ্য হ'ল, অধিক প্ৰয়াস স্তৰ, অধিক উপাৰ্জন শ্ৰেণী, বিস্তৃত বাণিজ্যিক আদান-প্ৰদান,লেন-দেনত কম খৰচ। তেনে লেন-দেনৰ বাবে গ্ৰাহকে পঞ্জীকৰণ কৰিবৰ বাবে শাৰীৰিকভাবে উপস্থিত থকাটো বাধ্যতামূলক হ'ব নেলাগে। এনে ধৰণৰ সা-সুবিধা সকলো শ্ৰেণীৰ লোকৰ বাবে কৰা দৰকাৰ আৰু নিৰাপত্তা তথা স্থায়িত্ব অটুট ৰখাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰিব নেলাগে। এনে ধৰণৰ নতুন প্ৰয়াসৰদ্বাৰা এটা সময়ত ম'বাইল বেংকিঙৰ বিস্তাৰিতকৰণ ক্ষীপ্ৰভাবে হ'ব পাৰে আৰু এই ক্ষেত্ৰত বেংকসমূহৰ ওপৰত এই গুৰুত্ব দিব লাগে যে ম'বাইল বেংকিঙ কাৰ্য অধিকভাবে চলন্তি হয় - যাৰ দ্বাৰাই বহুল পৰিসৰত সেৱা প্ৰদান কৰিব পৰা যাব পাৰে।

এম এছ পি অৰ্থাৎ ম'বাইল চাৰ্ভিছ প্ৰভাইদাৰ আৰু বেংকৰ মাজত সহযোগ স্থাপনে নতুন কৰ্মধাৰা প্ৰশস্ত কৰাত সহায় কৰিব পাৰে। যেনে— খুচুৰা ব্যৱসায়ত 'ডিজিটেল ধন' ৰ অধিক ব্যৱহাৰ , ই-কমাৰ্চলৈ গ্ৰাহকৰ প্ৰব্ৰজন, ওচৰৰ ক্ষেত্ৰভিত্তিক যোগাযোগ তথা সুলভ স্মাৰ্ট ফোনৰ দৰে প্ৰযুক্তিমূলক পৰিবৰ্তন হোৱাটো বাঞ্চনীয়। এনে স্মাৰ্ট ফোনৰ জৰিয়তে বিক্ৰীৰ সীমা ৬৫০ এম অতিক্ৰম কৰাৰ আশা আছে। গুগল আৰু এপলৰ দৰে বৃহৎ নন-বেংক প্ৰতিস্থানৰ লেন-দেন কাৰ্য্যত প্ৰবেশে প্ৰতিযোগিতাৰ ভাৱ আনি দিব আৰু নতুন সৃষ্টিৰ প্ৰতিও বাট মুকলি কৰিব।

চতুৰ্দশ বিত্ত আয়োগৰ অনুমোদনাৱলী হ'ল বিকাশৰ বাবে আন এটা ইতিবাচক দিশ। সমীক্ষাত এই বিষয়ে কম বিত্তীয় সুবিধাৰ কথা আগত ৰাখি বিশ্লেষণ কৰিছে। চৰকাৰে গ্ৰহণ কৰা এই আয়োগৰ প্ৰতিবেদনৰ এটা সুদৰপ্ৰসাৰী প্ৰভাৱ পৰিব। সমীক্ষাত মূল সংবিধানৰ বিষয় উল্লেখ কৰি সমগ্ৰ দেশখনতে সমান জনসেৱা নিশ্চিত কৰাৰ বিষয়ৰ ইঙ্গিত দিছে। সংবিধানৰ সেই অধিকাৰে প্ৰাসঙ্গিক বিষয়ৰ সম্পৰ্কিত অভিজ্ঞতাৰ ওপৰত অধিক আস্থা ৰাখি সমুচিতভাবে কামত আগবাঢ়িবলৈ ৰাজ্যসমূহক ক্ষমতা দিছে। বাজেটত বহুমুখী আৰু আওপকীয়া স্থিতি তথা অৱস্থাৰ পৰা আঁতৰি আহি সামগ্ৰিকভাবে ঘাটি লক্ষ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বিষয়ে সমীক্ষাত উল্লেখ কৰিছে। তেনে ঘাটিৰ ক্ষেত্ৰত - বিশেষকৈ ৰাজহ ঘাটি হ্ৰাস কৰা, স্থানীয় ক্ষমতাক গঢ়ি তুলিবলৈ কাৰ্য সাধনৰ বাবে অনুদান তথা স্থানীয় ৰাজহ বৃদ্ধিক উৎসাহিত কৰিবলৈ লোৱাটো হ'ল এটা উল্লেখনীয় বিষয়। এনেবোৰ কাৰ্য প্ৰকৃততে যোগান ধৰা সেৱাৰ নিকট আৰু জনসাধাৰণৰ বাবে অধিক কামত আহিব। আন এটা শৃংখলাৱদ্ধ কাৰক শক্তি ৰাজ্যৰ নিৰ্বাচনৰ পৰা লাভ কৰিব। এনে নিৰ্বাচনে ভাল প্ৰশাসনৰ বিষয়ে ভোটদাতাসকল যে যথেষ্ট সেইটো দেখুৱায় আৰু ভাল সেৱা পোৱাটোও তেওঁলোকে বিচাৰে। সাম্প্ৰতিক বছৰকেইটাত বিত্তীয় সুদৃঢ় কৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰতকৈ ৰাজ্যসমূহে ভাল কাম কৰিছে। সেয়ে সামগ্ৰিকভাবে বিত্তীয় সুদৃঢ়কৰণ তথা ব্যয়ৰাশিৰ উচিত ব্যৱহাৰৰ ক্ষেত্ৰত অৱস্থা উন্নত হোৱা উচিত।

বিভিন্ন সংস্থাসমূহৰ ক্ষেত্ৰত ৰাজহুৱা সেৱা শোচনীয় হোৱাৰ এটা কাৰণ হ'ল সমন্বয়ৰ অভাৱ। তেনে সংস্থা, কেন্দ্ৰ, ৰাজ্য, স্থানীয় এলেকা আৰু বিশেষ উদ্দেশ্যৰ ব্যৱস্থাবিশেষ — যিবোৰে নিজ-নিজ উদ্দেশ্যত ব্ৰতী হৈ পাৰস্পৰিক বুজা-পৰাৰ দিশটোলৈ চকু নিদিয়ে। বিত্ত আয়োগে এনে ধৰণৰ ভাৱধাৰাক নাকচ কৰা ৰাজ্যসমূহক ৰূপায়ণৰ ক্ষেত্ৰত অধিক স্বাধীনতা প্ৰদান কৰিছে। পিছে ৰাজ্যবোৰৰো অধিক দায়িত্ব থাকিব লাগিব। সংবিধান অনুযায়ী জনস্বাস্থ্য, অনাময় ব্যৱস্থা আৰু জলৰ ক্ষেত্ৰত ৰাজ্যবোৰৰ সুকীয়া দায়িত্ব আৰু অধিকাৰ আছে। এই তিনিওটা বিষয়তে গুণগত

দিশটোলৈ নোচোৱাৰ বাবে সকলোবোৰ কামতে আশানুৰূপ ফল পোৱা নাই বুলি ক'ব লাগিব। ল'ৰা-ছোৱালীৰ সম ওজন আৰু পুষ্টিহীনতাৰ বাবে ভাৰতত ঘাইকৈ এনেবোৰ কামৰ বাবে দায়ী। ইয়াৰ ফলত লোকসকলে বহুত কষ্ট পাব লগা হৈছে। সেয়ে এতিয়া ৰাজ্যবোৰে সেইবোৰ অসুয়া দূৰ কৰি সুনিয়াৰিকৈ কাৰ্য সাধন কৰিব লাগিব।

যদিও বাজেটত কেন্দ্ৰীয়ভাবে পোষকতা কৰা আঁচনি ৰাখিছে, আন কিছুমান কৰ্ত্তন কৰা হৈছে। ৰাজ্যসমূহক প্ৰদান কৰা কেন্দ্ৰীয় সাহায্য ২০-৪০ শতাংশ হ্ৰাস কৰা হৈছে। বৰ্দ্ধিত কৰৰ বোজাৰ কিছু অংশ পূৰণ কৰিবৰ কাৰণেই এনে কৰা হৈছে। স্বাস্থ্য আৰু শিক্ষাৰ শিতানত ব্যয় কৰিবলগা অধিক খিনি ৰাজ্যবোৰৰ হাতত এৰি দিয়া হৈছে। পিছে এনে কৰিবলৈ যাওঁতে লোকসকলৰ দক্ষতা বিকাশ কৰাটো প্ৰয়োজন— যাতে দুখীয়াসকলক প্ৰকৃততেই সহায় কৰিব পৰা যায় আৰু "মেক ইন ইণ্ডিয়া"ক সফল কৰি তুলিব পাৰি। পুনৰুজ্জীৱিত কৰা আন্তঃৰাজ্য পৰিষদৰ আলাপ-আলোচনা, সহযোগ তথা সকলোৱে লাভ কৰিব পৰাকৈ স্বাস্থ্য, জল, শিক্ষা আৰু পৰিৱেশ উন্নত কৰিবৰ কাৰণে কামত লগাব পাৰি আৰু তাৰ ওপৰত অধিক্য আৰোপ কৰা অৱশ্যেই প্ৰয়োজন। কেন্দ্ৰই প্ৰয়োজনতকৈ বাকী থকা (চাৰপ্লাছ) মন্ত্ৰালয়বোৰৰ নিশ্চয়েই পুনৰগাঁথনি কৰিব লাগে আৰু সেই অনুসাৰে নতুন দায়িত্ব দি কামবোৰ আগুৱাই নিব লাগে।

কাৰ্যসূচীবোৰ উপযুক্তভাবে ৰূপায়ণ কৰিবৰ কাৰণে প্ৰশাসন প্ৰতিস্থানসমূহ পুনৰ গঠন কৰা আৱশ্যক। চৰকাৰ গঠনৰ প্ৰথম বছৰত ইয়াৰ অভাৱ দেখা যায়। অৰ্থনৈতিক সমীক্ষা তথা বাজেটতো এনে কাৰ্য ক্ৰমণিকাৰ বিষয়ে যথেষ্টভাৱে উল্লেখ নাই। সমীক্ষাত এ পি এম চিৰ এই সন্দৰ্ভত তেনে কোনো উল্লেখ নাই। তাৰ পৰিবৰ্তে এটা সাংঘাটিক ধৰণৰ পৰামৰ্শ আগবঢ়োৱা হয় যে গ্ৰাম্য মজুৰি প্ৰকৃততে পৰি অহাৰ কাৰণে গ্ৰাম্য এলেকাত অধিক ব্যয় কৰাটো প্ৰয়োজন হয়। কিন্তু এয়া এনে ধৰণৰ ব্যয় — যিটো অতীতত মুদ্ৰাস্ফীতিৰ কাৰণ আছিল। গ্ৰাম্য মজুৰি নিৰাপদজনক ভাৱে বৃদ্ধি কৰিব পাৰি যদিহে উৎপাদনশীলতা শক্তি বৃদ্ধি পায় আৰু ইয়াৰ বাবে ব্যয়ৰ ধৰণ-কৰণৰ অৱস্থা উন্নত কৰাটো প্ৰয়োজন। উদাহৰণ স্বৰূপে প্ৰস্তাৱ কৰা অনুযায়ী সু-চিন্তিতভাবে বিত্তৰাশিক ব্যৱহাৰ কৰি ৰে'ল সেৱাৰ গুণগত দিশ উন্নতি সাধনেৰে তথা নিৰাপদ কৰিলে গ্ৰাম্য ভাৰত তথা সাধাৰণ লোক উপকৃত হব।

চৰকাৰৰ নিৰ্মাণ ব্যয়ে অতীতত গ্ৰাম্য মজুৰি বঢ়াই দিছিল। অৰ্থনৈতিক সমীক্ষাই এই বিষয়ত চৰকাৰে পুনৰ আলোকপাত আৰোপ কৰিব পাৰে। স্মাৰ্ট চিটি বুলিলে খালি ফ্লেটবোৰক বুজোৱা উচিত নহয়। পুৰণি নগৰবোৰৰ পৰিবৰ্তন কৰা টান আৰু তেনেদৰে নতুনবোৰত জনাকীৰ্ণ কৰাটোও কঠিন।

কৰৰ ক্ষেত্ৰত যি খেলি-মেলি আৰু অস্বচ্ছতাৰ ভাৰ-মূৰ্ত্তি গঢ়ি উঠিছে তাক চৰকাৰে পৰিবৰ্ত্তন কৰিব লাগে। কিন্তু তাকে কৰিবলৈ যাওঁতে কৰ্প'ৰেট তথা আন বিত্তীয় প্ৰতিস্থানসমূহক (এফ আই আই) একবাৰে কৰৰ পৰা মূৰ পোলোকা মাৰিবলৈ দিব নেলাগে। জি-২০ আৰু অ' ই চি ডিয়ে ভিত্তিত স্খলন ঘটা আৰু লাভক অন্যভাবে দেখুওৱা কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ প্ৰয়াস কৰিছে। এনে প্ৰয়াসত ভাৰতেও হাত মিলোৱা উচিত আৰু তাৰ পৰা উপকৃত হোৱা দৰকাৰ। কৰৰ ক্ষেত্ৰত চুক্তি সাধনৰ অৰ্থ হ'ল দ্বৈত কৰ ব্যৱস্থাক বাধা দিয়া; কিন্তু তাৰ চলনা লৈ দিব লগা কৰখিনিৰ পৰা হাত সাৰিবলৈ বিচাৰে। এয়া ঘৰুৱা কাৰ্যবোৰৰ কাৰণে উচিত ব্যৱস্থা নহয় কাৰণ কোনোবাই প্ৰকৃততেই কৰ আদায় দিয়ে আৰু কোনোবাই কৰ ফাঁকি দিয়ে। ফলস্বৰূপে বহু ধৰণৰ চৰকাৰী ব্যয়ত আঘাত পৰে। তাৰ পৰা বঞ্চিত নহলে সেইবোৰে দেশখনক অন্যভবে উপকৃত কৰিব পাৰে।

শেহতীয়া অ'ইচিডি সমীক্ষাত এইটো দেখা গৈছে যে আন দেশবোৰৰ তুলনাত কৰৰ বোজা ভাৰতত সৰ্বাধিক। বাজেটে ইয়াক মাত্ৰ বৃদ্ধিহে কৰে। ইয়াক অৱনমিত কৰিবলৈ জি এছ টি ব্যৱস্থাৰ ৰূপায়ণ হ'ল এটা গুৰুত্ব পূৰ্ণ বিষয়। পিছে এতিয়ালৈকে ই এটা আশ্বাসহে হৈ আছে। বিদেশৰ অধিক অন্তঃস্ৰোতৰ ওপৰত নিৰ্ভৰ কৰাটো পূৰ্বৰ চৰকাৰৰ ভুল আছিল। গ্ৰাম্য শিতানৰ ধনৰাশি সঠিক মতে ব্যৱহাৰ কৰা হোৱা নাছিল আৰু জটিল ধৰণৰ ঘৰুৱা সংস্কাৰ সাধনৰ বিষয়ত অৱহেলা কৰিছিল। নতুন চৰকাৰেও কেতিয়াবা কেতিয়াবা সেই একে ফান্দত পৰাৰ আশংকাৰ চিন দেখা যায়।

সদৌ শেষত এইটো আশা কৰা হৈছে যে আগন্তুক বছৰবোৰত ৰূপায়ণৰ কাম ভাল হ'ব যাতে এনে ধৰণৰ তুলনা কৰা সম্ভৱ হৈ নুঠে। বাজেটত সংস্কাৰৰ বহুত ভাৰৰ উদ্ৰেক হোৱা পৰিলক্ষিত হয় আৰু সমীক্ষাই এই ক্ষেত্ৰত প্ৰকৃততেই সুবিধা পাইছে। যদিহে প্ৰকৃতাৰ্থত তেনেবোৰ বিষয় আঙুলিয়াই দিয়ে আৰু তাৰ সম্পৰ্ক ৰূপায়ণৰ কথাও ভবা হয় তেনেহ'লে সেয়া হ'ব এটা ডাঙৰ কৃতিত্ব।

# ৰে’ল বাজেট ঃ প্ৰশস্ত কৰিছে প্ৰগতিৰ পথ

***জি শ্ৰীনিবাসন**

স্বৰাজোত্তৰ কালছোৱাত খুব কম ৰেলমন্ত্ৰীয়েহে জনসাধাৰণক লোভান্বিত কৰা ধৰণৰ অসফল বাটে গতি কৰা পৰিকল্পনা বৰ্তমান সময়ৰ সৈতে খোজ মিলাবপৰাকৈ যোগ্য কৰি তোলাৰ উপৰি নতুন প্ৰকল্প আৰু ৰে’লগাড়ীৰে ৰে’ল বিভাগটোক সমৃদ্ধ কৰাৰ কথা চিন্তা কৰিব পাৰিছে। এক এপ্ৰিলৰপৰা আৰম্ভ হ’বলগা নতুন বিত্তীয় বৰ্ষৰ বাবে সংসদত যোৱা ২৬ ফেব্ৰুৱাৰীত উত্থাপিত ৰে’ল বাজেট নিশ্চয়কৈ বলিষ্ঠ পদক্ষেপ বুলি ক’ব পাৰি। কিয়নো এই বাজেটখনে উদ্দেশ্য-প্ৰণোদিতভাবে পূৰ্বৰ গতানুগতিক নীতি এৰাই চলি দেশখনৰ অপৰিহাৰ্য পৰিবহণ মাধ্যমটোৰ উন্নয়নৰ বাবে নতুন বাট প্ৰশস্ত কৰাৰ পৰিকল্পনা কৰি ভৱিষ্যতৰ পিনে লক্ষ্য স্থিৰ কৰিছে। আগন্তুক পাঁচ বছৰত ৮.৫৬ লাখ কোটিৰ মধ্যকালীন বৃহৎ বিনিয়োগৰ পৰিকল্পনা, যাত্ৰীৰ ভাড়া নবঢ়োৱা, খোৱা-নিমখ আৰু অনান্য সামগ্ৰী যেনে চিমেন্ট, কয়লা, ক’ক’, লো, তীখা, লোৰ আকৰ, পেট্ৰ’লিয়ামজাত সামগ্ৰী আদি পণ্যদ্ৰব্যৰ পৰিবহনত ৰেহাই ২০১৫-১৬ বৰ্ষৰ ৰে’ল বাজেটৰ মূল বৈশিষ্ট্য বুলি ক’ব পাৰি। বাজেট উত্থাপনৰ পৰৱৰ্তী সংবাদমেলত ৰে’ল বোৰ্ডৰ জ্যেষ্ঠ বিষয়াবৰ্গই এই কথা উল্লেখ কৰিছে যে উক্ত বাজেটখনে বিভিন্ন পণ্যদ্ৰব্যৰ শ্ৰেণীবিভাগ কৰিছে। কেতবোৰ পণ্যদ্ৰব্যৰ ক্ষেত্ৰতহে হাৰ সৰ্বোচ্চ দহ শতাংশ বৃদ্ধি পাইছে। আনকি কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত এই হাৰ ঋণাত্মক পোৱা গৈছে। মুঠৰ ওপৰত ভাড়াৰপৰা অহা ১,২,৪২৩ কোটি টকাৰ চাৰি হাজাৰ কোটি টকা ৰে’ল বিভাগে ব্যয় কৰাৰ বাবে যো-জা চলাইছে। এনেদৰে চাবলৈ হ’লে বৃদ্ধি কৰা ভাড়াৰ হাৰ মাত্ৰ তিনি শতাংশহে হয়গৈ।

লোকসভাত ৰে’ল বাজেটখন উত্থাপন কৰাৰ সময়ত ৰে’লমন্ত্ৰীগৰাকীয়ে উচিত কথাই কৈছে যে ‘ভাৰতীয় অৰ্থব্যৱস্থাৰ হৃদযন্ত্ৰটোত জীৱনদায়িনী তেজৰ যোগান ধৰা ধমনীস্বৰূপ ৰে’ল ব্যৱস্থাটোৰ বাবে বাজেটখন উত্থাপন কৰা হৈছে হয়; কিন্তু এয়া অতি দুৰ্ভাগ্যজনক যে বিভাগটোৰ সুবিধা ব্যৱহাৰ কৰা ব্যক্তি বা উদ্যোগ কোনোটোয়েই সন্তুষ্ট হ’ব পৰা নাই। দীৰ্ঘকাল জুৰি চলি থকা অপৰ্যাপ্ত বিনিয়োগেই ৰে’ল বিভাগৰ শোচনীয় মানৰ সেৱাৰ মূল কাৰণ বুলি মন্ত্ৰীগৰাকীয় আঙুলিয়াই দিয়া কথাটো কোনো কাৰণতে অত্যুক্তি কৰা বুলি ক’ব নোৱাৰি। এই কথা মিছা নহয় যে ইয়াৰ পৰিণাম স্বৰূপে বিভাগটোৰ দক্ষতাৰ ওপৰত কুপ্ৰভাৱ পৰিছে, সুৰক্ষা বিষয়ক দিশসমূহ এলাগী হৈছে আৰু সেৱাৰ মান অৱনমিত হৈছে। এইবোৰ কাৰণবশতঃ নীতিৰ ক্ষেত্ৰত শিথিলতা, দক্ষতা হ্ৰাস আৰু মালবাহী ভাড়া বৃদ্ধি, যাত্ৰীৰ যানজঁট আৰু বিত্তীয় সম্পদ হ্ৰাস আদি বিষয় মূৰ দাঙি উঠিছে।

ৰে’ল মন্ত্ৰীগৰাকীয়ে ৰে’ল বিভাগটোত বিনিয়োগ কৰাৰ সুফলসমূহ বিশদভাবে আলোচনা কৰাটো যুক্তিযুক্ত যেন বোধ হয়, কিয়নো দেশৰ অৰ্থনীতিত এই বিভাগটোৰ লক্ষণীয় প্ৰভাৱ থাকে। তদুপৰি পৰিবেশৰ বহনক্ষমতা অটুট ৰখাৰ লগতে উক্ত খণ্ডত নিয়োগৰ সুযোগো প্ৰবল। ভূমি অধিগ্ৰহণ সম্পৰ্কীয় কোনোধৰণৰ সমস্যা নথকা হেতুকে তথা সমপণকালত হ্ৰস্ব হোৱা হেতুকে সস্তীয়া-ভাৱে পৰিচালনা কৰিবপৰা বিধৰ উচ্চ ঘনত্ব থকা ৰে’ল নেটৱৰ্ক এটা গঢ়ি তোলাৰ বাবে বিভাগটোৰ ধাৰণ ক্ষমতা অধিক বৃদ্ধি কৰাৰ বাবেও তেওঁ সঠিক পৰ্যালোচনা আগবঢ়ায়। গজ পৰিৱৰ্তন, ডাব্‌লিং ত্ৰিপ্‌লিং আৰু বৈদ্যুতিকৰণৰ বিষয়ত তেওঁ জোৰ দিছে, যাতে প্ৰবাদস্বৰূপ হৈ পৰা পূৰ্বৰ গতিৰ বৃদ্ধি ঘটে আৰু তাৰপৰা উক্ত সেৱা ব্যৱহাৰকৰ্তা উপকৃত হয়। এয়া মন কৰিবলগীয়াকথা যে, ভাৰতীয় ৰে’ল সেৱা ছটা ক’ৰিডৰেৰে চাৰিখন মহানগৰ আৰু এই চতুৰ্ভূজৰ কোণকেইটাৰে তীৰ্যকভাৱে সংযোগ কৰিছে। এই ছটা পথ ইতিমধ্যেই নিৰুদ্ধ হোৱা হেতুকে উক্ত ব্যৱস্থাটোৰ উন্নতি সাধন কৰি ভীৰ কমোৱাৰ চেষ্টা কৰাটো বৰ্তমান সময়ৰ মূল চিন্তাৰ বিষয় হৈ পৰিছে। বাজেটৰ ভিতৰত সামৰি লোৱা অন্যান্য ব্যাপক বিষয় হৈছে গ্ৰাহকৰ বাবে সেৱা অনুকূল আৰু সুৰক্ষিত কৰা, আৰু ভৱিষ্যতে সম্পূৰ্ণ ব্যৱস্থাটোকে স্বাৱলম্বী আৰু স্ব-বহনক্ষম কৰি তোলা।

ৰে’ল বাজেটখনৰ আন এটা মন কৰিবলগীয়া বিষ্ময়কৰ দিশ হৈছে বৈদ্যুতিকৰণৰ প্ৰস্তাৱৰ বাবে দ্বিতীয় বিত্তীয় বৰ্ষত অধিক গুৰুত্ব প্ৰদান। চলিত বিত্তীয় বৰ্ষৰ ৪৬২ কিলোমিটাৰ পথৰ বাবে পুঁজি

* জি শ্ৰীনিবাসন ‘দি হিন্দু’ কাকতৰ ‘বিজনেচ লাইন’ৰ প্ৰাক্তন উপ সম্পাদক আৰু মুক্ত সাংবাদিক।

মুকলি কৰাৰ বিপৰীতে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে ৬৬০৮ কিলোমিটাৰ পথৰ বাবে আবন্টন দিয়া হৈছে। ১৩০০০ কিলোমিটাৰ ব্যৱধান সঁচাকৈয়ে বিস্ময়কৰ। কয়লা দহন কৰি বিদ্যুৎশক্তি উৎপাদন কৰাৰ পূৰ্বৰ নিয়ম আঁতৰাই ভাৰতবৰ্ষই প্ৰতিশ্ৰুতি দিয়াৰ দৰে এওাৰ গেছবিহীন উন্নয়নৰ আৰ্হি প্ৰয়োগ কৰিবলৈ মনস্থ কৰিছে। যদিহে পৰিস্থিতিতান্ত্ৰিক আৰু কম ইন্ধনৰ দহনৰ দিশৰপৰা পথ পৰিবহনতকৈ অগ্ৰাধিকাৰ দিবলগা পৰিবহণ ব্যৱস্থা হিচাপে ৰে'ল বিভাগটোক উৎসাহিত কৰিবলগা হয়, তেন্তে সেয়া বাস্তৱত ৰূপায়িত কৰাৰ বাবে দ্বিতীয় বিত্তীয় বৰ্ষত পৰিস্থিতিতান্ত্ৰিক ভাৰসাম্য অটুত ৰাখি কেনেদৰে পৰিবহণ আৰু যাত্ৰীবাহী ৰে'লগাড়ীৰ বাবে সৰ্ব্বোচ্চ বৈদ্যুতিকৰণ কৰা হ'ব সেই বিষযটো সুচাৰুৰূপে সমাধান কৰাৰ বাবে ১০০০ মেগাৱাটৰ সৌৰশক্তি উৎপাদনৰ সক্ষমতা লাভ কৰাৰ বাবে সেউজ পদক্ষেপ লবলৈ যো-জা চলাইছে।

ৰে'লমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা চাৰিটা লক্ষ্য হৈছেঃ ক) গ্ৰাহকৰ বাবে ৰে'লসেৱা সুবিধাজনক কৰি গঢ়ি তোলাৰ বাবে বহনক্ষম আৰু লক্ষণীয় উন্নয়ন সাধন, খ) ৰে'লযোগে কৰা ভ্ৰমণ সুৰক্ষিত কৰা, গ) ২ কোটি নিযুতৰ পৰা ৩ কোটি দৈনিক যাত্ৰী কঢ়িয়াব পৰাকৈ ৰে'লপথ ১.১৪ লাখ কিলোমিটাৰ পৰা ১.৩৮লাখ কিলোমিটাৰ কৰি ৰে'ল ব্যৱস্থাৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰা আৰু ঘ) বাৰ্ষিক হাৰত মালবাহী ক্ষমতা ১নিযুত টনৰ পৰা ১.৫ নিযুত টন। এই লক্ষ্য সাধন কৰাটো সম্ভৱপৰ হ'ব যদিহে মন্ত্ৰীগৰাকীয়ে কাৰ্যতঃ সঠিক কাৰ্য্যনীতি কঠোৰভাৱে অনুসৰণ কৰে। বিশেষ উদ্দেশ্যনিহিত ৰে'লগাড়ীৰ প্ৰকল্পৰে ৰাজ্য চৰকাৰসমূহক একজোঁট কৰি অংশীদাৰী পৰিবেশ সৃষ্টি কৰা, কয়লা,লোৰ আকৰিক, আৰু চিমেন্ট আদিৰ দৰে গুৰুত্বপূৰ্ণ সামগ্ৰী পৰিবহনৰ বাবে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ মাজত অংশীদাৰী যোগসূত্ৰ স্থাপন কৰা আৰু প্ৰযুক্তিৰ সৰবৰাহৰ বাবে বিভিন্ন দ্বিপাক্ষিক আৰু ত্ৰিপাক্ষিক সংস্থাৰ সৈতে সংযোগ স্থাপন কৰা আদি তথা চুক্তিসম্বন্ধীয় বিবাদৰ নিষ্পত্তিৰ বাবে উপযুক্ত বিধি-ব্যৱস্থা স্থাপন কৰা আৰু বুজাপৰা কৰা আদিয়ে উপৰোক্ত উদ্দেশ্য সাধনত নিশ্চয়কৈ উৎসাহ যোগাব।

বজাৰ ঋণৰ যোগেদি লাভজনক প্ৰকল্প বিত্তপোষণ কৰাটোৱে কি অৰ্থ বহণ কৰে সেই কথা এসময়ৰ গাণনিক হিচাপে ৰে'লমন্ত্ৰীগৰাকীয়ে ভালদৰে জানে। নিজৰ সংস্থা ভাৰতীয় ৰে'ল বিত্ত নিগমৰ পৰা ব্যয়বহুল ঋণ লোৱাৰ ওপৰি কম ব্যয় হোৱা প্ৰকৃতিৰ পুঁজি বীমা আৰু পেঞ্চন পুঁজি, বহুপাক্ষিক আৰু দ্বিপাক্ষিক সংস্থা আদিৰ পৰা ল'ব পৰা যায়, যিবোৰক ক্ৰমবৰ্ধমান ৰাজহৰপৰা দেনা আদায় দিব পৰা যায়। দীৰ্ঘকালীন বিনিয়োগকাৰী আৰু অইন অংশীদাৰৰ পৰা বিনিয়োগৰ জৰিয়তে নতুন ৰে'লগাড়ী প্ৰচলনৰ বাবে ব্যক্তিগত খণ্ডৰ বিনিয়োগক উৎসাহিত কৰাটো সচাঁকৈয়ে প্ৰশংসনীয় পদক্ষেপ বুলি ক'ব লাগিব। পোনপ্ৰথমবাৰৰ বাবে ৰে'ল মন্ত্ৰীগৰাকীয়ে মুক্তভাৱে এই কথা ঘোষণা কৰিছে যে সম্পত্তি বিক্ৰি কৰাতকৈ তাৰ মুদা মূল্য বঢ়াই তোলাটোত তেওঁ অধিক গুৰুত্ব দিব খোজে। ইয়ে কেতবোৰ অপ্ৰয়োজনীয় বিতৰ্ক আৰু অনাহক আশা যেনে ব্যৱস্থাটো কৰ্প'ৰেট ধৰণে সজোৱা হ'ব অথবা ব্যক্তিগতকৰণ কৰা হ'ব, তাৰ সৈতে সংলগ্ন ভূমি বিক্ৰি কৰা হ'ব আদি দূৰ কৰাত সহায় কৰিছে।

আয়ৰ হাৰত দৰ্শোৱা পৰিচালনাৰ ব্যয় (যিটো যিমান কমে সিমানে ব্যৱস্থাটোৰ বাবে ভাল) ৰ যোগেদি প্ৰকাশ পোৱা পৰিচালন দক্ষতা ২০১৩-১৪ বৰ্ষৰ ৯৩.৬ শতাংশৰপৰা ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য্য কৰা হিচাপে ৯১.৮ শতাংশ হৈছে। চৰকাৰে যথোপযুক্ত সময়ত ব্যয় ব্যৱস্থাপনা কাৰ্য্যসূচীৰ জৰিয়তে যোৱা জুলাই মাহতে এই হাৰ ৯২.৪ শতাংশলৈ হ্ৰাস কৰাত সক্ষম হৈছিল। দ্বিতীয় বিত্তীয় বৰ্ষত মুঠ উৎপাদনশীলতা প্ৰাপ্তি আৰু দক্ষ ফলাফলৰ বাবে ব্যৱস্থাটোৰ দক্ষতা বৃদ্ধি কৰা আদি উপায় অবলম্বন কৰি এই হাৰ ৮৮.৫ শতাংশলৈ নমাই অনাই অনাৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

দৰাচলতে, এইটো বিত্তীয় বৰ্ষতে ব্যয় হ্ৰাস কৰা আৰু পৰিচালন ক্ষমতা বৃদ্ধিৰ বাবে মন্ত্ৰীগৰাকীয়ে ব্যৱস্থা গ্ৰহণ কৰাটোৱে মন্ত্ৰীগৰাকীক অৱমূল্যায়ন সংৰক্ষণ পুঁজিৰ সুবিধা ১০৫০ কোটি টকাৰ পৰা ৭৯০০ কৌটি টকালৈ বৃদ্ধি কৰাত সমৰ্থ কৰিছে। ভ্ৰমণ কৰা যাত্ৰী আৰু বোজা কঢ়িওৱা গাড়ী সুকলমে চলি থাকিব পৰাৰ বাবে ৰে'লপথৰ মেৰামতি কৰা কামত ইয়ে দুৰ্যোগ সহাঁৰি পুঁজি হিচাপ কাম কৰিব। সৰু-সুৰা ব্যয়কে ধৰি ধাৰণ ক্ষমতা বৃদ্ধি আদিৰ ক্ষেত্ৰত আবন্টিত ৰে'ল বিকাশ পুঁজি সংশোধন কৰি বৃদ্ধি কৰা হৈছে আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষত তাৰ পৰিমাণ ৫৭৫০ কোটি টকা কৰা হৈছে। আটাইতকৈ সন্তুষ্টিৰ কথা এয়ে যে পৰিকল্পিত শিতানত ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে নিৰ্ধাৰিত ৰাশি পূৰ্বতকৈ ৫০শতাংশ বৃদ্ধি কৰি এক লাখ কোটি কৰা হৈছে। যদিহে পৰিকল্পিতভাৱে যথাযথভাবে এই ধনৰাশি ব্যয় কৰা হয় তেন্তেই একধৰণৰ অভিলেখ স্বৰূপ হ'ব।

এই পৰিকল্পনাৰ ৰাজহৰ দিশটোৰ পৰা অত্যধিক আশা কৰা হৈছে কিয়নো ইতিমধ্যে চলিত বিত্তীয় বৰ্ষত যাত্ৰী আৰু মালবাহী ৰে'লৰ ভাড়াৰপৰা আহিবলগা ৰাজহ হ্ৰাস হৈছে আৰু বাজেটত ধাৰ্য্য কৰা হিচাপ অনুযায়ী ১,৬০,১৬৫ কৌটি টকাৰ ৯১৭ কৌটি টকালৈ মুঠ ট্ৰেফিক পাওনা হ্ৰাস পাইছে। এই নতুন সংশোধন অনুযায়ী মুঠ ট্ৰেফিক পাওনাৰ পৰা ১,৮৩,৫৭৮

কোটি টকা আদায় কৰা হ'ব বুলি বাজেটত অনুমান কৰা হৈছে। যদিহে কোনোধৰণৰ আচৰিত কাণ্ড নঘটে, ৰে'ল মন্ত্ৰালয়ে ব্যক্তি আৰু সমূহ পৰ্য্যায়ত ৰে'লসেৱা ব্যৱহাৰকৰ্তাৰ সুবিধাৰ্থে কেতবোৰ প্ৰশংসনীয় আৰু বহনক্ষম ব্যৱস্থাপনাৰ কৌশল অনুশীলন কৰে, তেন্তে উল্লেখ কৰা ধৰণৰ ৰাজহ আদায় কৰাৰ আশা কৰাটো সমীচীন হ'ব।

যিহেতু ইতিমধ্যে ৰে'ল বিভাগে মুঠ বাজেটীয় সমৰ্থনৰ ওপৰত এটা সীমাৰ ওপৰত, য'ত বিভাগটোৱে নিজাকৈ পৰিচালন ক্ষমতা হেৰুৱাই পেলায়, তেন্তে এটা পৰ্যায়লৈ নিৰ্ভৰশীল নহ'বলৈ মনস্থ কৰিছে, সেয়ে আনুষ্ঠানিক বিত্তপোষণৰ জৰিয়তে বাজেট অতিৰিক্ত সম্পদ আবন্টন কৰি ৰে'লমন্ত্ৰীগৰাকীয়ে উচিত সিদ্ধান্তই গ্ৰহণ কৰিছে। ৰে'ল বিভাগ, ৰাজহুৱা খণ্ডৰ উদ্যোগ, আদিৰ জৰিয়তে ৰে'ল প্ৰকল্পসমূহত আনুষ্ঠানিক বিনিয়োগৰ পৰিমাণ ১৭,১৩৬ কোটি টকা পৰিকল্পনা কৰা হৈছে। এই ধনৰাশিৰ জৰিয়তে ধাৰণ ক্ষমতা বৃদ্ধি প্ৰকল্প ক্ষীপ্ৰ গতিত ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। এই প্ৰকল্পসমূহৰ মূল উদ্দেশ্য তীব্ৰ যানজঁট হ্ৰাস কৰা আৰু প্ৰকল্পসমূহ সম্পন্ন কৰাৰ পাচত সিবোৰ লাভদায়ক হ'ব। সেয়ে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে নিৰ্ধাৰিত বাৰ্ষিক পৰিকল্পিত ৰাশি এক লাখ কোটি টকা, মুঠ বাজেটীয় সমৰ্থনৰ যোগেদি চৰকাৰৰ যোগেদি ৪০ হাজাৰ কোটি টকা আৰু ডিজেলৰ জৰিয়তে ১৬৪৫ কোটি টকা, আভ্যন্তৰীণ সম্পদৰ পৰা ১৭,৭৯৩ কোটি টকা আৰু বাহ্যিক ঋণৰ যোগেদি ৪০ হাজাৰ কোটি টকা লোৱা হ'ব।

উল্লেখ কৰাটো সমীচীন হ'ব যে বিগত বিত্তীয় বৰ্ষত ১৩ হাজাৰ কোটি টকাৰ বাহ্যিক ঋণ ৰে'ল বিভাগে লৈছিল আৰু ঋণ পৰিশোধ কৰাৰ বাবে কেতবোৰ নিৰ্দিষ্ট প্ৰকল্প চিনাক্ত কৰা হৈছিল। এই অভিজ্ঞতাৰ পৰা শিকনি লাভ কৰি ৰে'ল বিভাগে সম্প্ৰতি ৰাজ্য চৰকাৰ, ৰাজহুৱা খণ্ডৰ উদ্যোগ, বহুপাক্ষিক সংস্থা আৰু ব্যক্তিগত পক্ষৰ লগত অংশীদাৰী ব্যৱস্থাৰে আগবাঢ়িবলৈ প্ৰস্তাৱ লৈছে। এনেদৰে সকলো পক্ষৰ পৰা মুঠ ১৭ হাজাৰ কোটি টকা, ভাৰতীয় ৰে'ল বিত্ত নিগমৰ পৰা ১৭ হাজাৰ কোটি টকা, আৰু ৰাজহুৱা-ব্যক্তিগত অংশীদাৰী ব্যৱস্থাৰপৰা ৬ হাজাৰ কোটি টকা গোটাব বুলি আশা কৰা হৈছে।

যথোপযুক্তভাৱে আৰু উদ্যমেৰে এই বাজেটখন ৰূপায়ণ কৰাটো সম্ভৱপৰ হৈ উঠিলে বাজেটখনৰ অভিনৱ সংৰচনাই নিশ্চয়কৈ সকলোৰে বাবে লাভদায়ক প্ৰমাণিত হ'ব। সমালোচকসকলে সততে এই অভিযোগ উত্থাপিত কৰে যে বিনিয়োগৰ আচঁনিসমূহ ঋণৰ আধাৰতহে চলি থকা বিধৰ আৰু সেয়ে এনেবোৰ আঁচনি বহনক্ষম নহয়। কিন্তু এনে এটা পৰিস্থিতি, য'ত বজাৰৰ শক্তিয়ে সম্পদৰ প্ৰয়োগ নিৰ্ধাৰণ কৰে; তেনেস্থলত ৰে'ল বিভাগটোৱে নিশ্চয়কৈ সফলতা লাভ কৰিব। কিয়নো অইন পৰিবহনতকৈ যাত্ৰী আৰু মাল কঢ়িওৱাৰ ক্ষেত্ৰত সস্তীয়া হোৱা হেতুকে বিভাগটোৱে তাৰপৰা লাভ উঠাব পৰাটো সুনিশ্চিত। এই সকলোবোৰ কথা ভালদৰে অনুধাবন কৰা ৰে'ল মন্ত্ৰীগৰাকীয়ে সেয়ে হয়তো অধিবেশনত এই কথা ঘোষণা কৰিছে যে পৰৱৰ্তী পাঁচ বছৰত দ্ৰুতবগী ৰে'ল, আধুনিক ৰে'লসেৱা, আটকধুনীয়া ৰে'লষ্টেচন, কৌশলী কৰ্মচাৰীয়ে ভাৰতীয় ৰে'ল ব্যৱস্থাটোৰ ৰেহ-ৰূপেই সলনি কৰি দিব। অতীতৰে পৰা বিকাশ ঘটি বৰ্তমানৰ এই বিশাল বিন্যাস লাভ কৰা পৰিবহনৰ পৰম্পৰাগত ৰে'ল ব্যৱস্থাটোক বোধকৰো ২০১৫-১৬ বৰ্ষৰ এই ৰে'ল বাজেটখনে প্ৰগতিৰ সেউজ সংকেত দিছে।

# চতুৰ্দশ বিত্ত আয়োগৰ অনুমোদনাৱলী সংযুক্ত গাঁথনিৰ দিশত সঠিক খোজ

***প্ৰভাকৰ চাহু**

কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ অধীনত অহি পৰা বিষয়সমূহৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট সীমা ভাৰত চৰকাৰৰ আইন-১৯৩৫ ৰ দ্বাৰা থিৰ কৰাৰ পাচৰ পৰা ভাৰতত কেন্দ্ৰ আৰু ৰাজ্য উভয়তে বিত্তীয় সংযুক্তবাদে গা কৰি উঠে। বিভিন্ন সাংবিধানিক সংশোধনৰ জৰিয়তে ইয়াৰ বহু পৰিৱৰ্তন সাধন হয়। তেনে পৰিৱৰ্তন সংযুক্তবাদৰ মূল উদ্দেশ্য-ৰাজি পূৰণ কৰিবৰ বাবেই সম্পদৰাজি কিদৰে ভাগ কৰিব লাগে তাৰ শ্ৰেণীকৰণৰ ওপৰত মনোযোগ দিয়া হয়। তেনে উদ্দেশ্যৰাজিৰ ভিতৰত উল্লেখযোগ্য বিষয় হ'ল— বিত্তীয় ভাৰসাম্যহীনতা হ্ৰাস কৰা, সমান স্তৰৰ ৰাজহুৱা সেৱা প্ৰদানৰ বাবে ব্যৱস্থা ৰাজি নিশ্চত কৰা। তেনে সেৱা হ'ল, শিক্ষা,স্বাস্থ্য ইত্যাদি। এইবোৰৰ ক্ষেত্ৰত ৰাজ্যসমূহত কৰসমূহৰ হাৰ একে ধৰণৰ হোৱাটো প্ৰয়োজন। সৰহভাগ সংযুক্ত ব্যৱস্থাত স্থিৰতা আৰু বিতৰণৰ উদ্দেশ্য লাভ কৰিবৰ কাৰণে সম্পদৰাজি কেন্দ্ৰীয় চৰকাৰৰ পক্ষতেই থাকে। কিন্তু ভাৰতীয় সংযুক্তবাদৰ ক্ষেত্ৰত সেইটো হোৱা নাই। বিত্তীয় ভাৰসাম্যহীনতাই বিৰাজ কৰে। চৰকাৰৰ কাৰ্য ব্যৱস্থাৰ বিভিন্ন স্তৰত সম্পদ আৰু ব্যয়ৰ মাজত সামঞ্জস্য নেথাকে। কেন্দ্ৰীয় বিত্ত আয়োগ, পৰিকল্পনা আয়োগ আৰু কেন্দ্ৰীয় মন্ত্ৰ্যালয়সমূহৰ জৰিয়তে বিত্তীয় ভাৰসাম্যহীনতা আৰু আঞ্চলিক অসমতা হ্ৰাস কৰিবৰ বাবে আন্তঃচৰকাৰী ৰদ-বদলৰ সহায় ল'লেও সমস্যাৰ সিমানতে অন্ত নপৰে। প্ৰত্যেক বিত্ত আয়োগৰ দৰে চতুৰ্দশ বিত্ত আয়োগেও বিত্তীয় সংযুক্ত ব্যৱস্থাৰ উদ্দেশ্য পূৰ্ণ কৰিবলৈ চেষ্টা কৰিছে যাতে প্ৰকৃতাৰ্থত সহযোগাত্মক তথা প্ৰতিযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ গঢ়ি তুলিব পাৰে।

বছৰচেৰেক ধৰি কেন্দ্ৰৰ পৰা ৰাজ্যসমূহলৈ বিত্তীয় হস্তান্তৰৰ গতিধাৰা পৰিবৰ্ত্তন হয় আৰু বিত্ত আয়োগৰ জৰিয়তে যি অংশ পৰিমাণৰ পুঁজি দিব লাগে সেয়া সামান্যভাবে হ্ৰাস পায়। আনপিনে পৰিকল্পনা মঞ্জুৰি দানৰ ক্ষেত্ৰত কেন্দ্ৰৰ যি স্বেচ্ছাধীন ক্ষমতা আছে তাৰ পৰিমাণ বৃদ্ধি পায়। ২০১৩-১৪ বৰ্ষলৈকে ৰাজ্যই গ্ৰহণ কৰা বাজেটলৈ চাই কেন্দ্ৰীয়ভাৱে পোষকতা কৰা আঁচনিৰ জৰিয়তে পুঁজি হস্তান্তৰ কৰা পৰিমাণ বৃদ্ধি কৰে। পূৰ্বতে ৰাজ্যসমূহৰ আৰ্থ-সামাজিক উদ্দেশ্য থিৰ কৰাত এই ক্ষেত্ৰত কেন্দ্ৰৰ সঁহাৰি বাধা ৰূপে অনুভৱ কৰা হৈছিল। কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ পৰিসৰ বহল কৰা কাৰণে ৰাজ্যৰ তালিকাত পৰা বিষয়বোৰত কেন্দ্ৰৰ হস্তক্ষেপ ৰাজ্য সমূহৰ এটা ডাঙৰ আপত্তি হৈ আহিছিল।

এইবোৰ হ'ল কেইটামান বিষয় যিবোৰ কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্তীয় সম্পৰ্কৰ ক্ষেত্ৰ হৈ আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল ধন হস্তান্তৰৰ বিভিন্ন প্ৰণালী, বিত্ত আয়োগৰ হস্তান্তৰ কৰাত সীমিত সুবিধা, পদ্ধতিগত দুৰ্বলতা আৰু অধিক মাত্ৰাত ''সুৰক্ষা পূৰ্ণ কৰা' (গেপ-ফিলিং) দৃষ্টিভঙ্গীৰ ওপৰত নিৰ্ভৰশীলতা। উদ্দেশ্যসমূহৰ লক্ষ্য ওপৰা-ওপৰিকৈ সাধন কৰিবলৈ কৰা প্ৰয়াস যাৰ ফলত অসমতা দূৰ কৰা প্ৰধান উদ্দেশ্যসমূহৰ ওপৰত আলোকপাত কৰিবলৈ অপাৰগ হয়।

চতুৰ্দশ বিত্ত আয়োগৰ ভূমিকা সহজ নহয়। বিত্ত, অৰ্থনীতি আৰু সামাজিক ক্ষেত্ৰত অধিক বোজাৰ দায়িত্ব পালন কৰিবলৈ দিয়া হয়। আয়োগক আনকি কেন্দ্ৰ আৰু ৰাজ্য উভয়তে কৰ সমানুপাত হাৰ বঢ়াবৰ অৰ্থে কেনে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হয় সেই সমন্ধেও পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছিল। আন পৰামৰ্শৱলীৰ ভিতৰত আছিল বিত্তীয় স্বায়ত্ত দিশৰ ব্যৱস্থা,ৰাজহুৱা খণ্ড উদ্যোগৰ কাম-কাজৰ উন্নতি, ৰাজ্যসমূহত চৰকাৰৰ ব্যয়ৰ ক্ষেত্ৰত বাঢ়ি যোৱা অসমতাৰ গতিধাৰাৰ সমাধান, পাৰিপাৰ্শ্বিক, পৰিবেশ আৰু জলবায়ু পৰিবৰ্তনত আহি পৰা প্ৰত্যাহ্বানৰ প্ৰতি সষ্টম হোৱা। তদুপৰি জি এছ টিৰ প্ৰভাৱ কেনেধৰণ হ'ব তাক নিৰ্ণয় কৰা তথা ৰাজ্যসমূহৰ কাৰণে ক্ষতিপূৰণ ব্যৱস্থা উদ্ভাৱন কৰি ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ সন্দৰ্ভত মূল্য নিৰ্দ্ধাৰণ সম্পৰ্কে অনুমোদন জনোৱা— যাতে বিত্তীয় গতিশীলতা আৰু সক্ষমভাবে কাম-কাজৰ ধাৰা অটুট ৰাখিব পৰা যায়।

**কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্ত**

ত্ৰয়োদশ বিত্ত আয়োগে বিত্তীয় সুদৃঢ়তাৰ বাবে যি ব্যৱস্থা গ্ৰহণৰ বিষয়ে অনুমোদন জনাইছিল তাৰ প্ৰতি লক্ষ্য ৰাখি

* প্ৰভাকৰ চাহু দিল্লী য়ুনিভৰচিটি এনক্লেভৰ ইন্সটিটিউট অৱ ইক'নমিক গ্ৰ'থৰ সহযোগী অধ্যাপক

চতুৰ্দশ বিত্ত আয়োগক কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ বিত্ত বিষয়টো পৰ্য্যালোচনা কৰিবলৈও উল্লেখ কৰা হৈছিল আৰু তাৰ বাবে প্ৰাসঙ্গিক বিষয়ো (টাৰ্মছ অব ৰেফাৰেন্স) আঙুলিয়াই দিয়া হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ কৰ তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাতৰ হাৰ ভাৰতীয় অৰ্থনীতিৰ গতি লেহেমীয়া আৰু গোলকীয় বিত্তীয় সংকটৰ সঁহাৰিক্ৰমে কেন্দ্ৰৰ আবকাৰী শুল্কৰ হাৰ কৰ্ত্তন কৰিবলগা হোৱা হেতু ২০০৭-০৮ বৰ্ষৰ ১১.৯ শতাংশৰ পৰা ২০১২-১৩ বৰ্ষত ১০.২ শতাংশলৈ অৱনমিত হয়। সেই দিশটোলৈ চাই চতুৰ্দশ বিত্ত আয়োগে উল্লেখ কৰে যে কৰ তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাত হাৰ বৃদ্ধি কৰাৰ যথেষ্ট সম্ভাৱনা আছে। এই কৰ তথা জিডিপিৰ সমানুপাত কৰ হ্ৰাস কৰাৰ উপৰিও অ-কৰ ৰাজহ আৰু অ-ঋণগ্ৰস্ততা মূলধনৰ সোঁতৰ গতি কেইটামান কাৰণত লেহেমীয়া কৰা হয়। সেই কাৰণকেইটা হ'ল— ৰাজ্য চৰকাৰসমূহৰ পৰা বাকী পৰি থকা ঋণৰ লাভ হ্ৰাস পোৱা, ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পৰা কম লভ্যাংশ (ডিভিডেণ্ড) আৰু কম পৰিমাণৰ নিৰ্বিনিয়োজনৰ প্ৰাপ্তিৰ কাৰণে। মুঠৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ ৰাজহৰ ক্ষেত্ৰত কোনো উন্নতিসাধন হোৱা নাই। আয়োগে উল্লেখ কৰা অধিক গুৰুত্বপূৰ্ণ বিষয়টো হ'ল বিপুল পৰিমাণৰ ৰাজহ যাবলৈ দিয়াটো। যোৱা দশকটোত কৰ ৰেহাই তথা কিছু ক্ষেত্ৰত কৰ আৰোপ কৰিবলৈ বাদ দিয়াৰ কাৰণে কেন্দ্ৰই বছৰি জিডিপিৰ ৫ শতাংশ অথবা মুঠ কৰ ৰাজহৰ ৫০ শতাংশ হেৰুৱায়। আনহাতে ২০১৩-১৪ বৰ্ষৰ মুঠ ব্যয়ৰ পৰিমাণ আছিল ১৩.৯৪ শতাংশ জিডিপি আৰু মুঠ কৰ ৰাজহ পৰিমাণ আছিল জি ডি পিৰ ১০.২শতাংশ। এইটোৱে স্পষ্টভাৱে দেখুৱায় যে কেন্দ্ৰীয় স্তৰত বিত্তীয় অসমতা বিৰাজমান আছিল।

কিছু কালৰ বাবে মূলধনী ব্যয়ৰ (কেপিটেল এক্সপেন্দিচাৰ) বিপৰীতে ব্যয়ৰ গঠন ধাৰা পক্ষপাতিত্ব-মূলক আছিল। উদাহৰণ স্বৰূপে মুঠ ব্যয়ৰ শতাংশ হাৰ হিচাপে মূলধনী ব্যয় ২০০১-০২ বৰ্ষৰ ১৬.৭৯ৰ পৰা ২০১৩-১৪ বৰ্ষত ১২ শতাংশলৈ হ্ৰাস পায়। ৰাজ্যসমূহলৈ কৰৰ মাত্ৰা চূড়ান্ত কৰাৰ আগতে আয়োগে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় স্থিতিৰ বিষয়ে বিবেচনা কৰিবলগীয়া হৈছিল।

১ নং তালিকাত উল্লেখ কৰাৰ দৰে ৰাজ্যসমূহৰ বিত্তীয় স্থিতি উন্নীত হয়, কিয়নো সেই ৰাজ্যসমূহৰ মুঠ বিত্তীয় ঘাটি আৰু ৰাজহ ঘাটি দুয়োটাই ২০০৪-০৫ বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈকে অৱনমিত হয়। প্ৰকৃতাৰ্থত ক'বলৈ গলে সাম্প্ৰতিক বছৰকেইটাত ৰাজ্য সমূহত ৰাজহ পৰিমাণ অধিক হয়। এই উন্নীত অৱস্থা ঘাইকৈ ৰাজহ প্ৰাপ্তিৰ পৰিমাণ বৃদ্ধি হোৱাৰ কাৰণে হয় আৰু তাকো নিজৰ কৰ ৰাজহ বঢ়োৱাৰ বাবেই সম্ভৱ হয়। ২০১০-১১ বৰ্ষৰ পৰা ৰাজহ ব্যয়ৰ ক্ষেত্ৰত সামান্যভাৱে ইফাল-সিফাল কৰিব পৰা হয়। সুত আদায়ৰ পৰিমাণত যথেষ্ট হ্ৰাস হোৱাৰ ফলত সম্ভৱ হৈ উঠে। অৱশ্যে সামাজিক আৰু অৰ্থনৈতিক সেৱাৰ ক্ষেত্ৰত ব্যয়ৰ পৰিমাণ বৃদ্ধি পায়; কিন্তু তাক বিত্তীয় উন্নীতকৰণৰ জৰিয়তে যথেষ্টভাৱে গতি ৰোধ কৰা হয়। ইয়াৰ বাহিৰেও সাম্প্ৰতিক বছৰকেইটাত ৰাজ্যসমূহৰ মূলধনী ব্যয় একেদৰে থাকে অথবা সামান্যভাৱে হ্ৰাস পায়। চতুৰ্দশ বিত্তীয় আয়োগে উল্লেখ কৰে যে যদিও ৰাজ্যসমূহ বিত্তীয় স্থিতি উন্নতি হৈছে তথাপি ৰাজ্য চৰকাৰৰ স্তৰত বিত্তীয় অসমতা এতিয়াও বিৰাজমান ।

**১ নং তালিকা ঃ ৰাজ্যসমূহৰ মুঠ ধন প্ৰাপ্তি আৰু ব্যয়ৰ গতিবিধি**

| | ২০০৪-০৫ | ২০০৭-০৮ | ২০০৯-১০ | ২০১০-১১ | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ |
|---|---|---|---|---|---|---|---|
| মুঠ নিজ ৰাজহ (টেক্স এণ্ড নন-টেক্স) | ৭.০ | ৭.৩ | ৭.০ | ৭.১ | ৭.৩ | ৭.৬ | ৭.৮ |
| মুঠ হস্তান্তৰ (কৰ আৰু মঞ্জুৰি) | ৪.১ | ৫.২ | ৫.১ | ৪.৯ | ৪.৯ | ৪.৮ | ৫.৪ |
| ৰাজহ ব্যয় | ১২.৪ | ১১.৬ | ১২.৩ | ১২.০ | ১১.৯ | ১২.২ | ১৩.২ |
| মূলধনী ব্যয় | ২.৩ | ২.৬ | ২.৫ | ২.২ | ২.৩ | ২.২ | ২.৬ |
| মুঠ ব্যয় | ১৪.৭ | ১৪.২ | ১৪.৯ | ১৪.১ | ১৪.৩ | ১৪.৪ | ১৫.৮ |
| মুঠ বিত্তীয় ঘাটি/জিডিপি | ৩.৩ | ১.৪ | ৩.০ | ২.১ | ১.৯ | ১.৯ | ২.৫ |
| ৰাজহ ঘাটি/জিডিপি | ১.২ | -০.৯ | ০.৬ | ০.০ | -০.৩ | -০.২ | ০.০ |
| প্ৰাথমিক ঘাটি/জিডিপি | ০.৬ | -০.৬ | ১.২ | ০.৫ | ০.৪ | ০.৪ | ১.০ |
| ৰাজহ ঘাটি/জিএফপি | ৩৬.৮ | -৬২.৪ | ১৯.২ | -১.৯ | -১৪.১ | -১০.৪ | -১.০ |

**উৎস ঃ ১৪ বিত্ত আয়োগৰ প্ৰতিবেদন, ২০১৫**

কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্তৰ বিষয়ে বিশ্লেষণ কৰাৰ পাছত চতুৰ্দশ বিত্ত আয়োগে ২০১৫ বৰ্ষৰ পৰা ২০২০ বৰ্ষ কালছোৱাৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ ৰাজহ তথা ব্যয় সম্বন্ধে প্ৰেক্ষাপণ কৰিছে। ৰাজহ আৰু ব্যয় সন্দৰ্ভত ৰাজ্যসমূহত সাধাৰণতে কম আৰু অধিকভাৱে প্ৰেক্ষাপণ কৰা হিচাপত এইটো পৰিলক্ষিত হয় যে ৰাজ্যসমূহৰ নিজ ৰাজহ প্ৰাপ্তি আৰু জিডিপিৰ সমানুপাত হাৰ ২০১৫-১৬ তথা ২০১৯-২০ বৰ্ষৰ মাহত ৮.৫৮ শতাংশ হ'ব আৰু ব্যয় ৰাশিৰ আৱশ্যকতাৰ পৰিমাণ হ'ব জিডিপিৰ ১১.১২ শতাংশ। এই স্থিতিয়ে ২.৭ শতাংশ প্ৰি-ডিভলিউচন ঘাটিৰ পিনে গতি কৰিব। সেয়ে এই বিত্ত আয়োগে এই ২.৭শতাংশ ঘাটি কৰ বিস্তৃত কৰি তথা

ৰাজহ ঘাটি মঞ্জুৰিৰে পূৰণ কৰাৰ পৰিকল্পনা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ কাৰণে বিত্ত আয়োগৰ মুঠ ৰাজহৰ প্ৰেক্ষাপণ ২০১৫-১৬ বৰ্ষৰ ১২.২৫ শতাংশ জি ডি পিৰ পৰা ২০১৯-২০ বৰ্ষৰ ১২.৯২ শতাংশ জি ডি পিলৈ বৃদ্ধি পাব আৰু ৰাজ্যবোৰলৈ কৰ বিস্তৃতি সাধনৰ পাচত চৰকাৰৰ মুঠ ৰাজহ ২০১৫-১৬ বৰ্ষৰ ৮.২৫ শতাংশৰ পৰা ২০১৯-২০ বৰ্ষত ৮.৬২ শতাংশলৈ বৃদ্ধি পাব।

বিত্ত আয়োগে মন্তব্য কৰে যে কেন্দ্ৰৰ পৰা ৰাজ্য সমূহলৈ ধনৰাশিৰ হস্তান্তৰ যথেষ্ট বৃদ্ধি পাইছে; কিন্তু নিজ অধিকাৰ সাব্যস্ত কৰিব পৰা বিষয়ৰ ক্ষেত্ৰত বৃদ্ধি নোহোৱাকৈ থকা নাই; আৰু তাৰ ফলস্বৰূপে বিত্ত আয়োগৰ ভূমিকাক হেয় কৰা হৈছে। ২ নম্বৰ তালিকাত দেখা যায় যে বিত্ত আয়োগৰ জৰিয়তে বিধানসন্মত ধনৰাশিৰ হস্তান্তৰ অষ্টম বিত্ত আয়োগ কালছোৱাৰ ৬০ শতাংশৰ পৰা নৱম বিত্ত আয়োগ কালছোৱাৰ ৬৯ শতাংশলৈ বৃদ্ধি পায়; কিন্তু শেষৰ দুই বিত্ত আয়োগৰ কালত তাৰ পৰিমাণ সামান্যভাবে লেহেমীয়া গতিৰ হয়। তালিকাত দেখুওৱা মতে বিত্ত আয়োগৰ প্ৰায় ভাগ হস্তান্তৰ ঘাইকৈ কৰ আকাৰত কৰা হয় আৰু কিছু পৰিমাণে মঞ্জুৰি আকাৰত দিয়া হয় আৰু এই মঞ্জুৰিত আছে ৰাজহ ঘাটি ৰাজ্যবোৰ, দুৰ্যোগ ব্যৱস্থাপনা আৰু খণ্ড পৰ্যায়ৰ নিৰ্দিষ্ট অনুদান।

যোৱা কেইটামান দশকত কেন্দ্ৰৰ পৰা ধনৰাশি হস্তান্তৰৰ ক্ষেত্ৰত আধিক বিত্ত আয়োগ বিহীন (এন্-এফচি) হস্তান্তৰ কৰাহে দেখা যায়। উদাহৰণ স্বৰূপে এন্ এফচি হস্তান্তৰৰ পৰিমাণ ২০০৭-০৮ বৰ্ষৰ ৪২.৬ শতাংশৰ পৰা ২০১০-১১বৰ্ষত ৪৯.৩ শতাংলৈ বৃদ্ধি পায়। এই বৃদ্ধি সৰহভাগ কেন্দ্ৰই পোষকতা কৰা আঁচনি তথা ৰাজ্যৰ পৰিকল্পনালৈ আগবঢ়োৱা কেন্দ্ৰীয় সাহায্যৰ জৰিয়তে কৰ বৃদ্ধি।

**২ নং তালিকাঃ মুঠ ৰাজহ প্ৰাপ্তিৰ শতাংশ হিচাপে কেন্দ্ৰৰ পৰা ৰাজ্যসমূহলৈ ধন হস্তান্তৰ**

| আয়োগ | বিত্ত আয়োগৰ হস্তান্তৰ | | | অন্যান্য হস্তান্তৰ | | | মুঠ হস্তান্তৰ |
|---|---|---|---|---|---|---|---|
| | কেন্দ্ৰীয় কৰৰ অংশ | মঞ্জুৰি | মুঠ বি আৰ হস্তান্তৰ৫ | আঁচনি মঞ্জুৰি | ননন প্লেন মঞ্জুৰি | মুঠ অন্য হস্তান্তৰ ৫+৬ | |
| বি.আয়োগ-৮ (১৯৮৪-৮৯) | ৫৩.৪৮ | ৬.৬৫ | ৬০.১৩ | ৩৫.৮ | ৪.০৭ | ৩৯.৮৭ | ১০০ |
| বি.আয়োগ-৯ (১৯৮৯-৯৫) | ৫২.৯৮ | ৮.৪৮ | ৬১.৪৬ | ৩৫.৯১ | ২.৬৩ | ৩৮.৫৪ | ১০০ |
| বি.আয়োগ-১০ (১৯৯৫-২০০০) | ৬২.০৬ | ৬.৫৫ | ৬৮.৬১ | ২৯.৫২ | ১.৮৭ | ৩১.৩৯ | ১০০ |
| বি.আয়োগ-১১ (১৯৯৫-২০০৫) | ৫৮.০৮ | ১১.০০ | ৬৯.৩৮ | ২৮.৬৫ | ১.৯৭ | ৩০.৬২ | ১০০ |
| বি.আয়োগ-১২ (১৯৯৫-২০১০) | ৫৬.৭৯ | ১২.১২ | ৬৮.৯১ | ২৮.৩৪ | ২.৭৫ | ৩১.০৯ | ১০০ |
| বি.আয়োগ-১৩ (১৯৯৫-২০১৫) | ৫৭.৯৪ | ৯.৫১ | ৬৭.৪৪ | ৩১.১৪ | ১.৪২ | ৩২.৫৬ | ১০০ |

**উৎস ঃ চতুৰ্দশ বিত্ত আয়োগৰ প্ৰতিবেদন, ২০১৫**

পৰিকল্পনাৰ সন্দৰ্ভত কৰা হস্তান্তৰৰ ভিতৰত সাধাৰণ পৰিকল্পনা সাহায্য গেডগিল-মুখাৰ্জী সূত্ৰৰ ভিত্তিত দিয়া হৈছিল; কিন্তু এই গতিধাৰা যথাক্ৰমে কমি অহা দেখা যায়। আনপিনে চি এছ এছৰ জৰিয়তে নিজ অধিকাৰৰ অনুদানৰ পৰিমাণ বৃদ্ধি পায়।

## বিত্ত আয়োগৰ অনুমোদনাৱলী

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ পৰা কৰ বিভাজন তথা অনুদান সাহায্যৰ বাবে নিজ মত জনাই চতুৰ্দশ বিত্ত আয়োগৰ ওচৰত প্ৰতিনিধিত্ব কৰা হয়। ৰাজ্যসমূহৰ পৰা পোৱা সাধাৰণ দাবী হ'ল ওপৰ স্তৰৰ পৰা তললৈকে বিভাজনৰ অংশ ভাগৰ সম্পৰ্কত আৰু একে ধৰণৰ বিতৰণ ব্যৱস্থাৰ বাবে শ্ৰেণীকৰণৰ ক্ষেত্ৰত। প্ৰথম বিধৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ পৰা প্ৰাপ্ত পৰামৰ্শৱলী হ'ল এনেধৰণৰ— কৰ বিভাজনৰ বাবদ উপলদ্ধ অংশ পৰিমাণ বৃদ্ধি,অংশহীন উপ-কৰকে দৰি বিভাজ্য গোটৰ সম্প্ৰসাৰণ, চাৰচাৰ্জ আৰু নন্-টেক্স ৰাজহ (টেলিকম আৰু কয়লাৰ নিলাম), ন্যুনতম নিশ্চিত কৰ বিস্তৃতিৰ নিশ্চয়তা তথা চি এছ এছৰ কম ভূমিকা। যিটো উল্লেখযোগ্য বিষয় দাঙি ধৰা হৈছে সেয়া হ'ল ৰাজ্যসমূহলৈ সৰহভাগ সম্পদৰাজি অনুদানতকৈ সংযুক্তভাৱে হস্তান্তৰৰ আকাৰতহে দিয়া উচিত আৰু পৰিকল্পনাৰ ধনৰাশিৰ হস্তান্তৰ অধিকাৰ বিষয়ক নহৈ সাধাৰণ প্ৰকৃতিৰ হোৱা উচিত। উদাহৰণ স্বৰূপে কৰ বিভাজনৰ অংশ পৰিমাণ ২০০৯-১০ বৰ্ষৰ পৰা ২০১৪-১৫ বৰ্ষৰ কালছোৱাত মুঠ হস্তান্তৰকৰণ ধনৰাশিৰ প্ৰায় ৪৬.৮ শতাংশহে আছিল। ইপিনে চিএছ এছ কে ধৰি পৰিকল্পনা অনুদানৰ পৰিমাণ আছিল মুঠ হস্তান্তৰৰ ৫৪ শতাংশ। সৰহভাগ ৰাজ্যই চৰ্তসাপেক্ষে এনে ধৰণৰ মঞ্জুৰিৰ বিৰোধিতা কৰে, কিয়নো কিছুমান ৰাজ্যই চি এছ এছ পুঁজিৰ সুচল প্ৰাপ্তিৰ অৰ্থে অনুদানৰ ক্ষেত্ৰত ৰজিতা খোৱাই ব্যৱস্থা নিশ্চিত কৰিব নোৱাৰে। ইয়াৰ উপৰি ৰাজ্যবোৰে অনুভৱ কৰে যে চি এছ

এছে তেওঁলোকৰ বিত্তীয় স্বতন্ত্ৰতাত বাধা দিছে আৰু পৰিকল্পনা তথা ব্যৱস্থাৰ ক্ষেত্ৰত ৰাজ্যবোৰত অতি কমেইহে ক'ব লগা থাকে। কেতিয়াবা কেতিয়াবা বিত্তীয় বৰ্ষৰ মাজভাগত চি এছ এছৰ ঘোষণাই ৰাজ্যসমূহৰ বিত্তীয় পৰিকল্পনা আৰু গুৰুত্ব প্ৰদান বিষয়ত আমনি কৰে। মুঠৰ ওপৰত ৰাজ্যৰ বিষয়বোৰৰ সন্দৰ্ভত কেন্দ্ৰৰ ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰা সম্পৰ্কে মনোযোগ দিব লাগে। সেই বিষয়বোৰ ঘাইকৈ ৰাজ্যসমূহৰ পৰিধিৰ ভিতৰত থকা বিষয়হে হোৱা উচিত।

সি যি কি নহওক, বিত্ত আয়োগে ৰাজ্যসমূহলৈ মুঠ ৰাজহ প্ৰাপ্তিৰ প্ৰায় ৫০ শতাংশ বিত্তীয় হস্তান্তৰক স্বীকৃতি দিয়ে আৰু ইয়াৰ পৰিমাণ বৃদ্ধি কৰাৰ কমেইহে সুবিধা থাকে। আয়োগে এইটো স্পষ্ট কৰে যে মুঠ হস্তান্তৰৰ পৰিমাণ (কৰ বিস্তৃত, নন-প্লেন মঞ্জুৰি, চি এছ এছ কে ধৰি পৰিকল্পনা মঞ্জুৰি) সাম্প্ৰতিক বছৰকেইটাত সৰ্বমুঠ বিভাজ্য পুনৰ ৬০ শতাংশতকৈ অধিক দিয়া হয় আৰু সেয়ে হস্তান্তৰৰ গঠন প্ৰণালী পৰিৱৰ্তন অবিহনে তাৰ অংশ বৃদ্ধি কৰাৰ সুবিধা খুব কম। ফলস্বৰূপে হস্তান্তৰৰ গঠন প্ৰণালীৰ ওপৰতহে আলোকপাত কৰিবলৈ লোৱা হয়— যিটোৱে ৰাজ্যসমূহলৈ অধিক বিত্তীয় সুবিধাৰ পথ প্ৰশস্ত কৰিব পাৰিব আৰু তাৰদ্বাৰাই ৰাজ্যবোৰে বৰ্দ্ধিত পৰিমাণৰ পুঁজি মুঠ হিচাপত হস্তান্তৰ কৰাৰ কথা ভবাতকৈ নিজৰ বিকাশমূলক উদ্দেশ্যৰ প্ৰতি মনোযোগ দিব পাৰে। পূৰ্বৰ বিত্ত আয়োগসমূহে অনুসৰণ কৰা ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি চতুৰ্দশ বিত্ত আয়োগে সাধাৰণ তথা বিশেষ শ্ৰেণীৰ ৰাজ্যৰ মাজত প্ৰভেদ নেৰাখে; বৰং বিত্ত আৰু ব্যয় অসমতাৰ প্ৰতিহে চকু দিয়ে আৰু বিশেষ শ্ৰেণীৰ ৰাজ্যসমূহৰ ব্যয়ৰ দায়িত্বৰ প্ৰতিও বিষয়টো বিবেচনাত ৰাখে যাতে কৰ সংস্কাৰ সাধনেৰে সম্পদৰাজিৰ মাজত থকা প্ৰভেদখিনি পূৰণ কৰিব পাৰি। ইয়াৰ বাহিৰেও সংস্কাৰৰ পাছত বিত্তীয় প্ৰভেদ থাকিলে ব্যৱস্থা গ্ৰহণৰ বাবে আয়োগে সংস্কাৰৰ পৰৱৰ্তী কালত ৰাজহ ঘাটিৰ মঞ্জুৰি প্ৰদান কৰাৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। বিত্তীয় সুদৃঢ়কৰণৰ বাবে ল'ব লগা ব্যৱস্থাৰ ক্ষেত্ৰত এই বিত্ত আয়োগে ২০১৬-১৭ বৰ্ষৰ কালছোৱাত ৩ শতাংশ বিত্তীয় ঘাটিৰ বিষয়েও পৰামৰ্শ দিয়ে। আয়োগে প্ৰেক্ষাপণ কৰা মতে ৰাজহ ঘাটি ২০১৯-২০ বৰ্ষৰ আগেয়ে ক্ৰমান্বয়ে হ্ৰাস পাই শূণ্য অৱস্থাত উপনীত হ'বগৈ। চৰকাৰে নিশ্চিত কৰা অৰ্থাৎ গেৰাণ্টি দিয়া ব্যৱস্থাৰ পৰা যি আশংকা উদ্ভৱ হব পাৰে তাৰ গুৰুত্বলৈ চাই বাজেটত নথকা ব্যৱস্থাত লোৱা ঋণ আৰু বিত্তীয় ভাৱে দুৰ্বল ৰাজহুৱা খণ্ডৰ উদ্যোগত হোৱা ক্ষতি বাজেট নথিৰ এটা পৰিপূৰক ৰূপে সংশ্লিষ্ট বাজেট সমূহত মুঠ ৰাজহুৱা ঋণৰ অংশ স্বৰূপ হোৱা উচিত।

বিত্ত আয়োগ আৰু পৰিকল্পনা আয়োগে সহযোগাত্মক বিত্ত পুঁজি হস্তান্তৰ কৰাৰ ক্ষেত্ৰত সমতা স্থাপনৰ দিশটোক অতি গুৰুত্বপূৰ্ণ উদ্দেশ্য ৰূপে লয়। সেয়ে সময়ৰ প্ৰয়োজনলৈ চাই ভিন ভিন বিত্ত আয়োগ আৰু পৰিকল্পনা আয়োগে বিত্তীয় হস্তান্তৰ প্ৰক্ৰিয়া সলনি কৰি থাকে যাতে সমতা স্থাপনৰ লক্ষ্য নিশ্চিত কৰিব পাৰে। সপ্তম বিত্ত আয়োগৰ পাচত জনসংখ্যাৰ ওপৰত যিমান অধিক গুৰুত্ব দিয়া হৈছিল (প্ৰায় ৯০শতাংশ) সেইটো ক্ৰমান্বয়ে কম কৰা হয়। ইয়াৰ পৰিবৰ্তে বিকল্প ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেনে ব্যৱস্থা হ'ল নিৰ্দিষ্ট ব্যৱস্থাৰ অধীনত আয় আৰু আবকাৰী শুল্ক উভয়তে অংশীদাৰিতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান। পূৰ্বৰ সকলো বিত্ত আয়োগেই কৰ বিতৰণৰ বাবে শ্ৰেণীকৰণৰ ওপৰত আলোকপাত কৰিছিল। তেনে বিষয়ৰ ভিতৰত উল্লেখ্যযোগ্য হ'ল— জনসংখ্যা আৰু ইয়াৰ গঢ়-গঠন, জনমূৰি আয়ৰ জৰিয়তে মাপ কৰা বিত্তীয় ক্ষমতা, এলেকাৰ ওপৰত নিৰ্ভৰ কৰি ব্যয়ৰ অসমৰ্থতা, বিত্তীয় শৃংখলা, অনগ্ৰসৰতা, দাৰিদ্ৰ সমানুপাত হাৰ, ৰাজহ প্ৰভেদ ইত্যাদি। পিছে এই সকলো শ্ৰেণী বিশেষক জনসংখ্যাৰ মাপকাঠিৰে বিচাৰ কৰা হয় আৰু সেই অনুক্ৰমে প্ৰয়োজনীয় ক্ষেত্ৰত জনসংখ্যাৰ ওপৰতেই অধিক গুৰুত্ব দিয়া হয়। চতুৰ্দশ বিত্ত আয়োগে পূৰ্বৰ আয়োগবোৰকে প্ৰায়েই অনুসৰণ কৰে। মাত্ৰ দৃষ্টিভংগী আৰু প্ৰক্ৰিয়াবিশেষত কিছু পৰিবৰ্তন সধা হয়। প্ৰাথমিক আলোকপাত কৰৰ পৰিসৰ বিক্ষিপ্ত-কৰণতেই থাকে। আয়োগে আগলৈ দৃষ্টি নিক্ষেপ কৰি উৎসাহ-উদ্‌গণিৰে যাতে অৰ্থনৈতিক বিকাশ নিৰন্তৰভাৱে সাধন কৰিব পৰা যায় তাকেই অনুসৰণ কৰে। ত্ৰয়োদশ বিত্ত আয়োগে পৰিবেশ অক্ষুণ্ণ ৰখাৰ বাবে ল'ব লগা ব্যৱস্থাৰ কাৰণে লোৱা পদক্ষেপকেই এই আয়োগে গ্ৰহণ কৰে। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ দৃষ্টিভংগী তথা উভয় স্তৰৰ চৰকাৰৰ ব্যয় দিশটোৰ দায়িত্বলৈ চাই চতুৰ্দশ বিত্ত আয়োগে এইকেইটা অনুমোদন জনায়— (১) ৰাজ্যসমূহৰ বিত্তীয় স্বতন্ত্ৰতা আৰু ৰাজহ ব্যয়ৰ আৱশ্যকতাৰ বিষয়টো বিবেচনা কৰি মুঠ বিভাজ্য পুলৰ ৪২ শতাংশলৈ কৰ আৰোপ কৰাৰ পোষকতা কৰে। এই ১০ শতাংশ বৃদ্ধি ত্ৰয়োদশ বিত্ত আয়োগে অনুমোদন জনোৱাতকৈ অধিক। অৰ্থাৎ পূৰ্বৰ আয়োগে নিৰ্ণয় কৰা অংশ ভাগ আছিল মুঠ বিভাজ্য পুলৰ ৩২ শতাংশ; (২) ৰাজ্যৰ ইচ্ছাৰ বিৰুদ্ধে চেছ (উপকৰ) আৰু ওপৰঞ্চি কৰ বিভাজ্য পুলৰ অংশ হব নোৱাৰিলে। সাংবিধানিক ব্যৱস্থাৰ বাবেই তেনে কৰা হ'ল। তদুপৰি এইবোৰ কৰৰ নিৰ্দিষ্ট উদ্দেশ্য আছে। এই উপকৰ আৰু ওপৰঞ্চি কৰ ২০১৩-১৪ বৰ্ষত কেন্দ্ৰৰ মুঠ কৰ ৰাজহৰ ১০.১৪

শতাংশ জুৰি আছিল। (৩) আয়োগে কেইখনমান ৰাজ্যই বিচৰাৰ দৰে কোনো ন্যুনতম গেৰান্টিৰ কৰ নিৰ্দ্ধাৰণৰ বিষয়ত অনুমোদন নজনালে।

ৰাজ্যসমূহত উপযুক্তভাৱে কৰ নিৰূপণ আৰু সঠিক ব্যৱস্থা গ্ৰহণৰ বাবে বিত্ত আয়োগে পূৰ্বৰ আয়োগৰ অনুমোদনাৱলীকেই প্ৰায়খিনি অনুসৰণ কৰিছে। এই ক্ষেত্ৰত জনসংখ্যাৰ বিষয়ত আলোকপাত,উপাৰ্জন কিম্বা বিত্তীয় ক্ষমতা, এলেকা,পৰিবেশ, পাৰিপাৰ্শ্বিকতা আৰু আৰ্থ-সামাজিক নিৰ্দ্দিষ্ট দিশৰ ওপৰত মনোযোগ দিয়াটো হ'ল উল্লেখযোগ্য বিষয়। দূৰত্বৰ বিষয়টোত সৰ্বাধিক গুৰুত্ব (৫০ শতাংশ) প্ৰদান, এখন ৰাজ্যৰ প্ৰকৃত জনমূৰি আয় কিমান আৰু সৰ্বাধিক জনমূৰি আয়, ৰাজ্যৰ স্থিতি কেনে ধৰণৰ আদি দিশবোৰ বিবেচনাৰ বিষয় যাৰদ্বাৰাই কম বিত্তীয় ক্ষমতা থকা ৰাজ্যত পৰিপূৰক ব্যৱস্থা কৰিব পৰা যায়। দ্বিতীয় সৰ্বাধিক গুৰুত্ব জনসংখ্যাৰ ওপৰত। ১৯৭১ চনৰ পিয়ল অনুসাৰে ১৭.৫ শতাংশ তথা ২০১১ চনৰ হিচাপতে ১০ শতাংশ বিষয়টো বিবেচনাত ধৰা হয়। সৰহভাগ ৰাজ্যই ইচ্ছা কৰা মতে ২০১১ চনৰ জনসংখ্যাৰ (পিয়ল অনুসাৰে) বিষয়ত গুৰুত্ব আৰোপ কৰা ক্ৰমে ৰাজ্যসমূহৰ জনগাঁথনিৰ পৰিবৰ্তন হোৱা বিষয়টো আয়ত্ত কৰাত সহায়ক হয়। লোকপিয়ল অনুসৰি ১৯৭১চনৰ পৰা প্ৰব্ৰজন আৰু বয়সৰ ওপৰত ভিত্তি কৰি এটা নিৰ্ণায়ক স্থিতিত উপনীত হোৱাটো স্থিৰ কৰা হয়। দ্বাদশ বিত্ত আয়োগক অনুসৰণ কৰি ক্ষেত্ৰ ভিত্তিক গুৰুত্ব বিষয়টো ১৫ শতাংশত নিৰ্দ্দিষ্ট কৰা হয়; কিন্তু সৰু ৰাজ্যৰ বাবে ২ শতাংশ ক্ষেত্ৰৰ সীমাবদ্ধতা আছে। শেষত বনাঞ্চলবোৰক ৰক্ষা কৰিবৰ কাৰণে ৰাজ্যসমূহক উদ্‌গনি জনাবলৈ ৭.৫ শতাংশত গুৰুত্ব দিয়া হয়। বিত্ত আয়োগে ৰাজ্যসমূহৰ ব্যয়ৰ প্ৰয়োজনীয়তা আদি বিষয়লৈ চাই এঘাৰখন ৰাজ্যলৈ মুঠ ১,৯৪,৮২১ কোটি টকাৰ ৰাজহ ঘাটি মঞ্জুৰি প্ৰদানৰ বাবে অনুমোদন জনায়।

থলুৱা সংস্থাবোৰৰ সম্পদৰাজিৰ পৰিপূৰক শক্তি প্ৰদান কৰিবৰ বাবে আয়োগে সাহায্য মঞ্জুৰিৰ বিষয়েও অনুমোদন জনায় তথা উপযুক্তভাৱে বিত্তীয় ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ অৰ্থে ৰাজ্যৰ বিত্ত আয়োগক শক্তিশালী কৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়োৱাৰ কাৰণেও গুৰুত্ব আৰোপ কৰে। এই প্ৰসঙ্গত চতুৰ্দশ বিত্ত আয়োগে ২,৮৭,৪৩৬ কোটি টকাৰ অনুদান ২.৫ লাখ স্থানীয় প্ৰশাসনৰ (পঞ্চায়তৰ বাবে ২,০০,২৯২ টকা আৰু পৌৰসভাৰ বাবে ৮৭,১৪৩ কোটি টকা) বাবে অনুমোদন জনায়। এই থলুৱা সংস্থাবোৰৰ নিৰ্বাচিত প্ৰতিনিধিৰ সংখ্যা হ'ল ৩ নিযুততকৈ অধিক। এয়া হ'ল ২০১৫-২০ বৰ্ষৰ কালছোৱাৰ বাবে। ইয়াৰ তুলনাত ২০১০-১৫ বৰ্ষৰ বাবে ত্ৰয়োদশ বিত্ত আয়োগৰ অনুমোদন আছিল বিভাজ্য কৰৰ শতাংশ হাৰ ১.৯৩। তাৰ মুঠ অৰ্থ পৰিমাণ আছিল ৮৭,৫১৯ কোটি টকা। ত্ৰয়োদশ বিত্ত আয়োগৰ এই সিদ্ধান্ত এটা আলোচনাৰ বিষয় হৈ পৰিছিল। আয়োগে তেতিয়া ২০০১ লোকপিয়লৰ সংখ্যা ব্যৱহাৰ কৰিছিল। আনহাতে চতুৰ্দশ বিত্ত আয়োগে অনুদান বিতৰণৰ বাবে ২০১১ বৰ্ষৰ পিয়লক বিবেচনাৰ বিষয় ৰূপে গ্ৰহণ কৰে। ইয়াৰ বাহিৰেও এই অনুদানৰ দুটা ভাগ আছে। সেয়া হ'ল মূল আৰু কাৰ্যকৰণ ভিত্তিক অনুদান। সমানুপাত হ'ল পঞ্চায়ত আৰু পৌৰসভাৰ কাৰণে যথাক্ৰমে ৯০-১০ আৰু ৮০-২০। কাৰ্যকৰণৰ ভিত্তিত অনুদানৰ হস্তান্তৰ কৰাটো প্ৰায় এটা নতুন গতি প্ৰদান ব্যৱস্থা বুলি ক'ব পাৰি। ইয়াক স্থানীয় প্ৰশাসন সমূহৰ বিতৰণ সেৱা, নিজাববীয়া ৰাজহ সংগ্ৰহকৰণ ব্যৱস্থা আদিৰ ওপৰত ভিত্তি কৰি মূল্যাংকণ কৰা হ'ব। এইটো আশা কৰা হয় যে এই অনুদানে স্থানীয় সংস্থাবোৰক অধিক উত্তৰদায়ী আৰু উপযুক্ত কৰি তুলিব।

দুৰ্যোগ সাহায্য সন্দৰ্ভত বিত্ত আয়োগে এই পৰামৰ্শ আগবঢ়ায় যে ৰাজ্যসমূহৰ অংশভাগৰ শতাংশ হাৰ আগৰ দৰেই চলি থাকিব আৰু বৰ্ত্তমানে থকা কাৰ্য ব্যৱস্থাকেই অনুসৰণ কৰিব। এই সাহায্যৰ পৰিমাণ ৫৫,০৯৭ কোটি টকা। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ বাবে কেন্দ্ৰৰ পৰা এটা নিশ্চিত পুঁজি প্ৰদানৰ বিষয়েও আয়োগে অনুমোদন জনায় যদিহে ইয়াৰ উদ্দেশ্য আৰোপ কৰা চেছ অৰ্থাৎ উপকৰ বন্ধ কৰে। ইয়াৰ উপৰি এই পুঁজিলৈ বৰঙণি যোগাবৰ বাবে ব্যক্তিগত খণ্ডক কৰ ৰেহাই প্ৰদান কৰাৰ বিষয়েও আয়োগে পৰামৰ্শ আগবঢ়ায়। আয়োগৰ আন এটা অনুমোদন হ'ল ৰাজ্যবোৰে ৰাজ্যৰ দুৰ্যোগৰ প্ৰতি সঁহাৰি জনাবলৈ ১০ শতাংশ বৰঙণি দিয়া আৱশ্যক আৰু বাকী ৯০ শতাংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিব।

বিত্ত আয়োগে সমবায় সংযুক্ত ব্যৱস্থা, জি এছ টি, বিত্তীয় সুদকৰণৰ বাবে ল'ব লগা ব্যৱস্থা আদিৰ বাবেও অনুমোদন জনায়। জি এছ টিৰ বাবে আয়োগে ৰাজ্যৰ ক্ষতিপূৰণ দিব লগা ধনৰাশি নিদিষ্ট কৰাৰ বিষয়ে উল্লেখ নকৰিলেও কেন্দ্ৰই প্ৰাৰম্ভিক অৱস্থাত এটা অতিৰিক্ত বিত্তীয় বোজা বহন কৰিবৰ বাবে পৰামৰ্শ আগবঢ়ায়। ৰাজহুৱা সেৱা প্ৰদানৰ ক্ষেত্ৰত মূল্য নিৰূপণ কৰা সন্দৰ্ভত বিত্ত আয়োগে তেনে ব্যৱস্থাৰ উন্নতি সাধনৰ বাবে এলানি পদক্ষেপ গ্ৰহণ কৰাৰ কাৰণে অনুমোদন জনায়। তেনে এটা বিষয় হ'ল সকলো বিজুলী উপভোক্তাৰ বাবে ১০০ শতাংশ মিটাৰ ব্যৱস্থাৰ দিহা কৰা, খোৱা পানীৰ ক্ষেত্ৰতো ১০০ শতাংশ মিটাৰ ব্যৱস্থা কৰা, ৰে'ল টেৰিফ প্ৰাধিকৰণ প্ৰতিস্থা কৰা আৰু উপদেষ্টা সংস্থাৰ ঠাইত সংবিধানগত সংস্থা সোনকালে স্থাপন কৰিবলৈ অনুৰোধ জনায়। ৰাজ্যিক পথ পৰিবহণ উদ্যোগত

উপযুক্ত হিচাপ-নিকাচ ৰখাৰ ব্যৱস্থা ৰাখিব লাগে যাতে ৰাজ সাহায্য সমূহ উপযুক্তভাৱে কাৰ্যত লগোৱা হয়।

**সামৰণি**

প্ৰথমতঃ মুঠ বিভাজ্য পুলৰ ৪২ শতাংশত ৰাজ্যসমূহৰ অংশভাগত অনুমোদন বিষয়টো হ'ল এটা ঐতিহাসিক বিষয়। ত্ৰয়োদশ বিত্ত আয়োগে ইয়াৰ বাবে ৩২ শতাংশ অনুমোদন জনাই ছিল। উদাহৰণস্বৰূপে ৰাজ্যলৈ প্ৰদান কৰা মুঠ পুঁজিৰ পৰিমাণ ২০১৪-১৫ বৰ্ষৰ কালছোৱাতকৈ ২০১৫-১৬ বিত্তীয় বৰ্ষত ৪৫ শতাংশতকৈ অধিক বৃদ্ধি পাব। যদি বিভাজ্য পুলত ৰাজ্য সমূহলৈ মুঠ হস্তান্তৰ কৰা পুঁজিৰ পৰিমাণ প্ৰায় ৬০ শতাংশ হয় তেনেহ'লে ইয়াৰ ভিতৰৰ ৪২ শতাংশ মুঠ হস্তান্তৰৰ প্ৰায় ৭০ শতাংশ হব। তাৰ কাৰণ কৰৰ বিভাজন আৰু সেই ব্যৱস্থাই ৰাজ্যসমূহলৈ সম্পদৰ প্ৰাথমিক উৎস স্বৰূপ কৰি তুলিব। এনে ব্যৱস্থাৰদ্বাৰা চতুৰ্দশ বিত্ত আয়োগে কেবাটাও লক্ষ্য সাধন কৰাৰ আশা কৰিব পাৰি। ই কেন্দ্ৰৰ বিত্তীয় পৰিসৰ হ্ৰাস কৰিব; কাৰণ ৰাজ্যৰ বিষয়সমূহত বিত্তীয় দৃষ্টিভঙ্গী বিস্তাৰিত কৰাৰ পৰা বাধা দিব। কৰ আৰোপৰ ক্ষেত্ৰত উপযুক্ত ক্ষমতাৰ প্ৰয়োগেৰে ৰাজ্যবোৰক বিত্তীয় ক্ষেত্ৰত যোগান ধৰিব যিটোৱে নিজৰ বিকাশমূলক আঁচনিবোৰ বাস্তৱ ক্ষেত্ৰৰ সৈতে ৰজিতা খোৱাকৈ উপযুক্ত কৰি তোলাত সহায় কৰিব। স্থানীয় সংস্থালৈ অনুদান, ৰাজহ ঘাটিৰ বাবে মঞ্জুৰি সাহায্য (১১ খন ৰাজ্যলৈ) আৰু কয়লাৰ নিলাম ক্ষেত্ৰত নিজৰ অংশ-এই সকলোবোৰ ব্যৱস্থাই ৰাজ্য সমূহলৈ বিত্তীয় হস্তান্তৰৰ পৰিমাণ বিপুলভাৱে বৃদ্ধি কৰিব। ই যুগ যুগৰ পৰা কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ কৰি চলি অহা ৰাজ্যৰ সমস্যা বিকাশমূলক যোজনা আদি ৰূপায়ণ কৰাত দূৰ কৰিব। ইয়াৰ বাহিৰেও বিত্ত আয়োগে হস্তান্তৰকৰণৰ ক্ষেত্ৰত চৰ্ত আৰু উদ্‌গণি ব্যৱস্থাও কম কৰিছে। কেন্দ্ৰৰ পৰা ৰাজ্য আৰু ৰাজ্যবোৰৰ পৰা স্থানীয় সংস্থালৈ এনে হস্তান্তৰকৰণত চৰকাৰে প্ৰত্যেক স্তৰৰ ওপৰত বিশ্বাস ৰাখিছে। এয়া হ'ল প্ৰকৃত সহযোগাত্মক বিষয় আৰু প্ৰতিযোগিতামূলক বিত্তীয় ৰাষ্ট্ৰীয়তাবাদ। এতিয়া ৰাজ্যসমূহে নিজৰ ভৰিৰ ওপৰত দৃঢ়ভাৱে থিয় দিয়াৰহে সময় আৰু সেই অনুযায়ী জনগণক তাৰ সুফল প্ৰদান কৰাৰো সময়। বিত্ত আয়োগৰ আন সকলোবোৰ অনুমোদনাৱলী সু-প্ৰতিস্থিত আৰু বিত্তীয় ক্ৰম অটুট ৰখা তথা উন্নতি সাধন কৰিবলৈ ই সূচায়। লগতে দেশখনৰ বিত্তীয় পদ্ধতি উপযুক্ত কৰি তুলিবলৈও প্ৰেৰণা যোগাইছে।

এইখিনিতে আয়োগৰ পেনেল সদস্য অধ্যাপক অভিজিৎ সেনৰ মন্তব্যও মন কৰিব লগা। তেওঁ কৈছে ৪২ শতাংশলৈ কৰ বিভাজনৰ অংশ বৃদ্ধি কৰা সিদ্ধান্তই পৰিকল্পনা হস্তান্তৰকৰণত ব্যাঘাত জন্মাব। কিছুমান কেন্দ্ৰীয় পোষকতাৰ আৰ্থ-সামাজিক কাৰ্যসূচীবোৰে কম পৰিমাণৰ পুঁজি পাব অথবা বন্ধ হৈ যাব। এনে মুঠ ৬৬ খন আঁচনিৰ ভিতৰত ইতিমধ্যে ৮ খন আঁচনি ২০১৫-১৬ বৰ্ষৰ বাজেটত কেন্দ্ৰীয় পুঁজি সম্পূৰ্ণৰূপে বন্ধ হোৱা দেখা গৈছে। আন ২৪ খন আঁচনিৰ ক্ষেত্ৰতো কেন্দ্ৰৰ পৰা কম পৰিমাণে পুঁজি পাব আৰু মাত্ৰ ৩৪ খন আঁচনিয়ে এতিয়াৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ পুঁজি লাভ কৰিব। এইটো স্পষ্ট নহয় যে এই আঁচনিবোৰৰ ক্ষেত্ৰত কেন্দ্ৰৰ পুঁজি অপসাৰণ ক্ৰমে ৰাজ্যসমূহে ততালিকে তাৰ অভাৱ পূৰাব নে নুপূৰায়। যদি পূৰণ নকৰে তেনেহলে এই আঁচনিবোৰৰ হিতাধিকাৰীৰ ওপৰত প্ৰভাৱ পৰিব পাৰে। দুখীয়া ৰাজ্যৰ কাৰণে থকা পিচপৰা অঞ্চলৰ অনুদান পুঁজিৰ দৰে কিছুমান আঁচনিয়ে এনে ব্যৱস্থাৰ ফল ভোগ কৰিব পাৰে। বহু কাৰ্যসূচীৰ বাবে পঞ্চায়তৰাজ মন্ত্ৰালয়ে ৰূপায়ণ সংস্থা ৰূপে কাম কৰে আৰু তেনে ক্ষেত্ৰত এই মন্ত্ৰালয়ৰ বাবে পুঁজি সাংঘাটিক ধৰণে কমি যাব। ২০১৫-১৬ বৰ্ষৰ বাজেটত ইতিমধ্যে এইটো হোৱা পৰিলক্ষিত হৈছে; কিয়নো পঞ্চায়তীৰাজ মন্ত্ৰালয়ে পূৰ্বৰ বাজেটৰ তুলনাত অতি নগণ্য পৰিমাণৰ পুঁজি লাভ কৰিছে।

তাৰ উপৰি ৰাজ্যসমূহে ধন ব্যৱহাৰ কৰা সম্পৰ্কেও সন্দেহ আছে; কিয়নো পৰিকল্পনা আয়োগৰ দৰে প্ৰতিস্থানে তাৰ প্ৰতি নজৰ ৰখাৰ ব্যৱস্থা নাই। ৰাজ্য প্ৰশাসনৰ গুণগত দিশ আৰু ক্ষমতা ভিন ভিন ধৰণৰ আৰু সেয়ে বৰ্দ্ধিত পৰিমাণৰ বিত্তীয় হস্তান্তৰকৰণে আৰু তাৰ লগতে সাঙোৰ খাই পৰা পুঁজি হ্ৰাস বিকাশ আঁচনিয়ে ধনৰাশিৰ অপব্যৱহাৰ কৰাৰ পথ প্ৰশস্ত কৰিব পাৰে। অৱশ্যে ভালদৰে শাসন কৰা ৰাজ্যবোৰে উপযুক্ত প্ৰতিস্থানৰ জৰিয়তে অধিক পুঁজি লাভৰ ক্ষেত্ৰত উন্নতি কৰিব পাৰিব।

মুঠৰ ওপৰত চতুৰ্দশ বিত্ত আয়োগৰ অনুমোদনাৱলীৰ অৰ্থ হ'ল ৰাজ্যবোৰক বিত্তীয় স্বতন্ত্ৰতা প্ৰদান কৰা যাতে ৰাজ্যবোৰে নিজে বিকাশ মূলক উদ্দেশ্য সাধনৰ কামত লাগিব পাৰে। ৰাজহুৱা কামৰ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত ৰাজ্যবোৰ নিজৰ নাগৰিকসকলৰ বাবে দায়ী হব আৰু উপযুক্ত ৰূপায়ণ ক্ৰমে ভাৰতত প্ৰকৃত ৰাষ্ট্ৰীয়তাবাদৰ সূচনা কৰিব। নতুন প্ৰতিস্থানমূলক ব্যৱস্থা সৃষ্টি কৰিবৰ বাবে বিত্ত আয়োগে আগবঢ়োৱা পৰামৰ্শই ৰাজ্যৰ ক্ষেত্ৰত থকা খণ্ডবিশেষৰ দুৰ্বলতা দূৰ কৰিবৰ কাৰণে তেনে খণ্ডত কিমান পুঁজি দিব লাগিব তাক চিহ্নিত কৰিবলৈ সমৰ্থবান কৰি তুলিব আৰু সেইটো আদৰণীয় বিষয়।

বিত্ত আয়োগৰ অনুমোদনাৱলী

সঠিক সময়তেই কৰা হৈছে ; কিয়নো মোদী নেতৃত্বাধীন নতুন চৰকাৰখনে ৰাজ্যসমূহলৈ অধিক বিত্তীয় স্বতন্ত্ৰতা প্ৰদানত বিশ্বাস কৰে। মোদী চৰকাৰে ক্ষমতালৈ অহাৰ পাছতেই পৰিকল্পনা আয়োগ উচ্ছেদ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এতিয়া যিহেতু পৰিকল্পনা আয়োগ পৰিহাৰ কৰা হ'ল,সেয়ে ৰাজ্যবোৰে নিজৰ সম্পদৰাজি পোৱাটো ভাল যাতে নিজে স্বতন্ত্ৰীয়া ভাবে সেইবোৰ ভালদৰে কামত লগাই বিকাশৰ দিশত আগুৱাই যাব পাৰে।

---

কোম্পানীত ইকুইটিৰ ৰূপত বিনিয়োগ কৰিব পাৰিব। আন্তঃগাঁথনি বিত্তীয় কোম্পানী-বিলাকে তেতিয়া এই পৃথক এ'কউইটিৰ পৰা বহু ভাঁজৰ সুবিধা আদায় কৰিব পাৰিব। * কৰযুক্ত আন্তঃগাঁথনি ঋণ,ৰেইল, পথ আৰু জলসিঞ্চন খণ্ডৰ বাবে কৰমুক্ত আন্তঃগাঁথনি ঋণ দিয়া হ'ব। * ৰাজহুৱা ব্যক্তিগত অংশীদাৰীত্বৰ আন্তঃগাঁথনিৰ বিকাশৰ আৰ্হি য'ত ডাঙৰ বিষয় জড়িত হৈ থাকে, তেনে আন্তঃগাঁথনি প্ৰকল্প সমূহত দায়িত্বৰ পুনৰ পৰিদৰ্শন আৰু পুনৰ ভাৰসাম্যকৰণৰ সিদ্ধান্ত গ্ৰহণ।

**দক্ষতা বিকাশ**

কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ মন্ত্ৰালয়ৰ জৰিয়তে ৰাষ্ট্ৰীয় দক্ষতা অভিযান প্ৰৱৰ্ত্তন কৰা হৈছে গ্ৰাম্য যুৱকযুৱতীৰ নিয়োগ সুবিধাৰ্থে দীন দয়াল গ্ৰামীণ কৌশল যোজনা প্ৰৱৰ্তন, এই আঁচনিৰ বাবে আচুতীয়াকৈ ১৫০০ কোটি টকা ৰখা হৈছে। অৰ্হতাসম্পন্ন ছাত্ৰৰ বেংক একাউন্টলৈ ডিজিটেল ৰচিদৰ জৰিয়তে প্ৰত্যক্ষভাৱে ধন বিতৰণ কৰা হ'ব।

**বিত্তীয় অসুবিধা নোহোৱাকৈ** দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পছন্দ অনুযায়ী শিক্ষা গ্ৰহণ কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী কাৰ্য্যক্ৰমৰ জৰিয়তে তথ্য প্ৰযুক্তিভিত্তিক ছাত্ৰ বিত্তীয় সাহায্য প্ৰাধিকৰণ গঠনৰ বাবে প্ৰস্তাৱ কৰা হৈছে। কোনো ছাত্ৰ/ছাত্ৰীয়ে ধনৰ অভাৱত উচ্চ শিক্ষা গ্ৰহণৰ সুবিধা নেহেৰুৱাটো নিশ্চিত কৰা হৈছে।

**স্বৰ্ণ বিত্তীয়কৰণ**

ভাৰত বিশ্বৰ ভিতৰত বৃহৎ পৰিমাণৰ সোণ ব্যৱহাৰ কৰা অন্যতম দেশ আৰু প্ৰতিবছৰে ৮০০-১০০০ টন সোণ আমদানি কৰে। ভাৰতত , ২০ হেজাৰ টনতকৈয়ো অধিক সোণ মজুত আছে, এই সোণৰ বেছি পৰিমাণৰেই ব্যৱসায় বা বিত্তীয়কৰণ হোৱা নাই। এই বাজেটত সোণ বিত্তীয়কৰণ আঁচনিৰ প্ৰৱৰ্তন কৰাৰ কথা উল্লেখ কৰা হৈছে। যিটোৱে বৰ্তমান বৰ্তি থকা সোণ জমা আৰু সোণ ধাতু ঋণ ব্যৱস্থা উভয়কে সলনি কৰিব। নতুন আঁচনিয়ে সোণ জমাকাৰীক তেওঁলোকৰ ধাতু একাউন্টৰ পৰা সুদ অৰ্জন আৰু সোণাৰীসকলক ধাতু একাউন্টত ঋণ পোৱাৰ সুবিধা দিব। বেংকে আন ব্যৱসায়ী বা বিতৰকো এই সোণ বিত্তীয়কৰণ কৰাৰ বাবে সমৰ্থ হ'ব * ইণ্ডিয়ান গল্ড কইনৰ বিকাশৰ কাৰণে যিটোৱে বাণিজ্যিক কাম সন্মূখত অশোক চক্ৰ থকা বাণিজ্যিক কাম থকা, এনেধৰণৰ ভাৰতীয় সোণৰ মুদ্ৰাই ভাৰতৰ বাহিৰত নিৰ্মিত সোণৰ মুদ্ৰাৰ চাহিদা হ্ৰাস কৰাত সহায় কৰিব আৰু দেশত সোণ পৰ্য্যাপ্ততাৰ পুনৰ ব্যৱহাৰ উপযোগী হোৱাত সহায় কৰিব।

**ক'লা ধনৰ ক্ষেত্ৰত লেকাম ধৰা/উন্মোচিতকৰণ—**

ক'লা ধন সম্পৰ্কীয় এখন নতুন সৰ্বাত্মক আইনৰ প্ৰস্তাৱ কৰা হৈছে। * বৈদেশিক সম্পদৰ ক্ষেত্ৰত কৰ ফাঁকি দিলে ১০ বছৰ পৰ্য্যন্ত কাৰাদণ্ড আৰু দোষীক ৩০০ শতাংশ জৰিমনা * আয়কৰ ৰিটাৰ্ণ দাখিল নকৰা/অপৰ্য্যাপ্ত পৰিমাণৰ বা প্ৰকৃত তথ্য প্ৰদান নকৰিলে ৭ বছৰ পৰ্য্যন্ত কাৰাদণ্ড আদিৰ প্ৰস্তাৱ কৰা হৈছে।
* নিজৰ দেশত ক'লা ধনৰ ক্ষেত্ৰত লেকাম লগাবলৈ এখন নতুন অধিক সৰ্বাত্মক বেনামী আদান-প্ৰদান (নিষিদ্ধ) বিধেয়ক প্ৰৱৰ্ত্তন কৰা হ'ব।

**স্বচ্ছ ভাৰত**

কেন্দ্ৰীয় চৰকাৰে সকলো বা নিৰ্দ্দিষ্ট কৰযোগ্য সেৱাত ২ শতাংশ হাৰত স্বচ্ছ ভাৰত উপকৰ আৰোপ কৰিব ই জাননীকৃত হোৱাৰ দিনাৰ পৰাই বলৱৎ হ'ব।

জে এ এম (জন ধন যোজনা, আধাৰ আৰু ম'বাইল) এই তিনিওটাই লক্ষ্য নিৰ্দ্ধাৰিত পদ্ধতিৰে দৰিদ্ৰ, স্পৰ্শকাতৰ লোকসকলে নিজৰ অৰ্থনৈতিক প্ৰয়োজন পূৰণৰ বাবে লাভ হস্তান্তৰ (ৰাজসাহায্যৰ দৰে লাভ) সুৰুঙাহীন ভাৱে পোৱাত সহায় কৰিব। * ২০১৪ চনৰ ডিচেম্বৰ মাহলৈকে ৭২ কোটিত কৈয়ো অধিক লোকলৈ আধাৰ কাৰ্ড আগবঢ়োৱা হৈছে। ২০১৫ চনৰ ডিচেম্বৰ মাহলৈকে ইয়াৰ পৰিমাণ ১০০ কোটি অতিক্ৰম কৰিব বুলি আশা কৰা হৈছে। ২০১৪ চনৰ ডিচেম্বৰ মাহলৈকে ১০ কোটিতকৈয়ো অধিক বেংক একাউন্ট আধাৰ নম্বৰৰ সৈতে পঞ্জীয়ন কৰা হৈছে। তদুপৰি জন ধন যোজনাৰ জৰিয়তে বেংকৰ একাউন্ট নম্বৰ বৃদ্ধি হোৱাৰ আশা

**৪০ নং পৃষ্ঠাত চাওক**

# ৰাষ্ট্ৰীয় দক্ষতা বিকাশ কাৰ্যসূচী

*** স্বদেশ সিং**

"ভাৰত বিশ্বৰ ভিতৰত মুঠ জনসংখ্যাৰ ৫৪ শতাংশ ২৫ বছৰ বয়সৰ তলৰ লোকেৰে গঠিত জনসংখ্যাৰ অন্যতম দেশ। আমাৰ যুৱসকল ২১ শতিকাৰ চাকৰিৰ বাবে শিক্ষিত আৰু নিয়োগযোগ্য হ'ব লাগিব। প্ৰধানমন্ত্ৰীয়ে "দক্ষ ভাৰত" কেনেকৈ "ভাৰতত নিৰ্মিত" (মেইক ইন ইণ্ডিয়া) ৰ লগত সু-সম্পৰ্কিত হ'ব সেই বিষয়ে বৰ্ণনা কৰিছে। তথাপি আজি আমাৰ সম্ভাৱনালয় শ্ৰম শক্তিৰ ৫ শতাংশতকৈ কম লোকে নিয়োগযোগ্য হ'বলৈ আৰু নিয়োগযোগ্যহৈ থাকিবলৈ আনুষ্ঠানিক দক্ষতা প্ৰশিক্ষণ লাভ কৰিছে"।

**বিত্তমন্ত্ৰী অৰুণ জেটলি,বাজেট-ভাষণ( ২৮ ফেব্ৰুৱাৰী,২০১৫)**

বিত্তমন্ত্ৰী অৰুণ জেটলিয়ে তেওঁৰ বাজেট ভাষণত কয় যে দক্ষ ভাৰত কাৰ্যসূচী সফল হব যদিহে ই "ভাৰতত নিৰ্মিত " (মেইক ইন ইণ্ডিয়া) কাৰ্যসূচীৰ লগত সহযোগিতাৰে কাম কৰে।তেওঁ গ্ৰাম্য খণ্ডৰ বাবে এখন আঁচনি ঘোষণা কৰে। তেওঁ কয় যে— " ভাৰতৰ জনসংখ্যাৰ ৭০ শতাংশ গ্ৰাম্য অঞ্চলৰ লোক, গ্ৰাম্য যুৱকসকলৰ নিয়োগযোগ্যতা বৃদ্ধি কৰোৱাটো হ'ল ভাৰতৰ জনসংখ্যা গাঁথনিৰ বাবে তলা খোলাৰ বাবে চাবিকাঠী। এই কথা মনত ৰাখিয়েই আমি দীন-দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা প্ৰৱৰ্তন কৰিছোঁ আৰু এই আঁচনিৰ বাবে ১৫০০ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে; এই ধনৰ বিতৰণ ডিজিটেল ৰচিদৰ জৰিয়তে অৰ্হতাসপন্ন ছাত্ৰ-ছাত্ৰীৰ বেংক একাউন্টত জমা দিয়া হ'ব।

বিত্তমন্ত্ৰীৰ বাজেট ভাষণত প্ৰমাণিত হৈছে যে, ভাৰত চৰকাৰে বৰ্তমান ৰাষ্ট্ৰৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ সুযোগ হিচাবে দক্ষতা বিকাশ বিষয়টোত গুৰুত্ব দিছে। বিত্তমন্ত্ৰীয়ে 'ভাৰতত নিৰ্মিত' কাৰ্যসূচীৰ সহযোগিতা বিচৰাৰ সময়তে ভাৰত চৰকাৰৰ আন চাৰিটা ধ্বজাবাহী কাৰ্যসূচী — ডিজিটেল ভাৰত, স্মাৰ্ট চিটি, পৰিষ্কাৰ ভাৰত আৰু পৰিষ্কাৰ গংগা আঁচনিৰ বাবেও লক্ষ লক্ষ সুদক্ষ হাতৰ প্ৰয়োজন আছে।

বাজেটত এটা বাস্তৱ সত্য স্বীকাৰ কৰা হৈছে যে, দক্ষতা প্ৰদানকাৰী সকলে সদায় চাকৰিৰ ক্ষেত্ৰত প্ৰশিক্ষিত যুৱকৰ লগত সংযোগ ৰাখিবলৈ ভাল পাব পৰা বা নাপাবও পৰা শিল্পদ্যোগী হোৱাৰ দৰ্কাৰ আছে। সেয়েহে, ২০ হেজাৰ কোটী টকাৰ কৰ্পাছ আৰু ৩ হেজাৰ কোটি টকাৰ ঋণ নিশ্চিত কৰ্পাছেৰে এটা ক্ষুদ্ৰ গোট বিকাশ পুনৰ্বিত্তীয় সংস্থা বেংক (এম ইউ ডি আৰ এ) গঠনৰ প্ৰস্তাৱটোৰ অগ্ৰগতি দেখা গৈছে। এম ইউ ডি আৰ এ বেংকটো প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ জৰিয়তে পুনৰ্বিত্তীয় ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানলৈ দুবছৰৰ ভিতৰৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩ শতাংশ বিত্তীয় শক্তি দক্ষ লোকে যেতিয়া অধিক নিয়োগ, স্ব-নিয়োজন সুবিধা লাভ কৰিব তেতিয়াহে মুকলি কৰি দিব পৰা যাব। অভিযোজন আৰু শিল্প উদ্যম বৃদ্ধি কৰাৰ কাৰণে গ্ৰাম্য যুৱকসকলৰ উপযুক্ত বজাৰ মূল্যায়ণ কৰাটোও সমানেই গুৰুত্বপূৰ্ণ।

বাজেটখনে শিক্ষা আৰু দক্ষতা বিকাশ পৃথককৈ চোৱা নাই। প্ৰতিজন শিশুকে সামৰি ল'বৰ বাবে পাঁচ কিলোমিটাৰ ব্যাস্যাৰ্ধৰ ভিতৰত এখন উচ্চ মাধ্যমিক বিদ্যালয় নিশ্চিত কৰাৰ কাৰণে ৮০ হেজাৰখনতকৈ অধিক মাধ্যমিক বিদ্যালয়ৰ লগতে ৭৫ হেজাৰ নিম্ন/মধ্য বিদ্যালয় উচ্চ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ বিষয়ে বাজেটত ঘোষণা কৰা হৈছে। অৱশেষত, সকলো শিক্ষা আৰু দক্ষতা নিয়োগ লাভ কৰিব পৰা বিধৰ। সেইকাৰণে, বিত্তমন্ত্ৰীয়ে ইয়াৰ বাবে কিমান পুঁজি বন্টন দিছে সেইটোতকৈ শিক্ষা , দক্ষতা বিকাশক দিয়া স্পষ্ট স্বীকৃতিয়ে পৰিণতিত নিয়োগৰ দিশে ধাৱিত কৰিব। প্ৰয়োজনটো হ'ল কাৰ্যকাৰীকৰণ আৰু পৃথকভাৱে ইয়াৰ প্ৰতি মনোনিৱেশ কৰা।

এন এছ ডি চিৰ অধ্যক্ষ দিলীপ চিনয়ে বাতৰি কাকতত দিয়া এটা সাক্ষাৎকাৰত কৈছিল— " দক্ষতা বিকাশৰ ক্ষেত্ৰত বিত্তীয় সমৰ্থন চাৰি প্ৰকাৰৰ কামত আগবঢ়োৱাৰ প্ৰয়োজন আছে। প্ৰথমতে, দক্ষতা প্ৰশিক্ষণৰ বাবে পৰিশোধ কৰিবলৈ সামৰ্থ নথকা খণ্ডলৈ অনুস্থানভিত্তিক আচঁনি প্ৰৱৰ্তন কৰাৰ লগতে অব্যাহত ৰাখিব লাগে; দ্বিতীয়তে, ওকালতি, প্ৰত্যায়িত কৰণ আৰু মূল্যায়নৰ দৰে দক্ষতা প্ৰশিক্ষণৰ বিভিন্ন উপাদানৰ অগ্ৰগ্ৰামিতা আৰু জনপ্ৰিয়তাৰ কাৰণে; তৃতীয়তে, দক্ষতা বিকাশৰ বহনক্ষম আৰ্হি গঠন কৰিবলৈ প্ৰাৰম্ভিক সমৰ্থনৰ কাৰণে আৰু চতুৰ্থতে প্ৰশিক্ষাৰ্থী সকললৈ দক্ষতা ঋণ আগবঢ়োৱাৰ বাবে পুঁজি গঠনৰ কাৰণে।

*** স্বদেশ সিং বি বি চি-ৰ হিন্দী শাখাৰ সেৰা আৰু এন ডি টি ভি-ৰ বাতৰি চেনেলত কৰ্মৰত। তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ এখন মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগত অধ্যাপনাও কৰে।**

## ভাৰতত দক্ষতা বিকাশ কাৰ্যসূচীৰ পুনৰগঠন

ভাৰতৰ দক্ষতা বিকাশ কাৰ্যসূচীৰ অভিজ্ঞতাই আমাক শিকাইছেযে, এই কাৰ্যসূচীৰ বাবে কিমান পুঁজি আৱন্টন দিয়া হৈছে সেইটো নহয় কিন্তু দক্ষতা বিকাশ কাৰ্যসূচীৰ বাবে কিমান সফলভাৱে ব্যয় কৰিছে সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ সূত্ৰ ধৰি চৰকাৰে আদৰণীয় গতি হিচাপে সকলো প্ৰচেষ্টা সমন্বিতকৰণৰ বাবে দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ মন্ত্ৰালয় গঠন কৰিছিল।

কেবিনেট সচিবালয়ৰ অধিসূচনাত কোৱা হৈছে যে, দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ মন্ত্ৰালয়ক প্ৰশিক্ষিত শ্ৰম শক্তিৰ যোগান আৰু চাহিদাৰ মাজত থকা ব্যৱধান হ্ৰাস কৰা, দক্ষতা প্ৰশিক্ষণৰ বাবে যথোপযুক্ত গাঁথনিৰ আৰ্হি প্ৰস্তুত কৰা, কাৰীকৰি প্ৰশিক্ষণ, বৃত্তিমূলক প্ৰশিক্ষণ, নতুন দক্ষতা বিকাশ আৰু বৰ্ত্তমানৰ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ মান নিৰ্ণয় আৰু এইবোৰ প্ৰত্যয়িত কৰা আদি দায়িত্ব অৰ্পণ কৰা হৈছে।

পূৰ্বে ২০ টা বিভিন্ন মন্ত্ৰালয়ৰ অধীনত ৰূপায়িত হোৱা ৬০ খন বিভিন্ন আঁচনি বৰ্তমান দক্ষতা বিকাশ মন্ত্ৰালয়ৰ অধীনলৈ অনা হৈছে। ৰাষ্ট্ৰীয় দক্ষতা বিকাশ সংস্থা বিত্ত মন্ত্ৰালয় আৰু নিয়োগ আৰু প্ৰশিক্ষণ সঞ্চালকলয়ৰ অধীনত থকা উদ্যোগিক প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতিষ্ঠান (আই. টি. আই) আৰু আন বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্য্যসূচী শ্ৰম মন্ত্ৰালয়ৰ অধীনস্থ আছিল। বৰ্ত্তমান এইবোৰ কাৰ্যসূচীয়ে দক্ষতা বিকাশ মন্ত্ৰালয়ৰ অধীনতো কাম কৰিব। একেদৰে, মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ কাৰীকৰি শিক্ষা শাখা, ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান (এন আৰ এল এম)আৰু আজীৱিকা কাৰ্যসূচী দক্ষতা বিকাশ মন্ত্ৰালয়ৰ অংশ হ'ব। কামৰ পুনৰাবৃত্তি নোহোৱাটো নিশ্চিত কৰা হ'ব আৰু কাৰ্যসূচী চোৱাচিতা কৰা আৰু মূল্যায়ণ সহজ হ'ব।

## ভাৰতত দক্ষতা বিকাশ কাৰ্যসূচীৰ স্থিতি

ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমে ২৭ খন ৰাজ্য আৰু পাচঁখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৫৬ খন জিলাৰ ১,৪০৮ কেন্দ্ৰত ১৫৯ গৰাকী প্ৰশিক্ষণ অংশীদাৰেৰে ৮ কোটি ২০ লাখ লোকৰ প্ৰশিক্ষণৰ সামৰ্থ আহৰণ কৰিছে। গ্ৰাম্য উন্নয়ন বিভাগৰ ৫৫৬ খন জিলাৰ ৫৭৭ টা সক্ৰিয় গ্ৰাম্য নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান আছে। বস্ত্ৰ মন্ত্ৰালয়ে সংহত দক্ষতা বিকাশ আঁচনি ৰূপায়ণ কৰি আছে য'ত ৰূপায়ণকাৰী সংস্থাসমূহে প্ৰশিক্ষণ কেন্দ্ৰ পৰিচালনাৰ কাম কাৰ্যকৰী কৰি আছে। অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ প্ৰস্তুতি কৰি থকা ১৫ টা নতুন প্ৰযুক্তি কেন্দ্ৰৰ সৈতে ১৮ টা বৰ্ত্তি থকা প্ৰযুক্তি কেন্দ্ৰ আছে। তদুপৰি সমগ্ৰ দেশত ৰাষ্ট্ৰীয় বিত্তীয় প্ৰশিক্ষণ পৰিষদৰ শাখাৰূপে অন্তৰ্ভুক্ত ১১,৯৬৪ টা উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (২,২৮৪ টা চৰকাৰী আৰু ৯,৬৮০ টা বেচৰকাৰী) আছে। দেশখনে সন্মুখীন হোৱা এটা ডাঙৰ প্ৰত্যাহ্বান হ'ল দক্ষতাৰ অভাৱ নহয় , প্ৰশিক্ষণ দিবলৈ আৰু শ্ৰমশক্তি প্ৰত্যয়িত কৰাৰ উপযুক্ত ব্যৱস্থাৰ অভাৱহে। দক্ষ মানৱশক্তি সৃষ্টি কৰিবলৈ আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য প্ৰশিক্ষণ আৰু প্ৰত্যয়িত ব্যৱস্থা জড়িত কৰাৰ প্ৰয়োজন আছে। আমাৰ মানৱ শক্তিক প্ৰশিক্ষণ দিবলৈ নিশ্চিত পাঠ্যক্ৰম থকা দৰ্কাৰ। প্ৰশিক্ষণ আৰু প্ৰত্যয়নৰ উপৰি দক্ষ লোকসকলক নিয়োজিত কৰা হ'ব বুলি নিশ্চিতি দিবলৈ আমি সমৰ্থ হোৱা উচিত। গ্ৰেট ব্ৰিটেইনত মুঠ শ্ৰমশক্তিৰ দক্ষতাসম্পন্ন লোকৰ সংখ্যা হ'ল ৭০ শতাংশ জাৰ্মাণীত ৭৫ শতাংশ জাপানত ৮০ শতাংশ আৰু দক্ষিণ কোৰিয়াত ৯৬ শতাংশ। কিন্তু ভাৰতত হ'ল মাত্ৰ ২ শতাংশহে। দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ মন্ত্ৰালয়ৰ মন্ত্ৰী ৰাজীৱ প্ৰতাপ ৰোডীয়ে পূৰ্বে লোকসভাৰ প্ৰশ্নকালীন সময়ত কৈছিল যে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে আৰ্হি আৰু প্ৰশিক্ষণকালৰ অনুশীলন কাল চলি আছে। তেওঁ আৰু কয় যে আৰ্হিসমূহ ব্যৱধান সমূহৰ মূল্য নিৰ্দ্ধাৰণ আৰু সুবিধা আৰু পুঁজিৰ সম্পৰ্কে কৰা বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰে।

## বুদ্ধিমত্তা বনাম দক্ষতা

ভাৰতে এতিয়ালৈকে জ্ঞান আৰু বুদ্ধিমত্তাৰ ক্ষেত্ৰত উদ্‌যাপন কৰি আছে। সি যি কি নহওক, দক্ষতাৰ ক্ষেত্ৰত উদ্‌যাপন হোৱা নাই। জাতিৰ পিতা মহত্মা গান্ধীয়ে প্ৰায় এটা শতিকাৰ পূৰ্বে ভাৰতীয় শিক্ষা ব্যৱস্থাটোৰ পাঠ্যপুথিৰ ওপৰত নিৰ্ভৰতা হ্ৰাস কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছিল। গান্ধীয়ে সকলো লোকে নিজৰ কাম নিজে কৰাটো আৰু নিজৰ বাবে উপাৰ্জন কৰিবৰ বাবে আহ্বান জনাইছিল। এই ব্যৱস্থাই সকলো লোক দক্ষ হোৱাটো বিচাৰিছিল।

চীনে নিজৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে আগবঢ়োই নিৰ্মাণৰ ক্ষেত্ৰত অপ্ৰতিদ্বন্দী ৰূপত অৱতীৰ্ণ হৈছে। কিন্তু ইয়াৰ বিপৰীতে ভাৰতত ছাত্ৰ সকলৰ বাবে চৰকাৰদ্বাৰা পৰিচালিত উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দৰে (আই.টি. আই.) সামান্য বিকল্পহে আছে, যিবোৰৰ ব্যৱস্থাপনা তেনেই দুখ লগা বা নাইবা সময়ৰ লগত খাপ নোখোৱা বিধৰ। উদাহৰণস্বৰূপে, গাড়ীৰ কাৰিকৰসকলৰ উদ্যোগিক প্ৰশিক্ষণৰ পাঠ্যক্ৰমত কাৰ্বৰেটৰৰ উল্লেখযোগ্য প্ৰশিক্ষণ অন্তৰ্ভুক্ত কৰা হৈছে যিবোৰ গাড়ী নবৈৰ দশকত পৰ্য্যায়ক্ৰমে হ্ৰাস পাই আহিছে।

### মান বনাম পৰিমাণ

সি যি কি নহওক, নীতি নিৰ্দ্ধৰকসকলে দক্ষ শ্ৰমশক্তি পৰিমাণৰ বিষয়ত আলোকপাত কৰাৰ সময়তে দক্ষতা কাৰ্যসূচীৰ মানৰ বিষয়তো মনোনিৱেশ কৰিব লাগিব। ভাৰতে আই. টি. আই. সমূহৰ মান উৰ্দ্ধলৈ আনি দক্ষতা প্ৰশিক্ষণৰ কাৰণে সাংখ্যিক লক্ষ্য নিৰ্দ্ধাৰণৰ বিষয়টো অধিক কৰাৰ আৰু শিক্ষানবীচ কাৰ্যসূচী উন্নত কৰাৰ বাবে ব্যক্তিগত খণ্ডৰ লগত কাম কৰাৰ প্ৰয়োজন আছে।

এইটো নহয় যে,ভাৰতৰ যুৱসকল স্বভাৱগতভাৱে নিয়োগযোগ্য। দক্ষতাৰ বাস্তৱিকতে প্ৰয়োজন আছে। ২০১২ চনত এফ আই চি চি আৰৰ কাৰণে আনছ্ট আৰু য়ঙে যুগুত কৰা এটা প্ৰতিবেদনৰ হিচাপ মতে ভাৰতৰ শ্ৰমশক্তিৰ মাত্ৰ ২০শতাংশইহে কিছু প্ৰকাৰৰ প্ৰশিক্ষণ লাভ কৰিছে বাকী ৮০ শতাংশই প্ৰশিক্ষণৰ সুবিধা লাভ নকৰাকৈ কৰ্মক্ষেত্ৰত প্ৰৱেশ কৰিছে। আনহাতে, প্ৰশিক্ষণপ্ৰাপ্ত সকলৰ কিছুসংখ্যকে প্ৰশিক্ষণৰ আন পত্ৰ আছে যদিও কোনোমতেহে নিয়োজিত হোৱাৰ সুবিধা পাইছে। ২০১২ চনত ভাৰতত চাকৰি সমূহত মকৰল কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধা আছিল ৪৮ শতাংশ, যি ক্ষেত্ৰত গোলকীয় মান ৩৪ শতাংশ আছিল। প্ৰশিক্ষণপ্ৰাপ্ত সকলৰ ভিতৰত উল্লেখযোগ্য সংখ্যক লোকে চাকৰি পাবলৈ অসমৰ্থ আছিল বা কম বেতন, কাম কৰাৰ নিঃকিন পৰিৱেশ, ঘৰৰ ওচৰত চাকৰিৰ অভাৱ আৰু আনকি সহজলভ্য চাকৰিৰ ক্ষেত্ৰত সমাজত "নিম্ন স্থান" আদিৰ বাবে কাম এৰি দিবলগীয়া হৈছিল।

### নতুন ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতি

কেন্দ্ৰীয় চৰকাৰে এটা নতুন ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতিৰ বাবে কাম কৰি আছে। বৰ্ত্তমান দক্ষ শ্ৰম শক্তি থকা ৩০ কোটিৰ ব্যৱধানৰ বিষয়ত নতুন নীতিয়ে সাকোঁৰ দৰে কাম কৰিব বুলি আশা কৰা হৈছে। নতুন দক্ষতা বিকাশ নীতিয়ে ২০২০চনৰ ভিতৰত প্ৰতি চাৰিজন লোকৰ ভিতৰত এজনক দক্ষ কৰি তোলাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। যদিহে ভাৰতে বাৰ্যিক মুঠ ঘৰুৱা উৎপাদনৰ হাৰ প্ৰায় ৮ শতাংশ কৰিব পাৰে তেনেহলে,খুচুৰা খণ্ড, অট', পণ্য উৎপাদন আৰু তথ্য আৰু প্ৰযুক্তি আদি শীৰ্ষ দহটা উচ্চ বিকশিত উদ্যোগত ২০২২ চনৰ ভিতৰত (বৰ্তমান পদাধিকাৰীক ধৰি) প্ৰায় ২৪ কোটি ৫০ লাখ লোকৰ প্ৰয়োজন হ'ব। অৰ্থনৈতিক বিকাশৰ মূল চালিকা শক্তিয়ে মুঠ ঘৰুৱা উৎপাদনশীল পণ্য উৎপাদন খণ্ডৰ ২৫ শতাংশ বৰঙণি বৃদ্ধিৰে অধিক নিয়োগ সুবিধাৰ সৃষ্টি কৰিব। টীমলীজৰ মণীষ চাভ্ৰাৱালে এটা সাক্ষাৎকাৰত কৈছিল যে, ব্যয়, মান আৰু মাপকাঠীৰ অসম্ভৱ ত্ৰিমূৰ্ত্তি লাভ কৰিবলৈ হ'লে তিনিটা কেন্দ্ৰ আৰু ৰাজ্য, বিতৰণ আৰু বিত্ত, দুটা মানৰ মূলধন মন্ত্ৰালয় আৰু বাকী থকাবোৰৰ মাজত থকা যানজঁট আতঁৰাব লাগিব। চাভ্ৰাৱালে বিশ্বাস কৰে এই যান-জঁটবোৰৰ বিধায়িনী কাৰ্যকৰী সমাধানৰ অবিহনে ভাৰতৰ জনসংখ্যা গাঁথনিৰ লভ্যাংশ চাপত থকিব। নতুন দক্ষতা বিকাশ নীতিয়ে দক্ষতা বিকাশৰ সমস্যাসমূহৰ কাৰ্যকাৰী সমাধান কৰিবলৈ সমৰ্থ হ'ব বুলি আমি আশা কৰোঁ।

চৰকাৰৰ উচ্চাকাঙ্খী লক্ষ্য যদি অন্তঃকৰণেৰে ৰূপায়িত হয় তেনেহ'লে আন্তঃগাঁথনি, স্বাস্থ্য যতন আৰু পণ্য উৎপাদন খণ্ডৰ দৰে নিৰ্ণায়ক খণ্ডৰ মাজত থকা ব্যৱধানৰ ক্ষেত্ৰত সেতুঁবন্ধনত সহায় কৰিব। এ এছ এছ অ' চি এইছ এ এম-এ এন এছ ডি পি ২০১৫ ৰ সফল ৰূপায়ণ নিশ্চিত কৰাৰ কাৰণে প্ৰতিষ্ঠানিক গাঁথনি, বৰ্তমান নীতিৰ জটিল গাথঁনি দক্ষ কৰি তোলা, অংশবিশিষ্ট খণ্ড আচঁনি ব্যাপক কৰি তোলা আদি বিষয়সমূহত আলোকপাত কৰিছে। প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱত২০০৯চনৰ ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতিয়ে প্ৰায় ৩.১ নিযুত লোকক সহজসাধ্য কৰাৰ (১কোটি ২০ লাখতকৈ অধিক নতুন প্ৰৱেশকাৰীৰ তুলনাত) ৰাষ্ট্ৰৰ দক্ষতা বিকাশৰ প্ৰয়োজনত এটা বৃহৎ ব্যৱধানৰ সৃষ্টি কৰিলে। বিধানমণ্ডলে ব্যক্তিগত খণ্ডৰ সমৰ্থনত দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান- বৰ্তমান বৰ্ত্তি থকা দক্ষতা বিকাশ নীতিৰ অমিল জোৰাই অনিয়মীয়া কৰ্মীক বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদানৰ বিষয়ত আলোকপাত নকৰে, যিটোৱে দক্ষ কৰ্মীৰ নাটনিৰ সৃষ্টি কৰে। শ্ৰমশক্তিৰ প্ৰায় ৯০ শতাংশ অনিয়মীয়া কৰ্মীৰে গঠিত,সেই কাৰণে দক্ষ কৰ্মীৰ হাৰ বৃদ্ধি নিশ্চিত কৰাৰ কাৰণে অধিক নিয়মিতৰূপত চৰকাৰে বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰাটো জৰুৰী। এ এছ এছ অ চি এইছ এ এম-এ নতুন নীতিটো সফল হব বুলি দৃঢ়বিশ্বাসী আৰু দৃঢ়ভাৱে বিশ্বাস কৰে যে , ই কেৱল ভাৰতৰ দক্ষ শ্ৰমশক্তিৰ বৃদ্ধি কৰিব এনে নহয়,কৰ্মচাৰীৰ উৎপাদনশীলতাও বৃদ্ধি কৰিব; ইয়াৰ ফলত চৰকাৰৰ " ভাৰতত নিৰ্মিত" নেতৃত্ব শক্তিশালী হ'ব।

### দক্ষতা বিকাশ,শিক্ষা আৰু উদ্যোগ

ভাৰতৰ দক্ষতা বিকাশ আৰু শিক্ষা শাখাৰ সবলীকৰণ গোলকীয় শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ উত্তম অনুশীলনৰ আধাৰত গুৰুত্ব প্ৰদান কৰা দৰ্কাৰ। বিশ্বৰ আন দেশবোৰে শিক্ষা আৰু দক্ষতা বিকাশৰ শিপাটো চিনাক্ত কৰিছে, যিটো উদ্যোগৰ চাহিদা আৰু অৰ্থিনৈতিক বিকাশৰ ধাৰাৰ পৰিবৰ্ত্তনৰ ওপৰত নিৰ্ভৰশীল।

কোৰিয়াই সত্তৰ দশকত দক্ষতা

বিকাশ অভিযোজনৰ নাটনিৰ বিষয়টো ব্যাখ্যা কৰিছিল আৰু সেয়েহে তেওঁলোকে ডাঙৰ প্ৰতিষ্ঠানবোৰত প্ৰশিক্ষণৰ কাৰ্য্যসূচী আৰোপ কৰিছিল; দেশখনত চাকৰি দক্ষতা বিকাশ কাৰ্য্যসূচী পৰিচালনা কৰাৰ বাবে নিয়োগকৰ্তাই বীমাকৃত কৰ্মচাৰীক চৰকাৰৰ তৰফৰ পৰা দিয়া পুঁজিৰদ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰে। জাৰ্মাণীৰ বৃত্তিমূলক শিক্ষাৰ উপযুক্ত দ্বৈত ব্যৱস্থা আছে সিটোৱে বিদ্যালয় ভিত্তিক আৰু কৰ্মভিত্তিক শিক্ষণক সংহত কৰে; প্ৰশিক্ষণাৰ্থীয়ে বৃত্তিমূলক বিদ্যালয়ত এদিন বা দুদিন আৰু নিয়োগকৰ্ত্তাৰ স্থানত তিনি বা চাৰিদিন কটায়, প্ৰশিক্ষণাৰ্থীসকলৰ অগ্ৰগতি চূড়ান্ত বিশ্লেষণৰ পদ্ধতিৰে মূল্যায়ণ কৰা হয় য'ত তেওঁলোকে লাভ কৰা তাত্বিক আৰু ব্যৱহাৰিক জ্ঞান প্ৰদৰ্শন কৰে, এইদৰেই জাৰ্মাণত নিয়োগকৰ্তা আৰু বৃত্তিমূলক বিদ্যালয়ৰ যুটীয়া শৈক্ষিক আৰু প্ৰশিক্ষণৰ দায়িত্ব আছে।

## প্ৰশিক্ষণ আৰু প্ৰশিক্ষাৰ্থী

প্ৰতিবছৰতে ১ কোটি ২০ লাখ লোকে কৰ্মশক্তিত যোগদান কৰাৰ আশা কৰা হয় আৰু এনেধৰণৰ বৃহৎ প্ৰতিভাশালী লোকৰ দলটো সম্পূৰ্ণ সমৰ্থ হ'ব লাগে। আমি জানো যে, কৃষি বিকাশৰ হাৰ ৪-৫ শতাংশতকৈ অধিক নহয় সেয়েহে দেশৰ অৰ্থনৈতিক বিকাশত দ্বিতীয় আৰু তৃতীয় খণ্ডই প্ৰধান ভূমিকা ল'বলগীয়া হয়, য'ত উপযুক্ত অৰ্হতাসম্পন্ন দক্ষ শ্ৰমিকৰ প্ৰয়োজন।

" ভাৰতত নিৰ্মিত" সপোন আৰু পৰৱৰ্তী এটা দশকত দক্ষতা বিকাশক ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপ গ্ৰহণ কৰা হৈছে, চৰকাৰে দক্ষতা বিকাশ, শিক্ষা ব্যৱস্থা আৰু ভাৰতীয় উদ্যোগ সংহত কৰিলেহে সংস্কাৰ আহিব। প্ৰশিক্ষণ পদ্ধতি মানসম্পন্ন কৰা আৰু সফল মূল্যায়ণৰ ক্ষেত্ৰতো মনোযোগ দিয়া উচিত।

দক্ষতা বিকাশ অভিযানৰ প্ৰশিক্ষকসকলক সুবিবেচনাৰে যোগাৰ কৰিব লাগে আৰু এতিয়া থকা সকলক মৌলিক ভাবে গ্ৰহণ কৰা জ্ঞানেৰে নিশ্চয় বিবেচনা কৰিব লাগিব আৰু বৰ্ত্তমানৰ ধাৰাৰ বিষয়েও জানিব লাগিব। ইয়াৰ উপৰি, প্ৰশিক্ষণৰ সূচীয়ে দ্ৰুতগতিত পৰিৱৰ্তিত উদ্যোগিক প্ৰয়োজন আৰু প্ৰযুক্তিজ্ঞানৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগিব। প্ৰশিক্ষণ লাভ কৰাটো সদায়েই এটা জটিল বিষয় আৰু এই ক্ষেত্ৰত দুৰ্লভতাৰ কাৰণে তেওঁলোকে দক্ষতা প্ৰশিক্ষণ বজাৰত উচ্চমূল্য দাবী কৰে। এন.এচ.ডি.পি ২০০৯ অনুসৰি, ভাৰতে ইয়াৰ শ্ৰমশক্তিৰ দক্ষতা আৰু উদ্যোগৰ উৎপাদন বৃদ্ধি কৰিবলৈ ২০২২ চনৰ ভিতৰত ৫০ কোটি লোকক প্ৰশিক্ষণ দিয়াৰ পৰিকল্পনা কৰিছে। কিন্তু শেষৰ তিনিটা বছৰত দেশে ইয়াৰ ৪ কোটি লোকক প্ৰশিক্ষণ দিব লগা প্ৰয়োজনৰ বিপৰীতে প্ৰশিক্ষণতে ১ কোটিতকৈ অধিক লোকক প্ৰশিক্ষণ দিবলৈ সমৰ্থ নহ'ব। এই ক্ষেত্ৰত সজাগতাৰ অভাৱ, ছাত্ৰ-ছাত্ৰীক ধৰি ৰখা আৰু উত্তম মানৰ প্ৰশিক্ষকৰ অভাৱেই হ'ল কম প্ৰাপ্তিৰ কাৰণ।

## অংশীদাৰত্ব

দক্ষতা বিকাশৰ অংশীদাৰ বাণিজ্য ভৱন হোৱা উচিত, যি নিজৰ প্ৰতিষ্ঠানৰ ভিতৰত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণত ধন ব্যয় কৰাৰ কাৰণে চি এছ আৰৰ লাভৰ বাবে যোগ্য হোৱা উচিত। চি আই আইৰ দৰে সংগঠনে বঞ্চিত শ্ৰেণীৰ যুৱক/যুৱতীক প্ৰশিক্ষণ দিয়াৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে।

দক্ষতা মন্ত্ৰালয়ে প্ৰাক্তন কৰ্মচাৰীৰ দৰে আন গোটসমূহৰ সম্ভাৱনাৰ সম্পদো আহৰণ কৰা আৰু তেওঁলোকক অংশীদাৰ কৰা উচিত। মন্ত্ৰালয়টোৱে এই ক্ষেত্ৰত এটা ভাল উদ্যোগ গ্ৰহণ কৰিছে আৰু অৱসৰপ্ৰাপ্ত বিষয়াসকলক প্ৰশিক্ষক সেনাবাহিনী এটা গঠন কৰিবৰ কাৰণে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ লগত অংশীদাৰ হোৱাৰ সম্ভাৱতা আছে । এই প্ৰশিক্ষিত লোকসকলক চাকৰি আৰু ব্যৱসায় সংক্ৰান্তত যুৱক/যুৱতীসকলক সহায় কৰিবলৈ নিয়োগ কৰা হ'ব। দক্ষতা বিকাশ মন্ত্ৰী ৰাজীৱ প্ৰতাপ ৰোডীয়ে কয় যে " ১.৫ নিযুত লোকেৰে আমাৰ সেনাবাহিনী হ'ল বিশ্বৰ ভিতৰত তৃতীয়টো বৃহৎ বাহিনী। প্ৰতিবছৰে প্ৰায় ৫০ হেজাৰ লোকে ১০-২০ বছৰ সেৱা আগৰঢ়াই অৱসৰ গ্ৰহণ কৰে,যি সকল কনিষ্ঠ আৰু তাতোকৈ তলৰ পৰ্যায়ৰ সেনা বিষয়া। এই প্ৰাক্তন কৰ্মচাৰীসকলক প্ৰশিক্ষক হিচাপে গঢ় দিবৰ বাবে প্ৰশিক্ষণ দিব পাৰি আৰু তেওঁলোকে আমাৰ দেশৰ যুৱক/যুৱতীসকলক বিভিন্ন চাকৰি বা শিল্প উদ্যোগত কাম কৰাৰ বাবে যোগ্য হোৱা সুবিধা লাভ কৰিবলৈ দক্ষতাৰ প্ৰশিক্ষণ দিব পাৰে। সৰ্বোপৰি, বৰ্তমান বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত প্ৰৱৰ্তিত পাঠ্যক্ৰম ভাৰতীয় উদ্যোগৰ বৰ্তি থকা আৰু সম্ভাব্য চাহিদাৰ লগত পক্ষাৱলম্বন কৰিব লাগে। প্ৰত্যয়িতকৰণ এনে হোৱা উচিত যাতে গোলকীয় বিশ্ববিদ্যালয় আৰু নিয়োগকৰ্তাই বিবেচনা কৰে,আৰু এইদৰে সমগ্ৰ বিশ্বতে ছাত্ৰ/ছাত্ৰী সকলৰ বাবে ব্যাপক সম্ভাৱনাৰ দুৱাৰ খোল খাব।

## সামৰণি

ভাৰতৰ উত্তম অৰ্থনীতিৰ বাবে তিনিটা স্তম্ভ হ'ল অৰ্থপূৰ্ণ শিক্ষা ব্যৱস্থা, শক্তিশালী দক্ষতা বিকাশৰ বুনিয়াদ সৃষ্টি আৰু শ্ৰম শক্তি চোৱা-চিতাকৰণৰ বাবে ব্যৱসায়ৰ সক্ৰিয় জড়িতকৰণ। এই তিনিটা যদি ৰূপায়িত হয়,বৰ্তমানৰ নিবনুৱা, দাৰিদ্ৰ, নিৰক্ষৰতা, কাৰীকৰি অসমৰ্থতা, গোলকীয় বজাৰত আমাৰ উৎপাদন সেৱাৰ অযোগ্যতা আদি অভিশাপ নাথাকিব।

ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতাৰ —

গাঁথনিৰ ৰূপায়ণত ৰাজ্যসমূহে আনকি অতি বুনিয়াদী পৰ্যায়তো সুৰুঙা নোহোৱাকৈ বিষয়টো সম্পদশালীভাৱে পৰিচালনাৰ বাবে পুঁজিৰ বিতৰণ কৰিছে নে নাই এই বিষয়ত মন্ত্ৰালয়ে দৃষ্টি ৰাখিব লাগিব। মন্ত্ৰালয় সমূহে নিজৰ সংশ্লিষ্ট খণ্ডত দক্ষতা বিকাশৰ কাম হাতত ল'ব পাৰে। ইয়াৰপাচত, সহযোগিতা আৰু উপযুক্ত নিৰীক্ষণ সফলতাৰ মূল চাবিকাঠী হ'ব।

মহিলাৰ সক্ৰিয় অংশগ্ৰহণো বিবেচনাযোগ্য হোৱা উচিত। ইউ এন ডি পিৰ এটা প্ৰতিবেদন মতে, মহিলাৰ অংশগ্ৰহণে যদি ৭০ শতাংশ স্তৰ স্পৰ্শ কৰে তেনেহ'লে আমাৰ অৰ্থনৈতিক বিকাশ ৪.২ শতাংশলৈ বৃদ্ধি কৰিব পাৰিম।

দক্ষতা বিকাশ কেন্দ্ৰসমূহক চৰকাৰৰ পৰা অসৎভাৱে পুঁজি সংগ্ৰহ কৰাৰ থলী হ'বলৈ দিয়া নহব, এই কেন্দ্ৰবোৰ নিশ্চিতভাৱে ভাৰতৰ সমৰ্থবান শ্ৰমশক্তিৰ চেৰাশালি। নিৰীক্ষকসকলে পৰিসংখ্যা আৰু প্ৰতিবেদন দিওঁতে কেনেকৈ মিথ্যাৰ আশ্ৰয় লয় আমি সেইটো দেখিছোঁ; সেয়েহে স্বচ্ছ আৰু যোগ্য প্ৰতিবেদক ব্যৱস্থা এটা গঠন কৰাৰ প্ৰয়োজন আছে য'ত এনেকুৱা কেন্দ্ৰত কিমান প্ৰশিক্ষক, প্ৰশিক্ষাৰ্থী, প্ৰশিক্ষণৰ আৰ্হি আছে আদি সকলো বিষয়ৰ তথ্য বিতংভাৱে পোৱা যাব। নিৰৱচ্ছিন্ন কামৰ সম্ভাৱনা-উদাহৰণস্বৰূপে ভাৰতীয় শ্ৰম শক্তিৰ নিয়োগযোগ্যতা আৰু ব্যৱসায়লৈ দক্ষ লোকৰ অহৰহ যোগান হ'ল সৰ্বোচ্চ লক্ষ্য; সেয়েহে নিৰৱচ্ছিন্ন দক্ষতা বিকাশ হ'ল প্ৰতিপাদ্য বিষয়।

বিদ্যালয় বিশ্ববিদ্যালয় শিক্ষা, এন এছ ডি চি, এন এছ ডি এ,এন এছ ডি এফ,এন এছ কিউ এফ, আই টি আই, পলিটেক্নিক বা ভাৰতৰ বহুস্তৰীয় উদ্যোগ যিয়েই নহওক সকলোৰে প্ৰত্যকজন ভাৰতীয়ৰ বাবে মানগত শিক্ষা আৰু দক্ষতা বিকাশ আগবঢ়োৱা আৰু তেওঁলোকক উপযুক্ত স্থানত নিয়োজিত হোৱাত সহায় কৰাটো একমাত্ৰ লক্ষ্য হিচাপে লৈ এটা ক্ষেত্ৰলৈ ওলাই আহিব লাগিব।

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আহ্বান জনাইছে—**

" ভাৰতক দক্ষতাৰ ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ প্ৰতিজ্ঞা কৰিবৰ কাৰণে মই দেশবাসীক আহ্বান জনাইছোঁ "।

**২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

# ২০১৫-১৬ বৰ্ষৰ বাজেটৰ সামাজিক দিশ আৰু পৰিব্যাপ্তি

* মণিষ গোভিল

প্ৰতিৰক্ষা আৰু আভ্যন্তৰীণ নিৰাপত্তাৰ ব্যয়ৰাশিক বাদ দি ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাজেটত সামাজিক আৰু কল্যাণমূলক বিষয়ৰ আৱশ্যকতাৰ ক্ষেত্ৰত ব্যয় কৰিবৰ কাৰণে ব্যাপকভাবে ব্যৱস্থা কৰা হৈছে। সামাজিক কাৰ্যসূচীৰ বিষয়বস্তু বহু পূৰ্বতেই থিৰ কৰিবলৈ লোৱা হয়। চৰকাৰৰ কিছুমান মূল কাৰ্যসূচীৰ বিস্তৃত অভিযানেৰে ইয়াৰ গতি প্ৰদান কৰা হয়। তেনে কাৰ্যসূচীৰ ভিতৰত উল্লেখযোগ্য হ'ল— জনগণক বেংক লেন-দেনৰ সুবিধা দিবৰ কাৰণে জন ধন যোজনা, পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু অনাময়ৰ বাবে স্বচ্ছ ভাৰত আৰু বিকাশৰ অৰ্থে ভাৰতক গঢ়ি তোলা। বাজেটত এই সকলোবোৰ কাৰ্যসূচীয়ে ঠাই পাইছে আৰু সামাজিক তথা জনকল্যাণমূলক কাম-কাজবোৰৰ উন্নতি সাধন কৰিবৰ কাৰণে যথেষ্ট সম্ভাৱনাৰ বাবে মুকলি আছে। বিত্ত মন্ত্ৰীৰ বাজেট বক্তৃতাত চিন্তা আৰু তেনেবোৰ কাম-কাজৰ আগুৱাই নিয়াৰ ইচ্ছা প্ৰকাশ পাইছে। এই ক্ষেত্ৰত তেওঁৰ উক্তি স্পষ্ট— " সাত টা দশক কাল ধৰি সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত আমি যি কাৰ্য সাধন কৰিলো সেয়া শতাংশ হিচাপতহে লেখ লোৱা হ'ল আৰু কিমান সংখ্যক হিতাধিকাৰীক সামৰি ললো তাকে গণ্য কৰা হ'ল। কিন্তু এই হিচাপত পৰিৱৰ্তনৰ দিশত কিমান বৃদ্ধি সাধন হ'ল সেইবোৰে আমাক এটা নিশ্চিত অৱস্থাত উপনীত নকৰে। তাৰ বাবে আমি যথেষ্ট ভাবে দেও দি সেই অৱস্থা লাভ কৰাৰ কথা ভাৱিব লাগিব।

এই ক্ষেত্ৰত বাজহুৱা বিনিয়োগৰ বৃদ্ধি বিষয়টো মন কৰিবলগীয়া। পুনৰ বৰ্দ্ধিত হিচাপতকৈ ইয়াৰ পৰিমাণ ১.২৫ লাখ কোটি টকা কৰিবলৈ আঁচনি কৰা হৈছে। ৩ শতাংশ ঘাটি পূৰণ কৰাৰ লক্ষ্য অহা তিনি বছৰলৈ বঢ়াই দিয়া হৈছে। সেয়া হ'ল এনে ধৰণৰ— ২০১৫-১৬ বৰ্ষৰ বাবে ৩.৯% ; ২০১৬-১৭ বৰ্ষৰ বাবে ৩.৫% আৰু ২০১৭-১৮ বৰ্ষৰ বাবে ৩.০%। ইয়াৰ বাবে 'এফ আৰ বি এম' আইনখন সংশোধন কৰাৰ প্ৰয়োজন হ'ব। সামাজিক ক্ষেত্ৰত গ্ৰহণ কৰিবলৈ লোৱা কেইটামান উল্লেখযোগ্য বিষয়ৰ সম্বন্ধে তলত বিশ্লেষণ কৰা হৈছে।

### কৃষি আৰু পাম খণ্ড

১) বৃহৎ সংখ্যক লোক গ্ৰাম্য এলেকাত বাস কৰে। এওঁলোক কৃষি পামসমূহত উৎপাদিত সামগ্ৰীৰ উপাৰ্জনৰ ওপৰত জীৱন নিৰ্বাহৰ দিশটো নিৰ্ভৰ কৰে। বাজেটত যি দুটা মূল বিষয়ৰ সমাধান কৰিবলৈ লোৱা হৈছে সেয়া হ'ল মাটি আৰু জলব্যৱস্থা। নিৰন্তৰভাবে মাটিৰ উৰ্বৰতা শক্তিৰ উন্নতি সাধন কৰিবলৈ অভিলাষী আঁচনি লোৱা হৈছে। এই আঁচনিখন হ'ল ছইল হেল্থ কাৰ্ড স্কীন। ই পৰম্পৰাগত কৃষি বিকাশ যোজনাক " সমৰ্থন জনাব। জন যোজনাৰ বাবে ব্যৱস্থা কৰা "প্ৰধান মন্ত্ৰী গ্ৰাম সিঞ্চন যোজনা"ৰ লক্ষ্য হ'ল প্ৰতিজন কৃষকৰ পথাৰলৈ জলসিঞ্চনৰ দিহা কৰা আৰু জলৰাশিৰ যাতে ভালদৰে ব্যৱহাৰ কৰা হয় তাৰ প্ৰতি মনোযোগ দিয়া। ক্ষুদ্ৰ জলসিঞ্চন, জলচ্ছেদ বিকাশ আৰু প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনাক সমৰ্থন প্ৰদান কৰিবৰ বাবে বাজেটত আবন্টন কৰা ধনৰাশিৰ পৰিমাণ হ'ল ৫,৩০০ কোটি টকা।

(২) কৃষকক বিত্তীয় সুবিধা প্ৰদানৰ অৰ্থে আবন্টিত ধনৰাশিৰ পৰিমাণ হ'ল এনে ধৰণৰ — নাবাৰ্ডত স্থাপন কৰা গ্ৰাম্য আন্তঃগাঁথনি বিকাশ পুঁজিলৈ ২০১৫-১৬ বৰ্ষত ২৫,০০০ কোটি টকা; দীৰ্ঘম্যাদী গ্ৰাম্য ঋণ পুঁজিৰ বাবে ১৫,০০০ কোটি টকা ; হ্ৰস্যম্যাদী সমবায় গ্ৰাম্য ঋণ পুনৰ বিত্তকৰা পুঁজিৰ বাবে ৪৫,০০০ কোটি টকা আৰু হ্ৰস্যম্যাদী আৰ আৰ বি ৰিফাইনেন্স ফাণ্ডৰ বাবে ১৫,০০০ কোটি টকা। ই কোনো জা-জঞ্জাল নোহোৱাকৈ কৃষি ঋণ যোগান ধৰাত সহায় কৰিব বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলক এই বিত্তীয় বৰ্ষটোত (২০১৫-১৬) বেংকৰ জৰিয়তে কৃষকসকললৈ ৮.৫ লাখ কোটি টকাৰ ঋণ যোগান ধৰিবৰ বাবেও লক্ষ্য থিৰ কৰা হৈছে। এই প্ৰয়াসত জন ধন যোজনা সহায়ক হ'ব।

(৩) মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ জৰিয়তে নিয়োগ প্ৰক্ৰিয়াক সমৰ্থন জনাবৰ বাবে প্ৰাৰম্ভিকভাৱে ৩৪,৬৯৯ কোটি টকাৰ আবন্টণ কৰা হৈছে। এই আঁচনিখন উপযুক্তভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকিব- বিশেষকৈ কাম-কাজসমূহৰ গুণগত দিশৰ উন্নতি সাধন তথা সামাজিক গণনা ব্যৱস্থা আদিৰ দৰে কামবোৰ সুনিয়াৰি কৰি

* মণিষ গোভিল এজন লিখক আৰু অৰ্হতাসম্পন্ন চাৰ্টাড একাউন্টেন্ট, তেওঁ হিচাপ আৰু কৰ পৰামৰ্শ সেৱাৰ ক্ষেত্ৰত ১৫ বছৰৰো অধিককাল সেৱা আগবঢ়াই আছে।

সমুচিত ফল পাব পাৰি।

(৪) কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবদ যাতে ভাল মূল্য পায় তাৰ কাৰণে " নিটি"ত (এন আই টি আই) একক ৰাষ্ট্ৰীয় কৃষি বিপণনৰ দিহা কৰা হৈছে। সম্প্ৰতি কালত থকা কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰিবৰ বাবে এয়া হ'ল এটা গুৰুত্বপূৰ্ণ প্ৰচেষ্টা। ই অধিক গতিত মূল্য নিৰূপণ কৰাত সহজ কৰিব আৰু স্থানীয় ব্যৱসায়ীসকলৰ কবলৰ পৰা কৃষকক মুক্ত কৰিব।

## অসংগঠিত খণ্ড আদিক ঔদ্যোগীকৰণৰ সমৰ্থন

১) অনানুষ্ঠানিক খণ্ডই সৰ্বাধিক নিয়োগ সঞ্চাৰ কৰে। ক্ষুদ্ৰ নিৰ্মাণ খণ্ড, বাণিজ্য অথবা সেৱা কাৰ্যত ন্যস্ত হোৱা প্ৰায় ৫.৭৭ কোটি ক্ষুদ্ৰ ব্যৱসায়ী গোটৰ গৰাকীৰ ৬২ শতাংশ হ'ল অনুসুচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায় লোক। প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনাত অনুসূচিত জাতি আৰু জনজাতিৰ লোকে সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত সা-সুবিধা সৃষ্টি কৰিবৰ কাৰণে ঋণ প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ বাবে মাইক্ৰো ইউনিট্ছ ডেভেল-পমেন্ট ৰিফাইনেন্স এজেন্সি (এম ইউ ডি আৰ এ — চমুকৈ মুদ্ৰা) সৃষ্টি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ পুঁজিৰ পৰিমাণ হব ২০,০০০ কোটি টকা আৰু ঋণ গেৰান্টিৰ পৰিমাণ হব ৩,০০০ কোটি টকা। এই বেংকে ক্ষুদ্ৰ বিত্ত প্ৰতিস্থানৰ (মাইক্ৰো-ফাইনেন্স ইনপিটিউচন) বিত্তীয় ব্যৱস্থাও কৰিব। এই কাৰ্য ব্যৱস্থাই দক্ষ আৰু অল্পদক্ষ কৰ্মীসকলৰ বাবে ঔদ্যোগীকৰণ ভাৰক উৎসাহিত কৰিব আৰু নিয়োগৰ সা-সুবিধাও আগবঢ়াব।

২) এই শাখাত গ্ৰহণ কৰা অন্যান্য পদক্ষেপ সমূহৰ ভিতৰত এটা হ'ল ইলেকট্ৰনিক ব্যৱস্থা। অতি ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগ খণ্ডৰ অৱস্থা উন্নত কৰাবলৈ ট্ৰেড ৰিচিভেবল ডিচকাউন্টিং, চিষ্টেম হ'ল আন এটা উল্লেখযোগ্য ব্যৱস্থা। ন্যায়িক কাম-কাজৰ গতি প্ৰদানৰ অৰ্থে এখন সংস্কাৰ মূলক আইন গ্ৰহণ কৰাৰ বিষয়ে ভবা হৈছে যিটোৱে কোনো উদ্যোগ প্ৰতিস্থানৰ শোচনীয় অৱস্থাক ৰোধ কৰাৰ কাৰণে সহায় কৰিব পাৰে। ইয়াৰদ্বাৰাই বিভিন্ন ধৰণৰ কাৰবাৰ কৰাত সুচল কৰিব। এই বিত্তীয় বৰ্ষটোতেই এটা বিক্ষিপ্ত "বেংক্ৰাপ্টচি কৰ্ড"ৰ দিহা কৰা হব।

৩) আনষ্ঠানিক বিত্তীয় পদ্ধতিত লোকসকলে বৰ্দ্ধিতভাৱে সুচল ব্যৱস্থা গ্ৰহণ কৰিবৰ অৰ্থেও বাজেটত প্ৰস্তাৱ কৰাহৈছে। ইয়াৰদ্বাৰাই বিশাল পোষ্টেল নেটৱৰ্কক প্ৰায় ১,৫৪,০০০ টা গোটৰ উপস্থিতিৰে গাওঁ সমূহত সজীৱ কৰি তোলা হব। ডাক বিভাগে এই ক্ষেত্ৰত পে'মেন্ট বেংকৰ অনুজ্ঞাপত্ৰ লাভ কৰিব লাগিব। এই ব্যৱস্থাই প্ৰধান মন্ত্ৰী জন ধন যোজনালৈ বিপুলভাবে বৰঙণি যোগাব আৰু লগতে এটা বিৰাট সামাজিক মূল্যও প্ৰদান কৰিব।

৪) সেতু নামেৰে (চেল্‌ফ এমপ্লয়মেন্ট এণ্ড টেলেন্ট ইউটিলাইজন) জনাজাত এক ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও ভবা হৈছে। ইয়াৰ দ্বাৰাই কোনো এটা কাৰবাৰ আৰম্ভ কৰাৰ সন্দৰ্ভত সকলোবোৰ বিষয়ৰ সমৰ্থন জনাবলৈ তথা অন্যান্য স্ব-নিয়োজন কাম-কাজ আৰম্ভ কৰিবলৈ কাৰিকৰী তথা বিত্তীয় (টেকনো ফিনান্সিয়েল) আৰু সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব — বিশেষ কৰিকৰী দিশৰদ্বাৰা পৰিচালিত ক্ষেত্ৰসমূতো ইয়াৰ কাৰণে নিটি আয়োগত প্ৰাৰম্ভিক অৱস্থাত ১,০০০ কোটি টকা সুকীয়াকৈ ৰাখিবলৈ লোৱা হৈছে।

## দুখীয়া আৰু অসুবিধাগ্ৰস্ততাত ভোক্তাসকলৰ লোকসকলকৰ বাবে সামাজিক নিৰাপত্তা ব্যৱস্থা

১) ভাৰতৰ বৃহৎ সংখ্যক লোক কোনো ধৰণৰ বীমাৰ সা-সুবিধা নোপোৱাকৈ দিন কটাইছে — লাগিলে সেয়া স্বাস্থ্য, দুৰ্ঘটনা বা জীৱন বীমাই হওক। প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা হ'ল এটা যোজনা যি ২ লাখ টকাৰ দুৰ্ঘটনাবশত; মৃত্যু আশংকাক পৰিব্যাপ্ত কৰিবৰ কাৰণে ভবা হৈছে। ইয়াৰ বছৰেকীয়া প্ৰিমিয়াম হ'ল মাত্ৰ ১২ টকা।

২) আন এখন আঁচনি প্ৰচলন কৰা হ'ব— যাৰ নাম হ'ল অটল পেন্সন যোজনা। ই বৰঙণি আৰু সময় কালৰ ওপৰত নিৰ্ভৰ কৰি এটা নিৰ্দিষ্ট পৰিমাণৰ পেঞ্চনৰ দিহা কৰিব। চৰকাৰে হিতাধিকাৰীৰ প্ৰিমিয়ামৰ ৫০ শতাংশ বৰঙণি যোগাব। সেই প্ৰিমিয়ামৰ প্ৰতি বছৰৰ সীমা হ'ল ১,০০০ টকা। এয়া পাঁচ বছৰৰ কাৰণে। চলিত বৰ্ষৰ (২০১৫) ৩১ ডিচেম্বৰৰ আগেয়ে নতুন হিচাব-বহী খোলা সকলৰ বাবে প্ৰয়োজ্য হ'ব।

৩) আন এখন আঁচনি হ'ল প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা। ইয়াত স্বাভাৱিক তথা দুৰ্ঘটনাবশতঃ হোৱা মৃত্যুক সামৰি লোৱা হ'ব। এই বীমাৰ পৰিমাণ হ'ল ২ লাখ টকা। প্ৰতি বছৰৰ প্ৰিমিয়াম হব ৩৩০ টকা অথবা ১৮-৫০ বয়স গোটৰ লোকৰ বছৰে প্ৰতি দিনে এটকাতকৈও কম।

৪) ৰাজহুৱা প্ৰভিডেন্ট ফাণ্ডত দাবী নজনোৱাকৈ জমা হৈ থকা প্ৰায় ৩,০০০ কোটি টকাৰ ওপৰত গঢ় লৈ এক জ্যেষ্ঠ নাগৰিক কল্যাণ ফাণ্ড সৃষ্টি কৰাৰ এটা প্ৰস্তাৱো আছে। এমপ্লয়মেন্ট প্ৰভিডেন্ট ফাণ্ডৰ প্ৰায় ৬,০০০ কোটি টকাও ইয়াত আছে। এই পুঁজি ৰাশিৰ ধন স্পৰ্শকাতৰ গোটসমূহৰ প্ৰিমিয়ামত সকাহ দিবলৈ ব্যৱহাৰ কৰ হ'ব। তেনে গোটৰ ভিতৰত হ'ল বৃদ্ধ বয়সৰ পেঞ্চনাৰ, বিপিএল কাৰ্ডৰ গৰাকী, ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক আৰু অন্যান্য। দৰিদ্ৰতা সীমাৰেখাৰ তলত বসবাস কৰা জ্যেষ্ঠ নাগৰিকসকলৰ কাৰণে ফিজিকেল এইডছ্ এণ্ড এচিষ্টেন্ট লিভিং

ডিভাইচেছ যোগান ধৰাৰ অৰ্থে এখন নতুন আঁচনি তৈয়াৰ কৰাৰ বিষয়ে ভবা হৈছে। এটা সংহত আৰু জীৱিকা নিৰ্বাহ আঁচনি প্ৰচলন কৰা হৈছে। ইয়াক কোৱা হব "নই মঞ্জিল"। যিসকল সংখ্যালঘু যুৱকে ভাল নিয়োগ সুবিধা লাভ কৰিবৰ বাবে আনুস্থানিক স্কুল-লিভিং চাৰ্টিফিকেট আয়ত্ত কৰিব পৰা নাই সেই সকলৰ বাবেই এই আঁচনি ব্যৱস্থা কৰিবলৈ লোৱা হৈছে।

৫) কেন্দ্ৰৰ বিত্তীয় ব্যৱস্থাত বহু বাধা থকা সত্বেও এই বছৰ আবন্টন ৰাশি এনে ধৰণে কৰা হৈছেঃ— অনুসূচিত জাতি-৩০,৮৫১ কোটি টকা; অনুসূচিত জনজাতি - ১৯,৯৮০ কোটি টকা; মহিলা-৭৯,২৫৮ কোটি টকা।

৬) মহিলাৰ নিৰাপত্তা, পোষকতা আৰু সজাগতাৰ বাবে কাৰ্যসূচীসমূহক সমৰ্থন জনাবৰ বাবে নিৰ্ভয়া পুঁজিলৈ ১,০০০ কোটি টকা আবন্টণ কৰা হৈছে।

এই সামজিক নিৰাপত্তা আঁচনিসমূহ দুখীয়া, অসুবিধাগ্ৰস্ততা ভোগ কৰা আৰু আশানুৰূপ সুবিধা নোপোৱাসকলৰ প্ৰয়োজনীয়তালৈ চাই জন ধন মঞ্চত কামত লগাব পৰাৰ সম্ভাৱনা আছে— যাৰ দ্বাৰাই কোনো ভাৰতীয় নাগৰিকে বেমাৰ-আজাৰ, দুৰ্ঘটনা অথবা বৃদ্ধ বয়সত শোচনীয় অৱস্থাৰ প্ৰতি চিন্তা কৰিব লগা নহয় তাক নিশ্চিত কৰাই হ'ল উদ্দেশ্য। কিন্তু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ সমূহৰ বিতৰণ ব্যৱস্থা আৰু তাৰ সতে জড়িত থকা ভূমিকা সঙ্গতিসূচক হব লাগিব— যাতে এই আঁচনিবোৰ উপযুক্তভাৱে ৰূপায়ণ কৰিব পৰা যায়।

**আন্তঃগাঁথনি**

পথ আৰু ৰে'লৰেত বৰ্দ্ধিত পৰিমাণে যি আবন্টণৰ দিহা কৰিছে সেইটোৰে আন্তঃগাথনিৰ ক্ষেত্ৰত চৰকাৰৰ গুৰুত্ব দান কথাটোকেই সূচাইছে। তাৰ পৰিমাণ হ'ল যথাক্ৰমে এনে ধৰণৰ — পথৰ শিতানত ১৪,০৩১ কোটি টকা আৰু ৰে'লৰেৰ বাবে ১০,০৫০ কোটি টকা। আন্তঃগাঁথনি হ'ল বিকাশৰ চাবিকাঠি। ৰাজহুৱা খণ্ড গোটসমূহৰ "কাপেক্স" (চি এ পেইএক্স) ৩,১৭,৮৮৯ কোটি টকা হ'ব বুলি আশা কৰিব পাৰি। এয়া ২০১৪-১৫ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপতকৈ প্ৰায় ৮০,৮৬৪ কোটি টকা অধিক। আন্তঃগাঁথনি ক্ষেত্ৰত বিনিয়োগৰ পৰিমাণ ২০১৫-১৬ বৰ্ষৰ কালছোৱাত২০১৪-১৫বৰ্ষৰ পৰিমাণতকৈ অধিক বৃদ্ধি পাব। কেন্দ্ৰীয় পুঁজি আৰু চিপিএছইৰ সম্পদৰাজিৰ পৰা এই ধনৰাশিৰ পৰিমাণ হয়গৈ ৭০,০০০ কোটি টকা।

২) চৰকাৰে এটা ৰাষ্ট্ৰীয় বিনিয়োগ তথা আন্তঃগাথনি পুঁজি (নেচনেল ইনভেষ্টমেন্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ ফাণ্ড প্ৰতিস্থা কৰিবলৈ ইচ্ছা কৰিছে। ৰে'ল, পথ আৰু জলসিঞ্চন খণ্ডৰ যোজনাসমূহৰ বাবে কৰমুক্ত আন্তঃগাঁথনি বণ্ড প্ৰকাশ কৰিবলৈ অনুমতি দিয়া হৈছে। ব্যক্তিগত আৰু ৰাজহুৱা অংশীদাৰিতাৰ আন্তঃগাঁথনি বিকাশ অৰ্থাৎ পুনৰোজ্জীৱিত কৰা হ'ব। ইয়াৰ বাবে সংশ্লিষ্ট ক্ষেত্ৰত ভাৰসাম্য ৰাখি মূল বিষয়ৰ ওপৰত অধিক আৰোপৰে কাৰ্য সাধন কৰা হ'ব। ই বিনিয়োগ আৰু নিয়োগ উদ্ৰেককৰণক উৎসাহিত কৰিব।

৩) "নিটি"ৰ ক্ষেত্ৰত নতুনত্ব প্ৰদানৰ উদ্দেশ্যে অটল ইন'ভেচন মিছনৰ প্ৰতিস্থা ক্ৰমে গৱেষণা আৰু বিকাশ তথা বৈজ্ঞানিক কাৰ্যক্ৰম আৰু নতুনত্ব প্ৰদানৰ এটা সংস্কৃতি গঢ়ি তুলিবৰ কাৰণে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাক কামত লগোৱা হব; আৰু তাৰ বাবে শিক্ষাবিদ, উদ্যোগী আৰু গৱেষকক জড়িত কৰা হব। এই মঞ্চত বিশ্ব শ্ৰেণীৰ নব্য সৃষ্টি কাম-কাজক উৎসাহিত কৰিব। ইয়াৰ বাবে ১৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

**বিত্তীয় বজাৰ**

উপযুক্তভাৱে কাম-কাজ চলাই থকা মূলধনী বজাৰতো উপভোক্তাসকলৰ সুৰক্ষা সাধনৰ দিশটো চোৱাৰ প্ৰয়োজন হয়। তাৰ বাবে এটা বিত্তীয় বিষয়ৰ ওজৰ-আপত্তি সমাধান সংস্থা প্ৰতিস্থা কৰিলে সেৱা আগবঢ়োৱাসকলৰ অসুবিধা দূৰ কৰিব পৰা যাব; আৰু সেই বিষয়টোৰ প্ৰতি মনোযোগ দি বাজেটত তেনে এটা সংস্থা গঢ়ি তুলিবলৈ বিচৰা হৈছে। গ্ৰাহকসকল যাতে ভুলভাৱে পৰিচালিত নহয় তাৰ বাবেই ইণ্ডিয়ান ফিনান্চিয়েল ব'ণ্ড প্ৰচলন কৰিবলৈ সক্ৰিয়ভাৱে বিবেচনা কৰা হৈছে।

**কৰ**

বাজেটত পোনপটীয়া কৰৰ অধিক অৱস্থানৰ বিষয়ে ভবা হৈছে - যিটো হাৰৰ ক্ষেত্ৰত আন্তৰ্জাতিকভাৱে প্ৰতিযোগিতামূলক হয়। মধ্যভোগীৰপৰা যাতে কৰ উপলব্ধ কৰা নহয় তাৰ প্ৰতিও মনোযোগ দিয়া হব আৰু জি এছ টিৰদ্বাৰা অধিক ক্ষেত্ৰত অধিক উপায়েৰে আদায় কৰা হয়। সেৱা কৰ ১২.৩৬ শতাংশৰ পৰা ১৪শতাংশলৈ বৃদ্ধি কৰা হৈছে। এয়া জি এছ টিৰ মতে সামঞ্জস্য ৰখাৰ এটা প্ৰাক্ব্যৱস্থা। ২০১৬-১৭বৰ্ষৰ পৰা প্ৰকৃতাৰ্থত জি এছ টি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। কৰৰ এই একীকৰণ ব্যৱস্থা আৰু জিএছটিৰ সমাহিত ৰূপো বৰ্ত্তমান চূড়ান্ত স্তৰত গ্ৰাহকৰ ওপৰত বোজা কৰা পৰোক্ষ কৰ হ্ৰাস কৰাত প্ৰভাৱ পেলাব। যদিহে চৰকাৰে এইটো নিশ্চিত কৰিব পাৰে যে কৰৰ একীকৰণৰ ফলত গ্ৰাহকৰ ওপৰত পৰা মূল্যৰ বোজা হ্ৰাস হয় তেনেহলে মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সামাজিকভাৱে এটা বিৰাট প্ৰভাৱ পৰিব।

২) ই পি এফ ই এছ আই আৰু এন জি এছৰ ক্ষেত্ৰত প্ৰস্তাৱিত পৰিবৰ্ত্তন মাহিলী দৰমহা পোৱা ( বৰ্ত্তমানে প্ৰতি মাহে ১৫,০০০ টকা) জনদিয়েক কৰ্মচাৰীক উপকৃত কৰিব। ই বিশেষ সীমাৰ ভিতৰত কৰ্মচাৰীসকলক এটা বুজন পৰিমাণৰ দৰমহা ঘৰলৈ নিয়াত সহায় কৰিব আৰু লগতে পৰিয়ালক বচাই ৰখাতো সহায়ক

হ'ব।

৩) চি এছ আৰৰ বাহিৰেও স্বচ্ছ ভাৰতৰ প্ৰতি বৰঙণিৰ কাৰণে ১০০%ৰেহাই ব্যৱস্থাৰ সুবিধা পাব।

বাজেটত কৰা অন্য প্ৰস্তাৱসমূহ, —সেউজ ভাৰত, পৰ্যটনৰ বিকাশ, আইআইটি স্থাপন, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিস্থান, বিভিন্ন ৰাজ্যত অন্যান্য প্ৰতিস্থান স্থাপন কৰিবলৈ লোৱা কথাটোৱে জীৱনৰ গুণগত দিশত মান উন্নীতকৰণ, বিকাশ আৰু অন্যান্য সামাজিক ক্ষেত্ৰৰ উৎকৰ্ষ সাধন কৰিবলৈ লোৱা চিন্তাকে প্ৰতিফলিত কৰিছে। গঠন প্ৰক্ৰিয়াত কিছু ইফাল-সিফাল হলেও সমুহীয়াভাবে চাকৰি সৃষ্টি, দাৰিদ্ৰ্য দূৰ কৰা আৰু আন্তঃগাঁথনিৰ নিৰ্মাণ কাৰ্যত যতি নপৰে। এক নিজস্ব গতিত সেইবোৰ আগবাঢ়ি যাব। অৰ্থনৈতিক বিকাশ প্ৰক্ৰিয়াত ৰাজ্যবোৰকো সামৰি লোৱা হৈছে। ৰাজ সাহায্যৰ একীকৰণ ব্যৱস্থা হ'ল হিতাধিকাৰীসকললৈ পোনপটীয়াকৈ লাভসমূহ হস্তান্তৰকৰণৰ নিশ্চিত কৰা। বৃত্তি আঁচনিসমূহত হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্যৰেই কামত আগবাঢ়ি যোৱা হব; আৰু এনে সংখ্যা বৰ্ত্তমানৰ ১ কোটিৰ পৰা ১০.৩ কোটিলৈ কৰাৰ লক্ষ্য আছে। একেদৰে এল পি জি ৰাজ সাহায্য ৰূপে ১১.৫ কোটি এল পি জি গ্ৰাহকলৈ এতিয়ালৈকে পোনপটিয়াকৈ ৬,৩৩৫ কোটি টকা হস্তান্তৰ কৰা হৈছে। এই ব্যৱস্থাই প্ৰকৃত হিতাধিকাৰীক বিতৰণৰ ক্ষেত্ৰত দেখা দিয়া অসুয়াবোৰ ৰোধ কৰাত সহায় কৰিব। অৱশ্যে আঁচনিখনৰ সফলতা ৰাজ্য চৰকাসমূহে গ্ৰহণ কৰা ভূমিকাৰ ওপৰতহে নিৰ্ভৰ কৰিব।

দক্ষতা দিশটোৰ উন্নতি সাধন কৰিবৰ বাবে যথেষ্ট ভাৱে মনোযোগ দিয়া হৈছে। সকলো দুখীয়া আৰু মধ্যৱৰ্ত্তী শ্ৰেণীৰ ছাত্ৰক নিজ পছন্দ মতে উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ বাবে তথ্যপ্ৰযুক্তি ভিত্তিক ষ্টুডেন্ট ফিনান্‌চিয়েল এইড অথৰিটি প্ৰতিস্থা কৰিবলৈ লোৱা-যাতে তেনে প্ৰধান কাৰণ বৃত্তি তথা শিক্ষা ঋণ প্ৰদান আঁচনিসমূহ চোৱাচিতা আৰু পৰিচালনা কৰিব পাৰে। প্ৰধান মন্ত্ৰী বিদ্যা লক্ষ্মী কাৰ্যক্ৰমৰ জৰিয়তে ইয়াক ৰূপায়ণ কৰিবলৈ বিচৰা হৈছে। স্কীল ডেভেলপমেন্ট এণ্ড এন্ট্ৰিপিনেয়ৰশ্বীপ মন্ত্ৰ্যালয়ৰ জৰিয়তে ৰাষ্ট্ৰীয় দক্ষতা মিছনো প্ৰচলন কৰিবলৈ লোৱা হৈছে। এয়া "মেক ইন ইণ্ডিয়া" ভাৰধাৰাৰ মতে ৰজিতা খুৱাকৈ ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। অৰ্থনৈতিক আৰু সামাজিক উৎকৰ্ষ সাধনৰ বাবে এই প্ৰয়োজন হব মূল চালিকা শক্তি। অৱশ্যে অতিৰিক্ত সম্পদক অধিকভাবে ৰাজ্যসমূহত প্ৰদান কৰি আৰু স্বায়ত্ততাৰ সুবিধাৰে সহযোগাত্মক ৰাষ্ট্ৰীয়তাবাদৰ ভাৰধাৰা আৰু প্ৰধান মন্ত্ৰীয়ে আখ্যা দিয়া "টীম ইণ্ডিয়া" স্বপ্নৰ বাস্তৱ ৰূপায়ণৰে সমগ্ৰ প্ৰক্ৰিয়াত এটা গতিশীলতাৰ ভাৰ উল্লেখ কৰিব আৰু বাজেটত উল্লেখ কৰা সামাজিক লাভসমূহ জনগণৰ মাজত বিলোৱাৰ ক্ষেত্ৰত এটা বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# ২০১৫-১৬ চনৰ ভাৰতৰ কেন্দ্ৰীয় বাজেটত কৰ আৰু কৃষি সম্পৰ্কীয় প্ৰস্তাৱ

ড° গৌৰাঙ্গ কুমাৰ শৰ্মা

যোৱা ২৮ ফেব্ৰুৱাৰী **২০১৫** তাৰিখে লোকসভাত কেন্দ্ৰীয় অৰ্থমন্ত্ৰী শ্ৰী অৰুণ জেটলিয়ে ২০১৫-১৬ চনৰ বাবে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেট দাখিল কৰিছিল। সামান্য সংশোধন সাপেক্ষে এই বাজেটখন সংসদে গ্ৰহণ কৰিব আৰু তাত সন্নিৱিষ্ট প্ৰস্তাৱসমূহে দেশখনৰ আৰ্থিক গতিবিধি নিয়ন্ত্ৰণ কৰিব।

প্ৰস্তাৱিত বাজেটখনৰ বৈশিষ্ট্য বহুত সেইদেখি সমালোচনা বা প্ৰশংসা কৰাৰ পূৰ্বে বাজেটৰ প্ৰস্তুতিৰ দাৰ্শনিক পটভূমি মনত ৰখা ভাল। প্ৰথম প্ৰধানমন্ত্ৰী নেহৰুৰ দিনৰে পৰা ৰাজসাহায্য আৰু ভৰ্তুকি দি দৰিদ্ৰ শ্ৰেণীৰ উত্থানৰ বাবে বাজেটত বিভিন্ন প্ৰস্তাৱ ৰখা হৈ আছে। এই বেলি বাজেটত ভৰ্তুকি হ্ৰাস কৰি মুক্ত বজাৰ পদ্ধতিৰ মাধ্যমেৰে দৰিদ্ৰতা নিবাৰণৰ প্ৰয়াস চলোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বাজেটখন অৰ্থনৈতিক প্ৰয়াস যদিও বিত্তমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ বিশ্বাস আৰু সমৰ্থন অবিহনে কাৰ্য নিৰ্বাহ কৰা সম্ভৱ নহয়। প্ৰধানমন্ত্ৰী হ'ল এগৰাকী ৰাজনৈতিক দলৰ সমৰ্থন প্ৰাপ্ত বিষয়ববীয়া। তেওঁ নিৰ্বাচনী প্ৰতিশ্ৰুতি বাস্তৱায়নৰ বাবে নৈতিকভাৱে দায়বদ্ধ। সেই দেখি চৰকাৰৰ বাজেটত ৰাজনীতিৰ প্ৰভাৱ থাকিবই।

২০১৫-১৬ চনৰ বাজেটখনত কৰ্ম্ম সংস্থান বঢ়াই নিবনুৱা সমস্যা হ্ৰাস কৰাৰ কথা ভাবিছে। সেইদেখি "মেক ইন ইণ্ডিয়া"ৰ সৈতে সংগতি থকাকৈ পণ্যসামগ্ৰী উৎপাদন আন্তঃগাঁথনি আৰু প্ৰতিৰক্ষা সামগ্ৰীৰ নিৰ্মাণত গুৰুত্ব দিয়া হৈছে।

পণ্য উৎপাদনৰ বাবে আন্তঃগাঁথনি উন্নত কৰিবলৈ এই বাজেটত ৭০০০০ কোটি টকা ধাৰ্য কৰা হৈছে। ৰে'ল পথ আৰু আলিবাটৰ বাবে কৰযুক্ত বণ্ডৰ কথা ভবা হৈছে। কিন্তু বৰ্ত্তমান দুৰ্দ্দৈৰ এই যে ভাৰতৰ অৰ্থনীতি চাহিদাৰ বৃদ্ধি অত্যন্ত লেহেমীয়া। ইয়াৰ বাবে বন্ধ হৈ থকা প্ৰকল্পবোৰ পুনৰুজীৱিত কৰিব লাগিব। প্ৰায় ৮.৮ লাখ কোটি টকাৰ প্ৰকল্প আধৰুৱা হৈ আছে।

খেতি হ'ল ভাৰতৰ প্ৰাণ। খেতি আৰু কৃষকৰ উন্নতি হ'লে ভাৰতৰ অৰ্থিক বিকাশৰ পথ ত্বৰান্বিত হ'ব। যোৱা পিয়লৰ পৰিসংখ্যা অনুসৰি ভাৰতৰ ৯ কোটি ৩ লাখ পৰিয়ালে খেতিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰে। ডিজেলৰ মূল্য হ্ৰাস হোৱা দেখি কৃষক সকলে সকাহ পাইছিল। মাৰ্চ মাহৰ প্ৰথম সপ্তাহত আকৌ ডিজেলৰ মূল্য বৃদ্ধি পাইছে। গতিকে চৰকাৰৰ তৃণমূল পৰ্য্যায়ৰ ক্ৰিয়ান্বয়নৰ কঠোৰ নহ'লে কৃষিৰ উন্নতি আশানুৰূপ নহ'ব। ২০১৫-১৬ চনৰ বাজেটত ২০০০০ গাঁৱলৈ বিজুলী যোগান ধৰা আৰু, ১৭৮০০০ গাঁৱলৈ সকলো বতৰতে ব্যৱহাৰ কৰিব পৰা পথ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। তাৰবাদেও এই বাজেটত তলত দিয়া ধৰণে ধন ধাৰ্য্য কৰা হৈছে।

— মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিযুক্তি গেৰাণ্টি যোজনা -৮.৫ লাখ কোটি টকা

— গ্ৰামীণ বিকাশ বেংকৰ ৰিফাইনেন্স পুঁজি-১৫০০০ কোটি টকা

— গ্ৰামীণ সমবায় ঋণ ৰিফানেন্স পুঁজি -৪৫০০০ কোটি টকা

—দীৰ্ঘম্যাদী গ্ৰামীণ ঋণ পুঁজি -১৫০০০ কোটি টকা

— গ্ৰামীণ আন্তঃগাঁথনি বিকাশ পুঁজি (নাবাৰ্ড) -২৫০০০ কোটি টকা

কিন্তু কৃষিৰ বিকাশৰ বাবে কেন্দ্ৰৰ লগতে ৰাজ্য চৰকাৰৰ সহযোগিতা আৰু আগ্ৰহৰ প্ৰয়োজন হ'ব। কাৰণ কৃষি কাৰ্য ৰাজ্য চৰকাৰৰ এক্তিয়াৰ ভুক্ত বিষয়। অসমত বিশেষ কৰি কৃষি বিকাশৰ বাবে চলোৱা প্ৰচেষ্টা সমূহ অসোৱাহ মুক্ত নহয়।

কৰৰ ক্ষেত্ৰত চৰকাৰে ব্যতিক্ৰমী পদক্ষেপ লৈছে। সম্পত্তি কৰ আৰু প্ৰত্যক্ষ কৰ বিধি (Direct Tax Code) বাতিল কৰিছে। ব্যক্তিগত আয়কৰত কোনো ধৰণৰ পৰিৱৰ্ত্তন অনা নাই। কৰ্প'ৰেট কৰ অহা চাৰি বছৰত ২৫ শতাংশলৈ হ্ৰাস কৰাৰ কথা ভবা হৈছে। নতুন পেঞ্চন আঁচনিত বৰঙণি দিয়া মানুহক সৰ্বাধিক ৫০০০০ টকা কৰৰ পৰা ৰেহাই দিয়াৰ প্ৰস্তাৱ আছে। ছাৰ্ভিচ টেক্স বা সেৱা কৰ ১২.৩৬ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰা হৈছে। যিসকলৰ বছৰেকীয়া আয় এক কোটি টকাতকৈ বেছি তেওঁলোকৰ আয়ৰ ওপৰত অতিৰিক্ত অধিভাৰ ধাৰ্য্য কৰা হৈছে যাতে ৯০০০ কোটি টকা সৰহকৈ সংগ্ৰহ কৰিব

*গৌৰাঙ্গ কুমাৰ শৰ্মা গুৱাহাটীস্থিত অসম ইনষ্টিটিউট অৱ মেনেজমেন্টৰফেকাল্টি মেম্বৰ

পৰা যায়। ২০১৫-১৬ চনত ৮-৮.৫ শতাংশ বৃদ্ধিৰ হাৰ আশা কৰি এই পদক্ষেপবোৰ লোৱা হৈছে। প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত চৰকাৰৰ সমালোচনাকাৰীসকলে কৈছে যে কৰ্প'ৰেট মহলক চৰকাৰে অধিক ৰেহাই দিছে আৰু মধ্যবিত্তৰ লগতে সীমিত আয়ৰ মানুহক দিয়া নাই। এইটো কথা ঠিক যে ব্যক্তিগত আয়কৰৰ পৰা উপাৰ্জন কৰা ৰাজহ প্ৰত্যক্ষ কৰৰ পৰা পোৱা ধনৰ মাত্ৰাৰ ডেৰ-দুই শতাংশৰ অধিক নহয়। ব্যক্তিগত আয়কৰ একেবাৰে নাইকিয়া কৰি দিলেও চৰকাৰৰ উপাৰ্জনত খুব একো বিৰূপ প্ৰতিক্ৰিয়া নহয়। আয়কৰ ৰেহাই দিলে ঘৰুৱা সঞ্চয়ৰ পৰিমাণ বঢ়াৰ সম্ভাৱনা আৰু আভ্যন্তৰীণ উপভোক্তা সামগ্ৰীৰ চাহিদা বৃদ্ধি পায়। কিন্তু এনে নীতি ল'লে চৰকাৰৰ বিৰুদ্ধে ধনিক শ্ৰেণীৰ সমৰ্থক বুলি বদনাম হয়। সেয়েহে বোধকৰো জেট্‌লীয়ে এই প্ৰস্তাৱ অনা নাই। গণতান্ত্ৰিক ব্যৱস্থাত শাসনাধিষ্ঠ ৰাজনৈতিক দলবোৰে বিৰোধী দলক অৱজ্ঞা কৰি চলিব নোৱাৰে। ২০১৫-১৬ চনৰ বাজেটত চৰকাৰে ৫,৮৯,২৮৫.২০ টকাৰ কৰ উদ্‌গণি দিয়া বাবে চি পি আই এমৰ নেতা সীতাৰাম য়েচুৰীয়ে ধনীসকলক সহায় কৰা বুলি অভিযোগ কৰিছে। কিন্তু কৰ্পোৰেট কৰৰ উদ্‌গণিৰ পৰিমাণ হ'ল ৬২,৩৯৮ কোটি টকা। ইয়াৰ ভিতৰত ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকলৈ দিয়া উদ্‌গণিও সোমাই আছে। এই ৬২,৩৯৮কোটি টকাৰ উদ্‌গণি মুঠ উদ্‌গণিৰ ১০.৫ শতাংশ মাত্ৰ। তদুপৰি ব্যক্তিগত খণ্ডৰ উদ্যোগে ২৪.৪৪ শতাংশ কৰ দিয়াৰ বিপৰীতে ৰাজহুৱা খণ্ডত উদ্যোগে ১৯.৩৩ শতাংশ কৰ দিয়ে। এই বাজেটত ২.৪৪ লাখ কোটি টকাৰ ভৰ্তুকি দিয়া হৈছে। এই ভৰ্তুকি কৰ্প'ৰেট কৰৰ ৰেহাইতকৈ বহু বেছি। অত এব ধনী মানুহক ৰেহাই দিয়া দেখি বাজেটত ঘাটি হয় বুলি কোৱাটো ভুল।

ভাৰতৰ নিচিনা এখন জলবহুল আৰু নৈসৰ্গিক সম্পদত প্ৰাচুৰ্য নথকা গণতান্ত্ৰিক দেশত চৰকাৰে সকলোকে সন্তুষ্ট কৰা কঠিন কথা, কিয়নো গণতন্ত্ৰত ৫১ শতাংশ মানে ১০০ আৰু ৪৯ শতাংশ মানে শূন্য। ◇

---

কৰা হৈছে। ৰন্ধন গেছৰ ৰাজসাহায্য প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে ৯.৭৫ কোটি হিতাধিকাৰীৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে পৰিশোধ কৰা হ'ব।

*** দুটা বিকল্প বিত্তীয় বিতৰণ ব্যৱস্থাঃ**

ম'বাইল মানি — ৯০ কোটিতকৈ অধিক ম'বাইল ফোন ব্যৱহাৰকাৰী আৰু ৬০ কোটি একক ব্যৱহাৰকাৰীৰে ম'বাইল মানিয়ে জনসংখ্যাৰ বৃহৎ অংশলৈ প্ৰত্যক্ষ লাভ বিতৰণৰ পৰিপূৰক ব্যৱস্থা আগবঢ়াইছে। পৰিশোধ বেংক অনুজ্ঞাপত্ৰৰ বাবে বাৰম্বাৰ আবেদন কৰা ভালেসংখ্যক চেলফোন অপাৰেটৰৰে ম'বাইল মানি মঞ্চৰ প্ৰত্যক্ষ আধাৰ ভিত্তিক হস্তান্তৰকৰণৰ অপূৰ্ব সুবিধা থাকে। **ডাকঘৰ সমূহ** — বিশ্বৰ ভিতৰত ভাৰতৰ ১,৫৫,০১৫ তকৈয়ো অধিক ডাক ঘৰেৰে সৰ্ববৃহৎ ডাক নেটৱৰ্ক আছে আৰু ইয়াৰে ৮৯.৭৬ শতাংশ গ্ৰাম্য এলেকাত অৱস্থিত। ডাকঘৰ সমূহ (পৰিশোধ প্ৰেৰক বা নিয়মিত বেংক ৰূপত আধাৰ সংযোজিত একাউণ্টৰ লগত কাম আৰম্ভ কৰাৰ কাৰণে অনুমতিৰ কাৰণে আই এফ এছ চিৰ বাবে আবেদন কৰি আধাৰ সংযোজিত লাভ হস্তান্তৰ আৰ্হিৰ লগত সুন্দৰভাৱে খাপ খাই পৰিব পাৰে। ◇

# ২০১৫-১৬ বৰ্ষৰকেন্দ্ৰীয় বাজেটত মহিলা আৰু শিশু

*** ড° ৰাণী মুদিয়াৰ ডেকা**

২০১৫-১৬ বৰ্ষৰ সাধাৰণ বাজেট দাখিলৰ আগদিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত স্পষ্টকৈ উল্লেখ কৰিছিল যে চৰকাৰখন মহিলা আৰু কন্যা শিশুৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধ। ২৮ ফেব্ৰুৱাৰীত বাজেট উত্থাপন কৰি সদনত দিয়া ভাষণত বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে প্ৰায় একে কথাকে দোহাৰিলে এইবুলি —"My proposals, therefore, lay out the roadmap for accelerating growth, enhancing investment and passing on the benefit of the growth process to the common man, woman, youth and child : those, whose quality of life needs to be improved." বাজেটখনত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰি বিকাশ বৃদ্ধি কৰাৰ ইঙ্গিত যিদৰে দিয়া হৈছে, একেদৰে অন্যান্য ক্ষেত্ৰৰ দৰে মহিলা আৰু শিশুৰ বিকাশৰ বাবে থকা চৰকাৰী দায়বদ্ধতাৰ নিৰ্দেশনাও দিয়া হৈছে। এইবাৰৰ বাজেটত মহিলাৰ কল্যাণৰ বাবে চৰকাৰে ৰূপায়ণ কৰি থকা আঁচনিবোৰ অব্যাহত ৰাখিবৰ বাবে ৭৯,২৫৮ কোটি টকা ধাৰ্য কৰা হৈছে। অৱশ্যে, এইবাৰ বাজেটত মহিলা সবলীকৰণৰ বাবে বা মহিলাৰ নামত নতুন নামেৰে কোনো আঁচনি সংযোজিত কৰা হোৱা নাই।

উল্লেখযোগ্য যে চৰকাৰ গঠন কৰাৰ পাচত ২০১৪-১৫ বৰ্ষৰ অন্তৰ্বৰ্তীকালীন বাজেটত বিত্তমন্ত্ৰী জেটলীয়ে 'বেটী বচাও, বেটী পঢ়াও' আঁচনি গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছিল। ২০১৪ চনৰ জুলাই মাহত ঘোষণা কৰা এই আঁচনিখনত কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে ২৫-০৯-২০১৪ তাৰিখেহে অনুমোদন জনাইছিল। ১০০ কোটি টকাৰ আবন্টিত ধনৰাশিৰে গ্ৰহণ কৰা এই আঁচনিখনৰ মূল উদ্দেশ্য আছিল কন্যা শিশুৰ সুৰক্ষা আৰু শিক্ষাৰ বাবে সজাগতা সৃষ্টি কৰা আৰু মহিলা বিকাশৰ বাবে লোৱা আঁচনিবোৰৰ ধনৰ সদ্ব্যৱহাৰ সুনিশ্চিত কৰাত সহায় কৰা। কেন্দ্ৰীয় মহিলা আৰু শিশু মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় আৰু মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ সমন্বয়ত চণ্ডীগড়ত জিলা অধিকাৰীৰ সহযোগত এই আঁচনিখনৰ প্ৰথমখন আঞ্চলিক বৈঠক অনুষ্ঠিত হৈছিল। এই আঁচনিখনৰ সৈতে দেশৰ মহিলা বিকাশৰ অৰ্থনৈতিক দিশটোৰ লগতে লিঙ্গ-সমতাৰ দিশ তথা কন্যা-ভ্ৰূণ হত্যাৰ সামাজিক সমস্যাটোকো সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে ২০০১ চনৰ লোকপিয়ল মতে ভাৰতৰ শিশু-লিঙ্গ অনুপাত (০-৬ বছৰ পৰ্যন্ত) আছিল প্ৰতি ১০০০ ল'ৰাৰ বিপৰীতে ৯২৭ জনী ছোৱালী। ২০১১ চনৰ লোকপিয়লত ছোৱালীৰ সংখ্যা প্ৰতি হাজাৰ ল'ৰাৰ বিপৰীতে ৯১৮ জনী ছোৱালীলৈ হ্ৰাস পোৱা দেখা গ'ল। পুত্ৰ আৰু কন্যা সন্তানৰ প্ৰতি থকা অসম তথা বৈষম্য মূলক মনোভাৱ পোষণৰ পৰম্পৰাৰ ফলস্বৰূপে আৰু শিক্ষা তথা সজাগতাৰ অভাৱৰ ফলস্বৰূপে দেশৰ কেতবোৰ ৰাজ্যত হোৱা কন্যা-ভ্ৰূণ হত্যাই এনে শিশু লিঙ্গ অসমতা বৃদ্ধিৰ কাৰণ বুলি কোৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে হাৰিয়ানাৰ পানীপটত এই আঁচনিখন অন্য এখন কন্যা শিশু ভিত্তিক আঁচনি " সুকন্যা সমৃদ্ধি যোজনা"ৰ সৈতে উদ্বোধন কৰি দেশৰ কন্যা শিশুৰ সুৰক্ষা নিশ্চিতকৰণৰ বাবে দেশবাসীক আহ্বান জনাইছিল। মন কৰিবলগীয়া কথা যে হাৰিয়ানাতেই দেশৰ ভিতৰত শিশু লিঙ্গ সমতাৰ স্থিতি শোচনীয়। তথ্যমতে, ই হৈছে ৮৩৭:১০০০। 'বেটী বচাও'ৰ দৰে আনখন ক্ষুদ্ৰ সঞ্চয় আঁচনিও জুলাই মাহৰ অন্তৰ্বৰ্তীকালীন বাজেটত গ্ৰহণ কৰা হৈছিল আৰু ২০১৪ চনৰ ডিচেম্বৰ মাহতহে আঁচনিখন সন্দৰ্ভত চৰকাৰে জাননী জাৰি কৰিছিল। বিত্তমন্ত্ৰী জেটলীয়ে বাজেট যোগে 'সুকন্যা সমৃদ্ধি আঁচনি'ৰ অধীনত কৰা জমা ধন সুদ সহ সম্পূৰ্ণ কৰ-মুক্ত বুলি ঘোষণা কৰিছে। অৱশ্যে, আঁচনিখনত বিনিয়োগ কৰা ধন আয়কৰৰ ৮০ চি ধাৰামতে কৰ ৰেহাই যোগ্য হ'ব বুলি পূৰ্বতেই কোৱা হৈছিল। বাজেটত এই আঁচনিযোগে পোৱা সুদৰ পৰিমাণো কৰৰ পৰিসীমাৰ বাহিৰত হোৱা বুলি কোৱাৰ ফলত আঁচনিখন সম্পূৰ্ণ কৰ-মুক্ত বুলি ক'ব পৰা হ'ল। এই আঁচনিখনৰ অধীনত অভিভাৱকে নিজৰ কন্যা সন্তানৰ নামত (দহ বছৰ বয়স হোৱালৈ) এহেজাৰ টকাৰে সঞ্চয় একাউন্ট খুলিব পাৰে। দহ বছৰ বয়সৰ পাচত কন্যা সন্তানে নিজেও একাউন্ট চলাব পাৰে। এজন অভিভাৱকে

* ৰাণী মুদিয়াৰ ডেকা দিশপুৰ কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা

অধিকতম দুজনী কন্যাৰ নামত একাউন্ট খুলিব পাৰে। এনেদৰে কৰা সঞ্চয়ৰ পৰিমাণ অধিকতম ১,৫০,০০০ টকা কন্যা গৰাকীৰ ১৮ বছৰ হোৱাৰ পাচত আদায় কৰিব পাৰিব, যি ধনৰাশি তেওঁৰ ভৱিষ্যতৰ বাবে সহায়ক হ'ব। এই আঁচনিয়ে কম আয়ৰ অভিভাৱকক কন্যা সন্তানৰ উচ্চ শিক্ষা আগবঢ়াই নিবলৈ অনুপ্ৰাণিত কৰিব।

এই বাৰৰ বাজেটত মহিলাৰ সুৰক্ষাৰ অৰ্থে গঠন কৰা " নিৰ্ভয়া কোষ"ত ১০০০ কোটি টকা আবন্টন কৰা হৈছে। ২৬ ফেব্ৰুৱাৰীত দাখিল কৰা ৰে'ল বাজেটতো ৰে'লমন্ত্ৰী সুৰেশ প্ৰভুৱে ৰে'লত মহিলাৰ সুৰক্ষাৰ বাবে 'নিৰ্ভয়া কোষ' ধন ব্যৱহাৰৰ কথা কৈছিল। ৰে'লৰ ডবাত মহিলাৰ সুৰক্ষা নিশ্চিত কৰিবৰ বাবে চি চি টি ভি স্থাপন কৰা, বিপদৰ আগজাননী পালে ব্যৱহাৰ কৰিবৰ বাবে ১৮২ টোল-ফ্ৰী নম্বৰৰ ব্যৱস্থা কৰাৰ কথাও ঘোষণা কৰা হৈছে। ২০১২ চনত ৰাজধানী চহৰ দিল্লীত সংঘটিত জঘন্য ধৰ্ষণকে আদি কৰি দেশত হোৱা নাৰী-সুৰক্ষাজনিত ঘটনাবোৰৰ প্ৰেক্ষাপটত নিৰ্ভয়া-কোষৰ জন্ম। ২০১৩ বৰ্ষৰ বাজেটত ভাৰত চৰকাৰে ১০০০ কোটি টকাৰে এই কোষ আৰম্ভ কৰিছিল।

মন কৰিবলগীয়া যে বাজেটত হাৰিয়ানা আৰু উত্তৰাখণ্ডত মহিলাৰ বাবে Apprentice Institute খোলাৰ কথা উল্লেখ কৰা হৈছে। এই ঘোষণা কাৰ্যকৰী হ'লে লিঙ্গ-সমতাক গুৰুত্ব নিদিয়া এই ৰাজ্য দুখনৰ মহিলা উপকৃত হ'ব আৰু মহিলাৰ সামাজিক স্থিতি উত্তৰণৰ বাট মুকলি হ'ব। মহিলা আৰু শিশু বিকাশ আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ মহিলা সকলৰ প্ৰশিক্ষণ আৰু নিয়োগৰ বাবে ধন আবন্টন কৰা হয়। গ্ৰামীণ মহিলাৰ আৰ্থিক স্বাৱলম্বন আহৰণৰ এই আঁচনি ফলপ্ৰসূ হয়। এইবাৰৰ বাজেটত জেটলীয়ে মহিলা আৰু শিশু কল্যাণ আঁচনিৰ বাবে ১০,৩৫১ কোটি টকা ধাৰ্য কৰা বুলি ঘোষণা কৰিছে।

তদুপৰি, সংহত শিশু বিকাশ আঁচনি (ICDS) আৰু সংহত শিশু সুৰক্ষা আঁচনি (ICPS) — এই দুই শিশু-ভিত্তিক আঁচনি দুখনৰ বাবে ক্ৰমে ১৫০০ কোটি টকা আৰু ৫০০ কোটি ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ কথা বাজেটত কোৱা হৈছে। উল্লেখযোগ্য যে আই.চি.ডি.এছ বা সংহত শিশু উন্নয়ন আঁচনিখন হৈছে ১৯৭৫ চনতেই আৰম্ভ কৰা এখন আঁচনি। এই আঁচনিখন ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় শিশু নীতিৰ অধীনত পৰিকল্পিত আছিল। আঁচনিখনে শিশুৰ খাদ্য, প্ৰাক্-প্ৰাথমিক শিক্ষা, স্বাস্থ্য আদিক সামৰি লয়। ছবছৰ বয়সৰ তলৰ শিশু আৰু মাতৃৰ সমন্বিত বিকাশৰ বাবে এই আঁচনিৰ ধন ব্যয় কৰা হয়। গ্ৰামাঞ্চলত 'অঙ্গনৱাড়ী' অনুষ্ঠান যোগে এই আঁচনিৰ কাৰ্য ৰূপায়ন কৰা হয়। আই.চি.ডি.এছ ৰ ধনেৰে দেশত ১০ লাখৰো অধিক অঙ্গনৱাড়ী কেন্দ্ৰ চলি আছে।পূৰ্বৰ বাজেটখনত (২০১৪-১৫ ) আই.চি.ডি.এছৰ বাবে ১৮,১৯৫ কোটি টকা ধাৰ্য কৰা হৈছিল। কিন্তু, এইবাৰ এই ধন হ্ৰাস কৰি ৮৩৩৫.৭৭ কোটি টকা কৰা হৈছে আৰু ৰাজহ সংগ্ৰহত সফল হ'লে পাচত ১৫০০ কোটি টকা বঢ়োৱাৰ কথা কোৱা হৈছে।

আনহাতে, আই.চি.পি.এছ বা সংহত শিশু সুৰক্ষা আঁচনিৰ বাবে পূৰ্বৰ বাজেটত তুলনাত ২.২৩ কোটি টকা অধিক ধন আবন্টিত কৰা হৈছে। আই.চি.পি.এছ আঁচনিখন ২০০৬ চনৰ প্ৰস্তাৱিত আৰু ২০০৯ চনৰ পৰাই ৰূপায়িত হৈ আছে। মন কৰিবলগীয়া কথা যে বিশ্বৰ প্ৰায় ১৭কোটি শিশু বিভিন্ন সমস্যাৰে জৰ্জৰিত বা অৱহেলিত। এই আঁচনিখনে এনেবোৰ শিশুৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখে।

এইবাৰৰ বাজেটত বিত্তমন্ত্ৰীয়ে এযাৰ গুৰুত্বপূৰ্ণ কথা কৈছে এইবুলি যে ৰাজ্যসমূহলৈ অধিক পৰিমাণে ৰাজহ হস্তান্তৰ কৰা হেতুকে বিভিন্ন ক্ষেত্ৰত আবন্টিত ধনৰ পৰিমাণ পূৰ্বতকৈ কৰ্তন কৰা হৈছে। তথ্য মতে, শিশুৰ বাবে আবন্টিত ধনৰাশি ২০১৪-১৫ বৰ্ষৰ বাজেটৰ পৰিমাণতকৈ ২০১৫-১৬ বৰ্ষত কম হৈছে। পূৰ্বৰ বাজেটত মুঠ কেন্দ্ৰীয় বাজেটৰ আবন্টিত ধনৰ ৪.৫২ শতাংশ ধাৰ্য কৰা হৈছিল। এইবাৰ এই পৰিমাণ ৩.২৬ শতাংশলৈ হ্ৰাস পাইছে। এইবাৰ শিশু-বাজেটৰ ৭৯.০ শতাংশ শিক্ষা,১৫.২ শতাংশ শিশু বিকাশ, ৩.৯ শতাংশ শিশু স্বাস্থ্য আৰু ১.৮ শতাংশ শিশু সুৰক্ষাৰ বাবে ধাৰ্য কৰা হৈছে। বাজেটত সৰ্বশিক্ষা অভিযান শিতানত ২০ শতাংশ কমকৈ ধন আবন্টন দিয়া হৈছে। আনহাতে, মধ্যাহ্ন ভোজনৰ বাজেট পূৰ্বৰ বছৰৰ ১৩,২১৫ কোটি টকাৰ পৰিৱৰ্তে ৯,২৩৬ কোটি টকালৈ হ্ৰাস কৰা হৈছে। এনেদৰে শিশুৰ বাবে ধাৰ্য কৰা মুঠ বাজেট ৰাশি হৈছেগৈ ৫৭,৯১৮.৫১ কোটি টকা, যিটো ২০১৪-১৫ বৰ্ষৰ বাজেটত আছিল ৮১,০৭৫.২৬ কোটি টকা। বিত্তমন্ত্ৰী গৰাকীয়ে ইতিমধ্যেই বাজেট ভাষণত এনে ধন-হ্ৰাসৰ কাৰণ ব্যক্ত কৰিছে। গতিকে, শিশুৰ বিকাশ তথা সুৰক্ষা বিষয়ক এই আঁচনিবোৰৰ সফল ৰূপায়ণৰ বাবে ৰাজ্যসমূহ এতিয়া অধিক তৎপৰ হ'ব লাগিব। আকৌ, বিকাশৰ সুফল যিহেতু অন্যান্য অৱহেলিত বা পিচপৰা সকলৰ লগতে মহিলা আৰু শিশুৰ মাজতো ভগাই দিয়াৰ প্ৰতিশ্ৰুতি বিত্তমন্ত্ৰীয়ে প্ৰথমতেই বাজেট ভাষণত উল্লেখ কৰিছে, গতিকে, এনে হ্ৰাস কৰা ধনৰ পৰিমাণ পাচত বাজেটৰ প্ৰকৃত হিচাপত সংযোজিত হোৱাৰ ক্ষীণ সম্ভাৱনা এটাও নথকা নহয়।

গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে মহিলা আৰু শিশুৰ উন্নয়মৰ বাবে বিশ্বৰ অন্যান্য দেশবোৰৰ লগতে ভাৰতো বদ্ধপৰিকৰ। এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ সদস্য

ৰাষ্ট্ৰসমূহে ২০০০ চনতেই লোৱা সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ প্ৰসঙ্গ উল্লেখ কৰিব পাৰি। ২০১৫ চনৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ বাবে এম. ডি. জি শীৰ্ষক যি আঠোটা লক্ষ্য স্থিৰ কৰা হৈছিল, তাত শিশু আৰু মহিলাই বিশেষভাৱে স্থান পাইছিল। এই লক্ষ্য পূৰণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতি আৰু সম্ভাব্য সফলতা-বিফলতাৰ খতিয়ান ভাৰত চৰকাৰে Millennium Development Goal: India Country Report, 2014 শীৰ্ষক প্ৰতিবেদন যোগে প্ৰকাশ কৰি উলিয়াইছে। সেইমতে,মহিলা আৰু শিশু-বিষয়ক লক্ষ্যসমূহত উপনীত হোৱাৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণৰূপে সফল হ'ব নোৱাৰিব বুলি আগজাননী দিয়া হৈছে। অৱশ্যে, ৬-১০ বছৰৰ শিশুৰ প্ৰাথমিক শিক্ষা সাৰ্বজনীনতাৰ ক্ষেত্ৰত ভাৰতে ইতিমধ্যেই সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰতিবেদনখনত কোৱা হৈছে। উক্ত বয়সৰ শিশুৰ প্ৰাথমিক স্তৰত নামভৰ্তিকৰণ ২০১০-১১ চনতেই ৯৯.৮৯ শতাংশ হৈছে। একেদৰে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ-শিক্ষা স্তৰত থকা লিঙ্গ-অসমতা দূৰীকৰণৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত মতে লক্ষ্য প্ৰাপ্তি নহ'ব যদিও পূৰ্বৰ স্থিতি বহু পৰিমাণে উন্নত হৈছে। পাঁচ বছৰ বয়সৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ ২০১৫ চনত প্ৰতি হাজাৰ জন্মৰ বিপৰীতে ৪৯ হ'বগৈ বুলি ঠাৱৰ কৰা হৈছে। এম. ডি.জি ত নিৰ্দ্ধাৰিত লক্ষ্য মতে এই সংখ্যা হাজাৰত ৪২ হ'ব লাগিছিল। একেদৰে, নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাসকৰণৰ এম.ডি.জি লক্ষ্য আছিল প্ৰতি হাজাৰত ২৭ জন/জনী। কিন্তু, আগতীয়া হিচাপ মতে ই হাজাৰত ৪০ হ'বগৈ বুলিহে অনুমান কৰা হৈছে। আকৌ, শিশুসকলক বিভিন্ন মাৰাত্মক ৰোগ প্ৰতিৰোধৰ বাবে দিয়া প্ৰতিষেধক বেজী বা ঔষধ সেৱন কৰোৱাৰ ক্ষেত্ৰতো নিৰ্দ্ধাৰিত লক্ষ্যতকৈ ভাৰত কিছু পিচ পৰি থাকিব। ভাৰতত প্ৰসূতিৰ মৃত্যুৰ হাৰ লক্ষ্যণীয়ভাৱে কিছু বেছি। ১৯৯০ চনত প্ৰতি লাখত এনে মৃত্যুৰ হাৰ আছিল ৪৩৭ গৰাকী, ২০১৫ চনত এই সংখ্যা ১০৯ লৈ হ্ৰাস কৰাৰ লক্ষ্য আছিল। কিন্তু, উল্লিখিত প্ৰতিবেদনমতে, এই সংখ্যা ১৪০ গৰাকী হ'বগৈ বুলি অনুমান কৰা হৈছে। মহিলাৰ সাক্ষৰতাৰ হাৰো পুৰুষতকৈ কম হৈ আছে। মহিলাৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক কাম-কাজত আগবঢ়োৱা অংশগ্ৰহণো সমান নহয়। বিশেষকৈ, ৰাজনৈতিক ক্ষেত্ৰখনলৈ চালে দেখা যাব যে এই ক্ষেত্ৰত মহিলাৰ অগ্ৰগতি যথেষ্ট লেহেমীয়া। উদাহৰণ স্বৰূপে ১৯৯১ চনত ভাৰতৰ সংসদত মাথোন ৯.৭ শতাংশ মহিলা সাংসদ আছিল, ২০১৩ চনত এই হাৰ হয়গৈ মাথোন ১১.৪৬ শতাংশহে। উন্নত দেশবোৰতো এই সংখ্যা বৰ উৎসাহজনক নহয় যদিও প্ৰায় ২৫ শতাংশ। গতিকে, এই তথ্যবোৰৰ ভিত্তিতেই মহিলা আৰু শিশু কল্যাণৰ স্বাৰ্থত ভাৰত চৰকাৰে অধিক মনোযোগেৰে সুদৃঢ় আৰু সুস্পষ্ট নীতি-আঁচনি লোৱাৰ যুক্তিযুক্ততা আছে। সেয়েহে, অন্ততঃ বাজেটত লোৱা আঁচনিসমূহ সঠিক ভাৱে ৰূপায়িত হ'ব লাগে। পৰিমাণ তুলনামূলকভাৱে কিছু কম হ'লেও বাজেটত মহিলা আৰু শিশুৰ বাবে আবণ্টিত ধনৰাশিও যথেষ্ট পৰিমাণৰ সম্পদ, যাৰদ্বাৰা দেশে বিচৰা ধৰণে মহিলা আৰু শিশুৰ কল্যাণ সাধন কৰি পাৰি আৰু এটা সদৰ্থক পৰিবৰ্তনৰ সূচনা কৰিব পাৰি।


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

* গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। * গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। * গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। * গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। * মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে.কে.বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। * আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# কেন্দ্ৰীয় বাজেটত আন্তঃগাথনি খণ্ড

***মনোৰঞ্জন বণিক্য**

যোৱা ২৮ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে ২০১৫-১৬ চনৰ সাধাৰণ বাজেট সংসদত উত্থাপন কৰে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ (এন ডী এ) এইখন পূৰ্ণাঙ্গ বাজেট। বাজেটত বিকাশ, সামাজিক সুৰক্ষা, স্বাস্থ্য, শিক্ষা, কৃষি আৰু আন্তঃগাঁথনি ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি, কৰ্ম সংস্থান সৃজন, আৰ্থিক শৃঙ্খলাবদ্ধতা তথা সমাজত বিভিন্ন শ্ৰেণীৰ লোকৰ হিতৰ প্ৰতি লক্ষ্য ৰাখি বহুতো উল্লেখনীয় পদক্ষেপ সন্নিৰিষ্ট কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বাজেটখনক প্ৰগতিশীল, ইতিবাচক, বাস্তৱিক আৰু সন্তুলিত বাজেট বুলি অভিহিত কৰিছে। এখন অনুপ্ৰেৰণাদায়ক বাজেট দাখিল কৰাৰ বাবে বিত্তমন্ত্ৰী অৰুণ জেটলীক অভিনন্দন জনাই প্ৰধান মন্ত্ৰীয়ে কয় যে এই বাজেটে দুখীয়া মানুহৰ আশা আকাংখ্যা পূৰণ কৰিব। বিকাশ, কৰ্ম্মসংস্থানৰ সৃষ্টি, সমতা আৰু দেশক প্ৰগতিৰ শিখৰত উপনীত হোৱাত অৰিহণা যোগাব।

পথ পৰিবহণ, ৰে'লপথৰ যোগাযোগ ব্যৱস্থা, শক্তি আদি আন্তঃগাঁথনি সুবিধাৰ ওপৰত এখন দেশৰ অৰ্থনৈতিক উন্নয়ন নিৰ্ভৰশীল। এনে পৰিপ্ৰেক্ষিতত এই বাৰৰ বাজেটত আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বিত্ত মন্ত্ৰী জেটলীয়ে বাজেটৰ ২০১৫-২০১৬ বছৰৰ কালছোৱাত এই খণ্ডত বিনিয়োগৰ বাবে ৭০,০০০ কোটী টকাৰ অধিক বাজেট আবন্টণ কৰে। বাজেট ভাষণত জেটলীয়ে কয় যে যোৱা কেইদশকত আমাৰ দেশত আন্তঃগাঁথনি ক্ষেত্ৰ তেনেই পিছ পৰি আছে। আমাৰ দেশৰ বিকাশত এই খণ্ডই উল্লেখযোগ্য অৰিহণা যোগাব পৰা নাই। এই খণ্ডত ৰাজহুৱা খণ্ডৰ বিনিয়োগ বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। বাজেটত পথ পৰিবহণ, বন্দৰ, ৰে'ল, বিমান বন্দৰ, উচ্চ ক্ষমতাসম্পন্ন অত্যাধুনিক শক্তি প্ৰকল্প, সৌৰশক্তি, বিকল্প শক্তি প্ৰকল্প আদি নিৰ্মাণৰ বাবে প্ৰস্তাৱ কৰা হৈছে। এক লাখ কিলোমিটাৰ পথ নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। চৰকাৰে বাজেটত পথ পৰিবহণ আৰু ৰে'লৰে খণ্ডলৈ যথাক্ৰমে ১৪,০৩১ কোটি আৰু ১০,০৫০ কোটি টকাৰ পুঁজি বৃদ্ধি কৰিছে। তদুপৰি বাজেটত ১ লাখ কোটি টকাকৈ ব্যয় কৰি ৫ টা অত্যাধুনিক বৃহৎ শক্তি প্ৰকল্প স্থাপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই প্ৰকল্পকেইটাৰ প্ৰতিটোৱে ৪,০০ মেগাৱাটকৈ বিদ্যুৎ উৎপাদন কৰিব। পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বাজেটত বিত্তমন্ত্ৰীয়ে বিকল্প শক্তিৰ উৎপাদনত বিশেষ গুৰুত্ব আৰোপ কৰে। ২০২২ চনলৈ দেশত ১,৭৫,০০০ মেগাৱাট বিকল্প শক্তি উৎপাদন কৰিব পৰা যাব বুলি বিত্তমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই প্ৰকল্প সমূহ সম্পূৰ্ণ হলে দেশৰ বিদ্যুতৰ নাটনি আশানুৰূপভাৱে পূৰণ হব।

আন্তঃগাঁথনি খণ্ডক উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি বিত্তমন্ত্ৰী জেটলীয়ে কয় যে বাজেটত ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনি পুঁজি গঠনৰ প্ৰস্তাৱ কৰা হৈছে আৰু ইয়াৰ বাবে ২০,০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। জেটলীয়ে কয় যে এই পুঁজি ইকুইটী আৰু আন্তঃগাঁথনি কোম্পানী ভাৰতীয় ৰে'লৰে বিত্ত নিগম (আই আৰ এফ চি) আৰু ৰাষ্ট্ৰীয় গৃহ নিৰ্মাণ বেংকত বিনিয়োগ কৰা হ'ব।

আন্তঃগাঁথনি প্ৰকল্পলৈ বেংকে আগবঢ়োৱা ঋণ তেনেই নগণ্য। এনে পৰিপ্ৰেক্ষিতত আন্তঃগাঁথনি পুঁজিৰ গঠন এটা ইতিবাচক পদক্ষেপ হিচাপে গণ্য কৰিব পাৰি। এনে পুঁজিৰ জৰিয়তে চৰকাৰী ইকুইটি আৰু ঋণৰদ্বাৰা আন্তঃগাঁথনিত বিনিয়োগৰ বাবে ৫০,০০০ পৰা ৬০,০০০ কোটি টকা সংগ্ৰহ কৰিব পৰা যাব বুলি অনুমান কৰা হৈছে। বিত্তমন্ত্ৰীয়ে ৰাজহুৱা ব্যক্তিগত অংশীদাৰীৰ (Public Private Partnership) আৰ্হিৰ আন্তঃগাঁথনি পুনৰুৰ্জীৱিত কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। চৰকাৰে ৰাজহুৱা ব্যক্তিগত আৰ্হিৰ আন্তঃগাঁথনি প্ৰকল্পৰ বিফলতাৰ অধিকাংশ অংশ বহন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

চৰকাৰে ৰে'ল, পথ পৰিবহন, জলসিঞ্চন প্ৰকল্পত কৰমুক্ত আন্তঃগাঁথনি বণ্ড (Bond) জাৰি কৰিবলৈ সিদ্ধান্তগ্ৰহণ কৰে।

আন্তঃগাঁথনি খণ্ডই সন্মূখীন হোৱা সমস্যাৰ কথা উল্লেখ কৰি আনন্দ ৰাখী চিকুৰিটিজৰ অধ্যক্ষ আনন্দ ৰাখীয়ে

* মনোৰঞ্জন বণিক্য পঞ্জাৱ নেচনেল বেংকৰ অৱসৰপ্ৰাপ্ত জনসংযোগ বিষয়া

কয় যে এই দিশত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত তেওঁ কয় যে চৰকাৰে অধ্যাদেশৰদ্বাৰা ভূমি অধিগ্ৰহণ বিধেয়ক আৰু বিত্তীয় সমস্যাৰ সমাধানৰ ব্যৱস্থা কৰিছে। বাজেটত 'প্লাগ আৰু প্লে'
আৰ্হিৰ প্ৰকল্পৰ প্ৰস্তাৱ কৰা হৈছে। এই সংক্ৰান্তত কোনো প্ৰকল্প নিলাম কৰাৰ পূৰ্বে আৱশ্যকীয় অনুমোদন প্ৰদান কৰা হ'ব। উদ্যোগপতিৰ মতে এই উদ্যোগৰ দীৰ্ঘকালীন দাবীৰ প্ৰতি সঁহাৰি জনাই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ই চৰকাৰক বিদেশী আৰু দেশী কোম্পানীক আন্তঃগাঁথনি বিনিয়োগ কৰিবলৈ আকৰ্ষিত কৰিব আৰু প্ৰকল্প সম্পূৰ্ণ কৰাত বিলম্ব তথা অনাৱশ্যকীয় খৰচ হ্ৰাস কৰাত সহায় কৰিব। বিত্তমন্ত্ৰীয়ে এইটো স্পষ্ট কৰে যে ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্বৰ প্ৰকল্পৰ ৰূপায়ণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমাধানৰ বাবে চৰকাৰে সৰহ ভাগ লোকচান আৰু দায়িত্ব বহন কৰিব। এই সম্পৰ্কত উদ্ভৱ হ'ব পৰা বিবাদৰ মীমাংসা কৰিবলৈ প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিয়ে। চৰকাৰৰ এনে ঘোষণা গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিব পাৰি। ৰাজহুৱা আৰু ব্যক্তিগত আংশীদাৰী আৰ্হিৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত চৰকাৰে আৰোপ কৰা গুৰুত্বক উদ্যোগ জগতে আদৰণি জনাইছে। পৰ্য্যাপ্ত বিনিয়োগ অবিহনে কোনো উন্নয়নমূলক আঁচনি সফল হ'ব নোৱাৰে। ব্যক্তিগত খণ্ডৰ কোম্পানী সমূহ নিজৰ সীমিত সম্পদেৰে অভিলাষী নতুন প্ৰকল্পত বিনিয়োগ কৰিবলৈ অসমৰ্থ। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে ব্যক্তিগত খণ্ডৰ কোম্পানীক সহযোগ আগবঢ়াই দেশৰ অৰ্থনৈতিক উন্নয়নত বৰঙণি আগচাৱ পাৰে।

২০২২ চনৰ ভিতৰত দেশৰ চহৰ অঞ্চলত ২ কোটি আৰু গ্ৰামাঞ্চলত ৪ কোটি গৃহ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এই নিৰ্মাণ কাৰ্যৰ বাবে বিশাল পৰিমাণৰ চিমেন্ট,তীখা আদি সামগ্ৰীৰ প্ৰয়োজন হ'ব। ফলস্বৰূপে এনে সামগ্ৰী উৎপাদনকাৰী উদ্যোগসমূহৰ সম্প্ৰসাৰণ হব আৰু অধিক কৰ্মসংস্থানৰ সৃষ্টি হ'ব।

পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত লগোৱা আবকাৰী শুল্কৰ কিছু অংশ পথ কৰলৈ পৰিৱৰ্ত্তিত কৰি এই ধনৰাশি ৰাষ্ট্ৰীয় পথ নিৰ্মাণত খৰচ কৰা হব। ইয়াৰ ফলত ৪০,০০০ কোটি টকা সংগৃহীত হ'ব বুলি আশা কৰা হৈছে। বাজেটত ৰাষ্ট্ৰীয় কৃষি গ্ৰামীণ বিকাশ বেংকলৈ ২৫,০০০ কোটি টকা আবন্টন কৰা হৈছে। বিত্তমন্ত্ৰীয়ে বাজেটত ক্ষুদ্ৰ জলসিঞ্চন, জল সংশোধনৰ উন্নয়ন আৰু প্ৰধানমন্ত্ৰী কৃষি সিচাঁই যোজনাৰ বাবে ৫৩০০ কোটি টকা আবন্টন কৰিছে। ১৫,০০০ কোটি টকা দীৰ্ঘকালীন গ্ৰাম্য ঋণ পুঁজিলৈ ৪৫,০০০ কোটি টকা হ্ৰস্বকালীন সমবায় গ্ৰাম্য ঋণৰ পুনৰ্বিত্ত পুঁজিলৈ, আৰু ১৫,০০০ কোটি টকা আঞ্চলিক গ্ৰামীণ বেংকৰ পুনৰ্বিত্ত পুঁজিলৈ আবন্টন কৰা হৈছে। বিত্তমন্ত্ৰীয়ে ২০১৫-১৬ বৰ্ষৰ কালছোৱাত বেংকৰ কৃষি ঋণৰ পৰিমাণ ৮.৫ লাখ কোটি টকাৰ অভিলাষী লক্ষ্য নিৰ্দ্ধাৰণ কৰে। তেওঁ আশা প্ৰকাশ কৰে যে বেংকে এই লক্ষ্য অতিক্ৰম কৰিব পাৰিব। বিত্তমন্ত্ৰীয়ে বাজেট ভাষণত প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনাৰ জৰিয়তে ক্ষুদ্ৰ বিত্ত প্ৰতিষ্ঠানলৈ পুনৰ্বিত্তৰ বাবে ২০,০০০ কোটি টকাৰে মুদ্ৰা (এম.ইউ.ডি. আৰ.এ) বেংক স্থাপন কৰাৰ কথা ঘোষণা কৰে।

চৰকাৰৰ এনে পদক্ষেপে দেশত আন্তঃগাঁথনিৰ উন্নয়নত বিপুল অৰিহণা যোগাব।

পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বাজেটত বিত্তমন্ত্ৰীয়ে বিকল্প শক্তি উৎপাদনত বিশেষ গুৰুত্ব আৰোপ কৰে। ২০২২ চনলৈ দেশত ১,৭৫,০০০ মেগাৱাট বিকল্প শক্তি উৎপাদন কৰিব পৰা যাব বুলি বিত্তমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বাজেটত ৭.৫ কোটি টকাৰে বৈদ্যুতিক বাহন নিৰ্মাণক উদ্‌গনি দিবলৈ এখন 'ফেম' আঁচনি ঘোষণা কৰা হয়।
কেন্দ্ৰীয় বিত্ত দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত সিন্‌হাই এখন সংবাদ মেলত বাজেটখনক সংস্কাৰমুখী আৰু কীৰ্ত্তিমান বাজেট বুলি অভিহিত কৰে। তেওঁ কয় যে দুখীয়ালোক, মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু ব্যৱসায়ী এই বাজেটৰদ্বাৰা উপকৃত হব।

খ্যাতনামা অৰ্থনীতিবিদ স্বামীনাথন অংকলেচৰীয়া আয়াৰে এই বাজেটক বিকাশ আৰু গোলকীয় প্ৰতিযোগিতাৰ বাজেট বুলি অভিমত প্ৰকাশ কৰে।
বাজেটত সন্নিবিষ্ট প্ৰস্তাৱে ভাৰতৰ অৰ্থনীতি এই বছৰৰ ৭.৪ শতাংশৰ বিকাশ দৰৰ বিপৰীতে ৮.১ আৰু ৮.৫ শতাংশৰ ভিতৰত বৃদ্ধি কৰিব বুলি অনুমান কৰা হৈছে।

# ২০১৫-১৬ বৰ্ষৰ বাজেটত উত্তৰ-পূবলৈ উপহাৰ

***বিদ্যুৎ বৰুণ শৰ্মা**

বিত্তীয় কাম-কাজৰ বাবে বাজেট একোখন অপৰিহাৰ্য্য। সাধাৰণ কথাত বাজেট হ'ল বিত্তীয় বৰ্ষ এটা (পহিলা এপ্ৰিলৰপৰা ৩১ মাৰ্চ পৰ্যন্ত) ত চৰকাৰ এখনে কি কি শিতানত কিমান ব্যয় কৰিব আৰু সেই ব্যয়ৰ বাবে কি কি উৎসৰপৰা ৰাজহ সংগ্ৰহ কৰিব তাৰেই এক বিৱৰণ। বিত্তীয় বৰ্ষ বুলি কওঁতে আগন্তুক বিত্তীয় বৰ্ষৰ কথাই কোৱা হয়। অৱশ্যে এই সাধাৰণ হিচাপ-নিকাচৰ উপৰি বাজেট একোখনে চৰকাৰ একোখনৰ দৃষ্টিভংগী, কল্যাণকামী মানসিকতা, উন্নয়নকামী আঁচনি আদিও ৰাইজৰ আগত উন্মোচন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ প্ৰথমখন পূৰ্ণাংগ সাধাৰণ বাজেট কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে যোৱা ২৮ ফেব্ৰুৱাৰীত লোকসভাত দাখিল কৰে। মূলতঃ বিকাশ হাৰ বৃদ্ধি, বিত্তীয় ঘাটি কৰ্তন, সামাজিক নিৰাপত্তা নিশ্চিতকৰণৰ লগতে বিনিয়োগকাৰীক আকৰ্ষণৰ লক্ষ্য হিচাপে লৈ দাখিল কৰা জেটলীৰ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাজেটখনৰ যোগেদি অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ বিশ্বাস ব্যক্ত কৰাৰ লগতে সমাজৰ একেবাৰে নিম্নস্তৰৰ লোকৰ নিৰাপত্তাৰ দিশতো বলিষ্ঠ পদক্ষেপৰ ইংগিত দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই বাজেটে দেশৰ বিকাশ ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰিছে।

সি যি কি নহওক বাজেটখন এখন বাস্তৱমুখী বাজেট বুলি গৰিষ্ঠসংখ্যকে মত প্ৰকাশ কৰিছে। কিন্তু উত্তৰ-পূবক অৱহেলাৰ দৃষ্টিৰে কেন্দ্ৰই চাই অহাৰ অপবাদটো পিছে এই বাজেটত দূৰ কৰিব নোৱাৰিলে বুলিয়েই বিৰোধীয়ে হৈ চৈ কৰিছে। বিৰোধীৰ বিৰোধিতাৰ বাদে আন কথাত বিশেষকৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশ্লেষকসকল, বিনিয়োগকাৰী আৰু শিল্পপতি, উদ্যোগপতি সকলে জেটলীৰ বাজেটখনক আদৰণি জনাইছে।

উত্তৰ-পূৰ্বাঞ্চলক এইখন বাজেটে দেখদেখকৈ যথেষ্টখিনি আগবঢ়াইছে। বিহাৰ, পশ্চিমবংগক বিশেষ পেকেজ দিছে যদিও অসমত নিদিয়াক লৈ সমালোচনা হ'লেও অসম তথা উত্তৰ-পূৰ্বাঞ্চলক জেটলীৰ বাজেটে যথেষ্ট দিছে। দীৰ্ঘদিন ধৰি বিভিন্ন দল-সংগঠনে অসমত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এখন স্থাপনৰ দাবী তুলি আহিছিল। জেটলীৰ বাজেটে সেই দাবীকে গুৰুত্ব দিলে আৰু অসমত এইমছ্ স্থাপনৰ পথ প্ৰশস্ত হ'ল। ঐতিহাসিক বিজয়েৰে দিল্লীৰ মছনদ দখলৰ পাছত নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰে এইমছৰ কথা বিবেচনা কৰিলে। এন ডি এ চৰকাৰৰ প্ৰথমজন স্বাস্থ্যমন্ত্ৰী ডাঃ হৰ্ষবৰ্দ্ধনে অসমত এইমছ স্থাপনকে ধৰি পাঁচটা প্ৰস্তাৱ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে বিবেচনা কৰিছে আৰু ৰাজ্য চৰকাৰ সৈতে আলোচনা চলাইছে বুলি সদৰি কৰিছিল। আনকি কামৰূপ, নগাঁও বা মঙ্গলদৈত এইমছ্ স্থাপনৰ চিন্তা-চৰ্চা কৰাৰ কথাও তেওঁ কৈছিল। সময়ত জেটলীৰ বাজেটে এইমছ্‌ৰ সপোন পূৰ্ণ কৰিলে।

জেটলীৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আন কেতবোৰ উপহাৰো আছে। বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত কৰা ঘোষণা অনুসৰি অৰুণাচলত এটা চলচ্চিত্ৰ নিৰ্মাণ, এনিমেচন আৰু গেমিং কেন্দ্ৰ স্থাপন কৰা হ'ব। তদুপৰি নাগালেণ্ডত এটা বিজ্ঞান আৰু শিক্ষা গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। একেই সময়তে উত্তৰ-পূব পৰিষদলৈ আগবঢ়াই অহা কেন্দ্ৰীয় অনুদানৰ পৰিমাণ এই বাজেটত ৬০০ কোটি টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ আছে। বিগত বৰ্ষত এই পৰিমাণ আছিল ৪৮০ কোটি টকা। আনহাতে কেন্দ্ৰীয় অপৰিশোধেয় পুঁজিৰ ক্ষেত্ৰতো ৭২ কোটি টকাৰপৰা ৯০ কোটি টকালৈ বৃদ্ধি প্ৰস্তাৱ দিয়া হৈছে জেটলীৰ বাজেটত। উত্তৰ-পূব উন্নয়ন (ড'নাৰ) মন্ত্ৰালয়ৰ বাৰ্ষিক আবন্টনো যোৱা বছৰৰ ২৩০৬ কোটি টকাৰপৰা ২৩৬২.৭৪ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। মন কৰিবলগীয়া যে উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক কৃষিক্ষেত্ৰৰূপে গঢ়ি তোলাৰ হকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দীৰ্ঘদিন ধৰি কৰি অহা আশা প্ৰকাশ আৰু সম্ভাৱনাকে এই বাজেটত প্ৰতিফলিত কৰা হৈছে। জৈৱিক কৃষিৰ ক্ষেত্ৰত ধনৰ আবন্টন প্ৰায় ২০০ শতাংশ বৃদ্ধি কৰা হৈছে। ফলত বিগত বৰ্ষত আবন্টন ৩৩ কোটি টকাৰপৰা

* বিদ্যুৎ বৰুণ শৰ্মা দৈনিক অসম কাকতৰ উপ-সম্পাদক

এইবাৰৰ আবন্টন ১২৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। এনেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে জেটলীৰ বাজেটত ভালেখিনি আশা থাকিলেও এই বাজেট বিৰোধীৰ বাবে যথেষ্ট হোৱা নাই।

উল্লেখযোগ্য যে চতুৰ্দশ বিত্ত আয়োগে ইতিমধ্যে বিশেষ শ্ৰেণীৰ ৰাজ্যৰ ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱাৰ পৰামৰ্শ আগবঢ়াইছে। সেই অনুসৰি কেন্দ্ৰীয় চৰকাৰেও সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু প্ৰশ্ন উঠিছে উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অনগ্ৰসৰ অঞ্চল এটাৰ উন্নয়নৰ বাবে কেন্দ্ৰই কি বিশেষ ব্যৱস্থা ল'ব। কিন্তু বাজেটখনক লৈ আশা ব্যক্ত কৰিছে কেন্দ্ৰীয় চৰকাৰৰ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী তথা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, কৰ্মচাৰী, ৰাজহুৱা অভিযোগ, লেখন, আণৱিক শক্তি আৰু মহাকাশ আদি দপ্তৰৰ ৰাজ্যমন্ত্ৰী ডা° জিতেন্দ্ৰ সিঙে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলত চলচ্চিত্ৰৰ চিত্ৰগ্ৰহণৰ ব্যাপক সম্ভাৱনা সম্পৰ্কত কৈছে যে তেওঁ মুম্বাইৰ চলচ্চিত্ৰ উদ্যোগৰ লোকসকলৰ হকে অচিৰেই এটা অনুষ্ঠানৰ যোগেদি খুব কম খৰচতে উত্তৰ-পূৰ্বাঞ্চলৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰে পূৰ্ণ অঞ্চলবোৰত ছবিৰ চিত্ৰগ্ৰহণৰ বাবে উৎসাহিত কৰিব। এই ক্ষেত্ৰত অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত চলচ্চিত্ৰ নিৰ্মাণ কেন্দ্ৰটোৱে বিশেষ বৰঙণি যোগোৱাৰ আশাও তেওঁ প্ৰকাশ কৰে।

সি যি কি নহওক অৰুণ জেটলীৰ বাজেট ভাষণত উল্লেখ কৰা ...mainstreaming North Eastern States...' কথাষাৰত যথেষ্টখিনি গভীৰ তাৎপৰ্য আছে। কিয়নো উত্তৰ-পূৰ্বাঞ্চলে সততে কেন্দ্ৰই অৱহেলাৰ দৃষ্টিৰে চোৱাৰ অভিযোগ কৰে। তেনেস্থলত এন ডি এ চৰকাৰে সেই অপবাদ দূৰ কৰাৰ চেষ্টা কৰিবলৈ গৈ তোষামোদ কৰা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে তাৎক্ষণিক প্ৰত্যক্ষ লাভালাভ দৃষ্টিগোচৰ নোহোৱা অথচ দীৰ্ঘ সময়ৰ অন্তত পৰিস্ফুট হোৱা আন্তঃগাঁথনিৰ উন্নয়ন আৰু সামাজিক নিৰাপত্তাৰ প্ৰতি মনোনিবেশ কৰা হৈছে এই বাজেটত। মাছ এটা ধৰি আনি এসাজৰ বাবে খাবলৈ দিয়াতকৈ সদায় খাই থাকিব পৰাকৈ মাছ পোৱাৰ ব্যৱস্থা বা ধৰিবলৈ শিকাই দিয়াৰ ব্যৱস্থাটোহে যেন মোডী চৰকাৰে কৰিছে। আন এটা লক্ষণীয় কথা এইযে ৰাজনৈতিক বাধ্যবাধকতা যেনে নিৰ্বাচনকেন্দ্ৰিক চিন্তাৰে কোনো কোনো ৰাজ্যলৈ সাহায্য বা অনুদান বেছি দিয়া যেন লাগিলেও সুৰেশ প্ৰভুৰ ৰে'ল বাজেটখন এখন বিহাৰ, পশ্চিমবংগ বা তেওঁ মহাৰাষ্ট্ৰৰ হোৱা বাবে মহাৰাষ্ট্ৰকেন্দ্ৰিক বাজেট হোৱাৰ আশংকা নুই কৰি যিদৰে এখন প্ৰকৃত অৰ্থত ভাৰতীয় 'ৰে'ল বাজেট'ৰূপে দাখিল কৰিলে সেই চিন্তাধাৰাৰ ভালেখিনি সাদৃশ্য জেটলীৰ সাধাৰণ বাজেটতো দেখা গ'ল। কোনো বিশেষ ৰাজ্য বা অঞ্চলৰ হকে কাম কৰাৰ পৰিৱৰ্তে মোডীৰ 'সবকা সাথ সবকা বিকাশ' মন্ত্ৰকে যেন বাজেটতো প্ৰতিফলিত কৰা হ'ল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ মানসিকতা যিমানেই ইতিবাচক আৰু উন্নয়নশীল নহওক কিয়, বিৰোধীৰ সমালোচনা গণতন্ত্ৰত এটা অপৰিহাৰ্য বিষয়।

বাজেটখনৰ সম্পৰ্কত বিৰোধী দলসমূহে বিভিন্ন সমালোচনামূলক প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে যদিও সকলো ধৰণৰ সমালোচনা মুঠেই গঠনমূলক যে নহয় সেয়া নিশ্চিত। বিশেষকৈ জেটলীয়ে ভগ্নপ্ৰায় অৰ্থনীতিক পুনৰ উদ্ধাৰৰ বাবে লোৱা পদক্ষেপসমূহ যেনে সম্পত্তি কৰ বিলুপ্তি, কৰ্প'ৰেট কৰ পৰৱৰ্তী ৪ বছৰত ৫ শতাংশ হ্ৰাসৰ কথা আদি বুজিও নুবুজাৰ ভাও ধৰিছে বহুতে আৰু অতি ধনী (১ কোটি টকাৰ ওপৰৰ আয়ৰ) ৰ ক্ষেত্ৰত প্ৰৱৰ্তন কৰা ২ শতাংশ অতিৰিক্ত কৰ বা অধিভাৰ (Srcharge) ৰ কথাও সমালোচকসকলে উল্লেখ কৰা নাই। তদুপৰি মধ্যবিত্তৰ বাবে আগবঢ়োৱা সুবিধাখিনিও তেওঁলোকে মনত ৰখা নাই। ইয়াৰ বিপৰীতে অঞ্চলটোৰ উদ্যোগী আৰু বাণিজ্য গোষ্ঠীসমূহে বাজেটখনক সুসন্তুলিত বাজেট আখ্যা দিছে। 'ফাইনাৰ'ৰ অধ্যক্ষ আৰ এছ যোশীয়ে এই বাজেটৰপৰা উত্তৰ-পূৰ্বাঞ্চল লাভান্বিত হ'ব বুলি মন্তব্য কৰিছে। অসমৰ প্ৰাক্তন মুখ্য সচিব তথা বিশিষ্ট অৰ্থনীতিবিদ হৰেন্দ্ৰ নাথ দাসৰ মতে বাজেটখনত উত্তৰ-পূবে গুৰুত্ব পাইছে। তেওঁ বাজেটখনক এখন ভাল আৰু বিস্তৃত বাজেট আখ্যা দিয়ে। অৱশ্যে অসমে লাভ কৰিবলগীয়া অতিৰিক্ত(পূৰ্বৰ তুলনাত) পুঁজি কিদৰে সদ্ব্যৱহাৰ কৰে তাক লৈ সন্দেহ প্ৰকাশো নকৰা নহয়। আন এগৰাকী অৰ্থনীতিবিদ মাধুৰ্য প্ৰসাদ বেজবৰুৱাই বিগত কেইবছৰমানৰ ভিতৰত এইখন এখন অতি বাস্তৱিক বাজেট বুলি কৈছে। তেওঁ বাজেটখনত সকলো খণ্ডকে সামৰি গুৰুত্ব দিয়া বুলি কৈছে। তেওঁ বাজেটখনত সকলো খণ্ডকে সামৰি গুৰুত্ব দিয়া বুলি কৈছে সি যি কি ন'হওক নিৰ্বাচনৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টীয়ে দিয়া প্ৰতিশ্ৰুতি পালনত এই বাজেট ব্যৰ্থ হোৱা বুলিয়ে সমালোচনা হৈছে। বিশেষকৈ বান আৰু খহনীয়াৰ সমস্যা সমাধানত গুৰুত্ব দিয়া নহ'ল বুলি সমালোচনা হোৱাটো স্বাভাৱিক। এইমছৰ প্ৰস্তাৱক আদৰণি জনাইছে যদিও বান-খহনীয়া কেন্দ্ৰৰ বিবেচনাকৰাৰ বাদপৰা বাবে সদৌ অসম ছাত্ৰ সন্থাৰদ্বাৰা সমালোচিত হৈছে। তদুপৰি আই আই এম এখনৰ দাবীও আছিল এটা পুৰণি দাবী, যিটো এই বাজেটতো পূৰণ নহ'ল। এই সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠন (এছ) এ বাজেটৰ ভালেখিনি প্ৰস্তাৱ আদৰণীয় বুলি মন্তব্য কৰি বান-খহনীয়া বাদ পৰাটো হতাশজনক বুলি কৈছে। যুৱ-ছাত্ৰ পৰিষদকে ধৰি আন ভালেমান সংগঠনেও বাজেটখনৰ কেতবোৰ দিশ আদৰণীয় বুলি

মন্তব্য কৰি অন্য কেতবোৰ ক্ষেত্ৰত সমালোচনা কৰিছে। ৰাজ্যৰ বাওঁপন্থী দলসমূহেও বাজেটখনক সমালোচনা কৰিছে।

বাজেটখনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বিশেষ পুঁজিৰ কথা নাই যদিও বিগত সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ ভালেমান সিদ্ধান্ত আৰু কামে অঞ্চলটোক যে অতি গুৰুত্ব সহকাৰে লোৱা হৈছে তাকেই প্ৰমাণ কৰিছে। বিশেষকৈ পৰ্যটনৰ বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা, অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ জলপানিৰ ব্যৱস্থা, কেন্দ্ৰীয় মন্ত্ৰীৰ বাধ্যতামূলক পৰিভ্ৰমণ আদিয়ে তাৰেই ইংগিত বহন কৰিছে। ইতিমধ্যে ৰে'লপথৰ উন্নয়ন আৰু সম্প্ৰসাৰণ কাম দৃশ্যমান হৈছে। মণিপুৰত ইতিমধ্যেই ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ কাম আগবাঢ়িছে। কিন্তু সমালোচনা নকৰি নোৱাৰি যে মাজুলীক লৈ ইমানদিনে উঠি অহা দাবী সম্পৰ্কত কেন্দ্ৰই সিদ্ধান্ত নল'লে। আনহাতে ঐতিহ্য ক্ষেত্ৰৰ স্থানবোৰত উত্তৰ-পূৰ্বাঞ্চলৰ কোনো ঠাই অন্তৰ্ভুক্ত নকৰাটোও দুৰ্ভাগ্যজনক। ◇

# FORM IV

(See Rule)

Statement About Ownership and other Particulars About Payobhara(Yojana -Assamese)

| | | | |
|---|---|---|---|
| 1. | Place of Publication | : | Guwahati |
| 2. | Periodicity of Publication | : | Monthly |
| 3. | Printer's Name | : | Dr. Sadhana Rout |
| | Nationality | : | Indian |
| | Address | : | Publications Division,<br>Soochna Bhavan,<br>New Delhi - 110 003. |
| 4. | Publisher's Name | : | Dr. Sadhana Rout |
| | Nationality | : | Indian |
| | Address | : | Publications Division,<br>Soochna Bhavan,New Delhi - 110 003. |
| 5. | Editor's Name | : | Anupoma Das |
| | Nationality | : | Indian |
| | Address | : | KKB Road, Chenikuthi New Colony<br>House No. 7, Guwahati -3<br>Kamrup (Metro) Dist.<br>Assam |
| 6. | Name & Address of Individual who own the newspaper and Partner or shareholder holding more than one Percent of the total capital. | : | Wholly owned by Ministry of Information & Broadcasting, Government of India, New Delhi - 110 001. |

I, Sadhana Rout , hereby declare that the particular given above are true to the best of my Knowledge and belief.

Dated:-10/02/2015

(signature)
(Dr.Sadhana Rout )

Signature of Publisher

# ২০১৫-১৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ এটা বিশ্লেষণ

*** ববিতা শৰ্মা**

বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰৰ ২০১৫-১৬ বৰ্ষৰ প্ৰথমখন পূৰ্ণাংগ সাধাৰণ বাজেট দাখিল কৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে। বাজেটখনক এখন ইতিবাচক, সুষম, বিকাশমুখী আৰু সামাজিক ন্যায়সুলভ বাজেট বুলিব পাৰি। ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে বাজেটত ১৭,৭৭,৪৭৭ কোটি টকা ব্যয় ধাৰ্য্য কৰিছে যদিও অতি ধীৰ গতিৰে বিত্তীয় ঘাটি হ্ৰাসৰ লক্ষ্যও গ্ৰহণ কৰা হৈছে। এই বছৰটোত বিত্তীয় ঘাটিৰ পৰিমাণ ৩.৯ শতাংশ হ'বগৈ বুলি আশা কৰা হৈছে। বাজেটৰ মতে মুঠ ব্যয়ৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত ব্যয় নিৰ্ধাৰণ কৰিছে ৪,৬৫,২৭৭ কোটি টকা আৰু পৰিকল্পনা বৰ্হিভূত ব্যয় হব ১৩,১২,২২০ কোটি টকা। ৰাজহ প্ৰাপ্তিৰ ক্ষেত্ৰত কৰৰ পৰিমাণ ১৪,৪৯,৪৯০ কোটি টকা হ'ব বুলি দেখুওৱা হৈছে। কৰৰ বাদে আন আন উৎসৰ পৰা সংগ্ৰহ কৰা ৰাজহ আদায়ৰ পৰিমাণ ২,২১,৭৩৩ কোটি টকাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। বিশ্বৰ ভিতৰতে ভাৰতৰ অৰ্থনীতিক উৰ্দ্ধগতিৰে বিকাশৰ লক্ষ্যত উপনীত কৰাবলৈ হ'লে মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ প্ৰয়োজন হ'ব। সেয়েহে আহিবলগীয়া বিত্তীয় বৰ্ষটোত ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৮ শতাংশৰ পৰা ৮.৫ শতাংশলৈ হোৱাৰ আশা কৰিছে। এইবাৰৰ বাজেটখনৰ আন এটা উল্লেখনীয় দিশটো হ'ল, কেন্দ্ৰৰ লগতে ৰাজ্যসমূহক অধিক গুৰুত্ব আৰোপ কৰি ৰাজ্যসমূহলৈ অধিক পুঁজি আবন্টণ কৰি সমগ্ৰ দেশৰ অৰ্থনৈতিক বিকাশ দ্ৰুত কৰা। বিত্তমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰিছে যে, 'অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যসমূহ কেন্দ্ৰৰ সম অংশীদাৰ'। ইয়াৰ লগত সংগতি ৰাখি ৫,২৩,৯৫৮ কোটি টকা ৰাজ্যসমূহলৈ সম্পদ আবন্টণ কৰিছে আৰু ৰাজ্যসমূহলৈ আবন্টিত ধন ৬২ শতাংশলৈ বৃদ্ধিৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছে। দৰিদ্ৰতা দূৰীকৰণ,নিয়োগ সৃষ্টি আন্তঃগাঁথনি খণ্ডত বিনিয়োগ বৃদ্ধিৰদ্বাৰা দেশখনৰ অৰ্থনীতিৰ বিকাশৰ লক্ষ্য আগত ৰাখি সকলো খণ্ডক সমান গুৰুত্ব দি বাজেটখন উত্থাপন কৰিছে। ভাৰতৰ অৰ্থনীতি বৰ্তমান সময়ছোৱাত যদিও সুস্থিৰ হোৱাৰ লগতে মুদ্ৰাস্ফীতি কম বেছি পৰিমাণে নিয়ন্ত্ৰিত হৈ আছে তথাপিও দেশীয় বিনিয়োগৰ লগত বিদেশী পুঁজিৰ বিনিয়োগ বৃদ্ধিৰ জৰিয়তে অধিক বিকাশ সম্ভৱ হ'ব। বিত্তমন্ত্ৰী গৰাকীয়ে বাজেটত বিভিন্ন খণ্ডত ৰাজহুৱা বিনিয়োগ বৃদ্ধিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে।

কৰ শিতানৰ প্ৰস্তাৱত বাজেটখনত বিত্তমন্ত্ৰী গৰাকীয়ে কৰ আদায়ৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰত্যক্ষ কৰৰ গাঁথনি নিৰ্ধাৰণ কৰি ক'লা ধনৰ বিলুপ্তি সাধনত অধিক গুৰুত্ব দিয়া হৈছে। বিদেশৰ বেংকত সাঁচি থোৱা ক'লা ধন নিয়ন্ত্ৰণৰ অৰ্থে এখন বিধেয়ক উপস্থাপন কৰিছে আৰু আইনমতে বিদেশত থকা আয় আৰু সম্পদৰ তথ্য গোপন কৰা ক'লা ধনৰ গৰাকীক ১০ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড বিহাৰ ব্যৱস্থা লোৱা হব। কৰ ফাঁকিৰ ওপৰত ৩ শতাংশ হাৰত জৰিমনা আদায় দিব লাগিব। ঘৰুৱা ক'লাধনৰ ক্ষেত্ৰত বেনামী সম্পত্তি জব্দ কৰি আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে গৃহ

**দাম বাঢ়িব**

বাহিৰত খোৱা (ৰেস্তোৰাঁ আদি)। শীতল পানী। মিনাৰেল ৱাটাৰ। ইন্টাৰনেট সেৱা। কেব্'ল/ডি টি এইচ সেৱা, লেপটপ, চিগাৰেট, ধঁপাত জাতীয় বস্তু। ম'বাইল ফোন। আমদানিকৃত বাণিজ্যিক বাহন। চিমেন্ট। প্লাষ্টিকৰ বেগ। বিমানত বিজনেছ আৰু এগ্‌জিকিউটিভ শ্ৰেণীৰ ভ্ৰমণ। মিউজিক কনচাৰ্ট।

**দাম কমিব**

১০০০ টকাতকৈ বেছি দামৰ চামৰাৰ জোতা আদি। স্থানীয়ভাৱে নিৰ্মিত মোবাইল ফোন। এল ই ডি/এল চি ডি পেনেল। এল ই ডি লাইট আৰু এল ই ডি লেম্প। ছ'লাৰ ৱাটাৰ হিটাৰ। পে'চমেকাৰ, এম্বুলেন্স আৰু এম্বুলেন্স সেৱা । কম্পিউটাৰ টেবলেট। ধূপ। মাইক্ৰ'ৱেভ অভেন। ৰেফ্ৰিজাৰেটৰ কম্প্ৰেছাৰ পেকেজড ফল, শাক-পাচলি। সংগ্ৰহালয়, চিৰিয়াখানা আৰু ৰাষ্ট্ৰীয় উদ্যান দৰ্শন।

* ববিতা শৰ্মা আজাৰাৰ হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা

## খোৰতে বাজেটখন

**কৰঃ** (১) সম্পত্তিৰ কৰ বিলোপ।
(২) ১ কোটি টকাতকৈ অধিক আয়ৰ অতি বিত্তশালী লোকৰ ক্ষেত্ৰত অতিৰিক্ত ২ শতাংশ মাচুল।
(৩) পৰৱৰ্তী ৪ বছৰত কৰ্প'ৰেট কৰ ৩০ ৰ পৰা ২৫ শতাংশলৈ হ্ৰাস।
(৪) কৰৰ সীমা (স্লেব) অপৰিৱৰ্তিত।
(৫) আয়কৰ ৪,৪৪,২০০ টকা পৰ্যন্ত ৰেহাইৰ সুবিধা।
(৬) 'চি এছ আৰ'ৰ উপৰি স্বচ্ছ ভাৰত অভিযানলৈ আগবঢ়োৱা বৰঙণিৰ ক্ষেত্ৰত ১০০ শতাংশ কৰ ৰেহাই।
(৭) সেৱা কৰ ১৪ শতাংশলৈ বৃদ্ধি।

**কৃষিঃ** (১) গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন বেংকৰ বাবে ২৫ হেজাৰ কোটি টকা।
(২) ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ বাবে ৫,৩০০ কোটি টকা।
(৩) কৃষকলৈ ৮.৫ লাখ কোটি টকাৰ ঋণৰ লক্ষ্য।

**আন্তঃগাঁথনিঃ** (১) আন্তঃগাঁথনি খণ্ডত ৭০ হেজাৰ কোটি টকা বিনিয়োগ বৃদ্ধিৰ লক্ষ্য।
(২) ৰে'ল, পথ আৰু জলসিঞ্চনৰ প্ৰকল্পৰ বাবে কৰবিহীন বণ্ড।
(৩) আন্তঃগাঁথনি উন্নয়নৰ বাবে পি পি পি আৰ্হি পুনৰুজ্জীৱিতকৰণ।
(৪) বৈজ্ঞানিক উদ্ভাৱনৰ বাবে গৱেষক আৰু উদ্যোগীৰ নৈপুণ্য বৃদ্ধিৰ লক্ষ্যৰে 'অটল ইন'ভেচন মিছন'ৰ বাবে ১৫০ কোটি টকা।
(৫) ৪০০০ মেগাৱাটৰ ৫ টা শক্তি প্ৰকল্প স্থাপন।

**শিক্ষাঃ** (১) জম্মু-কাশ্মীৰ, পঞ্জাব, তামিলনাডু, হিমাচল প্ৰদেশ, বিহাৰ আৰু অসমত এইম্‌ছ স্থাপন।
(২) কৰ্ণাটকত আই আই টি স্থাপন, ধানবাদৰ ইণ্ডিয়ান স্কুল অব মাইন্সক আই আই টিলৈ উন্নীতকৰণ।
(৩) অমৃতসৰত উদ্যানশস্যৰ স্নাতকোত্তৰ শিক্ষানুষ্ঠান।
(৪) কেৰালাত ডিজেবিলিটী ষ্টাডিজৰ বিশ্ববিদ্যালয়।
(৫) অৰুণাচল প্ৰদেশত চলিচ্চিত্ৰ নিৰ্মাণ, এনিমেচন আৰু গেমিং কেন্দ্ৰ।
(৬) জম্মু-কাশ্মীৰ আৰু অন্ধ্ৰ প্ৰদেশত আই আই এম।

## থোৰতে বাজেটখন

**প্ৰতিৰক্ষা ঃ** (১) বিগত বৰ্ষতকৈ ৯.৪৭ শতাংশ আবণ্টন বৃদ্ধিৰে ২,৪৬,৭২৬ কোটি টকা।
(২) প্ৰতিৰক্ষা সঁজুলিৰ ক্ষীপ্ৰ উৎপাদনৰ বাবে মেক ইন ইণ্ডিয়াত মনোনিবেশ।

**জনকল্যাণমূলক আঁচনি ঃ** (১) স্বচ্ছ ভাৰত অভিযানৰ অধীনত ৬ কোটি টয়লেট নিৰ্মাণৰ লক্ষ্য।
(২) জি এছ টি আৰু জেম ট্ৰিনিটি নামৰ দুখন আঁচনি। জি এছ টি ২০১৬ চনৰ এপ্ৰিলৰপৰা কাৰ্যকাৰী হ'ব।
(৩) ক্ষুদ্ৰ বিত্তীয় সংস্থাৰ বাবে মুদ্ৰা বেংক স্থাপনেৰে এছ চি/এছ টিৰ প্ৰথম প্ৰজন্মৰ উদ্যোগীক উৎসাহ।
(৪) ২০২০ ৰ ভিতৰত সকলোৰে বাবে বাসগৃহ।
(৫) ৮০ হেজাৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ।
(৬) ডি বি টি ১ কোটি পৰা ১০.৩ টকালৈ বৃদ্ধি।
(৭) অটল পেন্সন যোজনা। চৰকাৰে প্ৰতি বছৰে ১০০০ টকাৰ প্ৰিমিয়ামৰ ৫০ শতাংশ বৰঙণি যোগাব।
(৮) ৮০ বছৰ ঊৰ্দ্ধৰ লোকৰ বাবে বিশেষ আঁচনি।
(৯) পি পি এফ/ই পি এফৰ গৰাকীবিহীন ৯০০০ কোটি টকা জ্যেষ্ঠ নাগৰিক পুঁজিত ব্যৱহাৰ।
(১০) এম জি এনৰেগাৰ বাবে অতিৰিক্ত ৫০০০ কোটি টকা।
(১১) সকলো ভাৰতীয়ৰ বাবে সাৰ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থা।

**পুনৰ নৱীকৰণ শক্তি ঃ** (১) ২০২২ ৰ ভিতৰত ১০০০০০ মেগাৱাট সৌৰ,৬০০০০ মেগাৱাট বায়ু,১০০০০ মেগাৱাট বায়'মাছ আৰু ৫০০০ মেগাৱাট জলবিদ্যুৎ উৎপাদনৰ লক্ষ্য।

**পৰ্যটন ঃ** (১) পুৰণি গোৱাৰ গীৰ্জা আৰু কনভেণ্ট, হাম্পি, এলিফেণ্টা গুহা, ৰাজস্থানৰ বনাঞ্চল, লেহ প্ৰাসাদ, বাৰানসী, জালিয়ানৱালাবাগ, হায়দৰাবাদৰ কুটুব শ্বাহিৰ স্তূপৰ উন্নয়ন।

**সোণ ঃ** (১) স্বৰ্ণ মুদ্ৰাৰ পৰিৱৰ্তে গ'ল্ড বণ্ডৰ ব্যৱস্থা। (২) সোণৰ বিনিময়ত ঋণ আৰু সুদৰ বিশেষ আঁচনি।
(৩) অশোক চক্ৰ সন্নিৱিষ্ট নতুন স্বৰ্ণ মুদ্ৰাৰ প্ৰচলন।

নিৰ্মাণ খণ্ডত বেনামী সম্পত্তিৰ নামত থকা বিনিয়োগ বন্ধ কৰিব। এক লাখ টকাৰ অধিক মূল্যৰ যিকোনো বেচা-কিনা কাৰ্য্যত পানকাৰ্ডৰ ব্যৱহাৰ বাধ্যতামূলক হ'ব। তথ্য আৰু প্ৰযুক্তি ব্যৱহাৰৰদ্বাৰা আইনৰ সফল ৰূপায়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। 'মেক ইন ইণ্ডিয়া' আচঁনিৰ লক্ষ্যৰে প্ৰত্যক্ষ কৰ গ্ৰহণ কৰিব। এই আঁচনিৰদ্বাৰা বিমান আৰু আন বিভিন্ন প্ৰতিৰক্ষামূলক সামগ্ৰী নিৰ্মাণ কৰি ভাৰতে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্য গ্ৰহণ কৰে। ভাৰত চৰকাৰে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি প্ৰদান কৰিছে আৰু লগতে প্ৰতিৰক্ষা ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰিছে মুঠ বাজেটৰ ১১ শতাংশ। বাজেটত মধ্যবিত্ত শ্ৰেণীৰ বাবে কৰ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰি ব্যক্তিৰ আয়কৰ ৰেহাইৰ উৰ্ধৰ্বসীমা ৪,৪৪,২২০ টকালৈ বৃদ্ধি কৰিছে। ডেৰ লাখ টকালৈ ৰাষ্ট্ৰীয় পেঞ্চন পুঁজিৰ বৰঙণি বৃদ্ধি কৰিছে। পেঞ্চন পুঁজি জমা কৰাৰ ক্ষেত্ৰত ৫০ হেজাৰ টকা ৰেহাই দিছে। ৮০ বছৰৰ পৰা ওপৰৰ বয়সৰ লোকলৈ ৩০ হাজাৰ টকা চিকিৎসা ব্যয় ৰেহাই দিছে। পেঞ্চন পুঁজি আঁচনিলৈ বৰঙণিৰ ৰেহাইৰ পৰিমাণ ১ লাখ টকাৰ পৰা ডেৰ লাখ টকালৈ বৃদ্ধি কৰিছে। কন্যা শিশু ৰক্ষা আঁচনি আৰু সুকন্যা সমৃদ্ধি যোজনালৈ আগবঢ়োৱা বৰঙণিত কৰ ৰেহাইৰ ব্যৱস্থা কৰিছে। আনহাতে পুঁজিপতি সকলক বিনিয়োগত উৎসাহ দিবলৈ কৰ্প'ৰেট কৰ অহা চাৰি বছৰত ৩০ শতাংশৰ পৰা ২৫ শতাংশলৈ হ্ৰাস কৰিছে। ব্যক্তিগত কৰদাতাই বছৰি ৪,৪৪,২০০ টকাৰ লাভ পাব। সম্পত্তি কৰৰ বিলোপ সাধন কৰা হ'ব। বাজেটত সকলো লোকৰ বাবে পেঞ্চন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে সামাজিক সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পৰিবহণ ভাত্তাৰ ওপৰত মাহিলি ১,৬০০ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ লৈছে। স্বচ্ছ ভাৰত কোষ আৰু গংগা পৰিষ্কৰণ পুঁজিক ১০০ শতাংশ কৰ ৰেহাইৰ অন্তৰ্ভুক্ত কৰা হ'ব বুলিও উল্লেখ হৈছে। স্বাস্থ্য বীমাৰ ক্ষেত্ৰত কৰ ৰেহাইৰ সীমা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। ভাৰতৰ অতি চহকী উচ্চ শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত ২ শতাংশ উপকৰ আদায়ৰ ব্যৱস্থা লোৱা হৈছে। ১ কোটি টকাৰ ওপৰৰ উপাৰ্জনত ২ শতাংশ উপকৰ নিৰ্ধাৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

পৰোক্ষ কৰৰ ক্ষেত্ৰত ২৩৩.৮৩ বিলিয়ন টকা আদায়ৰ প্ৰস্তাৱ লোৱা হৈছে বাজেটত। লো-তীখাৰ ওপৰত বহিঃ শুল্কৰ হাৰ ১৫ শতাংশলৈ বৃদ্ধি কৰাৰ লগতে লো-তীখাৰ স্ক্ৰেপ সামগ্ৰীৰ ওপৰত অতিৰিক্ত কৰ ২ শতাংশলৈ কৰ্তন কৰা হৈছে। শিক্ষাৰ উপকৰ আৰু সেৱাকৰ ১৪ শতাংশলৈ বৃদ্ধি হ'ব বুলি থিৰাং কৰিছে। ফলমূল, শাক পাচলিৰ ভঁৰালৰ সেৱা কৰ ৰেহাই দিয়া হব। জ্যেষ্ঠ নাগৰিক বীমা আঁচনিত কৰ ৰেহাইৰ ব্যৱস্থা লোৱা হৈছে। এম্বুলেঞ্চৰ চেছিছৰ ওপৰত আৱকাৰী শুল্ক ১২.৫ শতাংশলৈ কৰ্তন কৰা হৈছে। চিগাৰেট আৰু অন্যান্য ধঁপাত জাতীয় সামাগ্ৰীৰ ওপৰত আবকাৰী শুল্ক বৃদ্ধিৰ প্ৰস্তাৱ লৈছে। ২২ বিধ সামগ্ৰীৰ ওপৰত মুঠ বহিঃশুল্ক কৰ্তন কৰা হ'ব। ১০০০ টকাৰ তলৰ চামৰাৰ তৈয়াৰী জোতা, চেণ্ডেল আৰু বেগজাতীয় সামগ্ৰীৰ ওপৰত আবকাৰী শুল্ক ৬ শতাংশলৈ কৰ্তন হব। প্ৰযুক্তিগত সেৱাৰ ওপৰত ৰয়েল্টি মাচুলৰ আয়কৰ ১০ শতাংশ হ্ৰাস কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

ভাৰতৰ অৰ্থনীতিৰ দ্ৰুত উন্নয়নৰ উদ্দেশ্যে বিত্তমন্ত্ৰী জেটলীয়ে বিনিয়োগ বৃদ্ধিৰ ওপৰত আৰু আন্তঃগাঁথনি বিকাশত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। আন্তঃগাঁথনি খণ্ডত বাজেটত ৭০,০০০ কোটি টকাৰ পুঁজি আবন্টণ কৰিছে। ৰাজহুৱা খণ্ডৰ লগতে ব্যক্তিগত খণ্ডৰ সংযোজনৰ আৰ্হিত আন্তঃগাঁথনি বিনিয়োগ বৃদ্ধিৰ লক্ষ্য গ্ৰহণ কৰিছে। এইমৰ্মে নাৰ্বাডৰ জৰিয়তে গ্ৰাম্য আন্তঃগাঁথনিলৈ ২৫,০০০ কোটি টকা আবন্টন কৰি আহিবলগীয়া বৰ্ষটোত গ্ৰাম্য আৰু চহৰ অঞ্চলত মুঠ ১ লাখ পথ নিৰ্মাণৰ লক্ষ্য গ্ৰহণ কৰিছে। বাজেটত ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনি পুঁজি গঠন কৰিবলৈ ২০,০০০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। শক্তি খণ্ডৰ বিকাশৰ বাবে ১ লাখ কোটি টকা ব্যয় সাপেক্ষে ৫ টা অত্যাধুনিক বৃহৎ শক্তি প্ৰকল্প স্থাপনৰ লক্ষ্য গ্ৰহণ কৰা হয় আৰু প্ৰতিটো প্ৰকল্পই ৪,০০০ মেগাৱাটকৈ বিদ্যুৎ উৎপাদন কৰিব বুলি আশা কৰা হৈছে। বৈদ্যুতিক বাহন নিৰ্মাণক উৎসাহ দিবলৈ ৭৫ কোটি টকা নিৰ্ধাৰণ কৰা হয়। পাৰিপাৰ্শ্বিকতাৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই বাজেটত বিত্ত মন্ত্ৰী জেটলীয়ে বিকল্প শক্তি উৎপাদন ব্যৱস্থা যেনে- সৌৰ বতাহ, জৈৱিক বিদ্যুৎ প্ৰকল্পৰ জৰিয়তে ২০২২ চনৰ ভিতৰত ১.৭৫ লাখ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে।

বাজেটত কৃষিখণ্ডত বিনিয়োগ বৃদ্ধিত গুৰুত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় কৃষি বজাৰ গঠনৰ লগতে কৃষি উৎপাদন বৃদ্ধিৰ ব্যৱস্থা লোৱা হৈছে। জলসিঞ্চন কৰা অঞ্চলৰ ভূমিৰ পৰিমাণ বৃদ্ধিৰ লক্ষ্য গ্ৰহণ কৰা হৈছে আৰু জলসিঞ্চন আঁচনিলৈ ৩,০০০ কোটি টকা আবন্টণ কৰা হ'ব। কৃষি ঋণৰ পৰিমাণ ৮.৫ লাখ কোটি টকা ধাৰ্য্য কৰা হৈছে। সামাজিক আৰু শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে ভাৰতৰ বিভিন্ন ৰাজ্যত একাধিক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপনৰ কথা ঘোষণা কৰিছে। জম্মু-কাশ্মীৰ আৰু অন্ধ্ৰ প্ৰদেশত আই আই এম আৰু কৰ্ণাটকত আই আই টি স্থাপনৰ লক্ষ্য গ্ৰহণ কৰিছে। অসম, হিমাচল প্ৰদেশ, তামিলনাডু, পঞ্জাৱ আৰু জম্মু-কাশ্মীৰত এইমছ স্থাপনৰ কথা ঘোষণা কৰিছে। আৰুণাচল প্ৰদেশত চলচিত্ৰ প্ৰতিষ্ঠান আৰু নাগালেণ্ডত বিজ্ঞান আৰু শিক্ষা

গৱেষণা প্ৰতিষ্ঠানৰদ্বাৰা উত্তৰ পূবৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰে বাজেটখনত। তদুপৰি সমগ্ৰ দেশখনত ৮০ হাজাৰ খন মাধ্যমিক বিদ্যালয় উন্নীতকৰণ কৰাৰ ওপৰত ব্যৱস্থা লোৱাৰ কথা উল্লেখ আছে।

সামাজিক খণ্ডৰ উন্নয়নৰ কাৰণে জন-ধন যোজনাৰ বাবে ১,৫৪,০০০ ডাকঘৰ ব্যৱহাৰ কৰা হ'ব। বাজেটত ২০২২ চনত দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ সংখ্যক বৰ্ষপূৃতি উপলক্ষে গ্ৰহণ কৰা ব্যৱস্থাসমূহ হ'ল প্ৰতিটো পৰিয়ালৰ বাবে এটা ঘৰ থাকিব য'ত নগৰ অঞ্চলত ২ কোটি আৰু গ্ৰামাঞ্চলত ৪ কোটি ঘৰ নিৰ্মাণ হ'ব।প্ৰতিঘৰত ২৪ ঘন্টাই বিদ্যুতৰ ব্যৱস্থা, বিশুদ্ধ খোৱাপানী যোগান, এটাকৈ শৌচাগাৰ আৰু পথ যোগাযোগৰ সুবিধা লাভ কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও প্ৰতিখন গাঁও আৰু চহৰত চিকিৎসালয় তথা ৫ কিলোমিটাৰ ব্যৱধানত এখনকৈ মাধ্যমিক বিদ্যালয় স্থাপনৰ লক্ষ্য গ্ৰহণ কৰা হ'ব বুলি বাজেটত উল্লেখ কৰে। বিত্তমন্ত্ৰীয়ে ৰাজসাহায্যৰ অপব্যৱহাৰ হ্ৰাস কৰাৰ বাবেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে। তেওঁ ভাষণৰ জৰিয়তে সমাজৰ ধনী শ্ৰেণী আৰু সাংসদ সকলক ৰাজসাহায্য যুক্ত এল পি জি চিলিণ্ডাৰ গ্ৰহণ নকৰিবলৈ আহ্বান জনায়। অনুসূচিত জাতি-জনজাতিৰ বাবে বৃহৎ পৰিমাণৰ পুঁজিৰ আবন্টণ দি এনে উদ্যোগীৰ বাবে ২০,০০০ কোটি টকাৰ মুদ্ৰা বেংক স্থাপনৰ কথা উল্লেখ কৰিছে। সমাজৰ মহিলাসকলৰ সুৰক্ষাৰ কাৰণেও নিৰ্ভয়া পুঁজিলৈ অতিৰিক্ত এহাজাৰ কোটি টকা আবন্টণ কৰা হয়। ধনৰ অভাৱত উচ্চ শিক্ষা গ্ৰহণৰ পৰা যাতে কোনো শিক্ষাৰ্থী বাদ নপৰে তাৰ কাৰণে প্ৰধান মন্ত্ৰী বিদ্যালক্ষ্মী আঁচনি ঘোষণা কৰা হৈছে। এই আঁচনিৰ জৰিয়তে দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰিব। নিবনুৱা যুৱকসকলক কৰ্ম উপযোগী কৰাৰ উদ্দেশ্যে দক্ষতা অভিযান আৰম্ভ কৰা হ'ব যাৰদ্বাৰা ২৫ বছৰৰ তলৰ (মুঠ জনসংখ্যাৰ ৫৪শতাংশ) লোকে দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয় প্ৰশিক্ষণ লাভ কৰিবলৈ সক্ষম হ'ব। সাম্প্ৰতিক সময়ত উৰ্দ্ধত থকা সেৱা আৰু নিৰ্মাণ খণ্ডই উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ সক্ষম হব বুলি আশা কৰা হৈছে। সংখ্যালঘু যুৱক-যুৱতীৰ বাবে ঘোষণা কৰা 'নয়ী মঞ্জিল' নামৰ আঁচনিৰদ্বাৰা তেওঁলোকৰ নিয়োগ নিশ্চিত কৰাৰ ব্যৱস্থা কৰা হ'ব আৰু ২০১৫-১৬ বৰ্ষৰ বাবে ৩,৭৩৮ কোটি টকা ধাৰ্য কৰিছে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত। গ্ৰাম্য যুৱকসকলৰ নিয়োগৰ বাবে দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল আঁচনিখন ঘোষণা কৰি বাজেটত ১,৫০০ কোটি টকা ধাৰ্য্য কৰিছে। দীৰ্ঘকালীন গ্ৰাম্য ঋণ পুঁজিৰ বাবদ ৪,৫০০ কোটি টকা আৰু হ্ৰস্বকালীন সমবায় গ্ৰাম্য ঋণ পুনৰ বিত্তপুঁজিৰ বাবদ ১৫ হাজাৰ কোটি টকা বাজেটত ধাৰ্য কৰিছে। কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ কৃষি ভূমিৰ গুণাগুণ বৃদ্ধিৰ বাবে 'ভূমি স্বাস্থ্য কাৰ্ড' নামৰ আঁচনি প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হয়। এম জি এনৰেগা আঁচনিৰ কাৰণে ৫ হাজাৰ কোটি টকা আবন্টণ দিয়া হ'ব। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল জেটলীৰ বাজেটখনত বহুতো নতুন আঁচনি গ্ৰহণ কৰিছে আৰু ইয়াৰ জৰিয়তে ভাৰতৰ জনগণৰ মংগল সাধন হ'ব বুলি আশা কৰিব পাৰি।

বিভিন্ন দিশৰ পৰা পৰ্য্যবেক্ষণ কৰিলে ইয়াক এখন পূৰ্ণাংগ তথা সকলো খণ্ডই গুৰুত্ব লাভ কৰা উপযুক্ত বাজেট বুলিব পাৰি। ১২১ কোটি ভাৰতীয় জনগণক সন্তুষ্ট কৰিবলৈ বিত্তমন্ত্ৰী অৰুণ জেটলীয়ে এখন সুন্দৰ বাজেট উপস্থাপন কৰিবলৈ সক্ষম হৈছে। অৰ্থনীতিৰ সকলো খণ্ডই কম-বেছি পৰিমাণে বাজেটখনত গুৰুত্ব লাভ কৰিছে। প্ৰতিটো খণ্ডৰ উন্নয়নৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে। বিত্তমন্ত্ৰীয়ে বাজেটখনত প্ৰতিটো স্তৰৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি যদি সঠিকভাৱে ৰূপায়ণ কৰিবলৈ সক্ষম হয় তেতিয়া অনাগত দিনত ভাৰতৰ অৰ্থনীতি পৃথিৱীৰ উন্নত দেশ সমূহৰ লগত ফেৰ মাৰি আৰু অধিক আগুৱাই যাবলৈ সক্ষম হ'ব। ৰাজ্যসমূহক কেন্দ্ৰৰ সম অংশীদাৰ কৰা বিষয়টোৰ ফলত দেশখনৰ লগতে সমগ্ৰ ৰাজ্যৰ উন্নয়নৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। দেশৰ বিনিয়োগ আৰু উৎপাদন বৃদ্ধিৰ জৰিয়তে বিকাশৰ হাৰ বৃদ্ধিৰ বাবে কৰ্প'ৰেটৰ কৰ কৰ্তনৰ ফলত উদ্যোগী আৰু বিনিয়োগকাৰী সকলক উৎসাহিত কৰাটোত বাজেটখনৰ এটা ধনাত্মক দিশ প্ৰতিফলিত হৈছে। আনহাতে একে সময়তে দৰিদ্ৰতা দূৰীকৰণ, নিয়োগ সৃষ্টিকৰণ, কৃষকৰ বিকাশৰ নামত লোৱা বিভিন্ন আঁচনি, সৰ্বসাধাৰণৰ জন-ধন আঁচনি, এম জি এনৰেগা আঁচনি আদিৰ দ্বাৰা দেশখনৰ দৰিদ্ৰতা দূৰীকৰণ আৰু নিবনুৱা হ্ৰাসকৰণৰ বিষয়সমূহ গুৰুত্বসহকাৰে লোৱাত বাজেটখনৰ জনমুখী দিশটো সুন্দৰভাৱে প্ৰতিফলিত হৈছে। উদ্যোগৰ সংখ্যা বৃদ্ধিৰ প্ৰক্ৰিয়াৰে নিবনুৱাৰ কৰ্মসংস্থাপনে দেশখনৰ উন্নয়নত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। স্ব-নিয়োজন আঁচনি, প্ৰশিক্ষণ আৰু শিক্ষাৰ বিস্তাৰে বাজেটখনৰ এটা ইতিবাচক দিশ উন্মোচিত কৰিছে। সুস্থিৰ কৰ ব্যৱস্থা আৰু বিত্তীয় সংস্কাৰে বিকাশৰ গতি খৰতকীয়া কৰিবলৈ সক্ষম হ'ব। বাজেটত সামাজিক সুৰক্ষা ব্যৱস্থাৰে দৰিদ্ৰ, মধ্যবিত্ত, পেঞ্চনভোগী, জ্যেষ্ঠ নাগৰিক ইত্যাদি সকলোকে গুৰুত্ব প্ৰদান কৰাটো প্ৰশংসনীয়।

বাজেটখনত উত্তৰ-পূৰ্বাঞ্চলৰ শৈক্ষিক দিশটোক উৎসাহিত কৰাৰ লগতে অসমৰ বিশেষ শ্ৰেণীৰ ৰাজ্যৰ মৰ্যাদা বাহাল ৰাখিছে। কেন্দ্ৰৰ পৰা লাভ কৰা

পুঁজিৰ বৰ্ধিত পৰিমাণ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও লাভ কৰিব। আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে দীৰ্ঘকালীন পৰিকল্পনাৰ পৰা যি বিকাশ ভাৰতত আশা কৰা হৈছে তাৰ সুফল অসম তথা উত্তৰ-পূৰ্বাঞ্চলেও লাভ কৰিব। উত্তৰ-পূৰ্বাঞ্চললৈ কেন্দ্ৰৰ পৰা আবন্টিত ধন যথেষ্ট পৰিমাণে আছে, কিন্তু তাৰ সঠিক ব্যৱহাৰ কৰা নহয়। সেই ধনৰাশিৰ সঠিক ব্যৱহাৰ যাতে হয় তাক গুৰুত্ব সহকাৰে লোৱা প্ৰয়োজন। যদিও কিছুমান দ্ৰব্য আৰু সেৱাৰ দৰস্তৰ বৃদ্ধি হৈছে আনহাতে কিছুমানৰ দাম কমাৰ ফলত জনসাধাৰণে কিছু পৰিমাণে সকাহ পাব বুলি ভবাৰ থল আছে। বিভিন্ন দিশ পৰ্যবেক্ষণ কৰিলে ২০১৫-১৬ ৰ কেন্দ্ৰীয় বাজেটখন এখন প্ৰগতিশীল, ইতিবাচক, বাস্তৱমুখী, জনকল্যাণমুখী, আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰিব পৰা এখন পূৰ্ণ ৰূপৰ বাজেট। বাজেটখনত প্ৰতিটো দিশ সামৰি গুৰুত্ব আৰোপ কৰাত এখন জনহিতকৰ বাজেট হ'ব বুলি আশা কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত কৰণীয় হ'ল দেশৰ জনসাধাৰণৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দেশখনৰ সামাজিক বিকাশৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ প্ৰতি দায়বদ্ধ হৈ তাক সফল ৰূপায়ণত নিস্বাৰ্থ সহযোগ কৰা।

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

এপ্ৰিল ২০১৫ ঃ **পণ্য উৎপাদন খণ্ড**

মে' ২০১৫ ঃ **পৰ্য্যটন খণ্ড**

জুন ২০১৫ ঃ **বিকল্প ঔষধ**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ২০১৫-১৬ বৰ্ষৰ সাধাৰণ বাজেটত সামাজিক সুৰক্ষা ঃ এটি অৱলোকন

***সূৰ্য চুতীয়া**

কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে সংসদত প্ৰতি বছৰৰ ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে আগন্তুক বিত্তীয় বৰ্ষৰ বাবে সাধাৰণ বাজেট উত্থাপন কৰে। সাধাৰণ বাজেটখনে চৰকাৰৰ কাৰ্যকলাপৰ প্ৰতিফলন কৰাৰ উপৰিও সামগ্ৰিকভাৱে দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ লক্ষ্য আৰু গতিধাৰাও নিৰ্ণয় কৰে। বাজেটখনৰ লগতে সংসদত উত্থাপন কৰা পূৰ্বৰ বছৰৰ অৰ্থনৈতিক সমীক্ষাও সমানে গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে প্ৰকৃততে দেশৰ ভৱিষ্যতৰ অৰ্থনৈতিক আৰু সামাজিক কৰ্মৰাজি সঠিকভাৱে নিৰ্ধাৰণ কৰিব পাৰি। গতিকে দেশৰ সাধাৰণ বাজেটখন চৰকাৰৰ বছৰেকীয়া আয়-ব্যয়ৰ খতিয়ান হোৱাৰ উপৰিও দেশৰ ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ নথি ৰূপে পৰিগণিত হয়।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেট্‌লীয়ে যোৱা ২৮ ফেব্ৰুৱাৰী তাৰিখে সংসদত ২০১৫-১৬ বৰ্ষৰ সাধাৰণ বাজেটখন উত্থাপন কৰে। কেন্দ্ৰত সংখ্যাগৰিষ্ঠতা লৈ বিজেপিৰ নেতৃত্বত এন ডি এ চৰকাৰ গঠন হোৱাৰ পাচত এইখনেই পূৰ্ণাংগ বাজেট হোৱাৰ বাবে দেশৰ সকলো শ্ৰেণীৰ লোকে অতি আগ্ৰহেৰে বাজেট-খনলৈ অপেক্ষা কৰিছিল। উত্থাপিত হোৱাৰ পাচত বাজেটখনৰ সন্দৰ্ভত অৱশ্যে বিভিন্ন অৰ্থনীতিবিদ, শিক্ষাবিদ, উদ্যোগবিদ-সকলে ভিন্ ভিন্ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এইটো সত্য যে, ভাৰতৰ দৰে এখন বিশাল বৈচিত্ৰ্যপূৰ্ণ দেশত বাজেট এখনে সকলো শ্ৰেণীৰ লোকক সমানে সন্তুষ্ট কৰিব পৰাটো সম্ভৱ নহয়। ২০১৫-১৬ বৰ্ষৰ সাধাৰণ বাজেটৰ উল্লেখযোগ্য দিশসমূহ হৈছে—

— বাজেটত ১৭.৭৮ লাখ কোটি টকা (প্ৰায় ৩০০ বিলিয়ন মাৰ্কিন ডলাৰ) নিৰ্দ্ধাৰণ। ইয়াৰে পৰিকল্পনা বৰ্হিভূত (নন-প্লেন) শিতানত ১,৩১২,২০০ কোটি টকা আৰু পৰিকল্পনা (প্লেন) শিতানত ধাৰ্য কৰা হৈছে ৪,৬৫,২৭৭ কোটি টকা।

—প্ৰতিৰক্ষা খণ্ডৰ বাবে ২,৪৬,৭২৭ কোটি টকা ধাৰ্য।

—শিক্ষা খণ্ডলৈ ৬৮,৯৬৮ কোটি টকা ধাৰ্য।

—গ্ৰমোন্নয়নৰ শিতানলৈ ৭৯,৫২৬ কোটি টকা ধাৰ্য।

—নিৰ্ভয়া পুঁজিৰ বাবে পুনৰ এহেজাৰ কোটি টকা ধাৰ্য।

—কৰ্প'ৰেট খণ্ডৰ কৰ অহা চাৰি বছৰত ৩০ শতাংশৰ পৰা ২৫ শতাংশলৈ হ্ৰাস।

—ক'লা ধনৰ বিৰুদ্ধে নতুন আইন প্ৰণয়নৰ প্ৰস্তাৱ।

—আয়ৰ ক্ষেত্ৰত ফাঁকি দিয়া ব্যক্তিক দহ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ডৰ প্ৰস্তাৱ। এই অনুসৰি বেনামী সম্পত্তিৰ বিৰুদ্ধে এখন আইন প্ৰৱৰ্তনৰ প্ৰস্তুতি।

— এক লাখ টকাৰ ওপৰৰ সকলো ধৰণৰ সা-সম্পত্তি ক্ৰয়ৰ ক্ষেত্ৰত 'পান' বাধ্যতামূলক।

— সামগ্ৰিকভাৱে সেৱা কৰ ১২.৩৬ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি।

— অসমকে ধৰি পঞ্জাৱ, জম্মু-কাশ্মীৰ, তামিলনাডু, বিহাৰ আৰু হিমাচল প্ৰদেশত একোখনকৈ এইমছ্ স্থাপনৰ প্ৰস্তাৱ।

— বছৰি ১২ টকা প্ৰিমিয়ামেৰে ২ লাখ টকাৰ বীমা সুবিধা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা।

— সম্পত্তি কৰ প্ৰত্যাহাৰ। আনহাতে বছৰি এক কোটি টকাতকৈ অধিক উপাৰ্জন কৰা (অতি চহকী) সকলৰ ক্ষেত্ৰত ২ শতাংশ উপকৰ।

— ব্যক্তিগত আয়কৰৰ হাৰ অপৰিৱৰ্তিত। আয়কৰৰ স্তৰৰ ক্ষেত্ৰতো কৰা হোৱা নাই কোনো পৰিৱৰ্তন।

— স্বাস্থ্য বীমা প্ৰিমিয়ামৰ ক্ষেত্ৰত কৰ কৰ্তনযোগ্য সীমা বৰ্তমানৰ ১৫ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি।

— আৰ্থিকভাৱে দুৰ্বল নাগৰিকৰ বাবে অটল পেঞ্চন যোজনা।

— অভাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে সম্পূৰ্ণৰূপে আই আই টি আধাৰিত সাহাৰ্য প্ৰদান।

— সংখ্যালঘু নিৱনুৱা যুৱক-যুৱতীৰ বাবে নঈ মঞ্জিল যোজনাৰ প্ৰস্তাৱ।

— প্ৰধানমন্ত্ৰী গ্ৰাম্য জনসিঞ্চন আঁচনিৰ ঘোষণা।

— ২০২২ চনৰ ভিতৰত দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্য।

দেশৰ সকলো শ্ৰেণীৰ লোকৰ সামাজিক সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বাজেটখনত সামাজিক নিৰাপত্তা সম্পৰ্কীয় একাধিক আঁচনিৰ ৰূপায়ণৰ সিদ্ধান্ত লোৱা হৈছে। দেশৰ কোনো দুখীয়া নাগৰিকে ৰোগ, দুৰ্ঘটনা আৰু বৃদ্ধ অৱস্থাত যাতে আৰ্থিক

*সূৰ্য চুতীয়া তিনিচুকীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

নিৰাপত্তাহীনতাত নোভোগে তাৰবাবে কেতবোৰ বিশেষ সামাজিক নিৰাপত্তা আঁচনি এই বাজেটত গ্ৰহণ কৰা হৈছে। এইটো বাজেটখনৰ এটি ইতিবাচক দিশ হিচাপে বিবেচনা কৰিব পাৰি। অটল পেঞ্চন যোজনাৰ অধীনত বীমাকাৰীয়ে নিজৰ অৰিহণাৰ ওপৰত ভিত্তি কৰি পেঞ্চন লাভ কৰিব। এজন ব্যক্তিয়ে পেঞ্চন ফাণ্ডত জমা ৰখা মুঠ ধনৰ ৫০ শতাংশ এই যোজনাৰ জৰিয়তে চৰকাৰে প্ৰদান কৰিব। আৰ্থিকভাৱে দুৰ্বল নাগৰিকসকল ইয়াৰ জৰিয়তে বিশেষভাৱে উপকৃত হোৱাৰ উপৰিও বীমাকৰণৰ বাবে উৎসাহ পাব বুলি আশা কৰিব পাৰি। একেদৰে, দেশৰ প্ৰতিজন নাগৰিকৰ সামাজিক সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে 'জীৱন জ্যোতি বীমা যোজনা' শীৰ্ষক আন এখন নতুন বীমা আঁচনি ৰূপায়ণৰ প্ৰস্তাৱো বাজেটখনত সন্নিৱিষ্ট কৰা হৈছে। এই আঁচনি অনুসৰি ১৮ বছৰৰ বয়সৰ পৰা ৫০ বছৰ বয়সৰ যিকোনো ব্যক্তিয়ে বছৰত মাত্ৰ ৩৩০ টকা প্ৰিমিয়ামৰ বিপৰীতে ২ লাখ টকাৰ বীমাৰ সুবিধা লাভ কৰিব। প্ৰাকৃতিক অথবা দুৰ্ঘটনাজনিত মৃত্যুৰ বাবে ইয়াৰ অধীনত ২ লাখ টকা প্ৰদান কৰা হ'ব। আন এখন এনে আঁচনি হৈছে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা। এই যোজনাৰ মতে প্ৰধানমন্ত্ৰী জন-ধন যোজনাৰ অধীনত বেংক একাউন্ট থকা সকলে বছৰি মাত্ৰ ১২ টকা অৰ্থাৎ প্ৰতি মাহে এটকাকৈ প্ৰিমিয়াম জমা কৰি ২ লাখ টকা লাভ কৰিব পাৰিব।

আনহাতে পি পি এফ, ই পি এফ আঁচনিত জমা হৈ থকা ৯ হাজাৰ কোটি টকাৰ জৰিয়তে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এটা জ্যেষ্ঠ নাগৰিক কল্যাণ পুঁজি গঠনৰো প্ৰস্তাৱ বাজেটত উল্লেখ কৰিছে। মানুহৰ গড় আয়ুস বৃদ্ধি পোৱাৰ বাবে আমাৰ দেশৰ জনগাঁথনিত ৬০ বছৰৰ ওপৰৰ অৰ্থাৎ বয়োজ্যেষ্ঠ লোকৰ সংখ্যা বৃদ্ধি পাইছে। দেশত মুঠ ১১ কোটিতকৈ অধিক বয়োজ্যেষ্ঠ লোক আছে। এওঁলোকৰ প্ৰায় ৯০ শতাংশই অসংগঠিত খণ্ডৰ সৈতে জড়িত। দাৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰায় ৩ কোটি বয়োজ্যেষ্ঠ লোকে ৫০০ টকা বৃদ্ধ পেঞ্চন পায় যদিও বাকী প্ৰায় ৭ কোটি বয়োজ্যেষ্ঠ লোক এতিয়াও বৃদ্ধ পেঞ্চনৰ আওতাৰ বাহিৰতে আছে। বাজেটত উল্লেখ কৰা জ্যেষ্ঠ নাগৰিক কল্যাণ পুঁজি গঠনৰ জৰিয়তে বয়োজ্যেষ্ঠ লোকসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰিব পাৰি। অৱশ্যে, এই কল্যাণ পুঁজিৰ ধনৰাশিৰ পৰিমাণ পৰ্য্যাপ্ত কৰাৰ লগতে সফল ৰূপায়ণৰ দিশত মনোনিবেশ কৰা উচিত,যাতে দেশৰ সকলোকে মৰ্য্যাদা সহকাৰে জীৱনৰ অন্তিম কালছোৱা অতিবাহিত কৰিব পাৰে। এইটো সকলোৰে কাম্য।

একেদৰে সংখ্যালঘু শ্ৰেণীসমূহৰ অন্তৰ্গত নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে 'নঈ মঞ্জিল' শীৰ্ষক এখন শিক্ষা সম্পৰ্কীয় কল্যাণমূলক আঁচনি ৰূপায়ণৰ প্ৰস্তাৱো বাজেটত সন্নিৱিষ্ট কৰা হৈছে। এই আঁচনিৰ অধীনত শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ নথকা অৰ্থাৎ হাইস্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ নোহোৱা সংখ্যালঘু শ্ৰেণীৰ যুৱক-যুৱতীসকলৰ নিয়োগৰ সুযোগ দিয়া হ'ব। ইয়াৰ বাবে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰাণালয়ৰ অধীনত ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে ৩৭৩৮ কোটি টকা ধাৰ্য কৰা হৈছে। দেশৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে নেশ্বনেল ইনভেষ্টমেন্ট এণ্ড ইনফ্ৰাষ্ট্ৰক্‌চাৰ ফাণ্ড আৰম্ভ কৰা হ'ব। উদ্ভাৱন বৃদ্ধি কৰাৰ স্বাৰ্থত নীটি'ৰ অধীনত অটল ইন'ভেশ্বন মিছন নামৰ আঁচনিৰ ৰূপায়ণ কৰা হ'ব। নিবনুৱাসকলক স্বনিয়োজনৰ সুবিধা দিয়াৰ স্বাৰ্থত ছেল্‌ফ এমপ্লয়মেন্ট এণ্ড টেলেন্ট ইউটালাইজেশ্বন নামৰ আঁচনি গ্ৰহণ কৰা হ'ব। গ্ৰাম্য যুৱকসকলক কৰ্মত নিয়োগ কৰাৰ উদ্দেশ্য আগত ৰাখি দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনাৰ কথা ঘোষণা কৰিছে। এই যোজনাৰ বাবদ বাজেটত ১,৫০০ কোটি টকা আবন্টন দিয়া হৈছে বুলি বিত্তমন্ত্ৰী অৰুণ জেট্‌লীয়ে ঘোষণা কৰে। একেদৰে গ্ৰাম্যাঞ্চলৰ নিবনুৱাসকলৰ নিশ্চিত নিয়োগৰ সুবিধা সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্যৰে এম জি এনৰেগাৰ শিতানলৈ আধাৰিত পুঁজিৰ পৰিমাণ ৫ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা, মহিলা সুৰক্ষাৰ ক্ষেত্ৰত নিৰ্ভয়া পুঁজিৰ বাবে বাজেটত পুনৰ এহাজাৰ কোটি টকা ধাৰ্য কৰা আদিও সামাজিক সুৰক্ষাৰ আন কিছুমান উল্লেখযোগ্য দিশ বুলি ক'ব পাৰি।

সামাজিক সুৰক্ষাই বাজেটখনত যথেষ্ট গুৰুত্ব লাভ কৰিছে। এই দিশৰ পৰা ২০১৫-১৬ বৰ্ষৰ বিত্তীয় সাধাৰণ বাজেটখন এখন আশাপ্ৰদ বাজেট হিচাপে গণ্য কৰিব পাৰি। অৱশ্যে মনত ৰখা উচিত যে বাজেটত আঁচনি গ্ৰহণ কৰিলেই নহ'ব, চৰকাৰ তথা প্ৰশাসনে আঁচনিসমূহৰ সফল ৰূপায়ণ সুনিশ্চিত কৰি লক্ষ্যত উপনীত হ'ব পাৰিলেহে সৰ্বসাধাৰণ ৰাইজ উপকৃত হ'ব। অসমত এই ক্ষেত্ৰত বহু সংস্কাৰৰ প্ৰয়োজন আছে।

# ৰে'ল বাজেট ঃ ২০১৫-১৬

* নৰকান্ত বৈশ্য

ভাৰতবাসীলৈ ' অচ্ছে দিন' কঢ়িয়াই অনাৰ প্ৰতিশ্ৰুতিৰে দিল্লীৰ মচনদ দখল কৰা নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰখনৰ প্ৰথমখন পূৰ্ণাংগ ৰে'ল বাজেট লোকসভাত দাখিল কৰি ৰে'ল মন্ত্ৰী সুৰেশ প্ৰভাকৰ প্ৰভুৱে ব্যতিক্ৰম চিন্তাধাৰাৰ পৰিচয় দিছে। যোৱা ২৬ ফেব্ৰুৱাৰীৰ দিনা লোকসভাত দাখিল হোৱা এই ৰে'ল বাজেটখন পূৰ্বৰ বহু ৰে'ল বাজেটতকৈ পৃথক বুলি ইতিমধ্যে অৰ্থনৈতিক আৰু ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে। তীব্ৰ বিত্তীয় সংকটত জৰ্জৰিত ভাৰতীয় ৰে'লৰেক সকাহ দিয়াৰ উদ্দেশ্যে প্ৰস্তাৱিত এই ৰে'ল বাজেটখনত কোনো বিশেষ অঞ্চলক গুৰুত্ব দি ৰাজনৈতিক মুনাফা লুটাৰ চেষ্টা কৰা হোৱা নাই বুলি বহুতো বিশেষজ্ঞই মত পোষণ কৰিছে। ৰে'লৰ সামগ্ৰিক উন্নয়নৰ বাবে বিনিয়োগ কাৰীক আকৃষ্ট কৰাৰ সমান্তৰালভাৱে যাত্ৰীৰ সা-সুবিধা আৰু নিৰাপত্তাক গুৰুত্ব দিয়াৰ লগতে অত্যাধুনিক তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰক এই বাজেটত অগ্ৰাধিকাৰ দিয়া হৈছে। ৰে'লমন্ত্ৰী গৰাকীয়ে নিজৰ বাজেট ভাষণত উল্লেখ কৰে যে এখন বাস্তৱসন্মত বাজেট প্ৰস্তুতৰ স্বাৰ্থত তেওঁ কম সময়ৰ ভিতৰত বহু কেইখন ৰাজ্য ভ্ৰমণ কৰি ৰে'ল কৰ্মী, বিনিয়োগকাৰী তথা ৰে'ল যাত্ৰীসকলৰ মতামত গ্ৰহণ কৰিছে। সামাজিক মাধ্যম যোগে লাভ প্ৰায় ২০,০০০ পৰামৰ্শক গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ লগতে কিছু সংখ্যক পৰামৰ্শ বাজেটত অন্তৰ্ভুক্ত কৰাৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভাৰতীয় ৰে'লৰেৰ উত্তৰণৰ বাবে সাধাৰণ ৰাইজে প্ৰদৰ্শন কৰা আগ্ৰহক এটা শুভলক্ষণ বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে অনাগত দিনবোৰত জনগণৰ আশা- আকাংক্ষা পূৰণৰ হকে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

আগন্তুক পাঁচ বছৰত ভাৰতীয় ৰে'লৰেৰ সৰ্বাংগীন উন্নয়নৰ হকে চাৰিটা লক্ষ্য নিৰ্ধাৰণ কৰা বুলি মন্ত্ৰী গৰাকীয়ে বাজেটৰ আৰম্ভণিতে ঘোষণা কৰে। এই লক্ষ্য চাৰিটা হৈছে—

(১) পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৰাম দায়ক যাত্ৰা, উন্নত মানৰ সেৱা আৰু ৰে'লৰ গতিবেগ বৃদ্ধিৰ জৰিয়তে ৰে'লযাত্ৰীৰ অভিজ্ঞতা উন্নত কৰা।
(২) ৰে'ল যাত্ৰীৰ নিৰাপত্তা সুনিশ্চিত কৰা।
(৩) ভাৰতীয় ৰে'লৰেৰ আন্তঃগাঁথনি উন্নত আৰু আধুনিকীকৰণৰ জৰিয়তে কাৰ্যদক্ষতা বৃদ্ধি কৰা। বৰ্তমান ট্ৰেকৰ দৈৰ্ঘ্য ২০ শতাংশ বৃদ্ধিৰ জৰিয়তে দৈনিক ২কোটি ১০ লাখ যাত্ৰীৰ বিপৰীতে ৩কোটিলৈ বৃদ্ধি কৰা আৰু সামগ্ৰী পৰিবহণ ক্ষমতা ১০ কোটি টনৰ পৰা ১৫ কোটি

**নিৰাপদ যাত্ৰাৰপৰা স্বনিৰ্ভৰশীলতালৈ ৰে'লৰ উন্নয়নৰ বাবে চাৰিটা লক্ষ্যঃ**

*অহা পাঁচ বছৰৰ ভিতৰত ভাৰতীয় ৰে'লৰ উন্নয়নৰ বাবে ৰে'ল মন্ত্ৰী সুৰেশ প্ৰভুৱে চাৰিটা লক্ষ্য নিৰ্দ্ধাৰণ কৰে। লক্ষ্যকেইটা হ'ল— যাত্ৰীৰ অভিজ্ঞতাক উন্নত কৰা, নিৰাপদ যাত্ৰা সুনিশ্চিত কৰা, আন্তঃগাঁথনিৰ আধুনিকীকৰণ কৰা আৰু ভাৰতীয় ৰে'লক বিত্তীয়ভাৱে স্বনিৰ্ভৰশীল কৰি তোলা। প্ৰভুৱে কয় যে যাত্ৰীৰ অভিজ্ঞতা উন্নত কৰিবলৈ ভাৰতীয় ৰে'লে এনে ব্যৱস্থা গ্ৰহণ কৰিব, যি পৰিষ্কাৰ-পৰিচ্ছন্নতা, সেৱাৰ গুণগতমান, সা-সুবিধা সম্পৰ্কীয় উদ্বেগসমূহ দূৰ কৰিব। লগতে তেওঁ কয় যে আন্তঃগাঁথনিৰ আধুনিকীকৰণৰ লক্ষ্যৰে ভাৰতীয় ৰেলে ইয়াৰ দৈনিক যাত্ৰী বহন ক্ষমতা ২.১ কোটিৰপৰা ৩ কোটিলৈ বৃদ্ধি কৰিব, পথৰ দৈৰ্ঘ্য ২০ শতাংশ বৃদ্ধি কৰি ১,১৪,০০০ কিলোমিটাৰৰ পৰা। ১,৩৮,০০০ কিলোমিটাৰ কৰা হ'ব আৰু বাৰ্ষিক মালবাহী ক্ষমতাও ১০০ কোটিৰপৰা ১৫০ কোটি টনলৈ বৃদ্ধি কৰা হ'ব। ৰে'লযাত্ৰাক ভ্ৰমণৰ নিৰাপদ মাধ্যমৰূপে গঢ় দিয়াটোও চৰকাৰে প্ৰাথমিক গুৰুত্ব দিছে বুলি সদৰি কৰি প্ৰভুৱে কয় যে ৰে'লক বিত্তীয়ভাৱে স্বনিৰ্ভৰশীল কৰিবলৈ ই নিজৰ কাম-কাজেৰে বৃহৎ উদ্‌বৃত্ত উপাৰ্জন কৰি ইয়াৰ মূল্য অৱনমন ঘটা সম্পদসমূহ সলনি কৰিবলৈ বিনিয়োগ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ 'স্বচ্ছ ভাৰত', 'মেক ইন ইণ্ডিয়া'ৰ দৰে আঁচনিৰ ৰে'ল অবিচ্ছেদ্য অংগ বুলি তেওঁ অভিহিত কৰে।*

( * নৰকান্ত বৈশ্য উত্তৰ পূৱ সীমান্ত ৰে'লৰেৰ এগৰাকী বিষয়া)

টনলৈ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

(৪) পৰিবহণ ক্ষমতা বৃদ্ধি, খৰছৰ ক্ষেত্ৰত মিতব্যয়িতা, প্ৰকল্প নিৰ্বাচন আৰু ৰূপায়ণৰ ক্ষেত্ৰত বাস্তৱধৰ্মী চিন্তা-চৰ্চা, অধিক ৰাজহ সংগ্ৰহৰ সুযোগ সৃষ্টিৰ জৰিয়তে ভাৰতীয় ৰেল'ৱেক বিত্তীয়ভাৱে আত্মনিৰ্ভৰশীল কৰি তোলা।

ৰে'লমন্ত্ৰী গৰাকীৰ ভাষ্য অনুসৰি এই লক্ষ্যসমূহ পূৰণৰ জৰিয়তে ভাৰতীয় ৰে'লৱেক দৰিদ্ৰ জনগণৰ জীৱন নিৰ্বাহৰ পদ্ধতি উন্নয়ণৰ হকে প্ৰধানমন্ত্ৰীয়ে যোষণা কৰা স্বচ্ছ ভাৰত, মেক ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, স্কীল ইণ্ডিয়া ইত্যাদিৰ সৈতে একত্ৰিত কৰাত সহায়ক হ'ব। ভাৰতীয় ৰে'লৱেক ৰাষ্ট্ৰীয় যাতায়তৰ মাধ্যম ৰূপে গঢ় দিবলৈ ৰাজ্য চৰকাৰ সমূহৰ গুৰুত্বৰ কথা দোহাৰি ৰে'ল মন্ত্ৰী গৰাকীয়ে কয় যে ৰে'ল প্ৰকল্প সমূহৰ পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক সহযোগী ৰূপে অন্তৰ্ভুক্ত কৰা হ'ব। ইতিমধ্যে কেইবাখনো ৰাজ্যই এই ক্ষেত্ৰত নিজৰ ইচ্ছা প্ৰদৰ্শন কৰা বুলিও মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে। তদুপৰি, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ সহযোগত অত্যাৱশ্যকীয় সামগ্ৰী, যেনেঃ- কয়লা,লোৰ আকৰ, চিমেণ্ট ইত্যাদিৰ উৎপাদনৰ পৰা উপভোক্তাৰ হাতত পৰালৈ খৰতকীয়া আৰু কাৰ্যক্ষম পদ্ধতিৰ উদ্ভাৱন কৰাৰ কথাও চিন্তা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ভাৰতীয় ৰে'লক ৰাষ্ট্ৰীয় সম্পদ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে দেশৰ শেষ সীমালৈ ৰে'ল সংযোগ, ৰোলিং ষ্টকৰ প্ৰসাৰ আৰু ষ্টেচন সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ স্বাৰ্থত ব্যক্তিগত খণ্ডক অংশীদাৰিত্ব দিয়া হ'ব যদিও ই সদায় সৰ্বসাধাৰণ ভাৰতীয়ৰ সেৱা কৰি যাব আৰু ভাৰতীয় জনগণেই ইয়াৰ মালিকীস্বত্বৰ গৰাকী হৈ থাকিব। আগন্তুক পাঁচ বছৰত প্ৰায় ৮ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ লক্ষ্য নিৰ্ধাৰণৰ জৰিয়তে ভাৰতীয় ৰে'লক নতুন গতি প্ৰদান কৰাৰ সপোন ৰচা এই বাজেটখনৰ বিভিন্ন শিতানত ধাৰ্য ধনৰ পৰিমাণ হ'লঃ—

| শিতান | খৰচ (টকা) |
|---|---|
| ১) দ্বৈত লাইন নিৰ্মাণ,— বৈদ্যুতিকীকৰণ ইত্যাদিৰ দ্বাৰা ৰে'লপথ সম্প্ৰসাৰণ | ১,৯৯,৩২০ কোটি |
| ২) বৈদ্যুতিকীকৰণৰ জৰিয়তে নেটৱৰ্ক সম্প্ৰসাৰণ | ১,৯৩,০০০ কোটি |
| ৩) উত্তৰ-পূৰ্বাঞ্চল আৰু কাশ্মীৰ সংযোগৰ ৰাষ্ট্ৰীয় প্ৰকল্প | ৩৯,০০০ কোটি |
| ৪) নতুন ট্ৰেক, দলং নিৰ্মাণ, ছিগনেল আৰু টেলিকমিউনিকেচনৰ জৰিয়তে নিৰাপত্তাৰ উন্নয়ণ | ১,২৭,০০০ কোটি |
| ৫) তথ্য-প্ৰযুক্তিগৱেষণা | ৫,০০০ কোটি |
| ৬) ৰে'ল ইঞ্জিন, যাত্ৰীবাহী দবা, মালবাহী দবা ইত্যাদিৰ উৎপাদন আৰু মেৰামতি | ১,০২,০০০ কোটি |
| ৭) ৰে'লযাত্ৰীৰ সা-সুবিধা | ১২,৫০০ কোটি |
| ৮) দ্ৰুতবেগী ৰে'ল আৰু এলিভেটেড ক'ৰিডৰ | ৬৫,০০০ কোটি |
| ৯) ষ্টেচন উন্নয়ন লজিষ্টিক পাৰ্ক | ১,০০,০০০ কোটি |
| ১০) অন্যান্য | ১৩,২০০ কোটি |
| মুঠ | ৮,৫৬,০২০ কোটি |

ৰে'ল মন্ত্ৰী গৰাকীয়ে দাখিল কৰা এইবাৰৰ বাজেটখনৰ উল্লেখনীয় দিশবোৰ হ'ল—

* যাত্ৰীৰ ভাৰা অপৰিৱৰ্তিত।

* নিৰ্বাচিত ১২ বিধ সামগ্ৰীৰ পৰিবহন ভাড়া ০.৮ শতাংশৰ পৰা ১০ শতাংশ পৰ্যন্ত বৃদ্ধি।

* চাৰি মাহ পূৰ্বেই আসন সংৰক্ষণৰ ব্যৱস্থা।

* ২৪ ঘন্টীয়া সৰ্বভাৰতীয় হেল্পলাইন নম্বৰ (১৩৮) কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ।

* ৰে'ল গমন-আগমনৰ বিষয়ে যাত্ৰীৰ এছ এম এছ প্ৰেৰণৰ ব্যৱস্থা

* অসংৰক্ষিত টিকট পাঁচ মিনিটৰ ভিতৰত যাত্ৰীৰ হাতত তুলি দিয়াৰ ব্যৱস্থা।

* দেশৰ ৪৫০ টা ষ্টেচনত ৱাই-ফাই নেটৱৰ্কৰ ব্যৱস্থা।

* ২৪ ঘন্টীয়া ট'ল ফ্ৰী নম্বৰ ১৮২ ৰ জৰিয়তে নিৰাপত্তাজনিত অভিযোগ গ্ৰহণ কৰা।

* যাত্ৰীৰ সা-সুবিধা বৃদ্ধিৰ বাবে ৬৭ শতাংশ অধিক পুঁজি আবন্টন।

* ১০ খন প্ৰধান চহৰত ছেটেলাইট ৰে'ল টাৰ্মিনেল স্থাপন।

* নিৰ্দিষ্ট ৰে'লত মহিলাৰ সুৰক্ষাৰ বাবে চি চি টি ভিকেমেৰা স্থাপন।

* বহু ৰে'লত আসন সংৰক্ষণৰ সময়তে আহাৰৰ বুকিং ব্যৱস্থা।

* দিল্লী-মুম্বাই আৰু দিল্লী-কলকাতাৰ মাজত এৰাতিৰ ভিতৰত যাত্ৰা সমাপ্তিৰ ব্যৱস্থা।

* ৩,৪৩৮ টা লেভেল ক্ৰছিং বিলুপ্ত কৰি ইছ্ৰোৰ সহায়ত ছেটেলাইট নিয়ন্ত্ৰিত স্বয়ংক্ৰিয় গে'টৰ ব্যৱস্থা।

* ২০০ টা ষ্টেচনক নতুনকৈ আদৰ্শ ষ্টেচন ৰূপে গঢ়ি তোলা।

* ৰে'লৰ প্ৰযুক্তিবিদ্যাৰ অধ্যয়নৰ বাবে এখন ৰে'ল বিশ্ববিদ্যালয় স্থাপন কৰা আৰু

বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত বিশেষ আসনৰ ব্যৱস্থা।

* ৯ টা ৰে'ল কৰিডৰত চলা ৰে'লৰ গতিবেগ ঘন্টাত ১৬০-২৫০ কিলোমিটাৰ লৈ বৃদ্ধি কৰা।

* বেছিভাগ ষ্টেচনত ন্যূনতম নিৰিখত বিশুদ্ধ খোৱাপানী যোগান।

* ৰে'ল বিভাগৰ বিভিন্ন ষ্টেচন/জংচনত থকা ভৱনবোৰৰ ছাদত সৌৰশক্তি আহৰণ নিকায় স্থাপন কৰি প্ৰায় ১০০০ মেগাৱাট সৌৰশক্তি আহৰণৰ লক্ষ্য নিৰ্ধাৰণ।

* ১৭ হাজাৰ নতুন জৈৱ-শৌচাগাৰ নিৰ্মাণ।

* বাধাগ্ৰস্ত নাগৰিক, জ্যেষ্ঠ নাগৰিক তথা ৰোগীৰ বাবে আই আৰ চি টি চি ৰ জৰিয়তে বিশেষ সুবিধা প্ৰদান ইত্যাদি।

অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এইবাৰৰ ৰে'ল বাজেটত বিশেষ একো আশাব্যঞ্জক ঘোষণা দেখা নগ'ল। ৰে'ল মন্ত্ৰী গৰাকীয়ে মেঘালয়ৰ সৈতে ৰে'ল সংযোগ আৰু অৰুণাচলৰ পৰা দিল্লীলৈ পোনপটীয়া ৰে'ল সংযোগৰ কথা উল্লেখ কৰাৰ লগতে অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত বৰাক উপত্যকাত ব্ৰডগজ লাইনৰ কাম সম্পূৰ্ণ কৰাৰ আশ্বাস দিয়ে। কিন্তু, দ্বৈত ৰে'লপথৰ ব্যৱস্থা, শৰাইঘাটৰ ওপৰত দ্বিতীয় খন ৰে'ল দলং, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মণ্ডলৰ বিভাজন, স্থানীয় ৰে'ল বৃদ্ধি, মেট্ৰ'ৰে'ল, ৰে'লপথৰ বৈদ্যুতি-কীকৰণ ইত্যাদি গুৰুতৰ বিষয় সমূহৰ ক্ষেত্ৰত ৰে'লমন্ত্ৰী গৰাকীক নিমাত দেখা গ'ল। তদুপৰি, ইতিমধ্যে কেইবাবছৰো ধৰি জৰীপ কৰি ৰে'ল বোৰ্ডৰ স্বীকৃতি লাভ কৰা প্ৰায় ২০ টা নতুন ৰে'ল পথৰ বাবে কোনো ধন আবন্টন দিয়া নহ'ল। এই প্ৰস্তাৱিত ৰেল পথ কেইটামান হৈছে— কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেংফুলৈ (৫৮ কিলোমিটাৰ) পাঠশালাৰ পৰা ভূটানৰ নাংলামলৈ, যোৰহাটৰ পৰা নিউ শিৱসাগৰ (৬২ কিলোমিটাৰ), চাংসাৰিৰ পৰা মঙ্গলদৈ, খাৰুপেটীয়া হৈ ওৱাঙলৈ (১৪৮ কিলোমিটাৰ), শিলঘাটৰ পৰা তেজপুৰলৈ (৩৩কিলোমিটাৰ), টিৱাপৰ পৰা লেখাপানীলৈ (৯৯ কিলোমিটাৰ), মাকুমৰ পৰা চাউলখোৱা ঘাটলৈ ইত্যাদি। এই ৰে'লপথ সমূহত প্ৰস্তাৱিত আচঁনি সমূহ বাস্তৱত ৰূপায়িত হ'লে যাতায়াত ব্যৱস্থাৰ ক্ষেত্ৰত আমুল পৰিবৰ্তনৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাট মুকলি হোৱাৰ আশা আছে।

সি যি কি নহওঁক,এই বাৰৰ ৰে'লমন্ত্ৰীয়ে ভাৰতবাসীক সচৰাচৰ দেখি অহাৰ দৰে ৰাজনৈতিক লাভালাভৰ বাবে ঘোষিত প্ৰস্তাৱতকৈ দেশ তথা ভাৰতীয় ৰে'লৱেৰ সামগ্ৰিক উন্নয়নৰ চিন্তাৰে পুষ্ট এখন ৰে'ল বাজেট উপহাৰ দিছে বুলি ক'ব পাৰি। ◇

## সংক্ষেপে ৰেল বাজেট

- ২৪ ঘন্টীয়া ট'ল ফ্ৰী নম্বৰ ১৮২ৰ যোগেদি নিৰাপত্তাজনিত অভিযোগ গ্ৰহণ।
- স্বচ্ছ ৰে'ল স্বচ্ছ ভাৰতৰ অধীনত ৰে'লৱেত পৰিষ্কাৰ-পৰিচ্ছন্নতাত সৰ্বাধিক গুৰুত্ব।
- যাত্ৰীৰ সা-সুবিধাৰ বাবে ৬৭ শতাংশ পুঁজিৰ আবন্টন।
- মহিলা যাত্ৰীৰ নিৰাপত্তাৰ বাবে নিৰ্ভয়া পুঁজিৰ অধীনত ব্যৱস্থা লোৱা হ'ব। নিৰ্দিষ্ট ৰে'লত চি চি টি ভি স্থাপন।
- ১০ খন প্ৰধান চহৰত ছেটেলাইট ৰে'ল টাৰ্মিনেল বিনিয়োগ ৮৪ শতাংশ অধিক, ৭৭ টা নতুন প্ৰকল্প।
- বহু ৰে'লত টিকট বুকিঙৰ সময়তে আহাৰ অৰ্ডাৰৰ ব্যৱস্থা।
- দিল্লী-মুম্বাই আৰু দিল্লী-কলকাতাৰ মাজত যাত্ৰা মাত্ৰ এৰাতিৰ হ'ব।
- ইছৰোক জড়িত কৰোৱা হ'ব, ৩,৪৩৮ টা লেভেল ক্ৰছিং উঠাই দিয়া হ'ব।
- বেছিভাগ ষ্টেচনতে ন্যূনতম নিৰিখত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা।
- যাত্ৰীৰ ভাৰা অপৰিৱৰ্তিত।
- নিৰ্বাচিত সামগ্ৰীৰ ভাৰা বৃদ্ধি।
- চাৰি মাহ পূৰ্বেই টিকট বুকিঙৰ ব্যৱস্থা।
- নতুনকৈ ১৭ হেজাৰ জৈৱ-শৌচাগাৰৰ ব্যৱস্থা কৰা হ'ব।
- ২৪ ঘন্টীয়া সৰ্বভাৰতীয় হেল্প লাইন নম্বৰ কাৰ্যকৰী কৰা হ'ব, নম্বৰটো ১৩৮।
- যাত্ৰী/নাগৰিকৰ অভিযোগৰ বাবে মোবাইল এপ ব্যৱহাৰ কৰা হ'ব।
- সংৰক্ষণ অবিহনে যাত্ৰা কৰা লোকে পাঁচ মিনিটতে টিকেট ক্ৰয় কৰিবপৰা ব্যৱস্থা।
- ই-টিকেটিঙে কাকতবিহীন ব্যৱস্থাৰ সূচনা কৰিব।
- ৰে'ল গমন-আগমনৰ বিষয়ে যাত্ৰীক এছ এম এছৰ যোগেদি জনোৱা হ'ব।
- 'আই আৰ চি টি চি'ৰ যোগেদি বিশেষভাৱে সক্ষম, জ্যেষ্ঠ নাগৰিক আৰু ৰোগীৰ বাবে অত্যাধুনিক সুবিধা।
- নিৰ্দিষ্ট ৰে'লত ২৬ টা পৰ্যন্ত দবা সংযোজন, সাধাৰণ শ্ৰেণীৰ অতিৰিক্ত দবা।
- ৪০০ টা ষ্টেচনত ৱাইফাইৰ সুবিধা। পৰৱৰ্তী পাঁচ বছৰত ৮.৫ লাখ কোটি টকা ৰেলৱেত বিনিয়োগ কৰা হ'ব।

# তেলৰ আন্তৰ্জাতিক আৰু ঘৰুৱা মূল্যৰ গতিবিধি

*হিৰণ্ময় ৰয়, অনিল কুমাৰ, বিজয় শ্বেখাৱত

তেলৰ মূল্যৰ গতিবিধি সাম্প্ৰতিক পৰিস্থিতিৰ ঐতিহাসিক নজিৰ বিচাৰি পাবলৈ হ'লে ৭০ ৰ দশকৰ শেষৰফালে আৰু ৮০ ৰ দশকৰ আৰম্ভণিৰ ভাগত জুকিয়াই চাব লাগিব। এই সময়তে মূল্যবৃদ্ধিয়ে নিম্ন মূল্যৰ বাবে বাণিজ্যিকভাবে অচল অথবা প্ৰযুক্তিগত দিশৰ পৰা প্ৰত্যাহ্বান থকা বিভিন্ন বাণিজ্যিক খণ্ডৰ বিকাশৰ লগতে পাশ্চাত্যৰ তেল উৎপাদনত উজান আনে। ৭০ ৰ দশকৰ শেষফালে আলাস্কা আৰু উত্তৰ সাগৰৰ তেল বজাৰত বলপূৰ্বকভাবে প্ৰৱেশ কৰি আন্তঃৰাষ্ট্ৰীয় চাহিদা বিকাশত অৰিহণা যোগায়। তদুপৰি যোগানৰ গতিও ত্বৰান্বিত কৰে যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় মূল্যৰ ক্ৰমবৰ্ধমান গতি পশ্চাৎমুখী হৈ পৰে আৰু বজাৰৰ সুস্থিৰতা ঘুৰাই আনে। এই সুস্থিৰতা সহস্ৰাব্দৰ শেষলৈকে বৰ্তি থাকে।

১৯৭৩ চনত তেলৰ মূল্য বৃদ্ধি পোৱাৰ লগে লগে ও পি ই চি এ বজাৰ নিয়ন্ত্ৰকৰ ভূমিকা লয়। এই ভূমিকাৰ আঁৰত আছিল ও পি ই চি ৰ বহু নিযুত বেৰেল তেল উৎপাদন কৰাৰ ক্ষমতা যাৰ জৰিয়তে প্ৰয়োজন অনুসাৰে চাহিদা আৰু যোগানৰ ভাৰসাম্য ই ৰক্ষা কৰি চলিব পাৰিছিল। আশীৰ দশকৰ প্ৰাৰম্ভিক কালছোৱাত আন্তৰাষ্ট্ৰীয় অতিৰিক্ত উৎপাদন ক্ষমতা ও পি ই চি ৰ অতিৰিক্ত ক্ষমতা ওচৰা-ওচৰি হোৱাৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, আৰু ৰাছিয়াই মূল্যৰ কথা বিবেচনা নকৰাকৈ নিজৰ তৈলক্ষেত্ৰৰ পৰা পাৰ্য্যমানে তেল নিষ্কাষণ কৰিবলৈ লয়। অতিৰিক্ত উৎপাদন ক্ষমতাৰ সিংহভাগেই ছৌডি আৰবৰ হাতত আছিল, যিয়ে ৭০ ৰ দশকৰ শেষৰফালে তেল সংৰক্ষণৰ কথা বিবেচনা কৰি তেলৰ ৰপ্তানি বহুলাংশ হ্ৰাস কৰে। ও পি ই চি আৰু ছৌডি আৰবৰ মাজত বজাৰ নিয়ন্ত্ৰণৰ উত্তম উপায় সম্পৰ্কে বাদ-বিবাদে দেখা দিছিল। ও পি ই চি এ উৎপাদনৰ ওপৰত নিয়ন্ত্ৰণ ৰখা প্ৰয়োজন অনুসাৰে তাৰ কম-বেছি কৰাৰ ওপৰত গুৰুত্ব দিছিল। আনহাতে ছৌডি আৰবে এই পদ্ধতিৰ বিৰোধিতা কৰিছিল আৰু যোগানৰ পৰিবৰ্তে এটা নিৰ্ধাৰিত মূল্য বৰ্তাই ৰখাত গুৰুত্ব দিছিল। আন কথাত ক'বলৈ হ'লে ছৌডি আৰবে আন্তঃৰাষ্ট্ৰীয় বজাৰত স্ব-নিৰ্ধাৰিত মূল্যত তেল যোগান ধৰিব আৰু এই মূল্যৰ আধাৰত নিৰ্ণেয় চাহিদা অনুযায়ী ইয়াৰ উৎপাদন কম-বেছি কৰাটো বিচাৰিছিল। এই সিদ্ধান্তমৰ্মে ছৌডি আৰবৰ তেলৰ উৎপাদন ৭০ৰ শেষৰফালে ১০ নিযুতৰ বেৰেলৰপৰা ১৯৮৫ চনত ৩ নিযুত বেৰেললৈ হ্ৰাস কৰা হয়।

এই ক্ষেত্ৰত মূল্যৰ অৱনমনৰ কেতবোৰ সীমাবদ্ধতা আছে যাৰ ফলত উপভোগ ক্ষেত্ৰৰপৰা সৰ্বাধিক দূৰত থকা ব্যয়বহুল খণ্ডৰপৰা আৰম্ভ কৰি উৎপাদন হ্ৰাস পাবলৈ ধৰে। এনে পৰিপ্ৰেক্ষিতত মূল্যৰ গতিবিধি পশ্চাৎমুখী হোৱাৰ ওপৰি বজাৰৰ ওপৰত পৰা হেঁচা লাঘব হয়। এনেবোৰ কাৰণতে কিছুমান বিশেষজ্ঞই বিশ্বাস কৰে যে তেলৰ মূল্য যথোপযুক্ত মাত্ৰাত ৰখাটোৱে ছৌডি আৰবৰ লক্ষ্য যাতে পাশ্চাত্যৰ শক্তি উদ্যোগসমূহৰ প্ৰতি ভাবুকি সৃষ্টি নোহোৱাকৈ আৰু বজাৰত অস্থিৰাৱস্থা সৃষ্টি নকৰাকৈ যোগান নিয়ন্ত্ৰণলৈ আহে।

সম্প্ৰতি পৰিস্থিতি সম্পূৰ্ণ ভিন্ন হৈ পৰিছে। এতিয়া আৰু ছৌডি আৰবৰ অতিৰিক্ত উৎপাদন ক্ষমতা নাই। সেয়ে অতিৰিক্ত যোগানেৰে বজাৰ ওপচাই দিয়াৰ সামৰ্থও ছৌডি আৰবৰ হাতত নাই। দৰাচলতে, ভালেমান বিশেষজ্ঞই এই কথা বিশ্বাস কৰে যে ছৌডি আৰবৰ উৎপাদন ক্ষমতা বিগত কেইটামান বছৰত ইয়াৰ সৰ্বোচ্চ উৎপাদন ক্ষমতাৰ সমতুল্য অথবা কাষ চাপিছেগৈ আৰু সম্ভৱতঃ এই পৰিঘটনাক কেন্দ্ৰ কৰিয়ে ১৯৯০ ৰ পৰা তৈল খণ্ডৰ গুৰুত্বপূৰ্ণ উত্থান-পতন ঘটিছে। তদুপৰি এয়া ওলাই পৰিছে যে সংৰক্ষণ সম্পৰ্কীয় বিষয়ক লৈ সদস্যসমূহৰ মাজত হোৱা বাদ-বিবাদৰ ফলস্বৰূপে ও পি ই চি এ ইয়াৰ এসময়ৰ উৎপাদনশীলতাৰ স্বাচ্ছন্দ্য হেৰুৱাই পেলাইছে। ইয়াৰ পৰা এটা কথা স্পষ্ট হয় যে যোগানৰ দিশত ও পি ই চি ৰ হস্তক্ষেপ কৰাৰ সামৰ্থ নূন্যতম, কিয়নো ও পি ই চি-এ ভালদৰে জানে যে গুৰুতৰ কৰ্তন সম্পৰ্কত সদস্যৰাষ্ট্ৰ সমূহৰ অনুমোদন লোৱা আৰু তাৰ প্ৰতি আনুগত্য স্বীকাৰ কৰোৱাটো সম্ভৱপৰ নহয়।

আমি পাইছোঁ যে আশীৰ দশকৰ মাজভাগৰ পৰাই তেলৰ প্ৰকৃত মূল্য ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত ব্যাপক অৰ্থনৈতিক অভিঘাতৰ মূখ্য ভূমিকা পালন কৰি আহিছে। ২০০০ ৰ দশকৰ বিত্তীয় অভিঘাতেও এই ক্ষেত্ৰত অৰিহণা যোগাইছে যদিও এই দশকৰ মাজভাগৰ

ফালে এই প্ৰভাৱ লক্ষণীয়। ২০০৪-২০১০ বৰ্ষৰ সময়ছোৱাত তেলৰ প্ৰকৃত মূল্য বৃদ্ধিৰ ৬৫ শতাংশৰ ৪৪ শতাংশই বিত্তীয় অভিঘাতৰ ফল আছিল যদিও অভিঘাতৰ প্ৰভাৱ ২০০৭-০৮ বৰ্ষত অধিক আছিল। তেলৰ প্ৰকৃত মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত চাহিদাৰ দিশটো বিবেচনা কৰিলে পূৰ্বতে উল্লেখ কৰি অহাতকৈ অধিক মাত্ৰাত বিত্তীয় অভিঘাতৰ ভূমিকা দেখিবলৈ পোৱা যাব।

২০০৩ বৰ্ষৰ পাচত দেখা দিয়া মূল্য বৃদ্ধিৰ ফলস্বৰূপে পাশ্চাত্যৰ খণ্ডতো, বিশেষ অপৰম্পৰাগত উৎস যেনে শ্বেল গেছ আৰু তেল, আল্‌কাতৰা আৰু অন্যান্য গধুৰ তেলৰ উৎপাদন ক্ষীপ্ৰ গতিত হ'বলৈ ধৰে যিবোৰ কিছুদিন আগলৈকে নিষ্কাশন কৰিব নোৱৰা বিধৰ তথা অৰ্থনৈতিক দিশৰপৰা অযোগ্য বুলি উলাই কৰি অহা হৈছিল। উচ্চ মূল্যৰ ফলত আৱিস্কৃত হোৱা এই সম্পদ নিষ্কাশন তথা ভূ-গৰ্ভৰ শিলাৰ মাজত আবদ্ধ হৈ থকা এনে গধুৰ তেল নিষ্কাশনৰ বাবে প্ৰয়োগ কৰা প্ৰযুক্তিৰ প্ৰভাৱত আমেৰিকা যুক্তৰাষ্ট্ৰৰ তেলৰ উৎপাদন বিপৰীতমুখী হৈ পৰে। ১৯৭০ ৰ দশকৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ তেল উৎপাদন ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰে। এই পৰিমাণ ২০০৮ বৰ্ষত প্ৰতিদিনে ৫ নিযুত বেৰেল আছিল আৰু সম্পতি এই পৰিমাণ প্ৰতিদিনে ৮.৫ নিযুত হৈছে। এই বিষয়ৰ আগজাননী অনুযায়ী আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰত ২০১৬ বৰ্ষত এই পৰিমাণ প্ৰতিদিনে ৯.৫ নিযুত হ'বগৈ আৰু ইয়াৰে অতিৰিক্ত উৎপাদনৰ বেছিভাগেই অপৰম্পৰাগত উৎসৰপৰা অহা।

যুক্তৰাষ্ট্ৰৰ এই বৰ্ধিত উৎপাদন, বজাৰলৈ ইৰাকৰ অৰিহণা আৰু আফ্ৰিকাৰ আংগ'লাৰ দৰে নবীন মুখ্য উৎপাদকৰ আৱিৰ্ভাবৰ ফলত বৰ্তমানৰ বজাৰে সুস্থিৰ অৱস্থা লাভ কৰিছে। ৰাছিয়াৰ ক্ৰমবৰ্ধমান উৎপাদনৰ কথাও এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।

ৰাজনৈতিক দিশৰপৰা বিবেচনা কৰা বিশ্লেষকে এটা কথালৈ মন নিদিয়ে যে তেলৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত জটিল সমীকৰণ আৰু বিভিন্ন দিশ সোমাই আছে। এইবোৰ দিশ বিবেচনা নকৰিলে বিপৰ্যয় ঘটিব পাৰে। তেলৰ মূল্য অস্বাভাৱিকভাৱে বঢ়া-টুটা হৈ থাকিলে বজাৰৰ গাঁথনিৰ পৰিৱৰ্তন ঘটিব পাৰে।

এইক্ষেত্ৰত অতি প্ৰভাবী কাৰক হিচাপে পৰিগণিত হোৱা খণ্ডটো হৈছে গধুৰ তেলৰ নিষ্কাশন। ছৌডি আৰবত এক বেৰেল তেল নিষ্কাশন কৰোতে হোৱা ব্যয় ৩ ডলাৰতকৈ অধিক নহয়গৈ, তাৰ বিপৰীতে ভূগৰ্ভস্থ শিলাৰ মাজত আবদ্ধ হৈ থকা তেল উদ্ধাৰ কৰা বা তৰলীকৃত কৰাৰ বাবে আল্‌কাতৰা উত্তাপিত কৰা আদি অতিশয় ব্যয়বহুল কাম য'ত যথেষ্ট পৰিমাণৰ সম্পদ আৰু শক্তি ব্যয় হয়। এই কাৰণবশতঃ তেলৰ মূল্যৰ ক্ষেত্ৰত এটা পোনপটীয়া আৰু বহনক্ষম অৱনমনে বজাৰৰ পৰা এনেধৰণৰ বিকল্প ইন্ধন আতঁৰাব পাৰিলেহেতেঁন আৰু প্ৰতি বেৰেল বিনিময়ত ১০০ ডলাৰকৈ মূল্যৰ আধাৰত ঋণ লৈ ব্যৱসায় চলোৱা ভালেমান শক্তি উদ্যোগ ধুলিস্যাৎ কৰিব পাৰিলেহেতেঁন।

মেকিন্সলে আৰু কোম্পানী নামৰ শক্তি পৰামৰ্শ উদ্যোগটোৰ মত অনুযায়ী মুনাফা অটুট ৰাখিবৰ বাবে আমেৰিকাৰ শ্বেল গেছ উৎপাদনকৰ্তা কোম্পানীৰ সৰহভাগেই প্ৰতি বেৰেলত ৭৫ ডলাৰকৈ মূল্যৰ প্ৰয়োজন হয়। শক্তি উদ্যোগৰ সৈতে জড়িত উৎসৰ পৰা জানিব পৰা গৈছে যে ৮৫ ডলাৰতকৈ মূল্য কম হ'লেই তেলৰ পুঙৰ পৰা হ'বলগা উৎপাদন কমি আহিব আৰু তেনেদৰে বিনিয়োগ মাত্ৰাও হ্ৰাস পাব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূৰ্বেই কানাডিয় গধুৰ তেলৰ ক্ষেত্ৰত সংকটে দেখা দিব। অপৰম্পৰাগত কানাডিয় তেলৰ বিষয়টো কেবল তাৰ উচ্চ উৎপাদন ব্যয়ৰ সৈতেই জৰিত নহয়, ইয়াৰ উৎপাদনৰ ব্যয়ো ইয়াত সাঙুৰিব পাৰি। আনহাতে আৰবৰ পৰা তেল পৰিবহণ কৰাওতে হোৱা ব্যয়ৰ পৰিমাণ প্ৰতি বেৰেলত ৩ ডলাৰতকৈ অধিক নহয় যাৰ তুলনাত পশ্চিম কানাডাৰপৰা তেল পৰিবহণত ১২ ৰ পৰা ১৫ ডলাৰৰ ভিতৰত ব্যয় হয়।

ইয়াৰ কাৰণ এয়ে যে উপকূল তথা ৰপ্তানি বিন্দুৰ পৰা দূৰণিবটীয়া অন্তৰ্দেশীয় ঠাইত এই উৎপাদন কৰা হয়। তদুপৰি আলকাতৰা আদিৰ দৰে গধুৰ তৰলৰ পৰা নিষ্কাশন কৰা কানাডিয় তেল আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূব উপকূল বা মেক্সিক' উপসাগৰলৈ হাজাৰ হাজাৰ মাইল দীঘল পাইপলাইনৰ মাজেৰে পৰিবহণ কৰোতে যথেষ্ট শক্তি ব্যয় হয়। আকৌ শেষত নিম্ন মানৰ বাবে এই তেল ৰেহাই মূল্যত বিক্ৰি কৰিব লগা হয় আৰু বজাৰ দুৰ্বল হৈ পৰাৰ সময়ত আৰু যোগান অধিক হোৱাৰ লগে লগে ৰেহাই বাঢ়ে।

২০০৩-০৮ আৰু ২০১০-২০১১ বৰ্ষৰ সময়ছোৱাত খাৰুৱা তেলৰ নগদ মূল্য অভূতপূৰ্বভাৱে বাঢ়ে যাৰ ফলত তেলৰ মূল্য নিৰ্ণায়ক সম্পৰ্কে ৰাজহুৱা বাদ-বিবাদ তুংগত উঠে। এইক্ষেত্ৰত জনপ্ৰিয় মত এই আছিল যে অৰ্থনৈতিক মতবাদেৰে ২০০৩-০৮ আৰু ২০১০-২০১১ বৰ্ষৰ সময়ছোৱাৰ তেলৰ মূল্য বৃদ্ধিৰ বিষয়টো ৰাখ্যা কৰিব নোৱাৰি। তাৰ বিপৰীতে তেলৰ ভৱিষ্যতৰ বজাৰত হ'বলগা 'বিত্তীয়কৰণৰ' ফলত এনে ঘটিছিল য'ত বিশ্লেষকেই মূল্য নিৰ্ধাৰণত মূল ভূমিকা লৈছিল। এনে ধৰণৰ দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত ভৱিষ্যতৰ তেলৰ বজাৰ নিয়ন্ত্ৰণৰ বাবে ৰাজনৈতিক নেতাৰ পৰা আহ্বান আহিবলৈ ধৰে।

তাত্বিক দিশৰ পৰা চাবলৈ হ'লে ভৱিষ্যতৰ বজাৰৰ মূল্যই প্ৰকৃত তেল অনা

আৰু বিক্ৰি কৰা নগদ বজাৰত মূল্য বৃদ্ধি কৰাব পাৰে। কেতবোৰ অধ্যয়নে এই কথাৰ ইংগিত দিছে অথবা তাৰ সাক্ষ্য বহন কৰিছে যে কেইটামান বছৰ ধৰি নগদ আৰু ভৱিষ্যতৰ বজাৰৰ মাজৰ সম্পৰ্কৰ পৰিবৰ্তনৰ অধ্যয়নে আৰু মৌলিক বজাৰৰ বিকাশৰ ফলত মূল্যৰ বৰ্ধমান ধাৰা পৰিকল্পনাৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিল'জী, ডি এক্লেছিয়া আৰু বেন্সিভেংগাই ২০১০ বৰ্ষত চলোৱা এক অধ্যয়ন অনুযায়ী এই কথা নিশ্চিত কৰিছে যে পৰিকল্পনাৰ ফলত অত্যধিক হাৰত তেলৰ মূল্য বঢ়া-টুটা হোৱা আৰু ডলাৰ আৰু ইউৰ'ৰ মাজৰ বিনিময়ৰ ক্ৰমবৰ্ধমান হাৰৰ বিষয়ত গ্ৰাহকৰ আশংকা অমূলক নহয়। তদুপৰি, ষ্টিভেন আৰু ছেছ্নৰ ২০08 বৰ্ষৰ এটা অধ্যয়ন আৰু আচাৰ্য্যৰ ২০০9 বৰ্ষৰ এটা অধ্যয়নত এই কথাৰ সাক্ষ্য দাঙি ধৰা হৈছে যে খাৰুৱা তেলৰ ভাণ্ডাৰ আৰু ভৱিষ্যতৰ মূল্যৰ মাজত এটা যোগাত্মক যোগসূত্ৰ আছে আৰু ইয়ে নগদি বজাৰতো মূল্যৰ ওপৰত প্ৰভাৱ পেলায়।

আনহাতে ভালেমান অধ্যয়নত তেলৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত পৰিকল্পনাৰ ভুমিকা মানি লোৱা হোৱা নাই। যোগানৰ ক্ষেত্ৰত থকা অৱৰোধৰ পৰিপ্ৰেক্ষিতত আন্তঃৰাষ্ট্ৰীয় প্ৰকৃত কাৰ্য্যকলাপৰ বিকাশৰ সৈতে জৰিত বৃহৎ আৰু দৃঢ় চাহিদা অভিঘাতৰ প্ৰসংগত তেলৰ মূল্যৰ বঢ়া-টুটা বাখ্যা আগবঢ়াব পৰা যায়। লুট্‌জ কিলিয়ান,বাছাম ফাট্ট'হ আৰু লাৱণ মহাদেবৰ ২০১২ বৰ্ষৰ এটা সমীক্ষাৰ প্ৰতিবেদন মতে ভৱিষ্যতৰ আৰু নগদি মূল্যই ''সাধাৰণ অৰ্থনৈতিক মৌলিকতা''কে প্ৰতিফলিত কৰে। এই কথাৰ মজবুত সাক্ষ্য আছে যে নগদি আৰু ভৱিষ্যতৰ মূল্যৰ মাজত থকা সহ-পৰিচালনে ভৱিষ্যতৰ তেলৰ বজাৰৰ বিত্তীয়কৰণৰ পৰিৱৰ্তে সাধাৰণ অৰ্থনৈতিক মৌলিকতা প্ৰদৰ্শন কৰে।

এই খিনিতে এটা কথা উল্লেখযোগ্য যে তেলৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত থকা কাৰকসমূহ যেনে চাহিদা অভিঘাত, যোগান অভিঘাত, ভৱিষ্যতৰ মূল্য, মুদ্ৰামূল্য আদি ইটোৰ সৈতে সিটো সম্পূৰ্ণ পৃথক নহয়, এনেবোৰ কাৰক ইটোৰ সৈতে সিটো জৰিত হ'ব পাৰে অথবা এটাই আনটোৰ পৰিপূৰকৰ দৰে কৰিব পাৰে।

১৯৯৭ আৰু ২০১১ বৰ্ষৰ খাৰুৱা তেলৰ মূল্যৰ পৰিৱৰ্তন কেৱল যোগান/চাহিদাৰ ভাৰসাম্যৰ সৈতে জৰিত মৌলিক তথ্যৰ আধাৰত বাখ্যা কৰিব পৰা নাযায়। তেলৰ মূল্য বৃদ্ধিৰ ক্ষেত্ৰত অতিৰিক্ত কাৰক হিচাপে কাম কৰিব পৰা বিষয়ৰ অনুসন্ধানৰ ওপৰত এই লেখাত বিশ্লেষণ কৰা হৈছে। আজিৰ তাৰিখলৈ কৰা বিশ্লেষণ অনুযায়ী এই কথা গ্ৰহণযোগ্য নহয় যে তেলৰ মূল্যৰ ক্ষেত্ৰত পৰিকল্পনা জাতীয় বিষয়ৰ প্ৰভাৱ আছে। বিশ্লেষকে মূল্যৰ ক্ষেত্ৰত তৰলতা অনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে আৰু মূল্য ঠিৰাং কৰাত সহায়ো কৰে। কিন্তু মূল্য নিৰ্ণয়ৰ ক্ষেত্ৰত বিশ্লেষকে মূখ্য ভূমিকা লয় বুলি ক'ব নোৱাৰি। ১৯৯৭ ৰ জানুৱাৰী মাহৰ পৰা ২০১১ ডিচেম্বৰ মাহলৈ তেলৰ মূল্যৰ পৰিৱৰ্তন মৌলিক যোগান আৰু চাহিদা সম্পৰ্কীয় কাৰকৰ ফলতে ঘটিছিল।

ভাৰতবৰ্ষত সম্প্ৰতি তৈল খণ্ডত অনুসৰণ কৰা প্ৰতিযোগিতামূলক বজাৰ ক্ৰিয়াবিধিৰ ফলস্বৰূপে তেলৰ মূল্যৰ গতিবিধি আন্তঃৰাষ্ট্ৰীয় মূল্যৰ পৰিবৰ্তনৰ-দ্বাৰা প্ৰভাৱিত হৈছে। সেয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ ক্ষেত্ৰত প্ৰাসংগিক বুলি বিবেচিত হোৱা কাৰকসমূহ ভাৰতীয় বজাৰৰ শেহতীয়া গতিবিধিৰ ক্ষেত্ৰত প্ৰযোজ্য। সি যি কি নহওক, ভাৰতবৰ্ষত তেলৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত যোগানৰ দিশটো অধিক প্ৰাসংগিক বুলি বিবেচনা কৰিব পাৰি। যিহেতু এনেক্ষেত্ৰত আমি এজন যোগানকৰ্তা বিচাৰি উলিয়াব লাগিব। তদুপৰি চৰকাৰী নীতি আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক সম্পৰ্কয়ো ভাৰতৰ তেলৰ মূল্য নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত মহত্বপূৰ্ণ ভূমিকা লয়। পেট্ৰ'লিয়াম মন্ত্ৰালয়ে তেলৰ ক্ষেত্ৰত লোৱা পদক্ষেপ ভাৰতীয় বজাৰত মূল্যক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰত বিশ্লেষণমূলক প্ৰৱণতাৰ কথা স্পষ্ট কৰে। সেয়ে ২০১৫ বৰ্ষৰ বাজেটৰ পৰা তৈল খণ্ডত কৰা আশা এনেধৰণৰ যে তেলৰ মূল্য সম্পৰ্কীয় ক্ৰিয়াবিধিৰ বাবে চৰকাৰে নীতি নিৰ্ধাৰণ কৰাটো অতিকে জৰুৰী। বিকাশৰ ক্ষেত্ৰত তেল যে অত্যাৱশ্যকীয় উপাদান আৰু ভাৰতীয় অৰ্থনীতিৰ সামগ্ৰিক বিকাশ আৰু উন্নয়নৰ বাবে তেলৰ হ'বলগা বৃহৎ প্ৰয়োজন আদিৰ কথা মন্ত্ৰালয়ে সততে মনত ৰখা উচিত।

এই বিশ্লেষণত এই কথা স্পষ্ট হৈ পৰিছে যে উল্লিখিত সময়ছোৱাত তেলৰ বজাৰখন বজাৰৰ দক্ষ কল্পনাক ঠাৰৰ কৰা অনুমানৰ ভিত্তিত চলা নাই। তদুপৰি, বজাৰখনৰ ক্ষেত্ৰত বিশ্লেষণ,অতিৰিক্ত বাণিজ্য অত্যধিক বঢ়া-টুটা আদিৰ ফলত এটা বিশ্লেষণাত্মক দিশহে চকুত ভাঁহি উঠে। আচৰণমূলক তত্বৰ আধাৰতে মূল চলকসমূহ বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। এনে তত্বসমূহৰ বাখ্যা কৰাৰ সামৰ্থৰ আধাৰতে বিনিয়োগকাৰীৰ আচৰণ তথা ত্ৰুটিপূৰ্ণভাৱে মূল্য নিৰ্ধাৰণৰ দীৰ্ঘদিনীয়া অৱস্থাৰো বুজ ল'ব পৰা গ'ল। ◇

*** ড° হিৰন্ময় ৰয় ডেৰাডুনৰ য়ুনিভৰচিটি অব পেট্ৰ'লিয়াম এণ্ড এনাৰ্জি ষ্টাডিজ অৰ্থনীতি আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ বিভাগ অধ্যাপক অনিল কুমাৰ, একেখন বিশ্ববিদ্যালয়ৰে শক্তি আৰু আন্তঃগাঁথনি ব্যৱস্থাপনা বিভাগৰ মুৰব্বী আৰু বিজয় শ্বেখাৱত অষ্ট্ৰেলিয়া উচ্চ আয়োগৰ সৈতে জৰিত।**

# বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰভাৱশালী কাৰকঃ ভাৰত আৰু চীনৰ সন্দৰ্ভত তুলনামূলক অধ্যয়ন

নেহা চাইনী
মণিকা সিংহানিয়া

**পাতনি**


বিদেশী প্ৰত্যক্ষ বিনিয়োগে যি কোনো অৰ্থনীতিত অনুঘটকৰ দৰে কাম কৰে। কিছুসংখ্যক অধ্যয়নে এলফাৰো, চন্দ্ৰ, কেলেমলি-অজকেন আৰু চায়েক (২০০৪) ৰ ইংগিত দিয়াৰ দৰে বৰ্তমান বিদেশী প্ৰত্যক্ষ বিনিয়োগে অৰ্থনীতি প্ৰস্ফুটিত হোৱাৰ ক্ষেত্ৰত এটা সকলো নিৰ্ভৰ কৰা অপৰিহাৰ্য ভূমিকা গ্ৰহণ কৰে। সি যি কি নহওক, ইয়াৰ বিপৰীতে কিছুমান পৰীক্ষালব্ধ অধ্যয়নে বিদেশী প্ৰত্যক্ষ বিনিয়োগ পৰিমাণ যথেষ্ট নহয় বুলি ইংগিত দিয়ে (এবদুৰৰ মানে,২০১৪) সন্দেহাতীত ভাৱে এখন দেশৰ ওপৰত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰভাৱ সেই দেশৰ অৰ্থনীতিৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ এই অধ্যয়নত উচ্চ পৰিমাণৰ বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ সোঁত প্ৰবাহিত অসাধাৰণভাৱে উন্নয়নশীল দেশ ভাৰত আৰু চীনক সামৰি লৈছে। এনেদৰে আমি অৰ্থনৈতিক তথ্য আৰু ইয়াৰ সম্পৰ্কৰ পৰিসাংখিক বিশ্লেষণৰ জৰিয়তে ভাৰত আৰু চীনৰ বিদেশী প্ৰত্যক্ষ বিশ্লেষণৰ প্ৰভাৱশালী কাৰকৰ বিষয়ে বিশ্লেষণ কৰে। এই ক্ষেত্ৰত ভাৰত আৰু চীনক নিৰ্বাচন কৰাৰ কাৰণ হ'ল— এই দুখন দেশ বিদেশী প্ৰত্যক্ষ বিনিয়োগ প্ৰবাহৰ বাবে সমগ্ৰ বিশ্বৰ ভিতৰতে অতি আকৰ্ষণীয় ঠাই (ইউ এন চি টি এ ডি প্ৰতিবেদন, ২০০৮)। বিদেশী প্ৰত্যক্ষ বিনিয়োগ তথ্যৰ শেহতীয়া প্ৰতিবেদনৰ মতে (২০১৪), বিদেশী মূল বিনিয়োগৰ ক্ষেত্ৰত শীৰ্ষ পাঁচখন দেশৰ ভিতৰত ভাৰত আৰু চীন হ'ল অন্যতম।

চীন আৰু ভাৰতীয় অৰ্থনীতিৰ বিকাশত প্ৰভাৱিত কৰা বিদেশী প্ৰত্যক্ষ বিনিয়োগ বিশেষ উদ্ধৃতিৰে উত্তমভাৱে খাপ খোৱা মূলধন প্ৰৱাহৰ আৰ্হি চিনাক্ত কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছো। উত্তম আৰ্হি পৰীক্ষা কৰাৰ প্ৰয়োজন আছে যাতে কোনবোৰ ক'ত ভালদৰে খাপ খাই পৰিব সেই বিষয়ে জানিব পৰা যায়। বিদেশী প্ৰত্যক্ষ বিনিয়োগ বা এফ ডি আই আৰু এফ আই আই যি কোনো দেশলৈ মূলধন প্ৰবাহৰ দুটা উপাদান আৰু এইবোৰ আন্তৰ্জাতিক অৰ্থনৈতিক সংহতি আৰু উদগণিৰ নিয়ন্ত্ৰক হৈ পৰিছে। ছিংগাপুৰ, চীন আৰু কোৰিয়াৰ দৰে কেইখনমান দ্ৰুতগতিৰ বিকাশিত অৰ্থনীতিয়ে এফ ডি আই আৰু এফ আই আই ৰ আৰম্ভণিতেই বিস্ময়কৰ বিকাশত নিজৰ নাম পঞ্জীভুক্ত কৰিছে। এই মূলধন প্ৰবাহ সমূহে কেবল মূলধনৰ উৎসৰে গুৰুত্ব নিদিয়ে, ই প্ৰযুক্তিবিদ্যা তীক্ষ্ণতা হ্ৰাস আৰু সঞ্চিত দক্ষতা হ্ৰাসেৰে দেশীয় ৰাষ্ট্ৰ সমূহক সহায় কৰে। জনসংখ্যাতত্ব— লভ্যাংশৰ[1] সৈতে সজ্জিত ভাৰতীয় অৰ্থনীতি বিনিয়োগ-কাৰীক বিনিয়োগৰ বাবে আকৰ্ষণ কৰে কিন্তু নীতি খচৰাই বিদেশী বিনিয়োকাৰীৰ বাবে দূৰৱৰ্তী আকৰ্ষণ কৰিব পাৰে। এফ ডি আই আৰু অ' এফ আই আইৰ প্ৰভাৱ সমৰ্থন কৰা অজস্ৰ অধ্যয়ন সম্পাদন হৈছে। বৰেনছটেইন, ডী গ্ৰেগৰীঅ' আৰু লীয়ে (১৯৯৮) এখন দেশৰ শ্ৰমশক্তি উচ্চ শিক্ষিত হ'লে বিকাশৰ ক্ষেত্ৰত এফ ডি আইৰ ইতিবাচক প্ৰভাৱ থাকে বুলি যুক্তিসহকাৰে প্ৰমাণ কৰিছে। আনহাতে ব্লুমষ্ট্ৰ'ম, লিপ্‌ছে আৰু জিজানে (১৯৯৪) শিক্ষাক এটা সংকটপূৰ্ণ কাৰণ নহয় বুলি মূল্যায়ন কৰি এই মন্তব্যৰ বিৰোধিতা কৰিছে, তেওঁলোকে দেশখন সম্পদশালী হ'লে এফ ডি আইৰ ইতিবাচক প্ৰভাৱ পৰ্য্যবেক্ষণ কৰা হয় বুলি প্ৰমাণ কৰিছে। এই অধ্যয়নত আমি ভাৰত আৰু চীনত বিদেশী প্ৰত্যক্ষ বিনিয়োগত প্ৰভাৱ পেলোৱা পৰিৱৰ্তন সমূহ বিশ্লেষণ কৰিছোঁ। ব্যৱহাৰিক অধ্যয়ন সম্পন্ন কৰিবলৈ নিৰ্বাচিত বৃহৎ অৰ্থনৈতিক পৰিৱৰ্তনবোৰে মুঠ ঘৰুৱা উৎপাদন, বাণিজ্য মুক্ত অৱস্থা, বিদেশী মুদ্ৰাৰ হাৰ, প্ৰকৃত সুতৰ হাৰ, মুদ্ৰাস্ফীতি আৰু বৈজ্ঞানিক অগ্ৰগতি সামৰি লৈছে।

১ নং আৰ্হিত দেখুওৱাৰ দৰে ১৯৯১ চনত চীনৰ বিদেশী প্ৰত্যক্ষ

* নেহা চাইনী য়ুনিভৰচিটি অৱ দিল্লীৰ মেনেজমেন্ট ষ্টাডিৰ ফেকাল্টি তথা গৱেষক।
* মণিকা সিংহানিয়াও একেখন প্ৰতিষ্ঠানৰে একে বিভাগৰে ফেকাল্টি।

বিনিয়োগৰ পৰিমাণ আছিল ৭৯৯৩.৬ নিযুত আমেৰিকান ডলাৰ আৰু ২০১৩ চনত ইয়াৰ পৰিমাণ ২০৮২৫৩.০১ নিযুত আমেৰিকান ডলাৰ হয়গৈ আৰু ভাৰতীয় এফ ডি আই বা বিদেশী প্ৰত্যক্ষ বিনিয়োগ প্ৰবাহ তুলনা কৰিলে পোৱা যায় যে ১৬৪.০৫ নিযুত আমেৰিকান ডলাৰ ১৫৩৬১.৫ নিযুত বৃদ্ধি পায় যিটো হ'ল উচ্চ জাপ কিন্তু চীনৰ তুলনাত আমি এতিয়াও মূলধনৰ নিম্ন প্ৰবাহৰ স্তৰতে আছো।




আৰ্হি-১ চীন আৰু কৰিবলৈ অভিযোজিত এফ ডি আইৰ প্ৰবাহ

উৎসঃ World Bank Databank, & II p: lata. World bank.org/coucefy/ china and India

**তালিকা- ২ ঃ চীনৰ তথ্যৰ একে শাৰীতে থকা ভিন্নতাৰ ফলাফল**

| | এন ডি আই | এ জি ডি পি | এফ অ.আৰ ই এক্স | মুদ্ৰাস্ফীতি | পেডিন্ট | প্ৰকৃত সুদৰ হাৰ | বাণিজ্য |
|---|---|---|---|---|---|---|---|
| এ এফ ডি আই | ১ | -০.৪৫ | ০.০৪৮ | ০.৩৫ | ০.২৩ | -০.১৫ | -০.০৩ |
| এ জি ডি পি | -০.৪৫ | ১.০০ | -০.৫১৫ | -০.৫৫ | ০.১৩ | ০.৩০ | -০.৪৭ |
| এফ অ.আৰ ই এক্স | ০.০৫ | -০.৫২ | ১.০০০ | ০.১৪ | -০.৩৯ | -০.৫৬ | ০.৫৩ |
| মুদ্ৰাস্ফীতি | ০.৩৫ | -০.৫৫ | ০.১৩৯ | ১.০০ | ০.৩৫ | -০.৪৮ | ০.৬১ |
| পেটেন্ট | ০.২৩ | ০.১৩ | -০.৩৯২ | ০.৩৫ | ১.০০ | -০.১৯ | ০.০৫ |
| প্ৰকৃত সুদৰ হাৰ | -০.১৫ | ০.৩০ | -০.৫৫৮ | -০.৪৮ | -০.১৯ | ১.০০ | -০.৫৮ |
| বাণিজ্য | -০.০৩ | -০.৪৭ | ০.৫২৯ | ০.৬১ | ০.০৫ | -০.৫৮ | ১.০০ |

**তালিকা ৩ ঃ ভাৰতৰ তথ্যৰ একে শাৰীতে থকা ভিন্নতাৰ ফলাফল**

| | এন ডি আই | এ জি ডি পি | এফ অ.আৰ ই এক্স | মুদ্ৰাস্ফীতি | পেটেন্ট | প্ৰকৃত সুদৰ হাৰ | বাণিজ্য |
|---|---|---|---|---|---|---|---|
| এ এফ ডি আই | ১.০০ | -০.১৭ | ০.১১ | -০.০৩ | -০.৩১ | ০.০৯ | ০.৩৫ |
| এ জি ডি পি | -০.১৭ | ১.০০ | -০.১৬ | ০.০৬ | ০.৫৪ | -০.০৭ | -০.০৩ |
| এফ অ.আৰ ই এক্স | ০.১১ | -০.১৬ | ১.০০ | -০.০৫ | -০.৪৬ | ০.১৯ | -০.২৮ |
| মুদ্ৰাস্ফীতি | -০.০৩ | ০.০৬ | -০.০৫ | ১.০০ | ০.৫৭ | -০.০৭ | -০.০৪ |
| গেটেন্ট | -০.৩১ | ০.৫৪ | -০.৪৬ | ০.৫৭ | ১.০০ | ০.০১ | -০.১১ |
| প্ৰকৃত সুদৰ হাৰ | ০.০৯ | -০.০৭ | ০.১৯ | -০.০৭ | ০.০১ | ১.০০ | -০.২০ |
| বাণিজ্য | ০.৩৫ | -০.০৩ | -০.২৮ | -০.০৪ | -০.১১ | -০.২০ | ১.০০ |

## বিশ্লেষণ আৰু প্ৰাপ্তি

আৰম্ভণিৰ কাৰণে তথ্য অগ্‌মেন্টেড ডিকী ফুলাৰ টেষ্টৰ (এ ডি এফ টি) ভিত্তিত দুয়োখন দেশৰ সময় শৃঙ্খলা তথ্য সেইটো সন্তোষজনক হওক বা নহওক গ্ৰহণ কৰা হৈছে আৰু পৰীক্ষা কৰা হৈছে।

**অগ.মেন্টেড ডিগ্ৰী কুলাৰ চেন্টাৰ ফলাফল তালিকা ১ ঃ**

| পৰিবৰ্তনশীল | চীনৰ এডি এফ টি চেন্টাৰ | ভাৰতৰ এডি এফ চেন্টাৰ |
|---|---|---|
| লগ্ (এ এফ ডি আই) | ০.০০৭ | ০.০০৪ |
| লগ্ (এ জি ডি পি) | ০.০৫০ | ০.০০৭ |
| লগ্ (মুদ্ৰাস্ফীতি) | ০.০০১ | ০.০০২ |
| লগ্ (মুক্তবাণিজ্য) | ০.০০৩ | ০.০০১ |
| লগ্ (প্ৰকৃত সুদহাৰ) | ০.০০০ | ০.০০০ |
| লগ্ (বিদেশী মুদ্ৰা) | ০.০০৬ | ০.০১৩ |
| লগ্ (বিজ্ঞানসন্মত প্ৰগতি) | ০.০৩৮ | ০.০০১ |

পৰৱৰ্তী পদক্ষেপটো হ'ল পৰিৱৰ্তনশীলতা সমূহৰ আন পৰিৱৰ্তনশীলতাৰ লগত সহসম্বন্ধ আছে নেকি সেইটো নিৰ্ধাৰণ কৰিবলৈ একে শাৰীতে থকা ভিন্নতা পৰীক্ষা কৰা। সহসম্বন্ধ সম্পৰ্কীয় বিশ্লেষণৰ ফলাফল হ'ল- দুয়োখন দেশৰ কাৰণে পৰিৱৰ্তনশীলতা সমূহ অধিক সহসম্বন্ধিত নহয়।

ইয়াৰ পাচত দুয়োখন দেশৰে ডাৰবিন ৱাটচন তথ্য পৰীক্ষাৰদ্বাৰা পৰিৱৰ্তনশীলতাৰ ক্ৰটী চৰ্তসমূহৰ মাজত সহসমন্ধ বিচাৰি উলিয়াবলৈ স্ব-সহসম্বন্ধ পৰীক্ষা কৰা হয়। উভয় দেশত ইয়াক তাৎপৰ্য্যহীন পোৱা গ'ল

**তালিকা ৪ ঃ চীন আৰু ভাৰতৰ তথ্যৰ হোৱাইট টেন্টৰ ফলাফল**

| পৰিৱৰ্তনশীলতা | চীনৰ অনুসন্ধান | ভাৰতৰ অনুসন্ধান |
|---|---|---|
| এ জি ডি পি এল এন | ০.৮৫৪১ | ০.০৯৪৬ |
| আই এন এফ এ আই অ'এন এল এন | ০.৬২২১ | ০.৫৭৫ |
| পিএ টি ই এন টি এছ এল এন | ০.০২৪ | ০.২৯০৪ |
| আৰ ই এ এল আই এন টি টি এল এন | ০.৯৪২৫ | ০.৬৬৭৬ |
| টি আৰ এ ডি ই এল এন এফ অ' আৰ ই এক্স এল এন | ০.৪১৪৪<br>০.৪১৪৯ | ০.৪৯৮৬<br>০.১৩০৮ |

**(১) জনসংখ্যাতত্ব লভ্যাংশ হ'ল - দেশৰ যুৱ জনসংখ্যা, যিটো দীৰ্ঘ সময়ৰ বাবে বৰ্ত্তি থাকে— নিদৰ্শন হিচাপে পাঁচ দশক বা তাতোকৈ অধিক দশক জুৰি বৰ্ত্তি থাকে পৰিণামস্বৰূপে, হ্ৰাস হোৱা জন্মৰ হাৰে শ্ৰম শক্তি বিকাশো হ্ৰাস কৰে। চীন আৰু ভাৰত দুয়োখনেই অধিক জনসংখ্যাৰ দেশ। বিশ্বৰ ভিতৰত কেৱল ভাৰততেই বৰ্তমান অধিক যুৱ কৰ্মশক্তি আছে। ২০১৬ চনত ভাৰতত ৬৩% কৰ্ম-বয়সৰ জনসংখ্যা থাকিব (ৰাষ্ট্ৰীয় জনসংখ্যা নীতি ২০০০ গল্ডমেন চাচ্চৰ ব্ৰীকছ প্ৰতিবেদনঃ এন এছ এছ অ প্ৰতিবেদন)।**

এই নেপথ্যৰ পৰিস্থিতিৰে ভাৰত আৰু চীনলৈ বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰবাহত প্ৰভাৱশালী কাৰকসমূহে কেনেকৈ প্ৰভাৱিত কৰে সেইটো অনুমান কৰিবলৈ আৰ্হি প্ৰয়োগ কৰিব পাৰি।

এফ ডি আইত অভিযোজিত নিৰ্ভৰশীল পৰিৱৰ্তনশীলতাৰ ওপৰত থকা প্ৰভাৱ লাভ কৰিবলৈ ভাৰতীয় তথ্যৰ প্ৰকৃততে অভিযোজিত মুঠ ঘৰুৱা উৎপাদন, মুক্ততা, মুদ্ৰাস্ফীতি, সুদৰ হাৰ, বিজ্ঞানসন্মত প্ৰগতি আৰু বিনিময় হাৰৰ দৰে সকলো স্বতন্ত পৰিৱৰ্তনশীলতাৰ ওপৰত - এ আৰ এম এ আৰ্হি প্ৰয়োগ কৰা হৈছিল। আশ্চৰ্যজনকভাৱে দেশৰ মুদ্ৰাৰ মূল্যৰ হ্ৰাস কৰণৰ সৈতে বিজ্ঞানসন্মত অগ্ৰগতিৰে দেশলৈ হোৱা এফ ডি আইৰ প্ৰৱাহৰ ইতিবাচক প্ৰভাৱ প্ৰদৰ্শন কৰা নাই। কিন্তু ভাৰতত আন পৰিৱৰ্তনশীলতা সমূহ ইয়ালৈ প্ৰবাহিত হোৱা এফ ডি আইৰ লগত ইতিবাচকভাৱে সহ-সম্বন্ধিত। অভিযোজিত এফ ডি আইৰ নিৰ্ভৰশীল পৰিৱৰ্তনশীলতা হিচাপে আৰু অভিযোজিত মুঠ ঘৰুৱা উৎপাদন, বিদেশী মুদ্ৰাৰ হাৰ, মুক্ত বাণিজ্য, মুদ্ৰাস্ফীতি স্বতন্ত্ৰ পৰিৱৰ্তনশীলতা হিচাপে বিবেচনা কৰি ভাৰতীয় তথ্যৰ ক্ষেত্ৰত এ আৰ এম এ আৰ্হিৰ একেই পদ্ধতি প্ৰয়োগ কৰি আমি উত্তম ফলাফল লাভ কৰিছিলোঁ। এই পৰিৱৰ্তনশীলতাসমূহ মূল্যায়ন কৰি আমি সৰ্বাধিক $R^2$ ক ০.৭২২০৫৪ হিচাপে প্ৰতিবেদন দাখিল কৰিছিলো, যিটো আৰ্হিয়ে নিৰ্বাচিত প্ৰভাৱশালী কাৰকৰ দ্বাৰা প্ৰভাৱিত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ ৭২.২০%হোৱাৰ ইংগিত দিয়ে। সি যি কি নহওক, যেতিয়া মুদ্ৰাস্ফীতি আৰ্হিৰপৰা আঁতৰাই পেলোৱা হয়, সমাধানটো অভিযোজিত $R^2$= ০.৭১২৩ হিচাপে সংঘটিত হয় যিটোৱে ইংগিত দিয়ে যে আৰ্হিটোৱে পৰিৱৰ্তনশীলতাৰদ্বাৰা প্ৰভাৱিত এফ ডি আই প্ৰবাহৰ ৭১.২৩% হিচাপে ব্যাখ্যা কৰে। অনুৰূপভাৱে, একেটা আৰ্হিকে যেতিয়া চীনৰ অৰ্থনীতিত প্ৰয়োগ কৰা হয়; তেতিয়া আমি পাওঁ যে প্ৰকৃততে অভিযোজিত মুঠ ঘৰুৱা উৎপাদন, মুক্ত বাণিজ্য, বিদেশী বিনিময় হাৰৰ স্বতন্ত্ৰ পৰিৱৰ্তনশীলতাই অভিযোজিত $R^2$= ০.৫১১২ ৰ সৈতে ৫১.১২ শতাংশৰ নিৰ্ভৰশীল পৰিৱৰ্তন-শীলতা অভিযোজিত এফ ডি আইক প্ৰভাৱিত কৰে। সি যি কি নহওক, এই আৰ্হি মতে, অভিযোজিত মুঠ ঘৰুৱা উৎপাদন, বিদেশী বিনিময়, মুদ্ৰাস্ফীতি আৰু প্ৰকৃত সুদৰ হাৰে এফ ডি আইৰ প্ৰবাহৰ ওপৰত নেতিবাচক ভাৱে প্ৰভাৱ পেলায়। বৃহৎ অৰ্থনৈতিক পৰিৱৰ্তনশীলতাৰ উপৰি এফ ডি আইৰ প্ৰৱাহ আন কিছুমান পৰিৱৰ্তনশীলতাৰ ওপৰত নিৰ্ভৰ কৰে যিটো চৰকাৰৰ নীতি দক্ষতাপূৰ্ণ শ্ৰমৰ উপলব্ধতা, বিত্তীয়নীতি আৰু মুদ্ৰা নীতি আৰু ভাৰতৰ লগত জড়িত সকলো বিষয়ৰ উদাৰীকৰণ কৰিব পৰা বাস্তৱ অৱস্থাত প্ৰকৃত অৱস্থা নিহিত হৈ থাকে।

**বিশ্লেষণৰ নীতি-ইংগিতসমূহ ঃ**

এফ ডি আই প্ৰবাহে নিয়োগ সৃষ্টি, বৃত্তিৰ বা সুযোগ, উপাৰ্জন, প্ৰযুক্তিগত উন্নীতকৰণ, অধিক প্ৰতিযোগিতা আৰু উত্তম উৎপাদনৰে অৰ্থনীতিত ব্যাপক ভাৱে প্ৰভাৱিত কৰে কিন্তু এফ ডি আইক আকৰ্ষণ কৰাৰ দৰে জটিল বিষয়টো সহজভাৱে গ্ৰহণ কৰিব নোৱাৰি। ইয়াৰ বাবে নীতি প্ৰত্যাশাত বহু প্ৰচেষ্টা আৰু অৰ্থনীতিত সুস্থিৰতাৰ দৰ্কাৰ। এই অধ্যয়নত সকলো বৃহৎ অৰ্থনৈতিক পৰিৱৰ্তনশীলতাৰ বিষয়ে আলোচনা কৰাৰ অন্তৰালত মূল ধাৰণাটো হ'ল এই বিষয়ত নীতি নিৰ্দ্ধাৰক সকলৰ মনোযোগ আকৰ্ষণ কৰা আৰু ভাৰতৰ অভাৱৰ কাৰকসমূহ চিনাক্ত কৰি যাৱতীয় ব্যৱধান পূৰণ কৰা যাতে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে আহৰণ কৰিব পৰা যায়। এফ ডি আই প্ৰবাহৰ লগত জড়িত দিশসমূহ আমি প্ৰকাশ কৰিবলৈ আৰু বিত্তীয় দিশত ৰাষ্ট্ৰ গঠনৰ প্ৰক্ৰিয়াত সমৰ্থন কৰিবলৈ অধিক মূলধন আকৰ্ষণ কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছোঁ।

**তালিকা ৫ ঃ চীন আৰু ভাৰতত এফ ডি আইৰ প্ৰৱাহ আৰ্হিয়ে কৰা ব্যাখ্যাৰ ফলাফল**

| আৰ্হি | অধ্যায়নৰ বাবে লোৱা পৰিৱৰ্তনশীলতা | চীনৰ অভিযোজিত $R^2$ | ভাৰতৰ অভিযোজিত $R^2$ |
|---|---|---|---|
| এ আৰ এম এ (১,১) | এ জি ডি পি, মুক্ত বাণিজ্য, মুদ্ৰাস্ফীতি, পেটেন্ট, প্ৰকৃত সুদৰ হাৰ, বৈদেশিক বিনিময় | ০,৪৭৪৪২৯ | ০,২৫০২১৯ |
| এ আৰ এম এ (১,১) | এ জি ডি পি, মুক্ত বাণিজ্য, মুদ্ৰাস্ফীতি, প্ৰকৃত সুদৰ হাৰ, বিদেশী বিনিময় | ০,৫০৩৫৬৩ | ০,৬৫৬৯ |
| এ আৰ এম এ (১,১) | এ জি ডি পি, মুক্ত বাণিজ্য, বিদেশী বিনিময় | ০,৫১২১৪৯ | ০,৭১২৩৮৭ |
| এ আৰ এম এ (১,১) | এ জি ডি পি, মুক্ত বাণিজ্য, বিদেশীক বিনিময়,মুদ্ৰীস্ফীতি | ০,৪৮১৩১১ | ০,৭২২০৫৪ |

(ক) **সুস্থিৰ অৰ্থনৈতিক অৱস্থা ঃ** যি কোনো দেশৰে বিদেশী মূলধন আকৰ্ষণ কৰাৰ ক্ষেত্ৰত অৰ্থনৈতিক অৱস্থাই অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিশ্ব উন্নয়ন সূচাংকৰ তথ্যমতে এফ ডি আই প্ৰবাহৰ ক্ষেত্ৰত চীন বহুত আগত আছে আৰু ইয়াৰ কাৰণ হ'ব পাৰে নিম্ন মুদ্ৰাস্ফীতি হাৰ, নিম্ন প্ৰকৃত সুদৰ হাৰ, ঘৰুৱা মুদ্ৰাৰ সুস্থিৰতা (যিটোৱে সুস্থিৰ অৰ্থনীতিৰ ইংগিত দিয়ে), অধিক ৰপ্তানি আৰু বাণিজ্যৰ সামগ্ৰী আৰু সেৱাত অধিক মুক্ততা।

(খ) **বিভিন্ন খণ্ডত এফ ডি আই আকৰ্ষণ কৰিবলৈ নীতি উদাৰীকৰণ ঃ**
চৰকাৰৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীয়কৰণ নীতিয়ে মূলধন প্ৰবাহ তাৎপৰ্যপূৰ্ণভাৱে বৃদ্ধি হোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰে। ১৯৯১ চনৰ পাচত ভাৰত আৰু চীনলৈ বিদেশী মূলধনৰ প্ৰবাহৰ তাৎপৰ্যপূৰ্ণ বৃদ্ধি হৈছে অধিক মূলধন আকৰ্ষণ কৰিবলৈ বিভিন্ন খণ্ডৰ কাৰণে উদাৰীকৰণৰ ধৰণৰ নীতি যুগুত কৰা উচিত, যিটোৱে অধিক দক্ষ আৰু উৎপাদনশীল ভূমিকা গ্ৰহণ কৰিব পাৰে। নীতি উদাৰীকৰণ প্ৰযুক্তিবিদ্যা স্থানান্তৰ, মূলধন সামগ্ৰী আৰু নতুন অৰ্জনৰ বাবে অনুজ্ঞা আদি ৰূপত হ'ব পাৰে।
(গ) **আন্তঃগাঁথনি আৰু উন্নয়নৰ দিশত গধুৰ বিনিয়োগ ঃ** অধিক সংখ্যক বহুজাতিক কৰ্পৰেচনবোৰে আয়োজক দেশৰ আন্তঃগাঁথনি আৰু উন্নয়নৰ দিশসমূহৰ ওপৰত ভিত্তি কৰি বিনিয়োগ কৰিবলৈ বিচাৰে। ভাৰতৰ তুলনাত আন্তঃগাঁথনি আৰু আন্তঃ উন্নয়ন জড়িত দিশত চীনৰ ব্যয়ৰ পৰিমাণ বহুত বেছি আৰু সেইবাবে এই দেশে অধিক বিদেশী মূলধন আকৰ্ষণ কৰিব পাৰে। চীনৰ যুক্তিপূৰ্ণ কৃতিত্ব সূচাংক ভাৰতৰ তুলনাত উচ্চ (বিশ্ব উন্নয়ন সূচাংক, ২০১৪)।
(ঘ) **দ্বিতীয় পৰ্যায়ত বৃত্তিমূলক প্ৰশিক্ষণঃ** চীনৰ অৰ্থনীতি ভাৰতৰ অৰ্থনীতিতকৈ ব্যাপক কিন্তু বৰ্তমান ভাৰতৰ অৰ্থনীতিত জনসাংখ্যিক লভ্যাংশৰ সুবিধাৰ বাবে ভাৰতে অধিক এফ ডি আই প্ৰবাহ লাভ কৰিব পাৰে। সি যি কি নহওক, ভাৰতে জনসাংখ্যিক লভ্যাংশৰ সুবিধা উপভোগ কৰাৰ সময়তে ইয়াৰ দক্ষ শ্ৰম শক্তিৰ পৰিমাণ চীনৰ তুলনাত নিম্ন (বিশ্ব উন্নয়ন সূচাংক ২০১৪)। বিদ্যালয় পৰ্য্যায়ত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদানেৰে এই সমস্যাটো সমাধান কৰিব পৰা যায়। এনেধৰণৰ পৰিবৰ্তনেৰে আমাৰ জনসংখ্যাৰ ১৭ বছৰতকৈ কম বয়সৰ লোকক দক্ষ শ্ৰম শক্তি হিচাপে প্ৰস্তুত কৰিব পাৰোঁ।

**চতুৰ্থ ঃ সাৰাংশ আৰু পৰামৰ্শৱলী**
এই অধ্যয়নত ভাৰত আৰু চীনত এফ ডি আই প্ৰবাহৰ প্ৰভাৱশালী কাৰক বিচাৰি উলিয়াবলৈ প্ৰয়াস কৰা হৈছে। স্বকীয়ভাৱে ঘৰুৱা উৎপাদনৰ বিজ্ঞানসন্মত অগ্ৰগতি, প্ৰকৃত সুদৰ হাৰ, বৈদেশিক বিনিয়োগ হাৰ, মুক্ত বাণিজ্য আৰু মুদ্ৰাস্ফীতিৰ লগত সম্পৰ্কিত তথ্যক দুয়োখন দেশৰ এফ ডি আই প্ৰভাৱশালী কাৰক হিচাপে বৈশিষ্ট্য প্ৰদান কৰা হৈছে আৰু এ আৰ এম এ আৰ্হি উত্তম ভাৱে খাপ খোৱা আৰ্হি হিচাপে প্ৰস্তাৱ কৰা হৈছে যিটোৱে ভাৰতত অভিযোজিত মুঠ ঘৰুৱা উৎপাদন, বিদেশী বিনিময় হাৰ, মুক্ত বাণিজ্য, আৰু মুদ্ৰাস্ফীতিক তাৎপৰ্য্যপূৰ্ণ পৰিৱৰ্তনশীলতা হিচাপে লৈ ৭২% মূলৰ লগত বৈসাদৃশ্য থকা ৰূপৰ বিষয়ে ব্যাখ্যা কৰিছে। আনহাতে, চীনত উপযুক্তভাৱে খাপ খোৱা আৰ্হিয়ে মুঠ ঘৰুৱা উৎপাদন, মুক্ত বাণিজ্য আৰু বিদেশী বিনিময় হাৰক প্ৰভাৱশালী কাৰক হিচাপে লৈ এফ ডি আইত ৫১% মূলৰ লগত বৈসাদৃশ্য থকা ৰূপৰ বিষয়ে ব্যাখ্যা কৰিছে। এইটোৱে সূচনা কৰে যে চীনৰ অৰ্থনীতিৰ বৃহৎ অৰ্থনৈতিক কাৰকে এফ ডি আইৰ প্ৰবাহ আকৰ্ষণ কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে কিন্তু তাত কিছুমান অন্যান্য পৰিৱৰ্তনশীলতাও আছে - অৰ্থনীতিৰ সুস্থিৰতা, অধিক উদাৰীকৃত -নীতি, অধিক আন্তঃগাঁথনিগত সুবিধা সুদক্ষ আৰু কৌশলপূৰ্ণ শ্ৰম শক্তি আদিৰ দিশত দেশখনত মূলধন বিনিয়োগ কৰাৰ আগতে বিবেচনা কৰা হয়। ভাৰতেও এই দিশবোৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন।

বৃহৎ অৰ্থনীতিক পৰিৱৰ্তনশীলতাৰ বাহিৰেও যি কোনো দেশত মূলধনৰ প্ৰবাহ আকৰ্ষণ কৰিব পৰা আন কিছুমান দিশ আছে। আমি এই পৰিৱৰ্তনশীলতাকে মানবিশিষ্ট পৰিৱৰ্তনশীলতাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে যিটোৱে দেশলৈ মূলধন, প্ৰবাহ অহাত প্ৰভাৱ পেলাব পাৰে আৰু বিদেশী মূলধন প্ৰবাহৰ বিষয়ে বিবেচনা কৰাৰ সময়ত এই পৰিৱৰ্তনশীলতা সমূহক গুৰুত্ব দি নীতি প্ৰস্তুত কৰা উচিত। (এই তথ্যসমূহ বিশ্ব উন্নয়নৰ সূচাংক (ডব্লিউ ডি আই) পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয় (এম অ' এছ পি আই), আই এম এফ আৰু বিশ্ব বেংকৰ ৱেবছাইটৰ পৰা লোৱা হৈছে। ভাৰত আৰু চীনত এফ ডি আই প্ৰবাহত নিৰ্বাচিত পৰিৱৰ্তনশীলতাৰ প্ৰভাৱ বিচাৰি উলিয়াবৰ কাৰণে এই অধ্যায়নত আমি পশ্চাদ্ গতি বিশ্লেষণ ব্যৱহাৰ কৰিছোঁ)

# উত্তৰ-পূব ভাৰতৰ বাঁহ আৰু বেতৰ জৈৱ বৈচিত্ৰ্য

* ড° প্ৰশান্ত হাজৰিকা

ভাৰতৰ ২৩ টা জাতিৰ ১৩৬ টা প্ৰজাতিৰ বাঁহ প্ৰজাতিৰ ভিতৰত উত্তৰ-পূব ভাৰতত মুঠ ২২ টা জাতিৰ ৬৩ টা প্ৰজাতিৰ বাঁহ পোৱা যায়। ইয়াৰে প্ৰায় ২৫ টা প্ৰজাতিক দুষ্প্ৰাপ্য প্ৰজাতি বুলি চিনাক্ত কৰা হৈছে। উত্তৰ- পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতে সৰ্বাধিক ৩০,৫০০ বৰ্গ কিলোমিটাৰ এলেকাত বাঁহ পোৱা যায়। উল্লেখযোগ্য গনসমূহৰ ভিতৰত বেম্বুছা (Bambusa), ডেণ্ড্ৰকেলামাছ (Dendrocalamus), ডিন'ক'লা (Dinochola), ছেফাল'ষ্টেকিয়াম(Cephalostachyum) আৰু নিঅ'হ'উযোৱা (Neohouzeoua) আদি জাতিৰ বাঁহৰ প্ৰজাতিবোৰ সাগৰপৃষ্ঠৰ পৰা ৬০০ মিটাৰ উচ্চতাৰ ভিতৰত পোৱা যায়। আনহাতে, অৰুণ্ডিনেৰিয়া (Arundinaria) ছেমিঅৰুণ্ডিনেৰিয়া (Semiarundinaria), চিমন'বেম্বুছা (Chimonobambusa), ছিন'বেম্বুছা (Sinobambusa), থমন'কেলামাছ (Thomnocalamus) আৰু ফাইল'ষ্টেকিচ (Phyllostachys) আদি জাতিৰ বাঁহৰ প্ৰজাতিবোৰ সাগৰপৃষ্ঠাৰ পৰা ৮০০-৩৫০০ মিটাৰ উচ্চতাৰ ভিতৰত পোৱা যায়। তালিকা-১ নং তালিকাত উত্তৰ-পূব ভাৰতৰ বিভিন্ন প্ৰদেশত পোৱা প্ৰধান প্ৰধান জাতিৰ উল্লেখনীয় বাঁহ প্ৰজাতিবোৰ দিয়া হৈছে। এই প্ৰজাতিবোৰৰ ভিতৰত ফাইল'ষ্টেকিচ বেম্বুচয়ডিচ্ (*Phyllostachys bambusoides*) নামৰ প্ৰজাতিটো এটা বিপন্ন প্ৰজাতি।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সকলো ঠাইতে কম বেছি পৰিমাণে বাঁহ পোৱা যায়। অসমৰ হাবিয়ে বননিয়ে পোৱাৰ উপৰিও জাতিবাঁহ, ভলুকা, কটহাবাঁহ, মোকাল আদি বাঁহৰ কিছু প্ৰজাতি মানুহে ঘৰত খেতি কৰে। বৰষুণ আৰু উচ্চতাৰ তাৰতম্য অনুসৰি ভিন ভিন ঠাইত ভিন্ন প্ৰকাৰৰ বাঁহ গছ দেখিবলৈ পোৱা যায়। বাঁহ সাধাৰণতে থুপ খাই হয় অৰ্থাৎ যি ঠাইত বাঁহ হয় তাত সমূহীয়া ভাৱে হয়, বাঁহ গজা ঠাইত ই আন প্ৰজাতিৰ উদ্ভিদক গজিবলৈ নিদিয়ে। প্ৰাকৃতিক অৱস্থাত তেনে বাঁহনিক 'Bamboo Berak' বোলা হৈছে। অসমৰ পাহাৰীয়া জিলা দুখনত ঝুম খেতি কৰাৰ কাৰণে সেইবোৰ ঠাইত প্ৰচুৰ পৰিমাণে বাঁহ গছ হোৱা দেখিবলৈ পোৱা যায়। প্ৰাকৃতিকভাৱে উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা আৰু কাৰবি আংলং জিলা দুখনত বন্য অৱস্থাত বিশেষকৈ পেচা, মূলি আৰু পাহাৰী জাতি বাঁহৰ প্ৰজাতিসমূহে অৰণ্যৰ সৃষ্টি কৰা দেখা যায়।

**তালিকা-১) উত্তৰ পুব ভাৰতত পোৱা প্ৰধান বাঁহ প্ৰজাতিসমূহৰ বিস্তৃতি। (বিশ্বাস,১৯৮৮)**

| প্ৰদেশ | জাতি/প্ৰজাতি | প্ৰধান জাতি | প্ৰধান প্ৰজাতি |
|---|---|---|---|
| অৰুণাচল প্ৰদেশ | জাতি (১৪) প্ৰজাতি (৪১) | অৰুডিনেৰিয়া, বেম্বুছা, চিমন'বেম্বুছা, ছেপাল'ষ্টেকিয়াম, ডেণ্ড্ৰকেলামাছ | ভলুকা (*B. balcooa*), জাতি (*B. tulda*), বিজুলি (*B. Pollida*), মকাল (*B. mutans*), কাক' (*D. hamiltonil*), মুলিবাঁহ (*Melocana bacifera*), ছেফাল'ষ্টেকিয়াম কেপিটেটাম, ছে.ফুয়েনাম, ছে. পেলিডাম, ছে. লেটিফলিয়াম, চিমন'বেম্বুচা গ্ৰিফিটিয়ানা, চি. নিটাৰমিডিয়া, নিঅ'হউযোৱা দলোৱা |
| অসম | জাতি(১৩) প্ৰজাতি (৩৩) | বেম্বুছা, ডেণ্ড্ৰকেলামাছ | কটহা (*B. arundinaria*), ভলুকা (*B. balcooa*), জাতি (*B. tulda*), বিজুলি (*B. Pollida*), মকাল (*B. mutans*), কাক' (*D. hamiltonil*), খাচিবাঁহ (ভ. *khasiana*), দলৈবাঁহ (*Schzostachyum dullooa*) মুলিবাঁহ (*Melocana bacifera*), ডেণ্ড্ৰকেলামাছ পেটেলাৰিছ, ডে. চিকিমেনচিছ, নিঅ'হউযোৱা দলোৱা, চিউডষ্টেকিয়াম পলিমৰফাম |
| নাগালেণ্ড | জাতি(১১) প্ৰজাতি (২৩) | ছেপাল'ষ্টেকিয়াম, ডেণ্ড্ৰকেলামাছ | খাচিবাঁহ (*B. khasiana*), জাতি (*B. tulda*), কাক' (*D. hamiltonil*), দলৈবাঁহ (*Schzostachyum dullooa*) ডেণ্ড্ৰকেলামাছ পেটেলাৰিছ, ডে.হুকাৰি, ডে. চিকিমেনচিছ, ছেফাল'ষ্টেকিয়াম কেপিটেটাম, ছে. লেটিফলিয়াম, নিঅ'হউযোৱা দলোৱা |
| মণিপুৰ | জাতি(৯) প্ৰজাতি (২০) | বেম্বুছা, | খাচিবাঁহ (ভ. *khasiana*), বিজুলি (*B. Pollida*), ভলুকা (*B. balcooa*), জাতি (*B. tulda*), মকাল (*B. mutans*), কাক' (*D. hamiltonil*), ছে. ফুচিয়েনাম, ছে. লেটিফলিয়াম, চিমন'বেম্বুছা খাচিয়ানা |
| মিজোৰাম | জাতি (৭) প্ৰজাতি (১৫) | বেম্বুছা, ডেণ্ড্ৰকেলামাছ | কটহা (*B. arundinaria*), জাতি (*B. tulda*), কাক' (*D. hamiltonil*), ডে.হুকাৰি ডে. চিকিমেনচিছ, ছেফাল'ষ্টেকিয়াম কেপিটেটাম, নিঅ'হউযোৱা দলোৱা, চিউডষ্টেকিয়াম পলিমৰফাম |
| মেঘালয় | জাতি (১৪) প্ৰজাতি (৩৬) | বেম্বুছা, ডেণ্ড্ৰকেলামাছ, অৰুডিলেৰিয়া, চিমন'বেম্বুছা | ভলুকা (*B. balcooa*), বিজুলি (*B. Pollida*), কটহা (*B. arundinaria*), জাতি (*B. tulda*), কাক' (*D. hamiltonil*),ডে.হুকাৰি, ডে. চিকিমেনচিছ, ছেফাল'ষ্টেকিয়াম কেপিটেটাম, চিমন'বেম্বুছা খাচীয়ানা, চিমন'বেম্বুছা হুকাৰি, নিঅ'হউযোৱা দলোৱা, চিউডষ্টেকিয়াম পলিমৰফাম |
| ত্ৰিপুৰা | জাতি (৫) প্ৰজাতি (১৩) | বেম্বুছা | কটহা (*B. arundinaria*), বিজুলি (*B. Pollida*), জাতি (*B. tulda*), ভলুকা (*B. balcooa*), কাক' (*D. hamiltonil*), নিঅ'হউযোৱা দলোৱা |

* ড° প্ৰশান্ত হাজৰিকা যোৰহাটত থকা বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী

মানুহৰ দৈনন্দিন, সামাজিক আৰু অৰ্থনৈতিক জীৱনত বাঁহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ কাৰণে ইয়াক " দুখীয়া মানুহৰ কাঠ (Poor men's timber)" আৰু "সেউজীয়া সোণ (Green gold)" বুলি অভিহিত কৰা হৈছে। কোৱা হয় যে বাঁহৰ ব্যৱহাৰ ইমানেই বেছি যে উত্তৰ- পূব ভাৰতৰ মানুহৰ প্ৰতিজনৰে আঁহে আঁহে সোমাই পৰিছে। জন্ম হোৱা নৱজাত কেঁচুৱাৰ নাড়ি কটাৰ পৰা শ দাহলৈকে, লোক সংস্কৃতি, লোক বিশ্বাস সকলোতে বাঁহৰ ব্যৱহাৰ হয়। সেয়েহে হয়তো কয়, " যাৰ নাই বাঁহ তাৰ নাই সাহ"। বাঁহৰ এতিয়ালৈকে প্ৰায় ১৫০০ টাৰো অধিক ব্যৱহাৰ এই অঞ্চলৰ লোকসকলৰ মাজত বিদ্যমান। বাঁহ প্ৰজাতি সমূহে ক্ষীপ্ৰভাৱে বৃদ্ধি হৈ অতি সোনকালে অধিক জৈৱভৰ সংগ্ৰহ কৰিব পাৰে বাবে বায়ুমণ্ডলীয় কাৰ্বন- ডাই- অক্সাইড শোষণৰ (Carbon sequestration) কাৰণেও অধিক প্ৰদূষিত এলেকাত ইয়াত ৰোপণৰ উপযোগিতা আছে। তদুপৰি , পতিতভূমি পুনৰুদ্ধাৰ আৰু বনানিকৰণৰ বাবে বাঁহ অতি উত্তম প্ৰজাতি। বাঁহ এবিধ ঘাঁহ জাতীয় উদ্ভিদ আৰু ই"জোপা" হিচাপে বহু বছৰ জীয়াই থাকিব পাৰে। কিন্তু, এবাৰ ফুলিলে সি মৰি যায়। অৱশ্যে বাঁহ প্ৰজাতিসমূহ সঘনাই নুফুলে। কিছুমান প্ৰজাতিৰ বাঁহ যেনে- মকাল প্ৰজাতি (*Bambusa nutans*) ১০-১২ বছৰৰ মূৰত ফুলে যদিও জাতি, ভলুকা, কাক', মুলি আদি প্ৰজাতিবোৰ প্ৰায় ৪০-৬০ বছৰৰ মূৰতহে ফুলা দেখা যায়। কেতিয়াবা বাঁহ এজোপাৰ এডাল বাঁহ ফুলে আৰু ফুলাৰ পিচত মৰি যায়, তাক কদাচিৎ ফুলন (Sporadic flowering ) বোলা হয়। কিন্তু, কেতিয়াবা আকৌ গোটেই বাঁহজোপাটো তথা ঠাই খনত থকা কোনোবা এটা প্ৰজাতিৰ গোটেইবোৰ বাঁহ ফুলিব ধৰে। তেতিয়া তাক পৰ্যাপ্ত ফুলন (Gregarious flowering) বোলা হয়।

বৰ্ত্তমানলৈ চিনাক্ত কৰা বেতৰ (Ratan) ভিতৰত পৃথিৱীত মুঠতে ১৩ টা জাতি (Genera) , আৰু ৬০০ টা প্ৰজাতি (Species) আছে। ইয়াৰে ৫টা জাতি আৰু ৭০টা প্ৰজাতি ভাৰতৰ কেৰালা, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, উত্তৰ বংগ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত পোৱা যায়। উত্তৰ-পূব ভাৰতত ৫টা জাতি আৰু ২৬ টা প্ৰজাতিৰ বেত পোৱা যায়। ইহঁত হ'ল -১) কেলামাছ (Calamus), ২) প্লেক্ট'মিয়া (Plectomia)আৰু ৩)ডে'মনৰপচ্ (Daemonorops) । অসমকে ধৰি উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনত পোৱা বেতৰ প্ৰজাতি সমূহৰ ভিতৰত জাতিবেত (Calamus tenuis) আৰু ডে'মনৰপচ্ জেনকিনচিয়ানা(Daemonorops jenkinsiana) প্ৰায় সকলো ৰাজ্যত পোৱা যায় (তালিকা-২)। ইয়াৰে জাতি আৰু লেজাই বেতৰ বাহিৰে বাকীবোৰ বেত সাধাৰণতে হাবি বা বনাঞ্চলতহে পোৱা যায়। হিমালয় বেত (Plectocomia himalayana) ওখ ঠাইত (সাগৰ পৃষ্ঠৰ পৰা ১০০০-১২০০ মিটাৰ ওখ) পোৱা যায়। বেত সাধাৰণতে বিষূৱীয় সেমেকা জলবায়ু অঞ্চলত পোৱা যায়। উত্তৰ-পূব ভাৰতত পোৱা মুঠ ২০ টা প্ৰজাতিৰ বেতৰ ভিতৰত ১৩ টা প্ৰজাতি বিপন্ন। ৰেড ডাটা বুকত সন্নিবিষ্ট এই বেতৰ প্ৰজাতিবোৰ হ'ল- পাহাৰীয়া ৰাইডাং (*Calamusinermis*), মণিপুৰী বেত (*C. gracilis*), পুতলি বেত (*C. khasianus*)ফেকৰি বেত (*C. latifolius*), চুলিবেত (*C. kingianus*), লেজাই বেত (*C. floribundus*), সৌকাবেত (*C. nambareinsis*), গৌৰীবেত (*C. acanthospathus*), গোলাবেত (*Daemonorops jenkinsianus*), খাচীবেত (*Plectocomia khasianus*), ডৰে বেত (*P. himalayana*), বৰবেত (*P. bractealis*), আৰু হাতী বেত (*P. assamica*)।

**তালিকা-২ উত্তৰ পুব ভাৰতত পোৱা বেত প্ৰজাতি আৰু ইহঁতৰ বিস্তৃতি**

| বেত প্ৰজাতি | ৰাজ্যসমূহ | | | | | | |
|---|---|---|---|---|---|---|---|
| | ১* | ২* | ৩* | ৪* | ৫* | ৬* | ৭* |
| জাতিবেত (*Calamus tenuis*) | + | + | + | + | + | | + |
| চুলিবেত (*Calamus gracilis*) | + | + | | | + | | |
| লেজাইবেত (*Calamus floribundus*) | + | + | | | + | | |
| লেজাই (*C. leptospadix*) | + | + | + | + | + | | |
| ৰাইডাং বেত (*C. flagellum*) | + | + | | | + | | |
| জেংবেত (*C. erectus*) | + | + | | + | + | | |
| চুন্দীবেত (*C. guruba*) | + | | | | + | | |
| সৌকাবেত (*C. namberiensis*) | + | + | | | | | |
| জালি/ওৰণাবেত (*C. mastersianus*) | + | | | | | | |
| টাকিট (*C. latifolia*) | + | + | + | | + | | |
| টাৰে (*C inermis*) | | + | + | + | + | | |
| জায়ে (*C. arunachalensis*) | | + | | | | | |
| খাচিবেত (*Calamus khasianas*) | + | + | | | + | | |
| ভিমিনেলিট (*C. viminalis*) | + | | | | | | |
| কিংগিয়েনাচ (*C. kingianus*) | + | | | | + | | |
| একান্থস্পেডিস্ক (*C. acanthospadix*) | + | + | | | + | | |
| হাতীবেত (*Plectocomia assamica*) | + | + | | | | | |
| পানীবেত (*Plectocomia bractealis*) | + | + | | | | | |
| হিমালয়বেত (*P. himalayana*) | | + | + | | | | |
| খাচীয়াবেত (*P.khasiana* ) | | | | | + | | |
| জালাক্কা/জেং (*Zalacca secunda*) | | + | | | | | |
| ডে'মনৰপচ্ জেনকিনচিয়ানা (*Daemonorop jenkinsiana*) | + | + | | | + | + | + |

*১) অসম, *২) অৰুণাচল, *৩) নাগালেণ্ড *৪) মনিপুৰ, *৫) মেঘালয়, *৬) মিজোৰাম *৭) ত্ৰিপুৰা

বেত সাধাৰণতে ৫০ মিটাৰ উচ্চতাৰ পৰা ১২০০ মিটাৰ উচ্চতাৰ ভিতৰত পোৱা যায় যদিও প্রজাতি ভেদে ইয়াৰ তাৰতম্যও হোৱা দেখা যায়। বেত সাধাৰণতে অৰণ্যত থকা অসমান ভূমি ভাগৰ এঢলীয়া গৰা অংশত হোৱা দেখা যায়। কেতবোৰ প্রজাতি আন গছত বগাই ওপৰলৈ উঠা দেখা পানী সহিব পৰা গছৰ লগত ভাল সহযোগিতা ৰাখি সেইবোৰ প্রজাতিৰ গছত বগোৱা দেখা যায়। তেনেবোৰ প্রজাতিৰ বেত সাধাৰণতে আজাৰ, হিজাল, ভেলেউ আদি পানী সহিব পৰা গছৰ ভাল সহযোগিতা ৰাখি সেইবোৰ প্রজাতিৰ গছত বগোৱা দেখা যায়। অসমত জলাহ অঞ্চল, নিম্নভূমি অঞ্চলৰ হাবিত বেতৰ প্রজাতিসমূহ সাধাৰণতে হোৱা দেখা যায়। ইয়াঁতৰ কিছুমান প্রজাতি আমাৰ জনসাধাৰণে খেতি কৰি ব্যৱসায়িক উৎপাদন কৰাও দেখা যায়। তেনে কেতবোৰ বেত প্রজাতি হ'ল- জাতি বেত (*Calamus tenuis*), জেং বেত (*C.erectus*), ৰাইডাং বেত (*C. flagellum*),লেজাই বেত (*Calamus floribundus*), চুন্দি বেত (*C. guruba*), সৌকা বেত (*C. nambariensis*), পাখৰি বেত (*Calamus latifolia*), চুলি বেত (*Calamus gracilis*), গোলাবেত (*Daemonorps jenkinsianus*) আৰু ৰাংকলি বেত (*Calamus leptospadix*) আদি। অসমীয়া সমাজত বেতৰ ব্যৱহাৰ বহুত। বেতৰ চকী-মেজ, আচবাবে বৰ্তমান বিদেশী বজাৰো আৰ্কষণ কৰিব পাৰিছে। গতিকে কৃষি বননীকৰণৰ অংশ হিচাপে বেতৰ খেতিৰ যোগেদি আবাদী ভূমিৰ উন্নয়ন আৰু বনভূমিৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ আৰ্থিক উন্নতি ঘটাব পাৰি। তদুপৰি বেতেৰে অসমীয়া শিল্পী কুশলীয়ে বিভিন্ন জনপ্রিয় গহনা-গাঁঠৰি তৈয়াৰ কৰি বেচাও দেখা যায়। উত্তৰ-পূব ভাৰতৰ গাতে লাগি থকা চীন, ইণ্ডোনেছিয়া, থাইলেণ্ড, ম্যানমাৰ, শ্রীলংকা, বাংলাদেশ, মালয়ছিয়া আৰু আনকি আফ্রিকা মহাদেশৰো কিছুমান ঠাইত বেত পোৱা যায়।

ব্যৱহাৰিক দিশৰ পৰা বাঁহ হ'ল উত্তৰ-পূব ভাৰতৰ জনজীৱনৰ সৰ্বাধিক কামত ব্যৱহাৰ হোৱা একমাত্র জৈৱসম্পদ। ইয়াৰ বিভিন্ন প্রজাতি সমূহ (তালিকা-১) অঞ্চলটোৰ থলুৱা জনসাধাৰণে জন্ম হোৱা শিশুৰ নাভি কটাৰ পৰা আৰম্ভ কৰি মৃতকৰ শৰ দাহলৈকে প্রায় ১৫০০ ৰো অধিক কামত ব্যৱহাৰ কৰে। থূলমূলকৈ বাঁহৰ ব্যৱহাৰসমূহ চাৰিটা ভাগত আলোচনা কৰিব পাৰি। যেনে-

১) গাঁওবাসীৰ ঘৰুৱা ব্যৱহাৰ (খাদ্য, ঔষধ,ঘৰসজা, খৰি আৰু জেওৰা-জপনা দিয়া কামত বাঁহ থলুৱাভাৰে বহুল হাৰত ব্যৱহাৰ কৰা দেখা যায়)।

২) কুটীৰ শিল্পজাত সামগ্ৰী তৈয়াৰ কৰা (ঘৰুৱা আচবাব,সাজ-সৰঞ্জাম, মাছ ধৰা আৰু কৃষি কৰ্মৰ বিভিন্ন সজুঁলি তৈয়াৰ কৰা)

৩) গ্রাম্য আৰু নগৰৰ বজাৰত বাঁহৰ বিক্রীৰ বাবে আৰু

৪) অঞ্চলটোত থকা কাগজ কল সমূহৰ চাহিদা পূৰণৰ বাবে বাঁহৰ বিক্ৰী আদি।

বাঁহ অসমীয়া সমাজৰ সাহ। অসমীয়া দৈনন্দিন জীৱন, সংস্কৃতিৰ প্রতিটো ঢাপতেই বাঁহৰ ব্যৱহাৰ হয়। অসমত কেইবাটাও প্রজাতিৰ বাঁহ খেতি কৰা হয়। তাৰ ভিতৰত প্রধানকৈ বৰিয়লা (*Bambusa bulgaris*), জাতিবাঁহ (*Bambusa tulda*), মকালবাঁহ (*Bambusa nutans*), ভলুকাবাঁহ (*Bambusa balcooa*),বজালবাঁহ (*Pseudostachyum polymorphum*), কাক'বাঁহ (*Dendrocalamus hamiltonii*), বিজুলী বাঁহ (*Bambusa pollida*), দলৌ বাঁহ (*teinostachyum dullooa*), মল বাঁহ (*Dendrocalamus strictus*),আৰু মুলিবাঁহ (*Melocana bacifera*), আদি। এটা সমীক্ষা অনুসৰি প্রায় ১৬ টা প্রজাতিৰ বাঁহক উত্তৰ-পূব ভাৰতৰ জনসাধাৰণে ইয়াৰ কুমলীয়া গাজ খাদ্য হিচাপে পাচলি নাইবা আচাৰ ৰূপত গ্রহণ কৰে। দেশ-বিদেশত বাঁহৰ বৰ্দ্ধিত চাহিদালৈ চাই ইয়াৰ খেতিৰ যোগেদি আৰু আচবাব তৈয়াৰ কৰা উদ্যোগ গঢ়ি নিবনুৱাৰ সংস্থানৰ লগতে অসমৰ জনসাধাৰণ অৰ্থনৈতিক ভাৱে লাভবান হ'ব পাৰিব বুলি ক'ব পাৰি। উল্লেখযোগ্য যে অসমত বাঁহ খেতি পৰম্পৰাগত কৃষি বননীকৰণৰ অংশবিশেষ। ◇

# কৃষকৰ পৰম বন্ধু - ই. পি.এন.

* অৰূপ কুমাৰ শৰ্মা

খেতি এডৰাৰ অনিষ্টকাৰী কীট পতংগসমূহক নিয়ন্ত্ৰণ কৰি ৰাখে সিহঁতৰ কিছুমান প্ৰাকৃতিক শত্ৰুৱে। কিছুমান পৰজীৱী, কীট-পোক-পৰুৱা তথা কিছুমান ৰোগ সৃষ্টিকাৰী (ভাইৰাছ, বেক্টেৰিয়া, ভেঁকুৰ আদি) অনুজীৱই শস্যৰ অনিষ্টকাৰী কাট-পতংগবোৰক দমন কৰি ৰাখে; স্বাভাৱিকতে কীট-পতংগৰ এই প্ৰাকৃতিক শত্ৰুবোৰ কৃষকৰ পৰম বন্ধু। এই প্ৰাকৃতিক শত্ৰুবোৰৰ আধিক্য ঘটাই খেতি এডৰাৰ অনিষ্টকাৰী পোক-পৰুৱা নিয়ন্ত্ৰণ কৰিব পাৰি। এটা জীৱৰ দ্বাৰা আন এটা জীৱৰ এনে নিয়ন্ত্ৰণ পদ্ধতিক জৈৱ নিয়ন্ত্ৰণ (Biological control) বোলা হয়। জৈৱ নিয়ন্ত্ৰণ ব্যৱস্থাটো একাধিক গুণেৰে সমৃদ্ধ, যেনে-

(১) জৈৱ নিয়ন্ত্ৰণ ব্যৱস্থা পৰিৱেশৰ বাবে অনুকূল; ৰাসায়নিক কীটনাশকৰ পৰা হোৱা পৰিৱেশ প্ৰদূষণ এই ব্যৱস্থাত নহয়।

(২) নিয়ন্ত্ৰণ মন্থৰ হ'লেও দীৰ্ঘম্যাদী।

(৩) কোনো কোনো ক্ষেত্ৰত প্ৰথমছোৱাত জৈৱ নিয়ন্ত্ৰণ ব্যৱস্থা খৰচী হ'লেও দীৰ্ঘদিনত ই কীটনাশকতকৈ মিতব্যয়ী।

(৪) কীটনাশকে ঢুকি নোপোৱা, লুকাই থকা পোক-পৰুৱাও জৈৱ নিয়ন্ত্ৰণৰ দ্বাৰা ধৰাশায়ী হয়।

(৫) কীটনাশকৰ অপপ্ৰয়োগৰ ফলত সৃষ্টি হোৱা কীটনাশকক কেৰেপ নকৰা প্ৰতিৰোধী পোক-পৰুৱা এই ব্যৱস্থাত সৃষ্টি নহয়।

(৬)খেতিডৰাৰ পৰিচৰ্যা সুন্দৰ তথা সময়োচিত হ'লে জৈৱ নিয়ন্ত্ৰণ অধিক ফলপ্ৰসু হয়; ফলস্বৰূপে কীটনাশকৰ প্ৰয়োজন একেবাৰে নহয় বা বহুত কম হয়। ইত্যাদি।

ভাইৰাছ, বেক্টেৰিয়া, ভেঁকুৰ আদিৰ দৰে কিছুমান কৃমিয়েও পোক-পৰুৱাক ৰোগাক্ৰান্ত কৰিব পাৰে। পোক-পৰুৱাৰ ৰোগ সৃষ্টি কৰিব পৰা এনে কৃমিক ইংৰাজীত " এন্টোমোপেথোজেনিক নিমাটোড"(Entomopathogenic Nematode) চমুকৈ ই পি এন বুলি কোৱা হয়। মুখ্যতঃ মাটিত বাস কৰা এই কৃমিবোৰে কীট-পতংগৰ মাটিত বাস কৰা জীৱন অৱস্থাটোক আক্ৰান্ত কৰে। উল্লেখযোগ্য যে প্ৰায় ৯০ শতাংশ কীট-পতংগৰ একোটা জীৱন অৱস্থা (যেনেঃ লেটা অৱস্থা) মাটিত বাস কৰে। উক্ত কৃমিবোৰক পৰীক্ষাগাৰত বৰ্দ্ধিত হাৰত সংখ্যা বঢ়াই খেতিপথাৰত প্ৰয়োগ কৰি মাটিত বাস কৰা কীট-পতংগ সমূহক নিয়ন্ত্ৰণ কৰিব পাৰি।

ই.পি. এন বোৰ আমি সচৰাচৰ দেখি থকা কৃমিৰ দৰেই চুঙাকৃতিৰ, কেতিয়াবা দুইমূৰ জোঙা, বগা বা স্বচ্ছ কিন্তু বলয়হীন আৰু অনুজীৱৰ দৰে ক্ষুদ্ৰ আকাৰৰ বাবে খালী চকুৰে ইহঁতক মনিব নোৱাৰি।

এই কৃমিবোৰে পোক-পৰুৱাৰ ৰোগ সৃষ্টি কৰা প্ৰক্ৰিয়াটো আমোদজনক। ইহঁতে কৈশোৰ অৱস্থাত মাটিত বাস কৰি থকা পোক-পৰুৱাৰ মুখ, পায়ু আৰু শ্বাসৰন্ধ্ৰইদি প্ৰৱেশ কৰি দেহৰ ভিতৰ ভাগত (প্ৰথমে পাকস্থলী, শ্বাসনলীয়েদি আৰু পিছলৈ ৰক্তপ্ৰবাহত) বিস্তাৰিত হৈ পৰে। পিছলৈ কৃমিবোৰে দেহত বহন কৰি অনা কিছুমান বেক্টেৰিয়া আক্ৰান্ত পোকটোৰ ৰক্ত প্ৰবাহত মেলি দিয়ে। প্ৰকৃতাৰ্থত এই বেক্টেৰিয়াবোৰেহে পোকটোৰ দেহত ৰোগৰ সৃষ্টি কৰে, কৃমিবোৰ বাহকহে মাত্ৰ। মন কৰিবলগীয়া যে কৃমিবোৰৰ অনুপস্থিতিত বেক্টেৰিয়াবোৰে পোক-পৰুৱাৰ দেহত প্ৰৱেশ কৰিব নোবাৰে। উল্লেখনীয় যে ২৪-৭২ ঘন্টাৰ ভিতৰতে এনে কৃমিৰদ্বাৰা আক্ৰান্ত পোক-পৰুৱাৰ মৃত্যু ঘটে।

অনুজীৱৰ সদৃশ এই কৃমিবোৰ বতাহ, বৰষুণ, বোৱতী পানী, জীৱ-জন্তুৰ গছকত যোৱা মাটি আৰু আক্ৰান্ত পোক-পৰুৱাৰদ্বাৰা বহু দূৰলৈ বিস্তাৰিত হোৱা দেখা যায়। মাটিৰ প্ৰকাৰ, মাটিত থকা পানীৰ পৰিমাণ, উষ্ণতা, ৰ'দৰ প্ৰকোপ, প্ৰজনন ক্ষমতা, কৃমিৰ সংখ্যা আদি বিভিন্ন কাৰকে এই কৃমি সমূহৰ জীৱন, জীৱনকাল, প্ৰজনন ক্ষমতা আদিৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে বালিচহীয়া জীপাল হৈ থকা মাটিত ১৫-২৫° চে. উষ্ণতাত এই কৃমিবোৰ বহুদিনলৈ জীয়াই থাকে।

আমাৰ দেশৰ বিভিন্ন প্ৰান্তত হোৱা গৱেষণাৰ যোগেদি দুকুৰিতকৈও অধিক প্ৰজাতিৰ ই.পি.এন আৱিষ্কাৰ হৈছে আৰু ইয়াৰে কেইটামান প্ৰজাতিৰ বংশ বিস্তাৰ ঘটাই কৃষিক্ষেত্ৰত ব্যৱহাৰৰ উপযোগী কৰা হৈছে। বিশেষকৈ একোটা সুস্থিৰ বাতাবৰণত যেনে; ফুলৰ নাৰ্ছাৰী,

* অৰূপ কুমাৰ শৰ্মা অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ তথা ডিব্ৰুগড়ৰ লাহোৱালস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ, ডিব্ৰুগড়ৰ এগৰাকী কৃষি বিশেষজ্ঞ

বীজথলী, কাঠফুলা, সেউজগৃহ আদিৰ পোক-পৰুৱা নিয়ন্ত্ৰণত এই কৃমিবোৰ বাৰুকৈয়ে ফলদায়ক; কিন্তু মুকলি পৰিশেত, য'ত বতৰৰ তাৰতম্য বেছি, ইয়াৰ পোক-পৰুৱা নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা কম হোৱা দেখা যায়। উদাহৰণস্বৰূপে, খেতিডৰাত পানী বেছি থাকিলে উষ্ণতা ৩৫° চেন্টিগ্ৰেডতকৈ বেছি হ'লে বা প্ৰখৰ ৰ'দত ইয়াৰ পৰা সুফল পোৱা নাযায়। অৱশ্যে বহু ক্ষেত্ৰত দেখা গৈছে যে প্ৰায়োগিক দিশত হোৱা ভুলৰ বাবেহে এই কৃমিবোৰৰ কাৰ্যদক্ষতা কমে। প্ৰধানতঃ নিয়ন্ত্ৰণ কৰিবলগীয়া পোক-পৰুৱাৰ প্ৰজাতিৰ বিপৰীতে ব্যৱহৃত ই.পি.এন প্ৰজাতিৰ নিৰ্বাচন ভুল হোৱা দেখা যায়। গতিবিধি নিৰীক্ষণ কৰি দেখা গৈছে যে কিছুমান ই.পি.এন একে ঠাইতে ৰৈ থাকে আৰু গাৰ ওচৰেৰে পোক-পৰুৱা পাৰ হ'লেই তাক আক্ৰমণ কৰে। আনহাতে কিছুমান প্ৰজাতি অতিকৈ চলনশীল হোৱা দেখা যায় আৰু সেয়ে সিহঁতে পোক-পৰুৱা বিচাৰি আক্ৰমণ কৰিব পাৰে।

আলোচ্য কৃমি সমূহ যিদৰে মাটিত বাস কৰা পোক-পৰুৱা নিয়ন্ত্ৰণত সফল, সেইদৰে কিন্তু শস্যৰ গা-গছ, ডাল-পাত আদিত লগা পোক-পৰুৱাবোৰ নিয়ন্ত্ৰণত সচৰাচৰ সফল নহয়। কিয়নো সূৰ্যৰ প্ৰখৰ ৰ'দত ইহঁত শুকাই মৃত্যু মুখত পৰে। অৱশ্যে ই.পি.এন বিষয়ক গৱেষণাই এই অসুবিধা দূৰ কৰি কৃষক ৰাইজক অধিক উপকৃত কৰিব বুলি আশা কৰিব পাৰি।

মন কৰিবলগীয়া যে এই কৃমিবোৰে কেৱল পোক-পৰুৱাকহে আক্ৰমণ কৰি ৰোগাক্ৰান্ত কৰে, কোনো চৰাই-চিৰিকতি, পশু-পক্ষী অথবা স্তন্যপায়ী প্ৰাণী ইয়াৰদ্বাৰা আক্ৰান্ত নহয়। কৃষক ৰাইজৰ লগতে কৃষি সম্প্ৰসাৰণ কৰ্মী তথা জনসাধাৰণ এই ক্ষেত্ৰত সজাগ হোৱা উচিত যাতে ৰাসায়ানিক কীটনাশক দৰবৰ অপ-প্ৰয়োগৰ ফলত কৃষিভূমিত প্ৰাকৃতিকভাৱে থকা এই বন্ধুসম ই.পি.এন সমূহ নিঃশেষ হৈ নাযায়। ◇

**৩নং বেটুপাতৰ পৰা — বেংকে পৰিশোধ নকৰাৰ ক্ষেত্ৰত চাৰফেইচি আইন**

যি সকল এই নিলামৰ বাবে ডাক দিবলৈ অৰ্থাৎ সহাঁৰি জনাবলৈ আগ্ৰহী তেওঁলোকে চীল-মোহৰ মৰা বন্ধ খামত নিজৰ ডাক মূল্য বেংকত দাখিল কৰিব লাগে আৰু লগতে আণেষ্ট ধনো জমা কৰিব লাগে। সেই ধনখিনি আবেদনকাৰীয়ে নিজৰ নিলাম ডাক উঠাই ললে কিম্বা নিলামত সফল ন'হলে ঘূৰাই দিব পৰা যায়।

এই চীল-মোহৰ মৰা লেফাফাবোৰ নিলামৰ দিনা ডাক দিওঁতাজনৰ উপস্থিতিত খোলা হয় আৰু সৰ্বাধিক ডাক দিওঁতাজনৰ নাম ঘোষণা কৰা হয়। যদি এজনেই জয়ী হয় , তেনেহ'লে তেওঁ যে ক্ৰয় কৰিব সেই বিষয়ে নিশ্চিত কৰিবৰ বাবে ডাক দিয়া ধনৰাশিৰ ২৫ শতাংশ আদায় দিব লাগিব। এই ক্ষেত্ৰত সুবিধা হ'ল এইটোৱেই যে এনেবোৰ সম্পত্তি বজাৰৰ মূল্যতকৈ ২০-৩০ শতাংশ সস্তা হয়। সম্পত্তি অধিকাৰৰ ক্ষেত্ৰতো স্বচ্ছতা থাকে, কিয়নো বেংকে পূৰ্বতেই সম্পত্তিখিনিৰ বাবে ধন আদায় দিয়ে। এটা অসুবিধা হ'ল এনে সম্পত্তি এটা চৰ্ত্তত হয়তো বিক্ৰী কৰা হৈছে আৰু সেই চৰ্ত্তৰ বাবেই আইনী ব্যৱস্থাৰ বিচাৰ অধীন হৈ আছে। সেয়ে হ'লে তেনে মোকৰ্দমা আদি স্বয়ংক্ৰিয়ভাৱে নিলামত জয়ী হোৱা জনলৈ হস্তান্তৰিত হ'ব।

চাৰফেইচি আইন, ২০০২ ৰদ্বাৰা ক্ষমতা প্ৰদান কৰিবৰ কাৰণে ৰিজাৰ্ভ বেংকে পঞ্জীয়ন, সম্পত্তিৰ পুনৰগাঁথনি , বিত্তীয় সম্পত্তিৰ অধিগ্ৰহণ আদিৰ বাবে নীতি-নিৰ্দ্দেশনা জাৰি কৰে। সেয়া হ'ল "দি চিকিউৰিটাইজেচন কম্পেনিজ এণ্ড ৰিকন্ছষ্ট্ৰাকছন কম্পেনিজ (ৰিজাৰ্ভ বেংক) গাইডলাইনছ্ এণ্ড ডিৰেক্চন, ২০০৩। শেহতীয়াকে যিবোৰ এন বি এফ চি ৰিজাৰ্ভ বেংকত পঞ্জীকৰণ কৰা হৈছে আৰু যিবোৰৰ সম্পত্তিৰ আকাৰ ৫০০ কোটি টকা আৰু ততোধিক পৰিমাণৰ সেইবোৰক ২০১৫-১৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত উল্লিখিত আইনৰ হিচাপত "বিত্তীয় প্ৰতিস্থান" ৰূপে এতিয়া বিবেচনা কৰা হব।

# অসমৰ ফুলৰ বাণিজ্য সম্ভাৱনীয়তা আৰু সমস্যা

*** মুনু দেৱী**

ফুল প্ৰেম, প্ৰশান্তি আৰু সৌন্দৰ্য্যৰ প্ৰতীক। ফুলৰ সৌন্দৰ্য্যই মানুহৰ মনলৈ আনি দিয়ে প্ৰেৰণা, উন্মাদনা আৰু অনাবিল আনন্দ। ফুলৰ সুন্দৰ ৰং আৰু গোন্ধে আমাক সততে আকৰ্ষণ কৰে। সেয়েহে জীৱ শ্ৰেষ্ঠ মানুহে অতীজৰে পৰাই ফুলক জন্ম, মৃত্যু, বিবাহকে আদি কৰি সকলো সমাজিক অনুষ্ঠানতে পৱিত্ৰতাৰে ব্যৱহাৰ কৰি আহিছে। পূজা-পাৰ্বন আদিত ফুল অপৰিহাৰ্য্য। ফুলে যে কেৱল সৌন্দৰ্য্যৰ বাবেই মানুহক আকৰ্ষণ কৰি আহিছে এন নহয়। সৌন্দৰ্য্যৰ বাবে অথবা পূজা-পাৰ্বন আদিৰ ব্যৱহৃত হোৱাৰ উপৰিও ফুলৰ এনে কিছুমান গুণ আছে যাৰ বাবে বহুতো ফুল অন্য বহু কামত ব্যৱহৃত হৈ আহিছে। ফুলৰ এনে ধৰণৰ কিছুমান বিশেষ ব্যৱহাৰ হ'ল-

**১) প্ৰসাধন সামগ্ৰী উৎপাদনত ফুলৰ ব্যৱহাৰ ঃ** বহুতো ফুল নানাধৰণৰ প্ৰসাধন সামগ্ৰী উৎপাদনত ব্যৱহাৰ কৰা হয়। সুগন্ধি বা আতৰ, চাবোন, তেল, মলম আদি উৎপাদনত কিছুমান ফুলৰ পাহি বা ৰস ব্যৱহাৰ কৰা হয়। গোলাপ, নাৰ্জী, ৰজনীগন্ধা, বিভিন্ন অৰ্কিড, পদুম আদি ফুল সাধাৰণতে প্ৰসাধনিক সামগ্ৰী উৎপাদনত ব্যৱহৃত হয়।

**২) খাদ্য হিচাপে ফুলৰ ব্যৱহাৰ ঃ** যদিও ফল-মূল বা শাক-পাচলিৰ দৰে সততে ফুলক এবিধ প্ৰধান খাদ্য হিচাপে ব্যৱহাৰ কৰা নহয় তথাপি বহুক্ষেত্ৰত কিছুমান ফুলক খাদ্যত এবিধ উপাদেয় হিচাপে ব্যৱহাৰ কৰা হয়। শেৱালি, তগৰ আদি ফুল পকৰা তৈয়াৰ কৰিব পৰা যায়। পদুমৰ আলু আৰু কুমলীয়া পাত শাক হিচাপে খাব পাৰি। তদুপৰি পদুমৰ আলুৰ পৰা চিপ্‌ছ তৈয়াৰ কৰা হয়। এই আলুত বুজন পৰিমাণৰ প্ৰ'টিন, চৰ্বী কেলচিয়াম আৰু ভিটামিন চি থাকে।

**৩) ৰোগ নিৰাময়ত ফুলৰ ব্যৱহাৰ ঃ** নানাধৰণৰ ৰোগ ব্যাধিৰ চিকিৎসাত ফুল গছৰ বিভিন্ন অংশৰ ব্যৱহাৰ অতীজৰে পৰাই চলি আহিছে। প্ৰায়বিলাক সৌন্দৰ্য্য বৰ্ধক ফুল গছৰেই এটা নহয় এটা অংশ ঔষধি গুণ সম্পন্ন হয়। প্ৰাচীন আয়ুৰ্বেদত নানা ধৰণৰ ৰোগৰ চিকিৎসাত ফুলৰ ব্যৱহাৰৰ কথা পোৱা যায়। ৰক্তক্ষৰণ বন্ধ কৰিবলৈ, ঘাঁ শুকুৱাবলৈ, গাৰ বিষ, বন্ধ্যাত্ব আদিৰ চিকিৎসাত উত্তৰ-পূৰ্বাঞ্চলৰ জন-জাতীয় লোক সকলে অতীজৰে পৰাই নানা ধৰণৰ অৰ্কিড ব্যৱহাৰ কৰি আহিছে। কটা ঘাঁ, ঘাম গাঁৰ , কাণৰ বিষ, চকুৰ ৰোগ আদিৰ চিকিৎসাত নাৰ্জীফুলৰ পাত, ফুল আদি বিভিন্ন অংশ ব্যৱহাৰ কৰা হয়। ৰজনীগন্ধাৰ ফুল আৰু কাণ্ড ছালৰ বহুতো ৰোগ, শালমন, গনৰিয়া আদিৰ চিকিৎসাত ব্যৱহৃত হৈ আহিছে। লিলিফুলৰ কলি আৰু শুকান ফুল খাদ্যৰ ৰুচিবৰ্ধক হিচাপে ব্যৱহাৰ কৰা হয় আৰু ই জিংকৰ এবিধ উৎকৃষ্ট উৎস। গোলাপ ফুলৰ পৰা প্ৰস্তুত কৰা গোলাপ জল চকুৰ ৰোগত উপকাৰী। হাঁপানি, উচ্চ ৰক্তচাপ, স্নায়ৱিক দুৰ্বলতা ইত্যাদি উপশমৰ বাবে ব্যৱহৃত 'এৰ'মা থেৰাপি' (সুগন্ধিৰদ্বাৰা চিকিৎসা) ত নানা ধৰণৰ সুগন্ধি ফুল ব্যৱহাৰ কৰা হয়।

মুঠৰ ওপৰত মানৱ জীৱনত ফুলৰ ব্যৱহাৰ বহুমুখী আৰু ই অপৰিহাৰ্য্য। সেয়েহে গোটেই বিশ্বতে ফুলৰ উচ্চ চাহিদা আৰু ইয়াৰ বৃহৎ বজাৰ বিদ্যমান।

প্ৰকৃতিৰ এটা অনবদ্য দান অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল নানা ধৰণৰ ফুলৰ ৰম্যভূমি। এই অঞ্চলৰ মাটি, জলবায়ু তথা প্ৰাকৃতিক পৰিৱেশ নানা ধৰণৰ ৰং-বিৰঙৰ ফুল- লতিকাৰ বাবে অতি অনুকূল। সেয়েহে ইয়াত বহু ধৰণৰ ফুল বহুল পৰিমাণে পোৱা যায়। অসমৰ মাটিত সততে হোৱা ফুল বিলাক হ'ল - গোলাপ, তগৰ, পদুম, ভেট, শেৱালি, জবা, গুটিমালী, নাৰ্জী, নাহৰ, কেতেকী, কপৌফুল, ভাটৌফুল, ইন্দ্ৰমালতী, গধূলিগোপাল, কৰবী, কথনা আদি। তদুপৰি সম্প্ৰতি আমদানিকৃত বহু কেইবিধ ফুল যেনে — গ্লেডিঅ'লা, এনথুৰিয়াম, জাৰবেৰা, ইনকা (চাপৰ নাৰ্জী), ডালিয়া, ফ্লক্‌, আদিৰ খেতিও ৰাজ্যখনত বহুল পৰিমাণে কৰা হৈছে।

অসমত দেশৰ ভিতৰতে বুজন পৰিমাণৰ ফুল উৎপাদন হয় যদিও এতিয়াও ৰাজ্যখনলৈ বছৰি কোটি টকাৰ ফুল বহিঃ ৰাজ্যৰ পৰা আমদানি কৰা হয়। ৰাজ্যখনৰ মুঠ চাহিদাৰ ৫০ শতাংশ ফুলহে স্থানীয় ভাৱে উৎপাদিত হয়। শেহতীয়া তথ্য মাত অসমত প্ৰায় ১২০০ হেক্টৰ মাটিত ফুলৰ খেতি কৰা হয় আৰু ই উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বমুঠ ফুল উৎপাদনৰ ৫৫ শতাংশ উৎপন্ন

*** মুনু দেৱী অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বতৰ বিজ্ঞান বিভাগৰ গৱেষণা সহযোগী**

কৰে। অসমত কৰা ফুল খেতিৰ ভিতৰত প্ৰধান হৈছে নাৰ্জী ফুল। ৰাজ্যখনৰ ৫০০ হেক্টৰ মাটিত কৰা নাৰ্জী ফুলৰ খেতিৰ পৰা বছৰি উৎপাদন হয় প্ৰায় ৬০০০ টন ফুল। অসমত উৎপাদিত অন্যান্য উল্লেখযোগ্য ফুল হ'ল — ৰজনীগন্ধা, জাৰবেৰা, গ্লেডিঅ'লা, এনথুৰিয়াম, পদুমফুল আৰু বিভিন্ন অৰ্কিড আদি।

দেখা যায় অসমৰ মুঠ ফুল উৎপাদনৰ ৫০ শতাংশহে বাণিজ্যিক ভিত্তিত উৎপাদিত। বাকী ৫০ শতাংশই ঘৰুৱা ভাৱে ঘৰৰ শোভাবৰ্ধন অথবা চখৰ কাৰণে উৎপাদন কৰা, যিবিলাকে পূজা-পাৰ্বন, বিয়া-সবাহ আদি ঘৰুৱা প্ৰয়োজন পূৰণ কৰে। ফুল খেতি অসমৰ কৃষকৰ বাবে আজিও অপৰম্পৰাগত কৃষি কাৰ্য্য হিচাপে পৰিগণিত হৈ আহিছে। সেয়েহে কৃষক সকল বহল ভিত্তিত ফুল খেতি কৰিবলৈ আগ্ৰহী নহয়। তদুপৰি ছিঙাৰ পিছত ফুলৰ ব্যৱহাৰ যোগ্যতা অচিৰেই হ্ৰাস পায়। ইয়াক সংৰক্ষণ কৰিবৰ বাবে শীতল ভৰাল অপৰিহাৰ্য্য। অসমৰ ফুলৰ বজাৰখন গুৱাহাটীতেই কেন্দ্ৰীভূত; সেয়েহে ৰাজ্যৰ অন্যান্য অঞ্চলৰ কৃষক সকলে বজাৰৰ বাবে অসুবিধা ভুগিব লগা হয়। অসমৰ এতিয়াও বেছিভাগ অঞ্চলতেই দ্ৰুতগামী পৰিবহন ব্যৱস্থাৰ অভাৱ। যাতায়াতৰ উন্নয়নে ফুলৰ ব্যৱসায়ৰ যে উত্তৰণ ঘটাব ই নিশ্চিত। তদুপৰি সমবায় ভিত্তিত খেতি কৰিও খেতিয়কসকল সফলকাম হ'ব পাৰিব। ফুলৰ বহুমুখী ব্যৱহাৰৰ বাবে ফুল উৎপাদিত অঞ্চলৰ আশে-পাশে পুষ্প ভিত্তিক উদ্যোগ গঢ়ি উঠাৰো সম্ভাৱনা প্ৰচুৰ।

ফুল অথবা পুষ্পজাত সামগ্ৰীৰ বজাৰ মূল্য অন্য কৃষিজাত সামগ্ৰীৰ তুলনাত যথেষ্ট বেছি। তদুপৰি আন্তৰ্জাতিক বজাৰত ফুলৰ চাহিদা দিনক দিনে বৃদ্ধি পাই আহিছে। জাৰ্মানী, আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স, নেডাৰলেণ্ডছ, ইটালী, বেলজিয়াম আৰু জাপান হৈছে ফুল আমদানি কৰা দেশ সমূহৰ ভিতৰত অন্যতম। এই দেশ সমূহে বিশ্বৰ ৭০ শতাংশ ফুল ক্ৰয় কৰে আৰু এই দেশ সমূহলৈ প্ৰধানকৈ ডেনমাৰ্ক, নেডাৰলেণ্ডছ, কলম্বিয়া, কেনিয়া, কানাডা আদি দেশৰ পৰা ফুল ৰপ্তানি হয়।

সম্প্ৰতি ভাৰতকে ধৰি এছিয়া মহাদেশৰ বহু কেইখন দেশতো ফুলৰ ব্যৱসায় বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতৰ পৰা প্ৰতি বছৰে ইউৰোপ আৰু আমেৰিকালৈ প্ৰায় ১০০ নিযুত ডলাৰ মূল্যৰ ফুল ৰপ্তানি হয়। ভাৰতৰ ফুল উৎপাদন তথা বাণিজ্যত কৰ্ণাটক, মহাৰাষ্ট্ৰ আদি ৰাজ্যই প্ৰভুত্ব বিস্তাৰ কৰি আহিছে।

অসমৰ মাটি আৰু জলবায়ু যিহেতু ফুল খেতিৰ বাবে অতি অনুকূল সেয়েহে ৰাজ্যখনত নাৰ্জী, গোলাপ, গ্লেডিঅ'লা, ৰজনীগন্ধা; জাৰবেৰা আদিৰ খেতি ব্যৱসায়িক ভিত্তিত কৰি লাভৱান হোৱাৰ সম্ভাৱনা প্ৰকট। তদুপৰি পুষ্প ভিত্তিক সৰু-বৰ উদ্যোগো গঢ়ি তুলিব পৰা যায়, য'ত বহু নিবনুৱাৰ নিয়োজনৰ পথ মুকলি হ'ব পাৰে। অসমৰ জলবায়ু বহু অৰ্কিডৰ বাবে সুচল। ভাৰতবৰ্ষত পোৱা প্ৰায় ১৫০০ বিধ প্ৰজাতিৰ অৰ্কিডৰ ভিতৰত কেৱল উত্তৰ-পূৰ্বাঞ্চলতেই পোৱা যায় ৮০০ তকৈও অধিক প্ৰজাতি। অৰুণাচল প্ৰদেশত সৰ্বাধিক ৫৫০ বিধ প্ৰজাতি পোৱা যায়। অসমৰ পৰ্বত- ভৈয়ামত ১৮২বিধ অৰ্কিড সিঁচৰতি হৈ আছে। গতিকে চাহিদা অনুযায়ী বিভিন্ন অৰ্কিডৰ বিস্তৃত ভাৱে খেতি কৰিও ফুলৰ আন্তৰ্জাতিক বজাৰত ফেৰ মাৰিব পৰা যাব। অৱশ্যে এনেবোৰ বজাৰত গুণগত মানৰ ফুল গোটেই বছৰ ধৰি নিৰৱচ্ছিন্ন ভাৱে যোগান ধৰিবলৈ হ'লে মুকলি পথাৰৰ পৰিৱৰ্তে সেউজগৃহত উৎপাদন কৰিলেহে সফলকাম হ'ব। তদুপৰি স্থানীয়ভাৱে একোখন সংগঠিত বজাৰৰ নিতান্তই আৱশ্যক। এই ক্ষেত্ৰত কৃষক তথা উদ্যমী লোকৰ ব্যক্তিগত প্ৰচেষ্টাৰ লগতে চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাও বাঞ্চনীয়। সম্প্ৰতি নেডফি (NEDFI), নাবাৰ্ড (NABARD), চৰকাৰী কৃষি বিভাগ (উদ্যান শস্য বিভাগ) আদিয়ে ৰাজ্যখনত ফুল খেতি তথা ফুলৰ বাণিজ্যত উদ্‌গনি যোগাৱাৰ উদ্দেশ্যে কিছু আঁচনি গ্ৰহণ কৰিছে। আশা কৰা হৈছে অদূৰ ভৱিষ্যতে অসমে ফুল উৎপাদন তথা বাণিজ্যৰ ক্ষেত্ৰত দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনতো গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হ'ব।

## আপুনি জানেনে?

# মাইক্ৰোবায়োমৰ গঠনমূলক ক্ৰিয়া

মাইক্ৰোবায়োম শব্দটোৰ আখ্যা দিয়ে জছুৰা লেদাৰবাৰ্গে। ই পৰিপাৰ্শ্বিক জগতৰ সংমিশ্ৰিত গোটৰ অতি ক্ষুদ্ৰ প্ৰতীকি স্বৰূপ এটা পদাৰ্থক বুজায়। এনেবোৰ ক্ষুদ্ৰ জৈৱিক পদাৰ্থ আমাৰ শৰীৰৰ বিভিন্ন অঙ্গত থাকে। তেনে অঙ্গৰ ঠাইবোৰ হ'ল, যেনে আমাৰ নলী, মুখত ওলোৱা লেলাউতি, ছালৰ উপৰিভাগ আৰু গভীৰ তৰপত থাকে। এই ক্ষুদ্ৰ পদাৰ্থসমূহে আমাৰ শৰীৰত নানা ধৰণে উপকাৰী কাম কৰে আৰু তেনেবোৰ ক্ৰিয়া-কলাপেই আমাৰ জীৱনটোলৈ সক্ৰিয়ভাবে বৰঙণি যোগায়। আমি খোৱা খাদ্য হজম কৰিবলৈ সেইবোৰ পদাৰ্থৰ প্ৰয়োজন হয়। দেহৰ ওপৰ ভাগ অৰ্থাৎ পেটৰ একাংশত হজম নোহোৱা কাৰ্ব'হাইড্ৰেইট্‌ৰ পৰা শক্তি উৎপাদন কৰিবলৈ এই মাইক্ৰোবায়োমৰ প্ৰয়োজন হয়। এইবোৰ পদাৰ্থই বাহিৰৰ শৰীৰত প্ৰবেশ কৰা জীৱাণু, অধিবিষ আৰু বিষাণু আদিয়ে সৃষ্টি কৰিব পৰা ৰোগৰ বিৰুদ্ধে স্বাভাৱিক প্ৰাচীৰ ৰূপে কাম কৰে। খাদ্য বা পানীয়জাতীয় সামগ্ৰীৰ জৰিয়তে আমাৰ দেহত আক্ৰমণ কৰিবলৈ বিচৰাৰ পৰাই ৰক্ষা কৰে। সেইবোৰে আৱশ্যকীয় পৌষ্টিক গুণসমৃদ্ধ পদাৰ্থৰো সমাহাৰ ঘটায় আৰু ভিন্ন ধৰণৰ ভিটামিন অৰ্থাৎ খাদ্য প্ৰাণৰ সৰলীকৰণ কাৰ্যত সক্ৰিয়ভাৱে জড়িত হয়। তেনে ভিটামিন হ'ল যেনে— বি-১, বি-২, বি-৩, বি-৬, বি-১২, ফলিক এচিড,পেন্টোথেনিক এচিড,আৰু ভিটামিন কে-২। বাইল এচিদ, ষ্টেৰলৰ মেটাবলিজিমতো ক্ৰিয়া কৰে। এই উপকাৰী ক্ষুদ্ৰ জৈৱিক পদাৰ্থই খাদ্য নলীৰ পৰা পেট তথা তলপেটৰ আবৰণৰ কাষত উৎপত্তি হোৱা পিএইছ নামৰ পদাৰ্থৰ মাত্ৰা হ্ৰাস কৰে আৰু তাৰদ্বাৰাই সেই অঙ্গ বিশেষত অনিষ্টকাৰক জীৱাণুৰে খিতাপি লোৱাত বাধা দিয়ে।

এই মাইক্ৰোবায়োম ১০০ ট্ৰিলিয়নতকৈ অধিক ক্ষুদ্ৰ পদাৰ্থৰে ( মাইক্ৰোঅৰ্গেনিজম) গঠিত। মানৱ দেহত যি কোষ (চেল) আছে তাতোকৈ ই দহ গুণ অধিক। পিছে এই সমগ্ৰ মাইক্ৰোবায়োমৰ ওজন হ'ল মাত্ৰ ২০০ গ্ৰাম । সাধাৰণতে এইবোৰ হানিকাৰক নহয় যেতিয়ালৈকে ইয়াৰ বিকাশ অস্বাভাৱিকভাৱে বৃদ্ধি নেপায়। ই দেহত আন পদাৰ্থৰ লগত সমিল-মিলেৰে থাকে; আৰু সেয়ে ই কোনো ক্ষতি সাধন নকৰে। মানৱ দেহত থকা সৰহভাগ মাইক্ৰোবে জীৱাণুৰ আকাৰ ধাৰণ নকৰে, কিন্তু ই হ'ল অতি পুৰণি একক-কোষৰ পদাৰ্থ — যাক কোৱা হয় "আৰ্কায়া" । আধ্যয়নৰ পৰা এইটো জনা গৈছে যে শৰীৰৰ কোনো নিৰ্দিষ্ট স্থানত এটা সুকীয়া লানিৰ মাইক্ৰোবে ভিন্ন লোকৰ বাবে একেই কাৰ্য সমাধান কৰিব পাৰে। উদাহৰণ স্বৰূপে দুজন লোকৰ জিভাত দুবিধ সম্পূৰ্ণ সুকীয়া এনে পদাৰ্থই একে ধৰণেই চেনী গুড়ি কৰিব পাৰে।

# বেংকে ঋণ পৰিশোধ নকৰাৰ ক্ষেত্ৰত চাৰফেইচি আইন

চমুকৈ চাৰফেইচি আইন বুলি কোৱা হয়। ইয়াৰ সম্পূৰ্ণ নাম হ'ল চিকিউৰাইটেজন এণ্ড ৰিকনষ্ট্ৰাক্চন অব ফিনান্সিয়েল এছেটেছ এণ্ড এনফৰ্চমেন্ট অব চিকুৰিটি ইনটাৰেষ্ট এক্ট। এই আইনখনে বেংকে তথা বিত্তীয় প্ৰতিস্থানসমূহক নিলাম কৰিবলৈ সন্মতি প্ৰদান কৰে যেতিয়া ঋণ লওঁতাই তেওঁলোকৰ আবাসিক অথবা বাণিজ্যিক সম্পত্তিৰ কাৰণে লোৱা ঋণখিনি সময়মতে আদায় দিবলৈ অপাৰগ হয়। ই বেংকসমূহৰ পুনৰোদ্ধাৰ কিম্বা পুনৰগাঁথনিৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা অৱলম্বন কৰি কাৰ্য সাধন নোহোৱা সম্পদখিনি (নন্-পাৰফৰ্মিং এছেটেছ চমুকৈ এন পি এ) হ্ৰাস কৰাত সুচল কৰে।

ধাৰ লওঁতাজনে যদি লেঠাৰিকৈ ছমাহৰ বাবে ঘৰ নিৰ্মাণৰ কাৰণে লোৱা গৃহ ঋণ পৰিশোধ কৰিবলৈ অপাৰগ হয়, তেতিয়া বেংকে তেওঁক ধনখিনি আদায় দিবলৈ ৬০ দিনৰ সময় দিয়ে। পিছে তেনে সুবিধা দিয়া সত্বেও ঋণ লওঁতাই ধন পৰিশোধ কৰিবলৈ আৰম্ভ নকৰে তেনেহলে বেংকে সেই ঋণখিনি এন পি এ ৰূপে ঘোষণা কৰে আৰু ধাৰে দিয়া ধনৰাশি পুনৰোদ্ধাৰ কৰিবৰ বাবে সম্পত্তি নিলাম কৰে। সম্পত্তিৰ বজাৰৰ মূল্য অনুযায়ী নিলাম মূল্য নিৰ্দিষ্ট কৰা হয়। ইয়াৰ ওপৰত আধাৰ কৰি বেংকে এটা ন্যুনতম ডাক মূল্য (বিদ প্ৰাইচ) থিৰ কৰে। যদি বেংকক দিবলগা ধনৰাশিতকৈ অধিক মূল্য লাভ কৰে, তেনেহ'লে সেই অতিৰিক্ত ধনখিনি ঋণ লওঁতাক দিয়ে। এনে নিলামৰ বিষয়েবেংকে কমেও এখন ইংৰাজী আৰু এক আঞ্চলিক ভাষাৰ বাতৰিকাকতত বিজ্ঞাপন দিয়ে। সেই বিজ্ঞাপন নিলামৰ ৩০ দিনৰ আগতে দিব লাগে।

Published on 29th March 2015
Post on 30th to 1st April 2015 March, 2015 ISSN-0971-8371




মুদ্ৰক আৰু প্ৰকাশক ঃ সাধনা ৰাউত, মুৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লেক্স এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচচল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস